DP1163

CONTENTS

BUDGET SESSION

No. 3

Dated, the 13th July, 2011

		Page
1.	Questions and Answers	1-141
2.	Discussion on Zero Hour Matter	142-162
3.	Call Attention Notice	163-174
4.	Matter Under Rule 301	175-179
5.	Announcement from The Chair	180
6.	General Discussion on the Budget	181-257
7.	Adjournment	258
8.	Annexure-I to XXIII	259-1264

* * * * *

DEBATES OF THE
ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 13th July, 2011

The House met at 9-00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 41, Hon'ble Member, Shri Ali Hussain.

বিষয় ঃ শাক-সব্জি উৎপাদন।

শ্রীআলি হুছেইনে সুধিছে ঃ

* ৪১। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলাত শাক-পাচলি অধিক উৎপাদন হয়? শাক-পাচলি অধিক উৎপাদনৰ বাবে চৰকাৰে কোনো আঁচনি হাতত লৈছেনে?

(খ) বৰপেটা, দৰং, নগাঁও, খাৰুপেটীয়াৰ কৃষকসকলে শাক-পাচলিৰ উপযুক্ত মূল্য পাইছেনে?

(গ) যদি পোৱা নাই, উপযুক্ত মূল্য পোৱাৰ বাবে শাক-পাচলি সংৰক্ষণৰ বাবে কিবা আঁচনি হাতত লৈছেনে? (যদি লৈছে তথ্য সহকাৰে জনাব)

(ঘ) ইৰিধানৰ অধিক উৎপাদনৰ কাৰণে সম্প্ৰতি কি কি আঁচনি হাতত লৈছে, তথ্য সহকাৰে জনাব?

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ শাক-পাচলি অধিক পৰিমাণে উৎপাদন কৰা জিলাসমূহ হ'ল বৰপেটা, ধুবুৰী, বঙাইগাঁও, কামৰূপ, দৰং, নগাঁও, শোণিতপুৰ, ওদালগুৰি আদি। অধিক পৰিমাণে শাক-পাচলি উৎপাদন কৰাৰ বাবে ২০১০-১১ বৰ্ষৰ পৰা মুখ্যমন্ত্ৰীৰ এক বিশেষ আঁচনিৰ যোগেৰে কৃষকক বৰ্ণসংকৰ শাক-পাচলিৰ বীজ, সাৰ, কীটনাশক দ্ৰব্য, স্প্ৰে'য়াৰ আদি বিতৰণ কৰিবলৈ লোৱা হৈছে। সেইদৰে শাক-পাচলি খণ্ডৰ সামগ্ৰিক বিকাশৰ বাবে চলিত বৰ্ষৰ পৰা National Vegetable Initiative for Urban Cluster নামৰ এখন কেন্দ্ৰীয় আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।

(খ) বৰপেটা, দৰং, নগাঁও, খাৰুপেটীয়া আদি অঞ্চলৰ কৃষকসকলে তেওঁলোকে উৎপাদন কৰা শাক-পাচলিৰ উচিত মূল্য সাধাৰণতে লাভ কৰি আহিছে।

(গ) কৃষকে শাক-পাচলি উপযুক্ত মূল্য লাভ কৰিবলৈ দৰং জিলাৰ দলগাঁৱত ২টা ফলমূল আৰু শাক-পাচলি সংৰক্ষণৰ উদ্যোগ ৰাজসাহায্যৰে ব্যক্তিগত খণ্ডত স্থাপন কৰা হৈছে। সেইদৰে বৰপেটা,

নগাঁও আৰু দৰং জিলাত একোটাকৈ চৰকাৰী খণ্ডত ফলমূল সংৰক্ষণ আৰু প্ৰশিক্ষণ কেন্দ্ৰ আছে। এই কেন্দ্ৰসমূহেও ফলমূল আৰু শাক-পাচলি সংৰক্ষণৰ ক্ষেত্ৰত যথেষ্ট অৱিহণা আগবঢ়াইছে।

(ঘ) ইৰিধানৰ খেতি অসমৰ অঞ্চল বিশেষে বৰো ধান হিচাপে কৰা হয়। কিন্তু ইৰিধানৰ খেতিক অসমৰ বাবে অনুমোদন জনোৱা হোৱা নাই বাবে এই ধানবিধৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো আঁচনি হাতত লোৱা নাই। ইয়াৰ পৰিৱৰ্তে অধিক উৎপাদনক্ষম আৰু ৰাজ্যখনৰ বাবে উপযোগী বুলি অসম কৃষি বিশ্ববিদ্যালয়ে অনুমোদন জনোৱা জাতসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন আঁচনিৰ জৰিয়তে ব্যৱস্থা লোৱা হৈছে। অসমৰ বহুতো কৃষকৰ মাজত ইৰিধানে জনপ্ৰিয়তা লাভ কৰা দিশটোৰ প্ৰতি গুৰুত্ব দি এই ধানবিধ পৰীক্ষা-নিৰীক্ষা কৰি ৰাজ্যখনৰ বাবে উপযোগী বুলি অসম কৃষি বিশ্ববিদ্যালয়ে অনুমোদন জনালে এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

* **শ্ৰী আলি হুছেইন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অসমৰ কিছুমান জিলাত প্ৰচুৰ পৰিমাণৰ শাক-পাচলি উৎপাদন হয় কিন্তু অসমৰ কৃষকসকলে এই উৎপাদিত সামগ্ৰীবিলাকৰ উচিৎ মূল্য নাপায় যি সময়ত আলু উৎপাদন হয় সেই সময়ত আলুৰ বজাৰ মূল্য ৪ টকা কিন্তু আজি আলুৰ বজাৰ মূল্য ১৪ টকা, কৃষকসকলৰ উৎপাদিত সামগ্ৰী সংগ্ৰহ কৰাৰ কোনো ব্যৱস্থা নাই। গতিকে শাক-পাচলিৰ কাৰণে এখন নিয়ন্ত্ৰিত বজাৰ খোলাৰ ব্যৱস্থা চৰকাৰে সোনকালে কৰিব নেকি?

---

* Speech not corrected

* **শ্রী নীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য, হুছেইন ডাঙৰীয়াই উত্থাপন কৰা প্রশ্নটো অতি গুৰুত্বপূর্ণ। চৰকাৰে এই গুৰুত্বপূর্ণ কথাটো অতি গুৰুত্ব সহকাৰে বিবেচনা কৰি আছে। শাক-পাচলিৰ নিয়ন্ত্রিত এখন বজাৰৰ কাৰণে বিদ্যুৎ অতি দৰকাৰ কাৰণ ২৪ ঘণ্টাই শীত-তাপ নিয়ন্ত্রিত হৈ থাকিব লাগিব। সেই কাৰণে আমি এই বিষয়টো বিদ্যুৎ বিভাগৰ লগতো আলোচনা কৰি আছো। ইতিমধ্যে আমাৰ মুখ্য মন্ত্রী মহোদয়ে পাঁচটা বিভাগৰ সমন্বয় ৰক্ষাৰ কাৰণে সভা-সমিতিও পাতিছে অসমৰ কৃষকৰ স্বার্থত। কৃষকে উৎপাদন কৰা সামগ্রীসমূহ যাতে উপযুক্ততাৰে শীত-তাপ নিয়ন্ত্রিত ভৰালত ৰাখিব পাৰে দীর্ঘদিনৰ বাবে সংৰক্ষণ কৰি সেই কাৰণে বিভিন্ন জিলাত শীত-তাপ নিয়ন্ত্রিত ভৰাল আৰু নিয়ন্ত্রিত বজাৰ স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

* **শ্রী আলি হুছেইন** ঃ অধ্যক্ষ মহোদয়, অসমত বর্তমান পর্য্যাপ্ত পৰিমাণৰ ইৰি ধান উৎপাদন হয় কিন্তু ইৰিধান খেতিৰ বাবে চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ সুবিধা দিয়া দেখা নাযায়। তাৰোপৰি তেওঁলোকে এই উৎপাদিত ধানৰ কোনো বজাৰ মূল্য নাপায়। চৰকাৰৰ যি সকল গ্রামসেৱক তেওঁলোকৰ পৰাও খেতিয়কে কোনো সহায় নাপায়। গ্রামসেৱক পথাৰলৈ নাযায়। খেতিয়কৰ লগত কোনো যোগাযোগ নাই। গতিকে এইক্ষেত্রত মন্ত্রী মহোদয়ে ব্যৱস্থা গ্রহণ কৰিব নে?

* **শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, আলি হুছেইন ডাঙৰীয়াই এটা স্পর্শকাতৰ প্রশ্ন উত্থাপন

---

* Speech not corrected

কৰিছে। অসমত ইৰি ধান উৎপাদন হোৱাটো সঁচা। অন্যান্য খেতিৰ কাৰণে কৃষি বিভাগে কৃষকক বিভিন্ন ধৰণৰ সাৰ, বীজ যোগান ধৰে কিন্তু ইৰি ধানৰ কাৰণে আমাৰ বিভাগৰ চৰকাৰী সাহায্য দিয়া হোৱা নাই। ইৰি ধানকো সচৰাচৰ চলা ধান হিচাবে ব্যৱহাৰ কৰিবৰ কাৰণে ইতিমধ্যে কৃষি বিভাগে ব্যৱস্থা লৈ আছো। ইয়াৰ কাৰণে আমি কৃষি বিশ্ববিদ্যালয়ৰ উপাচার্যৰ লগত আলোচনা কৰিছো যাতে এই ধানকো স্বীকৃতিপ্রাপ্ত কৰিব পাৰি। আমি যিমান সোনকালে পৰা যায় এই ইৰি ধানক স্বীকৃতিপ্রাপ্ত ধান হিচাবে যাতে স্বীকৃতি দিব পাৰি তাৰ কাৰণে বিভিন্ন পর্য্যায়ত আলোচনা চলি আছে। হয়তো আৰু এক-দেৰ বছৰ সময় লাগিব। আমি ইয়াক স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিম।

* **শ্রী কেশৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেখেতে কৈছে যে মুখ্য মন্ত্রীয়ে এটা বিশেষ আঁচনি গ্রহণ কৰিছে। বিভিন্ন প্রকাৰৰ সাৰ কীটনাশক প্রয়োগ কৰি শাক-পাচলিৰ উৎপাদন বঢ়াব বিচাৰিছে কিন্তু এইবিলাক শাক-পাচলি বজাৰত কিনি খাই ৰাইজৰ অসুখ হৈছে। কাৰণ এইবিলাকৰ লগত কীটনাশক দ্রব্যও প্রয়োগ কৰা হয়। কৃষকে উৎপাদন কৰা সামগ্রীৰ বজাৰ মূল্য নোপোৱাৰ কাৰণে কৃষকে আত্মহত্যা কৰিবলগীয়া হৈছে। তাৰ সলনি চৰকাৰে এনে কিছুমান আঁচনি ল'ব লাগে যাতে খেতিপথাৰত কৃষকে জৈৱিক সাৰ প্রয়োগ কৰে আৰু উৎপাদিত সামগ্রীৰ উপযুক্ত মূল্য পায় তাৰ ব্যৱস্থাৰ কথা কিবা চিন্তা কৰিছে নে?

* Speech not corrected

* **শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্রী মহন্ত ডাঙৰীয়াই এটা গুৰুত্বপূর্ণ প্রশ্ন উত্থাপন কৰিছে। এই সমস্যাটো বিশ্বব্যাপী হৈছে। সিদিনা বিশ্ব বেংকৰ সভা হৈছিল, তাতো এই কথাটো আলোচনা কৰা হৈছিল। এই সমস্যাটো প্রতিখন ৰাজ্যৰ কাৰণে। অসমত জৈৱিক সাৰ উৎপাদন কৰা কথাটো আমি আলোচনা কৰিছো। কিছুমান এন.জি.অ' আগবাঢ়ি আহিছে। লাহে লাহে ৰাসায়নিক সাৰ বাদ দি যাতে জৈৱিক সাৰ ব্যৱহাৰ কৰি কৃষি উৎপাদন কৰিব পৰা যায় তাৰ চিন্তা কৰি থকা হৈছে। ৰাসায়নিক সাৰৰ কু-প্রভাৱৰ কথাটো গভীৰভাৱে চিন্তা কৰা হৈছে।

মাননীয় সদস্য শ্রী কেশৰ মহন্ত ডাঙৰীয়াই কোৱাৰ দৰে শীত-তাপ বজাৰত বস্তু বিক্রী কৰিব নোৱাৰাৰ বাবে কোনো লোকে আত্মহত্যা কৰা নাই। মার্কেটিং বোর্ড আছে, এ.ডি.বি. বেংকৰ সহায়ত মার্কেটসমূহ স্থাপন কৰা হৈছে। সেই মার্কেটসমূহ কৃষি বিভাগে কৰাত অসুবিধা আছে। বেংকৰ এ.চি.চি.পি. স্কীম আছে। ওৱর্ল্ড বেংকে মার্কেট স্থাপন কৰিছে। সেই মার্কেট সমূহক গুৰুত্ব দিব লাগিব আৰু আমি গুৰুত্ব দিছো। যদি আমি গুৰুত্ব নিদিওঁ তেতিয়াহ'লে উৎপাদিত সামগ্রীসমূহ পোৱা নাযাব।

* **শ্রী শ্বেৰমান আলি আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাঘবৰ সমষ্টিত যথেষ্ট আলু খেতি হয়। গতিকে মাননীয় মন্ত্রী মহোদয়ে এই কথাটোত অগ্রাধিকাৰ দি মণ্ডিয়াত এটা কোল্ড ষ্টৰেজ স্থাপন কৰিব নেকি?

---

* Speech not corrected

* **শ্রী নীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিত আলু উৎপাদন হয় সেইটো সঁচা, কিন্তু তেনেকৈ নগাঁও, ধুবুৰী আদিৰ বিভিন্ন ঠাইত আলু উৎপাদন হয়। কোল্ড ষ্টৰেজ স্থাপন কৰিবলৈ আপোনালোকে আমাক সহায় কৰিব লাগিব। এই কোল্ড ষ্টৰেজ সমূহ প্ৰাইভেট চেক্টৰত কৰিলে ভাল হয়। এই ক্ষেত্ৰত যদি কোনোবাই আগবাঢ়ি আহে তেতিয়াহ'লে আমাৰ সহায় হ'ব।

* **শ্রী পদ্ম হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বজাৰত কৃষকসকলে বস্তুৰ উচিত মূল্য নাপায়। এই ক্ষেত্ৰত বহু কথা আহিছে। চৰকাৰে যেনে ধৰণে প্ৰতিশ্ৰুতি দিছিল তেনে ধৰণে বজাৰসমূহ নিৰ্মাণ কৰিব পৰা নাই। এই ক্ষেত্ৰত চেণ্ট্রেলৰ পৰা শতকৰা ৭৫ শতাংশ চাব্‌ছিডি আছে। মই অসম চৰকাৰক ডি.আৰ.ডি.এ. বিভাগৰ ফালৰ পৰা এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। শোণিতপুৰ জিলাৰ বিহালী সমষ্টিৰ বৰগাঁও অঞ্চলত যথেষ্ট শাক-পাচলি হয়। মই বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাব খুজিছো যে এই ক্ষেত্ৰত কৃষকৰ স্বাৰ্থ পূৰণ হ'ব লাগে। এই বিষয়টো মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। উৎপাদিত সামগ্রীসমূহ বিক্রীৰ বাবে কিছুমান ল'ৰা বাহিৰলৈ যায়, তেওঁলোকক ঘূৰাই অনাৰ ব্যৱস্থা কৰিব লাগে। কৃষকে বস্তুৰ যাতে উচিত মূল্য পায় তাৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্রীয় চৰকাৰে ধানৰ মূল্য বান্ধি দিছে, ২৩০ টকাত ধান কিনে। উৎপাদন হিচাবে খেতিয়কে বস্তুৰ মূল্য নাপায়, এইটো মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। শোণিতপুৰ

---

* Speech not corrected

জিলাত কোল্ড ষ্টৰেজ স্থাপন কৰিব নেকি মন্ত্রী মহোদয়ক জনাবলৈ অনুৰোধ কৰিলো।

* **শ্রী নীলমণি সেন ডেকা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, আমি এই বিষয়টো গুৰুত্ব সহকাৰে লৈছো। কোল্ড ষ্টৰেজ স্থাপনৰ ক্ষেত্রত পাৱাৰ চাপ্লাই লাগিব। যি কেইটা কোল্ড ষ্টৰেজ কৰা হৈছে বিদ্যুৎ পৰিষদৰ সাহায্য লৈ কৰা হৈছে। যি ধৰণে আশা কৰা হৈছিল সেই ধৰণে কৃষকে বস্তু নেপায়। পাৱাৰ নোহোৱাৰ কাৰণে কৰিব পৰা নাই। এই ক্ষেত্রত প্রাইভেট চেক্টৰে কৰিলে সহায় হ'ব। আমি এ.এচ.ই.বি.ৰ লগত কথা পাতিছো। তেওঁলোকে আমাক আশ্বাস দিব খোজা নাই। আজিও দৈনিক প্রতিদিন কাকতত ওলাইছে যে ধানৰ মূল্য ২৩০ টকাত লৈছে। যিটো সর্বভাৰতীয় ৰেট সেইটো দিয়া হৈছে। তেনেকুৱা অভিযোগ মৰিগাঁৱৰ পৰা আহিছে। মাননীয় খাদ্য মন্ত্রী ডাঙৰীয়াই জানে, ডি.চি.ক তদন্ত কৰিবলৈ দিছে। ভাৰতীয় খাদ্য নিগমে যি ৰেট ধার্য্য কৰিছে সেইটো বাতৰি কাকতত ওলাইছে।

Mr. Speaker : Now, Starred Question No. 42, Hon'ble Member, Shri Ghanashyam Kalita.

বিষয় ঃ 'এপ'ল'ৰ কার্যক্ষমতা বৃদ্ধিৰ যোজনাৰ প্রয়োজনীয়তা।

শ্রী ঘনশ্যাম কলিতাই সুধিছে ঃ

* ৪২। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

---

* Speech not corrected

(ক) ৰঙিয়াৰ তুলসীবাৰী স্থিত বস্ত্ৰ উদ্যোগ 'এপ'ল'ৰ আটাইকেইটা ইউনিট (স্পিনিং, উইভিং আৰু প্ৰচেচিং)ৰ কেইটা ইউনিট বৰ্তমানে কাৰ্যক্ষম হৈ আছে আৰু আটাইকেইটা ইউনিট কাৰ্যক্ষম কৰিবলৈ কি ব্যৱস্থা হাতত লোৱা হৈছে?

(খ) উদ্যোগটো পুনৰজীৱিত কৰাৰ সময়ত কামত পুনৰ মকৰল নকৰা কৰ্মচাৰী তথা শ্ৰমিকৰ পুনৰ্নিয়োগ তথা প্ৰাপ্য বকেয়া ধন আদি আদায় দিয়াৰ কি ব্যৱস্থা লোৱা হৈছে?

(গ) অন্য ষ্টেট লেভেল পাব্লিক এণ্টাৰপ্ৰাইজ (SLPE)ত প্ৰযোজ্য VRS স্কিমৰ জৰিয়তে পুনৰ মকৰল নকৰা কৰ্মচাৰী তথা শ্ৰমিকক সকাহ দিয়াৰ কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰী ছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰঙিয়াৰ তুলসীবাৰী স্থিত বস্ত্ৰ উদ্যোগ 'এপ'ল'ৰ আটাইকেইটা ইউনিট (স্পিনিং, উইভিং আৰু প্ৰচেচিং)ৰ ভিতৰত বৰ্তমান স্পিনিং শাখাটোহে কাৰ্যক্ষম হৈ আছে। উইভিং আৰু প্ৰচেচিং শাখা দুটাৰ যন্ত্ৰপাতি আৰু মেচিনবিলাক আওপুৰণি হোৱা বাবে আৰু এই দুটা গোট কাৰ্যক্ষম কৰিলে লাভান্বিত হোৱাৰ আশা নথকাৰ বাবে এই দুটা গোট কাৰ্যক্ষম কৰাৰ সিদ্ধান্ত নাই।

(খ) স্পিনিং শাখাটো পুনৰজীৱিত কৰাৰ ক্ষেত্ৰত যিমানসংখ্যক কৰ্মচাৰীৰ প্ৰয়োজন আৰু সমিতিৰ ৰাহি আয়ৰ ওপৰত ভিত্তি কৰি দৰমহা আদি দিব পৰা যাব, সিমান সংখ্যক কৰ্মচাৰীকহে মকৰল কৰা হৈছে। কামত মকৰল নকৰা কৰ্মচাৰীৰ বকেয়া ধন আদায়ৰ ক্ষেত্ৰত

বিষয়টো VRS (Voluntary Retirement Scheme)ৰ বাবে বিবেচনাধীন হৈ আছে।

(গ) এই বিষয়টো অন্য ষ্টেট লেভেল পাব্লিক এণ্টাৰপ্ৰাইজত প্ৰযোজ্য VRS আঁচনিৰ লগত সামঞ্জস্য ৰাখি সোনকালে এটা সিদ্ধান্ত লোৱাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

* **শ্ৰী ঘনশ্যাম কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ সূতাকটা আৰু বস্ত্ৰ উদ্যোগ 'অসম পলিয়েষ্টাৰ সমবায় সমিতি লিমিটেড' চমুকৈ 'এপ'ল'ৰ ১৯৮৮ চনৰ ২৪ জুন তাৰিখে শুভ আৰম্ভ হয়। এই মিলটোৰ পৰাই বৃহত্তৰ ৰঙিয়া অঞ্চল অৰ্থনৈতিক ভাৱে লাভবান হ'ব পাৰিছিল। ইয়াত নিয়োজিত কৰ্মচাৰীকে ধৰি প্ৰায় এহেজাৰৰো অধিক লোকে আৰ্থিকভাৱে লাভবান হ'ব পাৰিছিল আৰু এই মিলটোৱে উত্তৰ পূৰ্বাঞ্চলৰ বজাৰত কাপোৰৰ মূল্যমান নিয়ন্ত্ৰণ কৰি ৰাখিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ ২০০৩ চনৰ ২৫ ডিচেম্বৰ তাৰিখে এই মিলটোৰ উৎপাদন বন্ধ হয় আৰু প্ৰায় তিনি বছৰ বিৰতিত ২০০৬ চনৰ ১ জুন তাৰিখে মিলটো পুনৰ কাৰ্য্যক্ষম কৰা হয় যদিও অকল স্পিনিং ইউনিটটোহে কাৰ্য্যক্ষম কৰা হয়। বৰ্তমান বন্ধ হৈ থকা ইউনিটকেইটা কেতিয়াকৈ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা ল'ব মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো।

* **শ্ৰী ছিদ্দেক আহমেদ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক কলিতা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কওঁ যে ৰঙিয়াৰ তুলসীবাৰীৰ বস্ত্ৰ উদ্যোগ 'এপ'ল'ৰ স্পিনিং শাখাটো ১৯৮৮ চনৰ পৰাই কাৰ্য্যক্ষম

---

* Speech not corrected

হৈ আছে আৰু অন্য দুটা শাখাৰ যন্ত্রপাতি বেয়া হৈ থকাৰ কাৰণে কার্যক্ষম হোৱা নাই।

* **শ্রী ঘনশ্যাম কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মিলটোৰ পুৰণি যন্ত্রপাতি বিলাক আধুনিকীকৰণ কৰি আকৌ কার্য্যক্ষম কৰিব পাৰিলে আমাৰ ৰঙিয়া অঞ্চলৰ নিবনুৱা সমস্যা সমাধান কৰিব পৰা যাব। এই মিলটোৰ পুৰণি যন্ত্রপাতিবিলাক আধুনিকীকৰণ কৰি পুনৰ চলোৱাটো ব্যৱস্থা গ্রহণ কৰিব নেকি?

* **শ্রী ছিদ্দেক আহমেদ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বর্তমান স্পিনিং মিলটোৰ যি কেইটা শাখা বন্ধ হৈ আছে সেইকেইটা কার্য্যক্ষম কৰিলে মিলটোৰ লাভ হোৱাৰ আশা নাই। গতিকে ইয়াক কার্য্যক্ষম কৰাৰ কোনো সিদ্ধান্ত নাই।

* **শ্রী ভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মিলটোত কাম কৰা যি সকল কর্মচাৰীয়ে ভি আৰ এচ বিচাৰিছে সেই সকলক কিমান দিনৰ ভিতৰত ভি আৰ এচ দিয়াৰ ব্যৱস্থা কৰিব? মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাব লাগে।

* **শ্রী ছিদ্দেক আহমেদ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভি আৰ এচ দিয়াৰ কাৰণে কাম চলি আছে।

Mr. Speaker : Now, Starred Question No. 43, Hon'ble Member, Shri Utpal Dutta.

---

* Speech not corrected

বিষয় ঃ কর্মচাৰীৰ নাম।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

* ৪৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইটা পাৰঘাট আছে? প্ৰত্যেক পাৰঘাটত নিয়োজিত আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ কৰ্মচাৰীৰ নাম, পদবী সহ জনাবনে?

(খ) সোৱণশিৰিৰ খাৰলুঘাটত কেইবাখনো মূল্যবান চৰকাৰী ফেৰি ধ্বংসপ্ৰাপ্ত অৱস্থাত থকাটো সত্যনে? যদি সত্য প্ৰত্যেকখনৰ তথ্য দিবনে?

(গ) খাৰলুঘাটত বৰ্তমান লেচীয়ে কি জাহাজ/ফেৰিৰে যাত্ৰী পাৰ কৰি আছে চৰকাৰে জানেনে?

(ঘ) যদি জানে তেন্তে ফেৰীৰ বহন ক্ষমতা, সময়সূচী, মূল্য তালিকা ইত্যাদিৰ ওপৰত চৰকাৰে নিয়ন্ত্ৰণ ৰাখিছেনে? (তথ্য সহ জনাব)

(ঙ) যাত্ৰীসকলৰ সুবিধাৰ প্ৰতি পিঠি দি স্থানীয় দালাল প্ৰকৃতিৰ লোকৰ লগ হৈ চৰকাৰী ফেৰীসমূহ নিষ্ক্ৰিয় কৰি সকলো স্তৰৰ পাৰঘাটৰ চৰকাৰী কৰ্মচাৰীয়ে কৰ্তব্য নকৰাকৈ ঘৰতে বহি দৰমহা লৈ থকা কথাটো চৰকাৰৰ জ্ঞাতনে? লক্ষীমপুৰ সমষ্টিৰ পাৰঘাট সমূহৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ল'বনে?

(চ) সোৱণশিৰি নদীৰ ফেৰীঘাট সমূহত নতুন নিৰাপদ ফেৰীৰ ব্যৱস্থা কৰাৰ কিবা প্ৰস্তাৱ চৰকাৰে লৈছে নেকি? (তথ্য সহ জনাব)

শ্রী চন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পাৰঘাট ৩ (তিনিটা), কর্মচাৰীৰ তালিকা সংলগ্ন কৰা হ'ল। (See Annexure – I)

(খ) সত্য নহয়। কেৱল বেবেজীয়া নামৰ এখন চৰকাৰী ফেৰী নীলাম বন্দবস্তিৰ পাছতো ব্যক্তিজনে নাওখন চমজি লোৱা নাই।

(গ) আৰু (ঘ)

যোৱা ৫ জুলাই ২০১১ ইং তাৰিখৰ পৰা সোৱণশিৰি নদীৰ তীব্র সোঁত আৰু গৰাখহনীয়াৰ বাবে খাৰলু পাৰঘাটটো সাময়িকভাৱে বন্ধ হৈ আছে।

(ঙ) যেতিয়া বিভাগৰ ফেৰীসমূহ কার্য্যকৰী হৈ নাথাকে, তেতিয়া বিভাগীয় কর্মচাৰীসকলে লেচীৰ হৈ পাৰঘাটৰ ব্যৱস্থাপনা আৰু নাও চলাচলৰ কামত নিয়োজিত হৈ থাকে।

(চ) ফেৰী দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

* **শ্রী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীয়ে মোৰ প্রশ্নৰ উত্তৰত জনাইছে খাৰলু পাৰঘাটৰ কর্মচাৰী ২৪ জন, ঘাপৰ পাৰঘাটৰ ২২ জন আৰু লোহিত পাৰঘাটৰ ২৩ জন কর্মচাৰী আছে। আনহাতে ২য় প্রশ্নৰ উত্তৰত কৈছে সত্য নহয়। মাননীয় অধ্যক্ষ মহোদয়, এই ঘাটটোৰে মাজুলীলৈ অহা-যোৱা কৰে। এই পাৰঘাটত ফেৰীবিলাক বন্ধ হৈ আছে। ৩ খন ফেৰী ৭/৮ বছৰ ধৰি তাত বন্ধ হৈ আছে

* Speech not corrected .

তথাপি মন্ত্রী মহোদয়ে সত্য নহয় বুলি কৈছে। ঘাপৰ ঘাটত ফেৰী চলাচল বন্ধ হৈ আছে। সেই ঘাটৰ পৰা পাৰ হ'বলৈ হ'লে ব্যক্তিগত নাও বা ফেৰীত পাৰ হ'ব লাগে। তাত এজন মানুহ পাৰ হ'বলৈ ৬০ টকা দিব লাগে। এই ধৰণে সাধাৰণ মানুহো যাতায়াত কৰিব লগা হৈছে। মাননীয় মন্ত্রীয়ে কৈছে বিভাগীয় কর্মচাৰীয়ে নাও চলাচলৰ কামত নিয়োজিত হৈ থাকে। তাত ফেৰী দিয়াৰ ব্যৱস্থা কেতিয়া কৰিব মাননীয় মন্ত্রীয়ে উত্তৰ দিব লাগে।

শ্রী চন্দন ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যি চাপ্লিমেণ্টৰী উত্থাপন কৰিছে সেই বিষয়টোৰ কাৰণে বিভাগীয় ভাৱে এনকুৱাৰী কৰা হ'ব। তাত যদি বিভাগীয় কর্মচাৰীসকলে কাম কৰা নাই তেতিয়াহ'লে তাক পুংখানুপুংখভাৱে চোৱা হ'ব আৰু ফেৰী চলাচলৰ ব্যৱস্থা কৰা হ'ব। বিভাগীয় ৰিপর্ট মতে এখন ফেৰী নষ্ট হৈ আছে এই বিধ্বস্ত ফেৰীখন অকচন দিয়া হৈছিল। বর্তমানলৈকে তেওঁলোকে ফেৰীখন লৈ যোৱা নাই। সেয়ে আৰনেষ্ট মানীটো ফৰফিট কৰা হৈছে। এতিয়া নতুনকৈ অকচনৰ ব্যৱস্থা কৰা হ'ব। ইয়াত যিটো প্রশ্ন দিছিল সেই ক্ষেত্রত ফেৰী চলাচলৰ ব্যৱস্থা লোৱা হ'ব।

* **শ্রী উৎপল দত্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে এনকুৱাৰী কৰা হ'ব। সেই এনকুৱাৰী কেতিয়াৰ ভিতৰত কৰা হ'ব আৰু নতুন ফেৰী কেতিয়া দিব? আৰু দ্বিতীয়তে ঘাপৰ ঘাটত ফেৰী নাই,

---

* Speech not corrected

আজি এক-ডেৰ বছৰ হ'ল আৰু এনকুৱাৰী বিভাগীয়ভাৱে নহয় উপায়ুক্তৰ দ্বাৰা কৰালে ভাল হ'ব। পাৰঘাটৰ ৰেটটো দিব লাগে আৰু ডিউটিত নথকা কর্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

*** শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এখন তদন্তৰ কমিটি বহুৱাম আৰু মই নিজে স্পটত গৈ চাম বুলি আপোনালোকক প্ৰতিশ্ৰুতি দিলো। যিটো ৰেটৰ কথা কৈছে, প্ৰতিজন যাত্ৰীৰ পৰা ৩ টকা, প্ৰতিখন চাইকেলৰ পৰা ২ টকা আৰু প্ৰতিখন মটৰ চাইকেলৰ পৰা ৭ টকা ল'ব লাগে। ইয়াৰ যদি কিবা ব্যতিক্ৰম হৈছে মই নিজে গৈ পৰিস্থিতি অধ্যয়ন কৰি বিভাগীয়ভাৱে ব্যৱস্থা লোৱা হ'ব।

মাননীয় অধ্যক্ষ ঃ মই আশা কৰিছো সেই বিষয়টো যদি সঁচা হয় তেন্তে ৰেটবিলাক দাখিল কৰক আৰু মন্ত্ৰীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰক।

*** শ্ৰী ভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে চাম বুলি কৈছে। মোৰ সমষ্টিত যিজন ঠিকাদাৰক কাম কৰিবলৈ দিলে তেওঁ ক'ৰবাত ক'ৰবাত কাঠমিস্ত্ৰিৰ কামহে কৰি আছে। লক্ষীমপুৰত দিয়া ইঞ্জিনিয়াৰো বহি আছে। যোৱা বাৰ সেই কামবিলাক চাবৰ বাবে মাননীয় মুখ্য মন্ত্ৰীয়ে যেতিয়া লক্ষীমপুৰলৈ যাব তেতিয়া চাব বুলি আশ্বাস দিছিল।

*** শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ভূপেন

---

* Speech not corrected

কুমাৰ বৰাদেৰে ব্যক্ত কৰা অভিযোগটো চাবৰ বাবে মই তালৈ যাম। যোৱাৰ আগতে মই তেখেতক জনাম। পিছত আমি একেলগে সেই ঠাইলৈ যাম।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যজনক কৈছো আপুনি এই প্রশ্নটো আওতাত কৰক।

*** শ্রী শ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বাঘবৰ সমষ্টিত বৃহৎ চৰ অঞ্চল আছে। তাত ৭০ শতাংশ মানুহে কৃষিৰ ওপৰত নির্ভৰ কৰি জীৱন নির্বাহ কৰে। কৃষকসকলক সহায় কৰিবৰ বাবে নাৱৰ ব্যৱস্থা কৰিব নেকি? মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ এই সম্পর্কত উত্তৰ দিবলৈ হ'লে মন্ত্রী মহোদয়ে চেপাৰেট কুৱেশ্চন তেখেতৰ পৰা বিচাৰিব পাৰে।

*** শ্রী চন্দন ব্রহ্ম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিত যাতায়াতৰ সুবিধা দিয়া কথা উল্লেখ কৰিছে। মই ভাবো মাননীয় সদস্যজনে অলপ সময় উলিয়াই লৈ মোৰ অফিচলৈ আহি আলোচনা কৰিলে মই সেই বিষয়ত চাব পাৰিম।

Mr. Speaker : Now, Starred Question No. 44, Hon'ble Member, Shri Kamal Shing Narzary.

---

* Speech not corrected

বিষয় ঃ সীমান্ত এলেকাত পথ নির্মাণ।

শ্রীকমল সিং নার্জাৰীয়ে সুধিছে ঃ

* ৪৪। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিগত ১০ বছৰত অসমৰ সীমান্ত এলেকাৰ উন্নয়নৰ বাবে ৰাজ্য আৰু কেন্দ্রীয় চৰকাৰে কিমান টকা ধার্য্য কৰিছিল আৰু ইয়াৰে কিমান টকা ব্যৱহাৰ কৰা হৈছে? (বার্ষিক বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) বিজনী সমষ্টিৰ ভাৰত-ভূটান সীমান্ত এলেকাৰ উন্নয়নৰ বাবে চৰকাৰে কি কি আঁচনি উক্ত সময়ছোৱাত গ্রহণ কৰিছিল? উক্ত আঁচনি সমূহৰ বিপৰীতে ধার্য্য কৰা মুঠ ধনৰ পৰিমাণ কিমান আছিল? (তথ্য সহ দিব)

(গ) উক্ত আঁচনিসমূহ পূর্ণ পর্য্যায়ত ৰূপায়ণ হৈছিল? যদি হোৱা নাই, আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্রত কি কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

(ঘ) বিজনী সমষ্টিৰ অন্তর্গত ৰাঙ্গিঝোৰাৰ পৰা কুকুলং হৈ পাণবাৰীলৈ থকা সীমান্ত এলেকাৰ গুৰুত্বপূর্ণ পথটো পকীকৰণ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰা হ'বনে?

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত ১০ (দহ) বছৰত অসমৰ সীমান্ত এলেকাৰ উন্নয়নৰ বাবে

ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য আৰু ব্যৱহাৰ কৰা ধনৰ বিতং তথ্য পৰিশিষ্ট-'ক'ত দেখুৱা হ'ল। (See Annexure – II)

(খ) বিজনী সমষ্টিৰ ভাৰত-ভূটান সীমান্ত এলেকা উন্নয়নৰ বাবে উক্ত সময়ছোৱাত লোৱা আঁচনি আৰু ধাৰ্য্য কৰা ধনৰ বিতং তথ্য পৰিশিষ্ট-'খ'ত দেখুৱা হ'ল। (See Annexure – III)

(গ) হয়, পূৰ্ণ পৰ্য্যায়ত ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। এই সন্দৰ্ভত সংশ্লিষ্ট জিলাৰ উপায়ুক্তসকলক আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে।

(ঘ) সংশ্লিষ্ট উপায়ুক্তৰ পৰা প্ৰয়োজনীয় প্ৰস্তাৱ পালে পকীকৰণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* **শ্ৰী কমল সিং নাৰ্জাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছ তাত মই সন্তুষ্ট হোৱা নাই। যোৱা ২-১০-১১ বৰ্ষত যিবিলাক মঞ্জুৰী দিয়া হৈছে সেই মঞ্জুৰী দিয়া টকাইদি আঁচনি প্ৰস্তুত কৰি হৈছে। সেইবোৰ কিয় সম্পূৰ্ণ হৈ উঠা নাই? মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাৰ পিছত বিজনী সমষ্টিৰ অন্তৰ্গত ৰাঙ্গিঝোৰাৰ পৰা কুকুলং হৈ পাণবাৰীলৈ থকা সীমান্ত এলেকাৰ গুৰুত্বপূৰ্ণ পথটো পকীকৰণ কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? মাননীয় মন্ত্ৰী মহোদয়ে (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে সংশ্লিষ্ট উপায়ুক্তৰ পৰা প্ৰয়োজনীয় প্ৰস্তাৱ পালে পকীকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জিলা উপায়ুক্ত ডাঙৰীয়াৰ পৰা

* Speech not corrected

যিখিনি যাৱতীয় তথ্যপাতি আহিব লাগে সেইখিনি যদি অহা নাই তেন্তে সেইখিনি অনাৰ ব্যৱস্থা কৰি দিম। তিনি কোটিমান টকা বা তাতকৈ বেছি টকা প্ৰয়োজন হ'ব পাৰে। এতিয়া যিখিনি আছে সেইখিনিৰে ৰাস্তাটো কৰি দিয়ক। যদি সীমান্ত এলেকাৰ পুঁজি আছে, স্থানীয় বিধায়ক আৰু বিভাগীয় বিষয়াসকল আছে, তেখেত সকলে আঁচনি কেনেকৈ ল'ব, কেনেকৈ ৰূপায়ণ কৰিব পাৰি তাক আলোচনা নকৰি বা কাৰো লগত যোগাযোগ নকৰি নিজাববীয়াকৈ মঞ্জুৰী দিব নালাগে।

মাননীয় অধ্যক্ষ ঃ আপুনি প্ৰশ্নটো কৰক।

* **শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰামৰ্শমতে মঞ্জুৰী দিব আৰু যিখিনি আবেদন কৰা হৈছে সেইখিনি ৰক্ষা কৰিব।

* **শ্ৰী ছিদ্দেক আহমেদ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সীমান্ত এলেকাত ৰাস্তা-ঘাট হৈছে। গুৰুত্বপূৰ্ণ পথ পকী কৰিবলৈ বাকী থকা অঞ্চলটোৰ কাৰণে জিলা উপায়ুক্তৰ পৰা প্ৰয়োজনীয় তথ্য-পাতি পালে কৰা হ'ব। আমাৰ বৰ্ডাৰ এৰিয়াত ডেভেলপমেণ্ট ব্লক আছে, যিবোৰত সদস্য জড়িত হৈ আছে। সেই সকলৰ লগত আলোচনা কৰা হ'ব আৰু ইমপ্লিমেণ্ট কৰিবলৈ চেষ্টা কৰা হ'ব।

* **শ্ৰী ৰাণা গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ সীমান্তত থকা মিজোৰাম, অৰুণাচল, নাগালেণ্ড আদি ৰাজ্য থকা বাবে অসমৰ

---

* Speech not corrected

সীমান্ত এলেকা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এইবাৰ বাজেটত মাননীয় মুখ্যমন্ত্রী মহোদয়ে যোৱা বছৰতকৈ বেছি টকা বাজেটত ধার্য্য কৰিছে। তাৰ কাৰণে মই মাননীয় মুখ্য মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। গোলাঘাট, সৰুপথাৰ, মেৰাপানী নাগালেণ্ডৰ সীমামূৰীয়া অঞ্চলৰ দৰে মৰিয়নীও সীমামূৰীয়া অঞ্চল। তালৈ যাবলৈ ৰাস্তা-পদূলিৰ ব্যৱস্থা নাই। এতিয়া যিটো পুঁজি ধার্য্য কৰা হৈছে তাৰে বিভিন্ন ৰাস্তা-পদূলি উন্নত কৰিব বুলি আশা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই অনুভৱ কৰিছো, এই যে ৫৭.৫০ কৌটি টকা ধার্য্য কৰা হৈছে সেই টকাটো সীমামূৰীয়া এলেকাবোৰ চোৱা-চিতাত সুবিধা হ'ব। আজি ১০ বছৰ ধৰি সীমা সমস্যাৰ কাৰণে পুঁজি কম পৰিমাণে ধার্য্য কৰা হৈছিল ফলত সীমামূৰীয়া সমস্যা সমাধানৰ ক্ষেত্রত কিছু বাধা হৈছিল। এতিয়া যিহেতু বেছি পুঁজি আৱণ্টন কৰা হৈছে সমস্যাটো কিছু লাঘৱ হ'ব।

* **শ্রী ছিদ্দেক আহমেদ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মেৰাপানীলৈ গৈছো, শিৱসাগৰলৈও গৈছো। তাত বহুত কাম হৈ আছে। আমাৰ মাননীয় মুখ্য মন্ত্রী মহোদয়ে, এইবাৰ টকা বঢ়াই দিছে। চেন্সিটিভ এৰিয়াবোৰত কাম কৰিম।

মাননীয় অধ্যক্ষ ঃ শ্রী অঞ্জন দত্ত।

* **শ্রীঅঞ্জন দত্ত ঃ** ত্রয়োদশ অসম বিধানসভাৰ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা জানিব

---

* Speech not corrected

বিচাৰিছো— সীমান্ত এলেকাৰ উন্নয়নৰ বাবে ধার্য্য কৰা ধন সীমামূৰীয়া নোহোৱা আন এলেকাত খৰচ কৰা হৈছে নেকি? যদি হৈছে, সেয়া নীতিগতনে? এই কামৰ সৈতে জড়িত বিষয়া-কর্মচাৰীৰ বিৰুদ্ধে বিভাগীয় মন্ত্রী মহোদয়ে বিহিত ব্যৱস্থা গ্রহণ কৰিবনে? এই সন্দর্ভত বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা স্পষ্ট উত্তৰ আশা কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অন্তর্গত আমগুৰি সমষ্টি এটা অতি ছেন্‌ছিটিভ এৰিয়া (স্পর্শকাতৰ অঞ্চল)। সমষ্টিটোৰ নাগালেণ্ড সীমান্তৱর্তী অঞ্চলত এন এছ চি এনৰ আধিপত্য আছে। সোণাৰী আৰু নাজিৰাও নাগালেণ্ড সীমান্তৱর্তী অঞ্চল হিচাপে যথেষ্ট ছেন্‌ছিটিভ। এনে সীমামূৰীয়া স্পর্শকাতৰ অঞ্চলৰ উন্নয়নৰ বাবে ধার্য কৰা ধন সীমান্তৱর্তী এলেকা নোহোৱা আন ঠাইত খৰচ কৰা হৈছে নেকি? এই সন্দর্ভত উপযুক্ত তদন্তৰ ব্যৱস্থা কৰিব লাগে।

* **শ্রী ছিদ্দেক আহমেদ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বোর্ডাৰ এৰিয়া. ডেভেলাপমেণ্ট ফাণ্ড যিটো আছে তাত ডিষ্ট্রেক্ট লেভেলত এটা কমিটি আছে তাত বিধায়কসকল আছে। এই স্কীমবোৰ ডিষ্ট্রিক্ট লেভেলৰ পৰা আছে। আমি এইটো চাম।

* **শ্রীঅঞ্জন দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি এগৰাকী ভাৰতীয় প্রশাসনিক সেৱাৰ বিষয়াই অনিয়ম কৰে, তেনেহ'লে সেই বিষয়াগৰাকীৰ বিৰুদ্ধে মন্ত্রী মহোদয়ে কেনে ধৰণৰ ব্যৱস্থা গ্রহণ কৰিব?

---

* Speech not corrected

* **শ্রী পদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কমিটিৰ ফালৰ পৰা কোনো দিনে নিমন্ত্রণ পোৱা নাই।

* **শ্রী শৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বোর্ডৰ মিটিঙত আমাক কোনো দিনে মতা হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্রী মহোদয়, এই বিষয়টো আপুনি চাই-মেলি ব্যৱস্থা গ্রহণ কৰিব।

* **শ্রী হেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পশ্চিম গুৱাহাটী সমষ্টিটো মেঘালয় বোর্ডাৰৰ। তাত লাইন দিয়া হৈছে, ট্রেন্সফৰমাৰ বহুৱা হৈছে। সেই এৰিয়ালৈ আমাৰ কোনো অফিচাৰ নাযায়, আঠ, দহ মাইল খোজ কাঢ়িব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ৰাণী বুলি যিডোখৰ ঠাই আছে তাত এটা বৃটিছৰ দিনৰ শিৱ মন্দিৰ আছে এইটো উচ্ছেদ কৰিব বিচৰা হৈছে। গতিকে মই বিভাগীয় মন্ত্রী মহোদয়ক ব্যৱস্থা গ্রহণ কৰিবৰ বাবে অনুৰোধ জনালো।

* **শ্রী ছিদ্দেক আহমেদ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজেই তাত গৈ ভিজিট কৰিম।

Mr. Speaker : Now, Starred Question No. 45, Hon'ble Member, Mrs. Gul Akhtara Begum.

বিষয় ঃ কৃষি বিকাশ কেন্দ্র।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

* ৪৫। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

---

* Speech not corrected

(ক) চৰকাৰে অসমৰ কৃষকসকলৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে? এই আঁচনিসমূহ ৰূপায়ণৰ বাবে চৰকাৰে কিমান টকা ধাৰ্য্য কৰিছে?

(খ) উক্ত আঁচনিসমূহৰ কিমান শতাংশ ২৭ নং বিলাসীপাৰা পূৰ সমষ্টিত ৰূপায়ণ কৰা হ'ল? (সদনত বিতং তথ্য দাখিল কৰিব)

(গ) বিলাসীপাৰা পূৰ সমষ্টিৰ অন্তৰ্গত চিৰাকুটাত কেন্দ্ৰীয় চৰকাৰৰ অধীনত স্থাপিত কৃষি বিকাশ কেন্দ্ৰটো বৰ্তমান কি অৱস্থাত আছে?

(ঘ) উক্ত কেন্দ্ৰটোৰ বাবে চৰকাৰে কিমান পৰিমাণৰ ধন ধাৰ্য্য কৰিছে?

(ঙ) ইতিমধ্যে কিমান টকা ব্যয় হৈছে? (ইয়াৰ Plan Estimate Action Plan আৰু Operation plan সমূহ সদনত দাখিল কৰিব)

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে কৃষকসকলৰ বাবে ২০১০-১১ বৰ্ষত অসমৰ কৃষিখণ্ডৰ অগ্ৰগতিৰ বাবে নিম্নোক্ত আঁচনিসমূহ ৰূপায়ণ কৰি আছে।

ক্ৰমিক নং	আঁচনিৰ নাম	ধাৰ্য্যকৰা ধনৰ পৰিমাণ (লাখ টকা)
১।	মহিলা কল্যাণ আঁচনি	৫০০
২।	মুখ্যমন্ত্ৰীৰ বিশেষ শাক-পাচলি উৎপাদন আঁচনি	৭৯৭.৬৩
৩।	গাঁও চলো আঁচনি	৫০.১১
৪।	দোং, বান্ধ মেৰামতি	১০০০.০০

ক্রমিক নং	আঁচনিৰ নাম	ধার্য্যকৰা ধনৰ পৰিমাণ (লাখ টকা)
৫।	উলুবাৰী কৃষি চৌহদত কৃষি বজাৰৰ আন্তঃগাঁথনি উন্নয়ণ আঁচনি	৭৫.০০
৬।	দুর্যোগ ব্যৱস্থাপনা আঁচনি	১০০০.০০
৭।	ৰাসায়নিক সাৰ বিতৰণ	১০০০.০০
৮।	কুঁহিয়াৰ উন্নয়ন আঁচনি	২০০.০০
৯।	ক্ষুদ্র আৰু উপান্ত কৃষকৰ সাহায্য আঁচনি	৫০০.০০
১০।	জৈৱিক কৃষি আঁচনি	৪৩.৬৫
১১।	কৃষি তথ্য	২১৭.০০
১২।	কৃষি বীমা আঁচনি	৯৯.৮৮
১৩।	অসম বিকাশ যোজনা	১৯৯.৩২
১৪।	কৃষি ভূমি উন্নয়ণ	২৯৯.৯৭
১৫।	কৃষি যান্ত্রিকীকৰণ	২২৪৩.০০
১৬।	ক্ষুদ্র আৰু উপান্ত কৃষকলৈ মুখ্যমন্ত্রীৰ বিশেষ নগদ আর্থিক সাহায্য	৬০০০.০০
১৭।	মুখ্যমন্ত্রীৰ সমষ্টি ভিত্তিক পাৰাৰ টিলাৰ বিতৰণ	২৮৩৫.০০
১৮।	ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা	২১৬৮৭.০০
১৯।	মৰাপাট প্রযুক্তি উন্নয়ণ	৩৩.৪৩

ক্রমিক নং	আঁচনিৰ নাম	ধার্য্যকৰা ধনৰ পৰিমাণ (লাখ টকা)
২০।	ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান (চাউল)	৫৯১৪.৮০
২১।	ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান (মাহজাতীয়)	৫৪৮.১১
২২।	বর্দ্ধিত মাহজাতীয় শস্য উৎপাদন আঁচনি	২১৮.৬৪

(খ) বিলাসীপাৰা পূৰ সমষ্টিত ৰূপায়ণ কৰা উক্ত আঁচনিসমূহৰ বিতং তথ্য Annexure–I ত দিয়া হ'ল। (See Annexure–IV)

(গ) বর্তমান ধুবুৰী জিলাৰ এই কৃষি বিকাশ কেন্দ্রটোৱে বিলাসীপাৰা চহৰত এটি ভাৰাঘৰত সুকলমে কার্য সম্পাদন কৰি আছে। কেন্দ্রীয় চৰকাৰৰ অধীনত স্থাপন কৰিবলগীয়া এই কৃষি বিকাশ কেন্দ্রটোৰ স্থান ধুবুৰী জিলাৰ বহলপুৰৰ অন্তর্গত ৰঙামাটিত নির্বাচন কৰা হৈছে।

(ঘ) ভাৰতীয় কৃষি গৱেষণা পৰিষদে কেন্দ্রটোৰ বাবে ২০০৫-০৬ চনৰ পৰা ২০১০-১১ চনলৈকে মুঠ ২২৮.৫০ লাখ টকাৰ মঞ্জুৰী দিছে।

(ঙ) ২০০৫-০৬ চনৰ পৰা ২০১০-১১ চনলৈকে কেন্দ্রটোৱে ১৮৭.৬৪ লাখ টকা ব্যয় কৰিছে। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ পৰা প্রয়োজনীয় ধন লাভ কৰাৰ পাছত অসম কৃষি বিশ্ববিদ্যালয়ৰ Directorate of Physical Plant-এ কেন্দ্রটোৰ আন্তঃগাঁথনিৰ বাবে Plan Estimate প্রস্তুত কৰিব। অসম কৃষি বিশ্ববিদ্যালয়ৰ Scientific Advisory Committee-য়ে Action Plan আৰু Operation Plan ইতিমধ্যে চূড়ান্ত কৰিছে।

(কৃষি বিজ্ঞান কেন্দ্র, ধুবুৰীৰ বাবে চূড়ান্ত কৰা ২০১১-১২ বৰ্ষৰ Action Plan / Operation Plan Annexure-II ত গাঁঠি দিয়া হ'ল।) (See Annexure–IV (A)

* **শ্রীমতী গুলআখতাৰা বেগম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৃষকসকল আৰু কৃষিৰ অগ্রগতিৰ কথা কৈছে। কিন্তু যি টকা কৃষিৰ কাৰণে আৱণ্টন কৰা হৈছে, আচলতে এই আৱণ্টিত ধন প্রকৃত হিতাধিকাৰী সকলে পাব লাগে অথচ কৃষি বিষয়াসকল দুর্নীতিত লিপ্ত থকাৰ কাৰণে প্রকৃত হিতাধিকাৰীয়ে পোৱা নাই।

* **শ্রী নীলমণি সেন ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীৰ কথাখিনি স্পেচিফিক নহয়। আমাৰ বিভিন্ন আঁচনিৰ ভিতৰত যদি কিবা খেলি-মেলি হৈছে তেন্তে তেখেতে স্পেচিফিক কৰি দিলে নিশ্চয় তদন্ত কৰি উপযুক্ত প্রমাণসহ আমি ব্যৱস্থা গ্রহণ কৰিম।

* **শ্রীমতী গুলআখতাৰা বেগম ঃ** অধ্যক্ষ মহোদয়, মোৰ প্রশ্ন আছিল যোৱাবাৰ অসমৰ ১১ খন জিলাৰ বাবে কৃষি বিভাগে অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত বীজ কিনাৰ কথা কৈছিল। কিন্তু আমি দেখিবলৈ পাইছো যে অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত বীজ ক্রয় কৰাৰ পৰিৱর্তে চৰকাৰে বহিঃৰাজ্যৰ পৰা সেই বীজ ক্রয় কৰিছে। ইয়াৰ ফলত ৰাজ্যখনে ৬ কোটি টকাৰ ৰাজহ হেৰুৱালে। যদি বিভাগে অসমৰ কৃষকৰ পৰা এই ৬০ লাখ কেজি বীজ ক্রয় কৰিলেহেঁতেন তেতিয়াহ'লে অসমৰ কৃষক উপকৃত হ'লহেঁতেন আৰু অসম চৰকাৰে

* Speech not corrected

৬ কোটি টকাৰ ৰাজহ পালেহেঁতেন। অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ভৱিষ্যতে যাতে অংকুৰ নোলোৱা বীজ ক্ৰয় কৰা নহয় তাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

* **শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে বীজ ক্ৰয় কৰাৰ সন্দৰ্ভত যিখিনি কৈছে সেইখিনিত কিছু খেলি-মেলি নোহোৱা নহয়। বীজ উৎপাদনৰ ক্ষেত্ৰত আমি যাতে স্বাৱলম্বী হ'ব পাৰো তাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও আমাক নিৰ্দেশ দিছে। ইয়াৰ বাবে আমি বিভাগে বিভিন্ন আঁচনি গ্ৰহণ কৰিছো। আমাৰ চিড কৰ্পোৰেচনৰ যিবোৰ ফাৰ্ম আছে সেইবোৰত আমি বীজ উৎপাদন কৰিম। তাৰোপৰি কৃষি বিশ্ববিদ্যালয়ে আমাক কিছুমান নতুন বীজ উৎপাদন কৰি দিব পাৰে। এই বিষয়ে আমি ইতিমধ্যে এখনি আলোচনা অনুষ্ঠিত কৰি কৃষি বিভাগৰ উন্নয়নৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যদি চিড কৰ্পোৰেচন বা কৃষি বিশ্ববিদ্যালয়ে আমাক প্ৰয়োজনীয় বীজ উৎপাদন কৰিব নোৱাৰে তেতিয়াহ'লে আমি বিভাগে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিম। বিশেষকৈ ধান বীজ যাতে বহিঃৰাজ্যৰ পৰা আনিবলগীয়া নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(সদনত গণ্ডগোল)

* **শ্ৰীমইন উদ্দিন আহমেদ** ঃ অধ্যক্ষ মহোদয়, আমাৰ কৃষি বিভাগত সৰ্বমুঠ

---

* Speech not corrected

২২টা আঁচনি আছে বুলি গম পাইছো। আমি দেখিছো যে প্রত্যেকটো আঁচনিৰ বিপৰীতে সন্তোষজনকভাৱে পুঁজি আৱণ্টন দিয়া হৈছে। আমাৰ অসমত এটা কথা আছে যে 'আছে গৰু নাবায় হাল, থকাতকৈ নথকাই ভাল'। আমাৰ কৃষি বিভাগৰ আঁচনিবোৰো এনেকুৱাই হৈছে। আজি উদাহৰণস্বৰূপে ক'ব পাৰো যে কৃষি বিভাগে বীজ প্ৰত্যেক বছৰে এনেকুৱা সময়ত দিয়ে যেতিয়া খেতি কৰা সময় পাৰ হৈ যায়। সেইদৰে বিভাগে কৈছে যে খেতিয়কসকলক কে চি চিৰ জৰিয়তে বেংকৰ ঋণ দিয়া হৈছে। এজন কৃষকে কে চি চিৰ ঋণ বেংকৰ পৰা ল'বলৈ হ'লে দালালক পাঁচ হাজাৰ টকা পৰ্যন্ত দিবলগীয়া হয়। কৃষি বিভাগে কৃষকক পাৱাৰ টিলাৰ, পাৱাৰ পাম্প আদি সামগ্ৰী দিছে। কিন্তু এইবোৰ সামগ্ৰী অৰ্থাৎ এখন পাৱাৰ টিলাৰ পাবলৈ হ'লে কৃষকে ১ লাখ টকা পৰ্যন্ত ভেটি দিবলগীয়া হয় আৰু ইয়াৰ বাবে প্ৰায় ৬ মাহ সময় খৰচ কৰিবলগীয়া হয়।

(সদনত গণ্ডগোল)

* **শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যদি আমাক স্পেচিফিক অভিযোগ দিয়ে তেতিয়াহ'লে আমি বিষয়টো তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

* **শ্ৰীৰাণা গোস্বামী** ঃ অধ্যক্ষ মহোদয়, ইয়াত কৃষি বিভাগৰ যি ২২টা আঁচনিৰ

---

* Speech not corrected

নাম উল্লেখ কৰা হৈছে এই আঁচনিবোৰ কোন কোন জিলাত, কিমান টকা ধাৰ্য কৰা হৈছে মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে।

(সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়, এই আঁচনিবোৰ ক'ত ক'ত দিয়া হৈছে মাননীয় বিধায়কসকলে একো গম নাপায়। গতিকে আপুনি বিষয়টো তদন্ত কৰি ৰিপোৰ্ট দিব।

প্ৰশ্নোত্তৰ কাল সমাপ্ত।

(Starred Question Nos. 46 to 60 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to.)

Sub : Construction of Tourist Lodge.

Shri Rajendra Prasad Singh asked :

* 46. Will the Minister of Tourism be pleased to state :

(a) Whether the Govt. is aware of the fact that construction of Tinsukia Tourist Lodge is yet to be completed ?

(b) If so, when the construction will be completed ?

(c) What amount will be incurred in the construction?

Shri Chandan Brahma (Minister of Tourism) replied :

(a) Yes.

(b) Due to change of site and other technical reasons the construction work of Tourist Lodge, Tinsukia was held and accordingly the work order issued to the contractor was cancelled due to delay in construction. A revised estimate for the remaining work has been prepared due to escalation of price of materials and labour. The construction will be completed as soon as fund is received.

(c) Total amount to be incurred for the construction is Rs. 65.55 lakhs approximately.

Sub : About Harijan & Disabled persons.

Captain Robin Bordoloi asked :

* 47. Will the Minister of Social Welfare be pleased to state:

(a) There are thousands of disabled persons in the 53-East Guwahati constituency, who regularly visit me for assistance as they are not getting any favourable help from the Social Welfare Department. Is the Govt. aware that for last many years there has not been any scheme for providing pension to physically disabled persons ?

(b) Is there any scheme taken by the Government for providing disability pension to the beneficiaries?

(c) If so, what is the criteria for getting such benefit?

Shri Akon Bora (Minister, Social Welfare Assam) replied :

(a) Yes, we are not providing pension to the Persons with Disabilities. However, we are providing unemployment allowances to the unemployed disabled persons who registered their names in notified special employment exchanges of Assam.

Moreover, we are also providing allowances to families with disabled children.

(b) No.

(c) Not applicable.

বিষয় ঃ মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ গাড়ী বিতৰণ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

* ৪৮। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত আজিলৈকে কিমানখন গাড়ী কোন কোন হিতাধিকাৰীৰ মাজত আৱণ্টন দি বিতৰণ কৰা হৈছে?

(সমষ্টি ভিত্তিত হিতাধিকাৰীৰ তালিকা সদনত দাখিল কৰিব)

(খ) এই বিভাগত গাড়ী ক্রয় কৰাৰ বাবদ কিমান পুঁজি ব্যয় কৰিছে?

(গাড়ীৰ মূল্য পৃথকে পৃথকে তালিকা দাখিল কৰিব)

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত আজিলৈকে বিতৰণ কৰা গাড়ীৰ সংখ্যা উল্লেখ কৰা হ'ল ঃ

২০০৮-০৯ বিত্তীয় বর্ষত সর্বমুঠ ৩৫৭ জন হিতাধিকাৰীৰ ভিতৰত ৩০৫ জন হিতাধিকাৰীক বিতৰণ কৰা হৈছে।

২০০৯-১০ আৰু ২০১০-১১ বিত্তীয় বর্ষত ৩৬৪ জন হিতাধিকাৰীৰ ভিতৰত এতিয়ালৈকে ১৯৫ জন হিতাধিকাৰীক বিতৰণ কৰি থকা হৈছে।

(সমষ্টি ভিত্তিত নহয়, অসম ভিত্তিতহে হিতাধিকাৰীৰ তালিকা গাঁঠি দিয়া হৈছে।) (See Annexure – V)

(খ) এই বিভাগত গাড়ী ক্রয় বাবদ দিয়া ৰাজসাহায্য (Subsidy) তলত উল্লেখ কৰাৰ দৰে ঃ

২০০৮-০৯ বর্ষত মুঠ ৭৩০.১২ লাখ টকা।

২০০৯-১০ আৰু ২০১০-১১ বর্ষত মুঠ ৫৩০-২৭ লাখ টকা।

বিষয় ঃ আস্থানৰ উন্নতিৰ ব্যৱস্থা।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

* ৪৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ অন্তর্গত ছিপাঝাৰ উপ বাছ আস্থানৰ কদর্য ৰূপ ধাৰণ কৰাটো বিভাগৰ জ্ঞাতনে?

(খ) ঐতিহ্যমণ্ডিত তাৰোপৰি দুৰণিবটীয়া যাত্রীৰ অতিকে ভিৰ পৰিলক্ষিত

হোৱা উক্ত আস্থানটিৰ উন্নয়ন বাদেই কার্য্যালয়ত বিভাগীয় কর্মচাৰী নিয়োজিত নকৰাৰ কাৰণ কি?

(গ) ছিপাঝাৰৰ ৰাইজৰ দাবী তথা প্রয়োজনীয়তাৰ প্রতি লক্ষ্য ৰাখি বাছ আস্থানটিৰ উন্নতি সাধনৰ জৰুৰী ব্যৱস্থা গ্রহণ কৰা হ'বনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পুৰণি আস্থানটোৰ গৃহসমূহৰ অৱস্থা সম্পর্কে চৰকাৰ জ্ঞাত।

(খ) উক্ত আস্থানটোত বিভাগীয় কর্মচাৰী নিয়োজিত হৈ আছে। বর্তমান এই আস্থানটোত এজন উচ্চ বর্গৰ সহায়ক আৰু এজন নিম্ন বর্গৰ সহায়কে কাম কৰি আছে।

(গ) আস্থানটো নতুনকৈ নির্মাণ কৰাৰ বাবে প্রয়োজনীয় প্রাক্কলন প্রস্তুত কৰা হৈছে। এই বিত্তীয় বর্ষত প্রাক্কলন অনুমোদনৰ বাবে উপস্থাপন কৰা হ'ব।

বিষয় ঃ পুঁজি আৱণ্টন।

শ্রীস্বপন কৰে সুধিছে ঃ

* ৫০। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লামডিং সমষ্টিৰ অন্তর্গত "কাকীনি বহুমুখী সমবায়" নামৰ কৃষি পামখনলৈ উক্ত অঞ্চলৰ কৃষি উন্নয়নৰ বাবে বিগত সময়ত চৰকাৰী পুঁজিৰ ধন মোকলাই দিয়া হৈছিল নেকি?

(খ) যদি হৈছিল, কিমান পৰিমাণৰ ধন মোকলাই দিয়া হৈছিল? উক্ত

ধন ক'ত আৰু কেনে পর্য্যায়ত ব্যৱহৃত হৈছে? (বিতং তথ্য সদনত দাখিল কৰিব)

(গ) বিগত ৫ (পাঁচ) বছৰত AACP আঁচনি যোগে লামডিং সমষ্টিৰ কৃষকসকলক কিমানখন ট্রেক্টৰ, পাৱাৰ টিলাৰ ইত্যাদি আৱণ্টন কৰা হৈছে? (প্রকৃত হিতাধিকাৰীসকলৰ বিতং তথ্য সদনত দাখিল কৰিব)

শ্রীনীলমনি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৪-০৫ চনত প্রযুক্তি অভিযানৰ (Technology Mission)ৰ অধীনত "কাকীনি বহুমুখী সমবায়" নামৰ কৃষি পামখনলৈ কৃষি উন্নয়ণৰ বাবদ চৰকাৰী পুঁজি মোকলাই দিয়া হৈছিল।

(খ) প্রায় ২০ হেক্টৰ মাটিত নেমু টেঙা খেতি কৰিবৰ কাৰণে ৩.৩৫ লাখ টকা মোকলাই দিয়া হৈছিল। নিম্নোক্ত ধৰণে এই ধন ধৰচ কৰা হৈছিল ঃ

ক) নেমু খেতি কৰা মাটি সম্প্রসাৰণৰ বাবে (Area Expansion)	ঃ	২.৬ লাখ টকা।
খ) ৰেহাই মূল্যত পাৱাৰ টিলাৰ যোগানৰ বাবে	ঃ	০.৪৫ লাখ টকা।
গ) কেঁচু সাৰ প্রস্তুতকৰণৰ বাবে	ঃ	০.৩০ লাখ টকা।
	মুঠ ঃ	৩.৩৫ লাখ টকা।

(তিনি লাখ পয়ত্রিশ হাজাৰ টকা)

(গ) বিগত ৫ (পাঁচ) বছৰে AACP আঁচনিযোগে লামডিং সমষ্টিৰ

কৃষকসকলক তলত দিয়া ধৰণে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদি আৱণ্টন কৰা হৈছে।

১।	ট্ৰেক্টৰ	ঃ	২ খন।
২।	পাৱাৰ টিলাৰ	ঃ	১ খন।
৩।	অগভীৰ নলী-নাদ (STW)	ঃ	৪০ টা।
৪।	নিম্ন উত্তোলক পাম্প (LLP)	ঃ	১৭৪ টা।
	মুঠ	ঃ	২১৭

প্ৰকৃত হিতাধিকাৰীসকলৰ বিতং তথ্য সদনৰ মেজত দাখিল কৰা হ'ল—(See Annexure – VI)

বিষয় ঃ জনজাতি যুৱক-যুৱতীৰ বাবে গাড়ী।

শ্ৰীপল্লৱ লোচন দাসে সুধিছে ঃ

* ৫১। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) "অসম বিকাশ যোজনা"ৰ অধীনত কিমানসংখ্যক চাহ জনজাতি যুৱক-যুৱতীক ২০০৬ চনৰ পৰা ২০১০ চনলৈ গাড়ী প্ৰদান কৰা হয়?

(খ) "অসম বিকাশ যোজনা"ৰ অধীনত কিমানসংখ্যক চাহ জনজাতিৰ যুৱক-যুৱতীয়ে গাড়ী পাবৰ বাবে আবেদন দাখিল ২০০৬ চনৰ পৰা ২০১০ চনৰ ভিতৰত কৰিছিল?

শ্ৰীচন্দন ব্ৰহ্ম (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) "অসম বিকাশ যোজনা"ৰ অধীনত বিশেষকৈ ৰাজ্যখনৰ শিক্ষিত

নিবনুৱাসকলৰ স্ব-নিয়োজনৰ বাবে ২০০৮-০৯ বিত্তীয় বৰ্ষৰ পৰা এই আঁচনি আৰম্ভ কৰা হয় আৰু এই আঁচনি অনুযায়ী অৰ্হতা ভিত্তিত গাড়ী প্ৰদান কৰা হয়। ২০০৮-০৯ বৰ্ষত চাহ জনজাতিৰ ১ জন আৰু ২০০৯-১০ তথা ২০১০-১১ বৰ্ষত ৪ জন চাহ জনজাতিৰ প্ৰাৰ্থীয়ে এই সাহায্য পায়।

(খ) "অসম বিকাশ যোজনা"ৰ অধীনত গাড়ীৰ বাবে আবেদন কৰি গাড়ী লাভ কৰা হিতাধিকাৰীৰ তালিকা তলত দিয়া হ'ল। উল্লেখ কৰিব পাৰি যে ২০০৮-০৯ বিত্তীয় বৰ্ষত ৫ জন আৰু ২০০৯-১০ তথা ২০১০-১১ বিত্তীয় বৰ্ষত ১৮ জন চাহ জনজাতিৰ প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছিল।

বৰ্ষ	বাচনি কৰা মুঠ হিতাধিকাৰীৰ সংখ্যা	যাৱতীয় নথি-পত্ৰ জমা দি ৰাজ-সাহায্য (Subsidy) লাভ কৰা হিতাধিকাৰীৰ সংখ্যা	ৰাজ-সাহায্য লাভ কৰা চাহ জনজাতিৰ হিতাধিকাৰীৰ সংখ্যা
২০০৮-০৯	৩৫৭	৩০৫	১
২০০৯-১০ ২০১০-১১	৩৫০	১৯৫ এই আঁচনিখনৰ ৰূপায়ণৰ কাম চলি আছে।	৪

বিষয় ঃ খৰাং পীড়িত কৃষকৰ সমস্যা।

শ্ৰীজয়ন্ত মল্ল বৰুৱাই সুধিছে ঃ

* ৫২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বছৰ জুন মাহৰ শেষলৈকে বৰষুণ নোহোৱাৰ পৰিপ্ৰেক্ষিতত খৰাং সদৃশ পৰিবেশৰ উদ্ভৱ হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) খৰাং পৰিস্থিতিৰ বাবে হোৱা সমস্যাৰ পৰা কৃষক সকলক পৰিত্রাণ দিবলৈ কৃষি বিভাগে কিবা বিশেষ আঁচনি গ্রহণ কৰিছে নেকি?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এই বছৰ জুন মাহৰ আৰম্ভণিত অসমত নিয়মীয়া পৰিমাণতকৈ কম পৰিমাণে বৰষুণ হ'লেও জুন মাহৰ শেষৰ ভাগত পৰিস্থিতি স্বাভাৱিক হোৱাত খৰাং সদৃশ পৰিবেশ সৃষ্টি হোৱা নাই।

(খ) যদিহে অসমত খৰাং সদৃশ অৱস্থাৰ সৃষ্টি হয় তেনেহ'লে ইয়াৰ সন্মুখীন হ'ব পৰাকৈ কৃষি বিভাগে তৎকালে ৰূপায়ণ কৰিব পৰাকৈ বিশেষ ব্যৱস্থাৰ পৰিকল্পনা কৰা হৈছিল।

বিষয় ঃ ASTC বাছৰ সেৱা।

শ্রীমতী জোন জোনালী বৰুৱাই সুধিছে ঃ

* ৫৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও-নগাঁৱৰ মাজত চলা ASTC বাছ সেৱা উঠাই দিয়া বিষয়টো চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে উক্ত বাছখন পুনৰ চলোৱাৰ ব্যৱস্থা কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাঁও-নগাঁৱৰ মাজত চলাচল কৰা বাছখন উঠাই দিয়া হোৱা নাই।

(খ) বাছখন উক্ত পথত চলি আছে।

Sub : Prisoners in Assam.

Shri Anjan Dutta asked :

* 54. Will the Minister of Jails be pleased to state :

(a) At present how many prisoners are there in different Jails in Assam ?
(Please place Jail wise list of Prisoners)

(b) What is the per head expenditure against fooding and lodging of prisoner ?

Shri Akon Bora (Minister, Jails) replied :

(a) At present there are 8539 Nos. of male and 325 Nos. of female, total 8864 Nos. of prisoners as on 30.06.2011 in the Jails of Assam. Jail wise list of prisoners is enclosed at Annexure-A.
(See Annexure – VII)

(b) The per head expenditure per day against fooding and lodging of prisoner is Rs. 45.00 (Rupees Forty five) only.

বিষয় ঃ ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

* ৫৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত ২০০৯-১০ বৰ্ষত নগাঁও জিলাত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) জুৰীয়া আৰু বটদ্ৰৱা উন্নয়ণ খণ্ডত এই আঁচনিৰ অধীনত কোন কোন শিতানত কিমানজন হিতাধিকাৰী উপকৃত হৈছে?

(গ) এই আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰী সকলৰ নামৰ তালিকা (জুৰীয়া আৰু বটদ্ৰৱা উন্নয়ন খণ্ড) সদনৰ মেজত দাখিল কৰিবনে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৯-১০ বৰ্ষত নগাঁও জিলাত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত ৰূপায়ণ কৰা আঁচনিসমূহ —

১। প্ৰমাণিত ধানৰ বীজ বিতৰণ আঁচনি (Certified Paddy Seed Distribution Scheme)

২। কৃষি বাণিজ্য পৰিবহন অনুদান আঁচনি (Agriculture Marketing Transport Subsidy Scheme)

৩। ৰাষ্ট্ৰীয় জলচ্ছেদ প্ৰকল্প (NWDPRA)

৪। কৃষি বাণিজ্য আঁচনিত মিনি ট্ৰাক বিতৰণ।

(Distribution of Mini-Truck under Agricultural Marketing Scheme)

৫। কৃষি যান্ত্ৰিকীকৰণ আঁচনি শতকৰা ৫০% ৰেহাই মূল্যত Agricultural Machinary যেনে— পাৱাৰ টিলাৰ বিতৰণ আৰু ৫০% ৰেহাই মূল্যত ডিজেল পাম্প আৰু অগভীৰ নলী-নাদ (STW) বিতৰণ।

(খ) জুৰিয়া উন্নয়ণ খণ্ডত প্ৰমাণিত ধানৰ বীজ বিতৰণ শিতানত তেলিয়া বেবেজিয়া কৃষি উন্নয়ণ চক্ৰত মুঠ ১১৬ জন, বালুচৰ কৃষি উন্নয়ণ চক্ৰত মুঠ ১১০ জন; দ-গাঁও কৃষি উন্নয়ন চক্ৰত মুঠ ১১০ জন উপকৃত হৈছে। সৰ্বমুঠঃ ৩৩৬ জন হিতাধিকাৰী।

বটদ্ৰৱা উন্নয়ণ খণ্ডত প্ৰমাণিত বীজ (ধান) বিতৰণ শিতানত বটদ্ৰৱা কৃষি উন্নয়ণ চক্ৰত মুঠ ১১০ জন; চমুৱাগাওঁ কৃষি উন্নয়ণ চক্ৰত মুঠ ১০৭ জন উপকৃত হৈছে। সৰ্বমুঠ ২১৭ জন হিতাধিকাৰী।

কৃষি বাণিজ্য পৰিবহন অনুদান আঁচনিৰ শিতানত বটদ্ৰৱা কৃষি উন্নয়ণ চক্ৰৰ মুঠ ২৫টা কৃষক পৰিয়ালৰ ২৫০ জন উপকৃত হয়।

জুৰিয়া উন্নয়ন খণ্ডত এই শিতানত দ-গাঁও ও বালুচৰ কৃষি উন্নয়ণ চক্ৰত মুঠ ৬০টা কৃষক পৰিয়ালৰ সৰ্বমুঠ ৩৩৫ জন কৃষক উপকৃত হয়।

কৃষি বাণিজ্য আঁচনিত মিনি ট্ৰাক অনুদান আঁচনিৰ শিতানত জুৰিয়া উন্নয়ণ খণ্ডত ২ খন আৰু বটদ্ৰৱা উন্নয়ন খণ্ডত ১ খন কৃষক গোটৰ মাজত দিয়া হৈছে। গোট তিনিটা ক্ৰমে ঃ-

১। শ'লগুৰি কৃষি গোট ; চমুৱাগাঁও।

২। ৰৱালিমাৰী কৃষি উৎপাদন ব্যৱস্থাপনা গোট, বালুচৰ।

৩। জহাজান চেনিমাৰী মিলন জ্যোতি কৃষি উৎপাদন ব্যৱস্থাপনা গোট, জুৰিয়া।

জুৰিয়া আৰু বটদ্ৰৱা উন্নয়ন খণ্ডত এই আঁচনিৰ জৰিয়তে ২৬ খন

পাৱাৰ টিলাৰ, ২৬টা কৃষক গোটৰ মাজত বিতৰণ কৰি ১৩০ জন হিতাধিকাৰীক উপকৃত কৰা হৈছে। ইয়াৰ উপৰিও ৩১টা অগভীৰ নলী-নাদ আৰু ডিজেল পাম্প বিতৰণ কৰি ৯৩ জন হিতাধিকাৰীক উপকৃত কৰা হয়।

(গ) এই আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীৰ নামৰ তালিকা (জুৰিয়া আৰু বটদ্ৰৱা উন্নয়ণ খণ্ডৰ বাবে) সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure – VII-A)

বিষয় ঃ সামগ্ৰী বিতৰণ।

শ্ৰীপ্ৰবীণ হাজৰিকাই সুধিছে ঃ

* ৫৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত পাভৈত থকা ১ নং সাকোমঠা সমবায় সমিতিৰ অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণত যি অনিয়ম হৈ আছে সেই বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত সমবায় সমিতিৰ জৰিয়তে Agent সকলে যেনেদৰে সামগ্ৰী সমূহ নিয়মীয়াভাৱে পাব লাগে তেনেদৰে বহু দিন ধৰি নোপোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ ল'বনে?

(ঘ) ১ নং সাকোমঠা সমবায় সমিতিৰ জৰিয়তে জনমূৰি ভিত্তিত বৰ্তমানলৈকে কিমান পৰিমাণৰ বাবে সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰিছে?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়।

(খ) অৱগত নহয়।

(গ) প্রশ্ন নুঠে।

(ঘ) ১ নং সাকোমঠা সমবায় সমিতিৰ জনমূৰি ভিত্তিত সামগ্রী পোৱা পৰিয়ালৰ সংখ্যা তলত দিয়া ধৰণৰ —

সামগ্রীৰ নাম		পৰিয়ালৰ সংখ্যা
১) এ এ ওৱাই চাউল	—	৭২২
২) বি পি এল চাউল	—	১২৫৭
৩) অতিৰিক্ত বি পি এল চাউল	—	১২৫৭
৪) এ পি এল চাউল	—	৫০৩০
৫) মিড ডে মিল	—	পৰিয়াল নাই
৬) চেনি	—	৭১০৬
৭) আটা	—	৭১০৬
৮) মুখ্যমন্ত্রীৰ অন্ন সুৰক্ষা যোজনা	—	নাই

বিষয় ঃ তিনিচকীয়া বাহনৰ অনুজ্ঞাপত্র।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

* ৫৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাৰ পৰিবহন বিভাগৰ কার্য্যালয়ৰ পৰা যোৱা ১-৪-১০ চনৰ পৰা বর্তমানলৈকে কিমানখন তিনিচকীয়া বাহনক অনুজ্ঞাপত্র দিয়া হৈছে?

(খ) সেই অনুজ্ঞাপত্র দিয়া বাহনসমূহ কোন কোন পথত চলিছে আৰু সেই বাহনবিলাকৰ R.C.No. আৰু অনুজ্ঞা পত্র দিয়া তাৰিখ সহ সদনৰ মেজত দাখিল কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় জিলাৰ পৰিবহন বিভাগৰ কার্য্যালয়ৰ পৰা যোৱা ১-৪-২০১০ চনৰ পৰা বর্তমানলৈকে সর্বমুঠ ১৩৬ খন তিনিচকীয়া বাহনৰ অনুজ্ঞাপত্র প্রদান কৰা হৈছে।

(খ) তিনিচকীয়া বাহনৰ অনুজ্ঞাপত্রত কোনো নির্দিষ্ট পথ নির্দ্ধাৰণ কৰি দিয়া নহয়। কেৱল নির্দিষ্ট কেন্দ্রৰ পৰা ১০ কিঃমিঃ ব্যাসার্দ্ধলৈকেহে চলিব পাৰে। অনুজ্ঞাপত্র দিয়া বাহন সমূহৰ পঞ্জীয়ন সংখ্যা (R.C.No.) অনুজ্ঞাপত্র দিয়া তাৰিখ সহ <u>তালিকা 'ক'</u>ত উল্লেখ কৰা হ'ল। (See Annexure – VIII)

বিষয় ঃ মাহ গাঁও ঘোষণা।

শ্রীভূপেন ৰায়ে সুধিছে ঃ

* ৫৮। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৯-১০ চনত বঙ্গাইগাঁও জিলাত কৃষি বিভাগে কিছুমান গাঁও মাহ গাঁও হিচাবে ঘোষণা কৰিছিল নেকি?

(খ) যদি কৰিছিল, কোন কোন গাঁও ইয়াৰ অন্তর্ভুক্ত আছিল? (নাম সহ বিতং তথ্য দিব)

(গ) উক্ত মাহ গাওঁসমূহত 'মাহ' খেতিৰ বাবে কি কি সামগ্রী যোগান ধৰিছিল?

(ঘ) এই আঁচনিৰ জৰিয়তে মুঠতে কিমান গৰাকী কৃষক উপকৃত হৈছিল? (কৃষকৰ নাম-ঠিকনা সহ বিতং তথ্য দিব)

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ঘোষণা কৰা হোৱা নাছিল।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ Special Package of C.M.

শ্রীবনেন্দ্র কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

* ৫৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১০-১১ বিত্তীয় বছৰত Hon'ble Chief Minister's Special Packageৰ জৰিয়তে সমাজ কল্যাণ বিভাগে কি কি আঁচনি ৰূপায়ণ কৰিছিল?

(খ) উক্ত আঁচনিৰ অধীনত ধুবুৰী জিলাৰ ২৪ নং গৌৰীপুৰ সমষ্টিত

কোন কোন আঁচনিত কিমানজন হিতাধিকাৰীক বাছনি কৰা হৈছিল? (হিতাধিকাৰীৰ তালিকা সদনত দাখিল কৰিব)

(গ) হিতাধিকাৰী সকলৰ নামত আৱণ্টিত ধন সম্পূৰ্ণভাৱে বিতৰণ কৰা হৈছেনে?

শ্ৰীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২০১০-১১ বিত্তীয় বছৰত Hon'ble Chief Minister's Special Packageৰ জৰিয়তে সমাজ কল্যাণ বিভাগে তলত দিয়া আঁচনিসমূহ ৰূপায়ণ কৰিছিল ঃ-

১) বাইদেউ-নবৌ

২) ন-বোৱাৰী

৩) মহিলা আয়োগৰ গৃহ নিৰ্মাণ

৪) অঙ্গনবাদী কাৰ্য্যকৰ্তী বীমা যোজনা

৫) আম্ আদ্‌মি বীমা যোজনা

৬) হৰিজন সকলৰ আৰ্থসামাজিক, শৈক্ষিক আৰু কৃষ্টিৰ উন্নতিৰ কল্পে সমুদায় গৃহ নিৰ্মাণ

৭) ঠিকাভিত্তিক কাম কৰা বনুৱাৰ প্ৰশিক্ষণ আৰু অনুদান

৮) মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনি

(খ) মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনিৰ হিতাধিকাৰীৰ তালিকা 'ক'ত গাঁঠি দিয়া হ'ল। বাকীসকল হিতাধিকাৰীৰ তালিকা সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে। (See Annexure – IX)

(গ) সম্পূর্ণভাৱে বিতৰণ কৰা হোৱা নাই। সংশ্লিষ্ট জিলা সমাজ কল্যাণ বিষয়াক হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

বিষয় ঃ AACP আঁচনি।

মঃ ইলিয়াছ আলীয়ে সুধিছে ঃ

* ৬০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দলগাওঁ সমষ্টিত বিশ্ব বেংকৰ পুঁজি 'AACP'ৰ অধীনত "Infrastructure Development of Balugaon Whole Sale Market" আঁচনিৰ জৰিয়তে বালুগাওঁ বজাৰত কি কি উন্নয়ণমূলক কাম হাতত লোৱা হৈছে?

(খ) উক্ত কামৰ বাবে কিমান তাৰিখে work order দিয়া হৈছে আৰু কাম সম্পূৰ্ণ কৰাৰ সময় সীমা কিমান দিন আছিল?

(গ) ঠিকাদাৰজনৰ কামৰ নিৰ্দ্ধাৰিত সময় সীমা উকলিল নে নাই?

(ঘ) চুক্তিৰ নিৰ্দ্ধাৰিত ম্যাদ উকলিলে ঠিকাদাৰৰ বিৰুদ্ধে বিভাগীয়ভাৱে কিবা জৰিমনা বিহাৰ ব্যৱস্থা আছেনে নাই?

(ঙ) যদি আছে এইজন ঠিকাদাৰৰ বিৰুদ্ধে কিমান টকা জৰিমনা বিহা হৈছে।

(চ) আঁচনিৰ অধীনত ইতিমধ্যে কি কি কাম সম্পূৰ্ণ কৰা হৈছে আৰু কি কি কাম বাকী আছে?

(ছ) কামৰ বিপৰীতে কিমান টকা মোকলাই দিয়া হৈছে আৰু কিমান টকা বাকী আছে?

(জ) বাকী থকা কাম কেতিয়া সম্পূর্ণ হ'ব?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এ এ চি পি আঁচনিৰ অধীনত বালুগাওঁ Whole Sale Marketত উন্নয়নৰ বাবে তলত উল্লেখ কৰা নির্মাণ কার্য্যসমূহ সন্নিবিষ্ট কৰা হৈছে।

১) হার্ড পেড এৰিয়া	—	3660.66 m
২) নলা (ড্রেইন)	—	850.00 RM
৩) চেপটিক টেংক	—	এটা
৪) টইলেট ব্লক	—	এটা
৫) ৰিটেইল ছেদ	—	২টা
৬) লেণ্ড ডেভেলপমেণ্ট	—	3807.00 m^3
৭) হোল চেল ছেদ	—	এটা
৮) চাইকেল ষ্টেণ্ড	—	এটা
৯) দমকল (টিউবৱেল)	—	২টা
১০) ইলেকট্রিকেল কাম	—	এটা
১১) ওৱেষ্ট দিছপোজেল পিট	—	২টা
১২) মটৰেবল হার্ডপেড এৰিয়া	—	1362.30 m^2
১৩) WBM উইথ ব্লেক টপিং	—	4500.00 m^2

(খ) উক্ত কামৰ work order 12.06.09 ইং তাৰিখে দিয়া হৈছিল।

কাম সম্পূৰ্ণ কৰিবৰ বাবে 12.03.2010 তাৰিখলৈ সময় সীমা দিয়া হৈছিল।

(গ) সময় উকলি গৈছে। কিন্তু বিভিন্ন ধৰণৰ অসুবিধাৰ বাবে উক্ত কামটো অহা 30.09.2011 তাৰিখৰ ভিতৰত শেষ কৰিবৰ কাৰণে সময় ধার্য্য কৰি দিয়া হৈছে।

(ঘ) জৰিমনা বিহাৰ ব্যৱস্থা আছে।

(ঙ) জৰিমনাৰ ব্যৱস্থা আছে। ইতিমধ্যে কামৰ অগ্রগতি সন্তোষজনক নোহোৱাত আৰু প্ৰায়ে দুমাহ সময় ধৰি একেবাহে কাম বন্ধ কৰি ৰখাৰ কাৰণে ঠিকাদাৰক কৈফিয়ৎ তলব কৰা হৈছে। ঠিকাদাৰৰ পৰা সন্তোষজনক উত্তৰ নাপালে বিভাগীয় নিয়ম আৰু চুক্তি মতে জৰিমনা কৰাৰ বাবে বিবেচনা কৰা হ'ব।

(চ) উক্ত কামৰ — ১। ৰিটেইল ছেদ — ২টা

২। হোলছেল ছেদ — ১টা

৩। টইলেট ব্লক — ১টা

৪। চাইকেল ষ্টেণ্ড — ১টা

আদিৰ কাম সম্পূৰ্ণ কৰা হৈছে।

বাকীবোৰ কাম যেনে— হার্ড পেভিং (Hard Paving) ড্রেইন, লেণ্ড ডেভেলপমেণ্ট, ইলেকট্রিকেল কাম, WBM ব্লেক টপিং (water bound macadom) আদিৰ কাম সম্পূৰ্ণ হ'বলৈ বাকী আছে।

(ছ) কামৰ বিপৰীতে বৰ্তমানলৈকে 53,21,090.00 টকা মোকলাই দিয়া হৈছে আৰু 56,62,652.00 টকা জমা আছে।

(জ) বাকী থকা কাম অহা চেপ্তেম্বৰ মাহ ২০১১ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ VLEW-ৰ পদোন্নতি।

শ্ৰীবলিন চেতিয়াই সুধিছে ঃ

১০১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ কৃষি বিভাগত থকা বিভাগীয় অনুমোদনেৰে ৪ বছৰীয়া কৃষি স্নাতক ডিগ্ৰী আহৰণ কৰা 'গ্ৰাম্য পৰ্য্যায়ৰ কৃষি সম্প্ৰসাৰণ কৰ্মী' (VLEW) সকলক কৃষি উন্নয়ন বিষয়া (ADO) পদলৈ পদোন্নতি দিয়াৰ কিবা ব্যৱস্থা লৈছেনে?

(খ) যদি লৈছে, কি ব্যৱস্থা লৈছে?

(গ) Assam Agriculture Service Rules, 1980 খন আজি বিগত ২৫ বছৰে অনুমোদন নজনোৱাকৈ আছে, যাৰ বাবে এই (VLEW) সকলৰ Promotion-ৰ বাট বন্ধ হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, তেন্তে চৰকাৰে এই বিষয়ে কি ব্যৱস্থা লৈছে? (বিতংভাৱে জনাব)

(ঙ) উক্ত VLEW সকলৰ পদোন্নতি কেতিয়া কৰা হ'ব?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৪ বছৰীয়া কৃষি স্নাতক ডিগ্রীধাৰী "গ্রাম্য পর্য্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী" (VLEW) সকলক কৃষি উন্নয়ন বিষয়া (ADO) পদলৈ পদোন্নতি দিয়াৰ নীতি নাই।

(খ) প্রশ্ন নুঠে।

(গ) Assam Agriculture Service Rules, 1980, চৰকাৰৰ অনুমোদিত Service Rule আৰু এইখন Service Ruleৰ কাৰণে VLEW সকলৰ পদোন্নতি বন্ধ হৈ থকাৰ প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) VLEW সকলক বিভাগৰ নিয়ম অনুযায়ী সহ-পৰিদর্শক পদলৈ পদোন্নতি দি থকা হৈছে।

বিষয় ঃ দৈনিক দিন সেৱা যাত্রীবাহী বাহ।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

১০২। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত ডুমডুমাৰ পৰা গুৱাহাটীলৈ দৈনিক দিন সেৱা যাত্রীবাহী বাহ চলাচলৰ ব্যৱস্থা আছেনে?

(খ) যদি নাই, তেন্তে চৰকাৰে "দিন সেৱা" যাত্রীবাহী বাহ চলোৱাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নাই।

(খ) চলিত বিত্তীয় বর্ষত নতুন বাছ ক্রয় কৰাৰ বাবে পুঁজি আৱণ্টন হ'লে, উক্ত পথত নতুন যাত্রীবাহী "দিন সেৱা" বাছ প্রৱর্তন কৰাৰ বাবে ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ দুলিয়াজান সমষ্টিত অঙ্গনবাদী কেন্দ্রৰ সংখ্যা।

শ্রীমতী অমিয়া গগৈয়ে সুধিছে ঃ

১০৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দুলিয়াজান সমষ্টিত কিমানটা অঙ্গনবাদী কেন্দ্র আছে?

(খ) এই কেন্দ্রসমূহৰ ঘৰবিলাকৰ অৱস্থা বর্তমান কেনেকুৱা?

(গ) কেন্দ্রবিলাকত কিমান ল'ৰা-ছোৱালী আছে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) দুলিয়াজান সমষ্টিৰ টেঙাখাত আৰু পানীতোলা সংহত শিশু উন্নয়ন প্রকল্প দুটাত মুঠ ৬১৩টা অঙ্গনবাদী কেন্দ্র আছে।

(খ) অঙ্গনবাদী কেন্দ্রৰ গৃহসমূহৰ অৱস্থা বর্তমান ভাল।

(গ) কেন্দ্রসমূহত উপস্থিত থকা ল'ৰা-ছোৱালীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ-

১) টেঙাখাত সংহত শিশু উন্নয়ন প্রকল্পৰ ৩৮৯টা কেন্দ্রত ০-৩ বছৰৰ ৭১৩৯ টা, ০৩-৬ বছৰৰ ৭৪৫৬ টা।

২) পানীতোলা সংহত শিশু উন্নয়ন প্রকল্পৰ ২২৪টা কেন্দ্রত ০-৩ বছৰৰ ৭০৯৯ টা। ০৩-৬ বছৰৰ ৮৯৩৭ টা।

বিষয় ঃ পৰিবহনৰ সংখ্যা বৃদ্ধি।

শ্রী যাদৱ চন্দ্র ডেকাই সুধিছে ঃ

১০৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, কামৰূপ জিলাৰ গোৱেশ্বৰ নাওকাটাৰ পৰা বাইহাটা চাৰিআলি হৈ দিশপুৰ তথা গুৱাহাটী মহানগৰীলৈ যথেষ্ট সংখ্যক বাছ যাত্রী দৈনিক কর্মৰ বাবে অহা-যোৱা কৰে যদিও চৰকাৰী পৰিবহনৰ সংখ্যা কম হোৱা হেতুকে যাত্রীসকলে সদায় অসুবিধাৰ সন্মুখীন হয়। যদি জ্ঞাত, তেনেহ'লে দিশপুৰ/খানাপাৰা/কাছাৰীৰ পৰা গোৱেশ্বৰলৈ চৰকাৰী পৰিবহনৰ সংখ্যা বঢ়োৱাৰ ব্যৱস্থা কৰিবনে?

(খ) যদি কৰে, কেতিয়া ইয়াক কার্য্যকৰী কৰিব?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যাত্রীৰ অসুবিধালৈ লক্ষ্য ৰাখি বাছ বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(খ) নতুন বাছ ক্রয়ৰ বাবে পুঁজি উপলব্ধ হ'লে উক্ত পথছোৱাত নিগমৰ বাছৰ সংখ্যা বৃদ্ধি কৰিব পৰা যাব। বর্তমান অৱস্থাত গোৱেশ্বৰৰ পৰা বাইহাটা চাৰিআলিলৈকে পথছোৱা বেয়া হোৱা বাবে নিগমৰ বাছ সমূহত সঘনে বিজুতি ঘটা দেখা যায়, যাৰ

ফলত পৰিবহন নিগমে মেৰামতিৰ দিশত যথেষ্ট লোকচান ভৰিবলগীয়া হয়।

বিষয় ঃ বিভাগৰ বাছৰ সংখ্যা।

শ্রী ৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

১০৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পৰিবহন বিভাগৰ দৈনিক কিমানখন বাছ ছয়গাঁৱৰ পৰা গুৱাহাটীলৈ চলাচল কৰে?

(খ) ছয়গাঁও সমষ্টিৰ গৰৈমাৰীৰ পৰা পৰিবহন বিভাগৰ বাছ গুৱাহাটীলৈ চলাচল কৰি আছেনে?

(গ) যদি আছে কিমান?

(ঘ) যদি নাই, অতি কমেও ৫ খন বাছ চলাচলৰ ব্যৱস্থা কৰিব নেকি?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পৰিবহন নিগমৰ ১৮ খন বাছ ছয়গাঁও-গুৱাহাটীৰ মাজত চলাচল কৰে।

(খ) এই পথটোত পৰিবহন নিগমৰ বাছ বর্তমান চলা নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) চলিত বিত্তীয় বর্ষত নতুন বাছ ক্রয়ৰ বাবে পুঁজি আৱণ্টন হ'লে উক্ত পথটোত নিগমৰ বাছ চলাচলৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ পৰিবহন বিভাগৰ মাটিৰ পৰিমাণ।

শ্ৰী চন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

১০৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৰিবহন আস্থানৰ কোন কোন জিলাত কিমান মাটি ব্যক্তিগত মানুহক Lease ত দিয়া হৈছে, লগতে ব্যৱসায়ীক ঘৰ নিৰ্মাণ কৰি ভাড়া অথবা Lease ত দিয়া হৈছে তাৰ তথ্য সদনত দাখিল কৰিবনে?

(খ) পৰিবহন বিভাগটো লাভবান আৰু ৰাইজ সেৱাত অধিক যত্নবান হোৱাৰ বাবে চৰকাৰে কিবা নতুন Policy লৈছেনে?

(গ) পৰিবহন বিভাগৰ বিষয়া কৰ্মচাৰী আৰু ৰাইজৰ সুবিধাৰ বাবে বিভাগটো টনকিয়াল কৰাৰ বাবে নতুনকৈ চিন্তা-চৰ্চা কিবা কৰিছেনে? যদি কৰিছে সদনৰ মজিয়াত বিতং তথ্য দাখিল কৰিবনে?

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈকে অসম ৰাজ্যিক পৰিবহন নিগমৰ কোনো মাটি ব্যক্তিগত মানুহক Leaseত দিয়া হোৱা নাই কিন্তু নিগমৰ মাটিত ঘৰ নিৰ্মাণ কৰি ভাড়াত দিয়া হৈছে। বিতং তথ্য তালিকা ক'ত উল্লেখ কৰা হ'ল। (See Annexure – X)

(খ) হয়, লোৱা হৈছে।

(গ) হয়, কৰা হৈছে। বিতং তথ্য তালিকা 'খ'ত দাঙি ধৰা হৈছে। (See Annexure – XI)

বিষয় ঃ আন্তঃৰাজ্যিক সীমান্ত অঞ্চল উন্নয়ন।

শ্রীমাজেন্দ্র নার্জাৰীয়ে সুধিছে ঃ

১০৭। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলা আন্তঃৰাজ্যিক সীমান্ত অঞ্চল হিচাপে চিহ্নিত?

(খ) আন্তঃৰাজ্যিক সীমান্ত অঞ্চল উন্নয়নৰ অর্থে চৰকাৰে আছুতীয়াকৈ পুঁজি আৱণ্টন দিয়ে নেকি?

(গ) যদি দিয়ে, যোৱা ৫ বছৰত কোন কোন জিলাত কেনেধৰণৰ আঁচনি লোৱা হৈছিল?

(ঘ) পুঁজিসমূহ জিলা ভিত্তিত আৱণ্টন দিয়া হয় নেকি?

(ঙ) কোকৰাঝাৰ জিলাৰ গোসাইগাঁও বিধান সভা সমষ্টিৰ অন্তর্গত কোনো অঞ্চলত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হৈছে নেকি? (অনুগ্রহ কৰি তালিকা দিব)

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ তিনিচুকীয়া, ডিব্রুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, ধেমাজি, লক্ষীমপুৰ, শোণিতপুৰ, কার্বি আংলং, ডিমা হাচাও, মৰিগাঁও, ওদালগুৰি, কামৰূপ (মহানগৰ), কামৰূপ, গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী, হাইলাকান্দি, কৰিমগঞ্জ আৰু কাছাৰ জিলা আন্তঃৰাজ্যিক সীমান্ত অঞ্চল হিচাপে চিহ্নিত।

(খ) হয়, দিয়ে।

(গ) যোৱা ৫ বছৰত সংশ্লিষ্ট জিলাসমূহত লোৱা আঁচনিৰ বিতং তথ্য পৰিশিষ্ট 'ক'ত দিয়া হ'ল। (See Annexure – XII)

(ঘ) হয়।

(ঙ) হোৱা নাই।

বিষয় ঃ মৃত উদ্যোগ কার্য্যক্ষমৰ ব্যৱস্থা।

শ্রীমতী বিস্মিতা গগৈয়ে সুধিছে ঃ

১০৮। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) খুমটাই সমষ্টিৰ অন্তর্গত "অসম সমবায় চেনিকল, বৰুৱা বামুণগাঁও" আৰু "শ্বহীদ কুশল কোঁৱৰ" সূতাকল এই মৃত উদ্যোগ দুটা কার্য্যক্ষম কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) সমবায় খণ্ডত কার্য্যক্ষম কৰাত যদি অসুবিধা আছে, তেনেহ'লে ব্যক্তিগত খণ্ডলৈ নি হ'লেও উদ্যোগ দুটা কার্য্যক্ষম কৰাৰ ব্যৱস্থা লৈছে নেকি?

শ্রীছিদ্দেক আহমেদ (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰুৱা বামুণগাঁৱৰ অসম সমবায় চেনিকল আৰু গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ সমবায় সূতাকল দুটা কার্য্যক্ষম হোৱাৰ কোনো আশা নথকাৰ বাবে এই দুয়োটা প্রতিষ্ঠান বন্ধ কৰি দিয়া হৈছে। ইয়াৰ ভিতৰত সমবায় চেনিকলৰ ক্ষেত্রত অৱসায়ন (liquidation)

কার্য্যব্যৱস্থা আৰম্ভ কৰা হৈছে আৰু শ্বহীদ কুশল কোঁৱৰ সমবায় সমিতিৰ ক্ষেত্ৰত অনতিপলমে লিকুইডেশ্যন প্ৰচিডিং (liquidation proceeding) আৰম্ভ কৰাৰ বাবে প্ৰাৰম্ভিক তদন্ত হাতত লোৱা হৈছে।

(খ) সমবায় সমিতিৰ ক্ষেত্ৰত অৱসায়ন কার্য্যব্যৱস্থা (liquidation proceeding) আৰম্ভ কৰাৰ পিছত ব্যক্তিগত খণ্ডলৈ পৰিৱৰ্তন কৰাৰ বাবে বৰ্তমান বিভাগৰ কোনো সিদ্ধান্ত নাই।

Sub : Construction of M.I. Bunds.

Shri Anamul Haque asked :

* 109. Will the Minister of Agriculture be pleased to state:

(a) Whether the Government is aware of the fact that Mangalpur Haor area of Sonai, Cachar is a flood probe area and the affected cultivable land is around 2700 Hectare ?

(b) Is it also a fact that the cultivators of the said area had taken up Bodo cultivation to an area of around 260 Hect. this year by erecting temporary earthen M.I. Bunds and harvesting was done successfully ?

(c) If so, will the Government take up at last 30 Nos. of M.I. Bunds in the natural streams of that area

after the flood season and provide some diesel pumps and Mini Tractors at subsidised rate to save the poor farmers ?

Shri Nilamani Sen Deka (Minister of Agriculture, Assám) replied :

(a) Yes.

(b) Yes.

(c) Govt. will consider for taking up M.I. Bunds in the natural streams subject to feasibility and budget provisions. The Govt. has already provided diesel pumps & power tillers to the farmers at subsidized rate & the Scheme is still continuing.

বিষয় ঃ বামুনদংৰা খোলাবান্ধা ঘাটত মাৰবোট প্ৰদান।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

১১০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বামুনদংৰা খোলাবান্ধা ঘাটত সৰু ইঞ্জিনযুক্ত নাৱেৰে বিপদজনক ভাৱে যাত্ৰী পাৰাপাৰ কৰি থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) বাঘবৰ আৰু চেঙা সমষ্টিৰ চৰ অঞ্চলৰ বহু যাত্ৰীয়ে এই ঘাটেৰে পাৰ হৈ জিলা সদৰ বৰপেটালৈ দৈনিক পাৰাপাৰ হোৱাৰ বিষয়ে চৰকাৰে জানেনে ?

(গ) যাত্রীসকলে এই ঘাটেৰে দুচকীয়া, তিনিচকীয়া আৰু চাৰিচকীয়া যান-বাহন সহজে পাৰাপাৰ কৰিবলৈ ইঞ্জিনযুক্ত মাৰবোট বা তীখাৰ নাও (Steel vessel) প্ৰৱৰ্ত্তন কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উল্লেখিত বামুনদংৰা খোলাবান্ধা ঘাটটো অসম চৰকাৰৰ পৰিবহন বিভাগৰ দ্বাৰা অধিসূচনা জাৰি কৰা হোৱা নাই। সেয়েহে ঘাটটো আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অন্তর্ভুক্ত নহয়। গতিকে বর্তমানলৈকে এই ঘাট সম্বন্ধে পৰিবহন বিভাগ জ্ঞাত নহয়।

(খ) যিহেতু পাৰঘাটটো অসম চৰকাৰৰ পৰিবহন বিভাগে অধিসূচনা (Notification) জাৰি কৰি বিভাগৰ অন্তর্ভুক্ত কৰা হোৱা নাই এই ক্ষেত্রত মতামত দিয়া সম্ভৱ নহ'ব। এই সম্বন্ধে জিলা প্রশাসনৰ লগত যোগাযোগ কৰি বিহিত ব্যৱস্থা হাতত লোৱা হ'ব।

(গ) পুঁজিৰ উপলব্ধতাৰ সাপেক্ষে ব্যৱস্থা হাতত লোৱা হ'ব।

বিষয় ঃ অঙ্গনবাদী কেন্দ্রৰ খাদ্য যোগান।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

১১১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিত্তীয় বর্ষ ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০ বর্ষত ধুবুৰী সমষ্টিত সমাজ কল্যাণ বিভাগে কি কি আঁচনি ৰূপায়ণ কৰিছে? (আঁচনি সমূহৰ বিতং তথ্য সদনত জনাব)

(খ) উক্ত আঁচনিসমূহৰ সঠিকভাৱে ৰূপায়ণ হৈছেনে?

(গ) আঁচনি সমূহৰ পৰা উপকৃত হোৱা হিতাধিকাৰী সকলৰ নামৰ বিতং তথ্য পৃথকে পৃথকে দাখিল কৰিবনে?

(ঘ) ধুবুৰী সমষ্টিত মুঠ কিমানটা অঙ্গনবাদী কেন্দ্ৰ আছে? (পঞ্চায়ত ভিত্তিত বিতং তালিকা সদনত দাখিল কৰিব)

(ঙ) উক্ত অঙ্গনবাদী কেন্দ্ৰসমূহত যোগান ধৰা খাদ্য সামগ্ৰীসমূহ উচ্চ মানদণ্ডৰ হয়নে?

(চ) উক্ত খাদ্য সামগ্ৰী সমূহ বিভাগে ক'ৰ পৰা আমদানি কৰে?

(ছ) দালি, চাউল ইত্যাদি খাদ্য সামগ্ৰীসমূহ 'এ গ্ৰেড' সম্পন্ন হয়নে?

(জ) যোগানকাৰী বিভাগে কি নিয়মৰ ভিত্তিত প্ৰতিখন অঙ্গনবাদী কেন্দ্ৰলৈ উক্ত খাদ্য সামগ্ৰী সমূহ যোগান ধৰে?

শ্ৰীঅকন বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় বৰ্ষ ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০ বৰ্ষত ধুবুৰী সমষ্টিত সমাজ কল্যাণ বিভাগে তলত উল্লেখ কৰা আঁচনি সমূহ ৰূপায়ণ কৰিছে ঃ-

২০০৬-০৭ ঃ- মুখ্যমন্ত্ৰীৰ জীৱন জ্যোতি বীমা আঁচনি, বৃদ্ধসকলৰ স্বাস্থ্যসেৱা আঁচনি, বিকলাংগ সকলৰ পৰিচয় পত্ৰ প্ৰদান, বিকলাংগ ব্যক্তিৰ (অনুসূচীত জাতি) পুনৰ সংস্থাপন সাহায্য আঁচনি, সংহত শিশু উন্নয়ন সেৱা আঁচনি।

২০০৭-০৮ ঃ- মুখ্যমন্ত্রীৰ জীৱন জ্যোতি বীমা আঁচনি, বৃদ্ধ সকলৰ স্বাস্থ্যসেৱা আঁচনি, বিকলাংগ সকলৰ পৰিচয়-পত্র প্রদান আৰু সংহত শিশু উন্নয়ন সেৱা আঁচনি।

২০০৮-০৯ ঃ- মুখ্যমন্ত্রীৰ জীৱন জ্যোতি বীমা আঁচনি, বৃদ্ধ সকলৰ স্বাস্থ্যসেৱা আঁচনি, মহিলা সমৃদ্ধি যোজনা, বিকলাংগ সকলৰ পৰিচয় পত্র প্রদান আৰু সংহত শিশু উন্নয়ন সেৱা আঁচনি।

২০০৯-১০ ঃ- মুখ্যমন্ত্রীৰ জীৱন জ্যোতি বীমা আঁচনি, বৃদ্ধ সকলৰ স্বাস্থ্যসেৱা আঁচনি, বিধৱা মহিলা আৰু অকলশীয়া অবিবাহিতা ছোৱালীৰ সাহায্য আঁচনি, মহিলা সমৃদ্ধি যোজনা, বিকলাংগ সকলৰ পৰিচয় পত্র প্রদান, বিকলাংগ ব্যক্তিৰ (অনুসূচীত জাতি) পুনৰ সংস্থাপন সাহায্য আঁচনি, সংহত শিশু উন্নয়ন সেৱা আঁচনি।

(খ) হয়, হৈছে।

(গ) সংগ্রহ কৰি থকা হৈছে। মুখ্যমন্ত্রীৰ জীৱন জ্যোতি বীমা আঁচনিৰ সম্পর্কীয় তালিকা 'ক'ত গাঁঠি দিয়া হ'ল।
(See Annexure – XIII) (See Annexure – XIV)

(ঘ) ধুবুৰী সমষ্টিত মুঠ ২০৮ টা অঙ্গনবাদী কেন্দ্র আছে। (তালিকা 'খ'ত গাঁঠি দিয়া হ'ল) (See Annexure – XIV)

(ঙ) হয়।

(চ) অঙ্গনবাদী কেন্দ্র পৰিচালনা সমিতিয়ে স্থানীয়ভাৱে খাদ্যবস্তু সমূহ ক্রয় কৰে।

(ছ) 'এ গ্রেড' পৰীক্ষা কৰাৰ ব্যৱস্থা নাই। খাদ্য সামগ্রীসমূহ শিশুৰ খোৱাৰ বাবে উপযোগী।

(জ) ভাৰত চৰকাৰৰ নীতি নির্দেশনা মর্মে খাদ্য সামগ্রী সমূহ যোগান ধৰা হয়।

Sub : Upgradation of Rice Research Station.

Shri Kamalakhya Dey Purkayastha asked :

112. Will the Minister of Agriculture be pleased to state :

(a) Whether is it a fact that a Rice Research Station at Akbarpur, Karimganj was established during 1913 within the area measuring 262 bighas of land ?

(b) Are there any proposal for upgradation of the said Research Station to an Agricultural College as the infrastructure for establishing an Agricultural College are available in this Research Station.

Shri Nilamani Sen Deka (Minister of Agriculture) replied:

(a) Yes. It was established in 1913 over an area of 237 bighas of land.

(b) No. Assam Agricultural University (AAU) has

already given around 80 bighas of land, out of the 237 bighas, for the establishment of one Krishi Vigyan Kendra (KVK) in that centre.

বিষয় ঃ উন্নয়ন আঁচনি।

শ্রীবিদ্যাছিং ইংলেংয়ে সুধিছে ঃ

১১৩। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম আৰু নাগালেণ্ড ব'র্ডাৰৰ সীমামূৰীয়া অঞ্চল সমূহত জনসাধাৰণৰ সুৰক্ষাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

(খ) কার্বি আংলঙৰ মিচি বাইলুং, কাচিৰামবস্তি, শংকৰবস্তি, বেটেলিয়ন কেম্প তাৰোপৰি ৰঙা পাহাৰ চাইডিং, দাওজিংফাং মঙ্গলমুখ বি অ' পি কেম্পবোৰৰ অৱস্থা অতি শোচনীয়, এই বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) এই কেম্পবোৰলৈ যোৱা পথবোৰক ব'র্ডাৰ পথ ৰূপে নির্মাণ কৰাৰ ব্যৱস্থা লৈছেনে?

(ঙ) যদি লৈছে, কেনে ধৰণৰ ব্যৱস্থা লৈছে আৰু যদি লোৱা নাই, কিয় লোৱা নাই জনাবনে?

শ্রীছিদ্দেক আহমেদ (সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম আৰু নাগালেণ্ড ব'র্ডাৰৰ সীমামূৰীয়া অঞ্চল সমূহত জনসাধাৰণৰ

সুৰক্ষাৰ বাবে সীমান্ত আৰক্ষী চকী (BOP) স্থাপন কৰাৰ উপৰিও নিৰপেক্ষ বাহিনী (Neutral Force) আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনী মোতায়েন কৰা হৈছে। প্ৰয়োজন সাপেক্ষে নগালেণ্ডৰ প্ৰশাসনৰ লগত সময়ে সময়ে সীমান্তত শান্তি-সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থত আলোচনা প্ৰক্ৰিয়া চলাই থকা হয়।

(খ) হয়, অৱগত।

(গ) চৰকাৰে বিঅ'পি কেম্পবোৰৰ অৱস্থা উন্নয়নৰ বাবে নিম্নলিখিত আঁচনি সমূহ গ্ৰহণ কৰিছে।

বৰ্ষ	আঁচনিৰ নাম	অনুমোদিত পুঁজি	মোকলাই দিয়া পুঁজি
২০০৭-০৮	অসম-নগালেণ্ড সীমান্তত ৭টা সীমান্ত আৰক্ষী চকীৰ (BOP) Contn./Dev. (দাওজিংফাং, মঙ্গলামুখ, মিচি বাইলাম, ৰঙাপাহাৰ, কাচিৰাম, শংকৰ-টিলা আৰু লাহৰিজান	১৪.০০ লাখ	১৪.০০ লাখ
২০১০-১১	অসম-নগালেণ্ড সীমান্তত ৭টা সীমান্ত আৰক্ষী চকীৰ Repair/Renovationৰ কাম	২১.০০ লাখ	১০.৫০ লাখ

(ঘ) হয়, লোৱা হৈছে।

(ঙ) এই ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ সবিশেষ তথ্য তলত দিয়া হ'ল ঃ-

বর্ষ	আঁচনিৰ নাম	অনুমোদিত পুঁজি	মোকলাই দিয়া পুঁজি
২০০৮-০৯	1. Construction of 180 cm dia HP Culvert (Tripple) 120 cm dia HP Culvert (single) at 3rd, 5th & 8th k.m. at Disagisim Sibnagar road with black topping.	২৯.৬৯ লাখ	২৯.৩৯ লাখ
	2. Construction road from Kherbari to Missibailum (Ph-I).	৫০.০০ লাখ	৪৩.৬৮ লাখ
২০০৯-১০	1. Imp. of road from 10th K.m. DLSH road to Lahorijan NH-39 via Sankartila (L-8.50 Km)	৫০.০০ লাখ	২৫.০০ লাখ

Sub : No. of Landless and Homeless Farmers.

Shri Monowar Hussain asked :

114. Will the Minister of Agriculture be pleased to state :

(a) How many farmers of Assam in General and Goalpara District in particular are provided with the Kishan Credit Card (KCC) and the total amount of Bank Loan advanced to them ?

(b) How many officers at the District, Sub-Divisional

and Block Level are working under the Director of Horticulture and Food Processing in Assam ?

(c) What steps are taken by the said Directorate for augmentation of Food Processing Schemes in Assam ?

Shri Nilamani Sen Deka (Minister of Agriculture) replied :

(a) Altogether 7,93,801 nos. of Kishan Credit Cards (KCC) have been provided to the farmers of the State out of which 8969 nos. KCC are issued to the farmers of Goalpara district upto 31st March, 2011. The total amount of Bank Loan has been provided to the Farmers through KCCs is stated below :

For the State = Rs. 504.96 crores in 2010-11

For Goalpara dist. = Rs. 13.03 crores in 2010-11

(b) 52 nos. of officers are working at district and sub-divisional level under the Directorate of Horticulture and Food processing.

(c) The Directorate of Horticulture and Food Processing, Assam has started functioning since 2007-08 only. Since then the Directorate has taken

steps to encourage the entrepreneurs to set up fruit processing units deriving financial assistance from MFPI under Horticulture Technology Mission. As a result of this five nos. of Fruit vegetables preservation units have been set up till date. Two more units are coming up in Kamrup district under the same scheme.

Besides, these units 19 nos. of Community Canning and Training and Processing Centers (CC & TC) scattered over the State under Govt. Sectors are also serving very well. We are trying to upgrade these centers by replacing old machineries and equipments by new generation machineries in a phased manner deriving fund under State Plan schemes and RKVY. One new CC & TC at Morigaon is going to started very soon.

বিষয় ঃ কৃষকৰ সমস্যা।

শ্রীঅৰুণ ফুকনে সুধিছে ঃ

১১৫। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ক্ষুদ্র আৰু উপান্ত কৃষক আৰু বানপানী, গৰাখহনীয়াত সর্বস্বান্ত খেতিয়কৰ অর্থনৈতিক উন্নতি, স্বাৱলম্বিতাৰ ক্ষেত্রত কেনে আঁচনিৰ পৰিকল্পনা কৰা হৈছে?

(খ) কৃষক পেঞ্চনৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, এই আঁচনি কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব?

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কৃষি বিভাগে ৰূপায়ণ কৰা অধিকতম আঁচনিত ক্ষুদ্ৰ আৰু উপান্ত কৃষকক অগ্ৰাধিকাৰ দিয়া হয়। বানপানী, প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত কৃষকক সকাহ দিবলৈ কৃষি বিভাগে নিয়মীয়াকৈ দুৰ্যোগ ব্যৱস্থাপনা (Disaster Management) আঁচনি ৰূপায়ণ কৰি আহিছে। ইয়াৰ বাহিৰেও State Disaster Response fund (পূৰ্বতে CRF বুলি কোৱা) আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

(খ) বৰ্তমানলৈকে কৃষক পেঞ্চনৰ ক্ষেত্ৰত কৃষি বিভাগে ব্যৱস্থা গ্ৰহণ কৰা নাই।

Sub : Collection of Revenue from Gate.

Shri Sirajuddin Ajmal asked :

116. Will the Minister of Transport be pleased to state :

(a) What is the quantum of revenues collected from Motor Vehicle Check Gate at Boxirhat (Chagolia) during 2007 till date ?
(Please give in details year-wise).

(b) Is there any proposal pending for more than a decade for computerisaion of composite Gate at Boxirhat ?

(c) Whether the Government is aware that proper money receipts are not given at Boxirhat M.V. Check Gate causing huge loss of revenues to the Government of Assam ?

Shri Chandan Brahma (Minister of Transport) replied :

(a) The year-wise detailed information is annexed at Annexure-'A'. (See Annexure – XV)

(b) Yes.

(c) Not aware.

বিষয় ঃ প্রদূষণ পৰীক্ষা চকী।

শ্বেখ শাহ আলমে সুধিছে ঃ

১১৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ দামৰাৰ পৰা পঞ্চৰত্নলৈকে ৰাষ্ট্রীয় ঘাইপথত কিমানখন প্রদূষণ পৰীক্ষা চকী, পার্কিং চকী (Parking Gate) আৰু ৰাভা হাছং চকী আছে?

(খ) উক্ত চকীবোৰ কোনো চৰকাৰী আইন বা নিয়ম সংগতভাৱে বহুওৱা হৈছেনে? যদি হৈছে, প্রত্যেকখন মালবাহী গাড়ীৰ বাবদ বিভিন্ন চকীত কিমান টকাকৈ মাছুল বা কৰ ধার্য্য কৰা হৈছে?

(গ) উক্ত চকীসমূহৰ পৰা চৰকাৰে কিমান ৰাজহ লাভ কৰে?

(ঘ) প্রদূষণ পৰীক্ষণ চকীবোৰে প্রত্যেকখন মালবাহী গাড়ীৰ পৰা ৫০ৰ পৰা ১০০ টকাকৈ, Parking Gate বোৰে ১০০ৰ পৰা ২০০ টকাকৈ আৰু ৰাভা-হাছং চকীবোৰে ২০০ৰ পৰা ৫০০ টকাকৈ সংগ্রহ কৰা বিষয়টো চৰকাৰৰ অৱগতনে?

(ঙ) প্রদূষণ পৰীক্ষাৰ বাবে যিকোনো চকীত প্রদূষণ পৰীক্ষণ যন্ত্র আছেনে?

(চ) এখন গাড়ী ছয় মাহত এবাৰ প্রদূষণ পৰীক্ষা কৰিব লাগে যদিও উক্ত ৰাষ্ট্রীয় পথত এদিনতে এখন মালবাহী গাড়ী ছয়বাৰকৈ প্রদূষণ পৰীক্ষা কৰাব লগা হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, এই বিষয়ে চৰকাৰে কোনো ব্যৱস্থা লৈছেনে?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাত দামৰাৰ পৰা পঞ্চৰত্নলৈকে ৰাষ্ট্রীয় ঘাইপথত সর্বমুঠ ৪ খন ডিজেল চালিত যান-বাহনৰ বাবে প্রদূষণ পৰীক্ষণ চকী আৰু ৩ খন Truck Parking Complex আছে। প্রশ্নত উত্থাপিত কোনো ৰাভা হাছং চকী নাই।

(খ) উক্ত চকীবোৰ চৰকাৰী আইন বা নিয়ম সংগতভাৱে স্থাপন কৰা হৈছে। সকলো ধৰণৰ ডিজেলচালিত যান-বাহনৰ প্রদূষণ পৰীক্ষণ আৰু প্রতিখন প্রমাণ পত্র প্রদানৰ বাবদ ৫০.০০ টকা আৰু চৰকাৰী ৰাজহ ২৫.০০ টকা মুঠ=৭৫.০০ টকা বিধিসন্মতভাৱে ধার্য্য কৰা হৈছে। Truck Parking Complex সমূহত যান-বাহন ৰখোৱাৰ বাবদ প্রতি ২ ঘণ্টালৈ ৫০.০০ টকা আৰু ৮ ঘণ্টা সময়লৈ ৮০.০০ টকা বিধিসন্মতভাৱে ধার্য্য কৰা হৈছে।

(গ) উক্ত চকীসমূহৰ পৰা ২০১০-১১ বৰ্ষত সৰ্বমুঠ ৩১,২৬০.০০ টকা চৰকাৰে ৰাজহ সংগ্ৰহ কৰে।

(ঘ) অৱগত নহয়।

(ঙ) প্ৰদূষণ পৰীক্ষণৰ বাবে প্ৰদূষণ চকীবিলাকত প্ৰদূষণ পৰীক্ষণ যন্ত্ৰ আছে।

(চ) অৱগত নহয়।

Sub : Establishment of District Jail.

Shri Abdul Muhib Mazumdar asked :

118. Will the Minister of Jail be pleased to state :

(a) Is the Government aware that there was a proposal for establishment of a District Jail at Narainpur at Hailakandi and in fact the land was acquired for the same at Narainpur ?

(b) When the work for the same will be started ?

Shri Akon Bora (Minister, Jail) replied :

(a) Yes.

(b) The Jail Department as a part of long term scheme has proposed for the construction of New Jail at Hailakandi at a cost of Rs.1500 Lakhs within the next five year period.

Sub : Number of A.S.T.C. Buses.

Shri Aminul Islam asked :

119. Will the Minister of Transport be pleased to state :

(a) What is the number of Buses, running today under A.S.T.C. ?

(b) What was the total income of A.S.T.C. in last financial year ?

(c) How many employees are there working under A.S.T.C. ?

Shri Chandan Brahma (Minister of Transport) replied :

(a) (i) A.S.T.C.'s own Buses : 517 nos.

(ii) Private owned Buses operated under A.S.T.C. : 1222 nos.

Total : 1739 nos.

(b) (i) From A.S.T.C.'s own Buses : Rs. 3259.90 Lakh

(ii) From Private owned Buses operated under A.S.T.C. Rs. 1141.42 Lakh

Total : Rs. 4401.32 Lakh

(c) 2242 employees are working under A.S.T.C.

বিষয় ঃ ATMA আঁচনি।

শ্রীস্বপন কৰে সুধিছে ঃ

১২০। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কৃষি বিভাগৰ ATMA আঁচনি যোগে অসমত বর্তমানলৈকে কিমান পৰিমাণৰ পুঁজি মোকলাই দিয়া হৈছে?

(খ) এই আঁচনিৰ যোগেদি কেনে পর্য্যায়ৰ খেতিয়ক কিদৰে উপকৃত হৈছে? (বিতং তথ্য দিব)

(গ) হোজাই মহকুমাত এই আঁচনিৰ যোগেদি বিগত ৫ বছৰত কিমান ধন আৱণ্টন কৰা হৈছে? (সমষ্টি ভিত্তিত জনাব)

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ATMA আঁচনিৰ অধীনত বর্তমানলৈকে ৪০৮৫.২৭ লাখ টকা মোকোলাই দিয়া হৈছে। এই পৰিমাণৰ ধনৰ ভিতৰত ৩৩৪৯.৭৭ লাখ টকা বিশ্ববেংকৰ জৰিয়তে ৰূপায়ণ কৰা ATMA আত্মা আঁচনি আৰু ৭৩৫.৫০ লাখ টকা কেন্দ্রীয় চৰকাৰৰ সৌজন্যত ৰূপায়ণ কৰা আঁচনিৰ অধীনত মোকোলাই দিয়া হৈছে।

(খ) এই আঁচনিৰ অধীনত আগবঢ়োৱা বিভিন্ন সুবিধা যেনে- প্রদর্শনমূলক খেতি, কাৰিকৰী প্রশিক্ষণ, পথাৰ দিৱস, বাণিজ্যিক কৃষিৰ প্রশিক্ষণ, কৃষি বিপণন বিষয়ক পৰিভ্রমণৰ জৰিয়তে ৰাজ্যখনৰ সকলো শ্রেণীৰ কৃষক উপকৃত হৈছে। এই সুবিধাসমূহৰ জৰিয়তে আধুনিক কৃষি

কৌশল, অধিক উৎপাদন, কৃষি বিষয়ক বাণিজ্যিক ধাৰণা আদি লাভ কৰি কৃষক সমাজ লাভান্বিত হৈছে।

(গ) হোজাই মহকুমাত এই আঁচনিৰ যোগেদি সৰ্বমুঠ ১২৩.৬৭ লাখ টকা আৱণ্টন কৰা হৈছে। সমষ্টিভিত্তিক আৱণ্টন এনেধৰণৰ ঃ

সমষ্টিৰ নাম	২০০৬-০৭ৰ পৰা ২০১০-২০১১লৈ অনুমোদিত ধনৰ পৰিমাণ
১। লামডিং	৪৭.০৯ লাখ টকা
২। যমুনামুখ	২৬.৪৮ লাখ টকা
৩। হোজাই	৫০.১০ লাখ টকা

বিষয় ঃ নতুন কাৰাগাৰ স্থাপন।

শ্রীকমলসিং নার্জাৰীয়ে সুধিছে ঃ

১২১। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্তমান কিমানখন কাৰাগাৰ আছে?

(খ) এই কাৰাগাৰসমূহ কেইটা ভাগত বিভক্ত? ইয়াৰে কোন পর্য্যায়ৰ কিমানটা কাৰাগাৰ আছে?

(গ) প্রতিখন জিলাত একোখনকৈ কাৰাগাৰ স্থাপনৰ ক্ষেত্রত ৰাজ্য চৰকাৰ দায়বদ্ধনে?

(ঘ) যদি হয়, অসমৰ কোন কেইখন জিলাত এতিয়াও জিলা কাৰাগাৰ নাই?

(ঙ) উক্ত জিলাসমূহত শীঘ্রেই একোখনকৈ জিলা কাৰাগাৰ স্থাপন কৰা হ'বনে?

শ্রীঅকণ বৰা (কাৰাগাৰ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্তমান ৩০ (ত্রিশ)খন কাৰাগাৰ আছে।

(খ) এই কাৰাগাৰ সমূহ ৫ (পাঁচ)টা ভাগত বিভক্ত।
যেনে— কেন্দ্রীয় কাৰাগাৰ, জিলা কাৰাগাৰ, বিশেষ কাৰাগাৰ, মুকলি কাৰাগাৰ আৰু উপ-কাৰাগাৰ (Sub-Jail)। অসমত কেন্দ্রীয় কাৰাগাৰ ৬ খন, জিলা কাৰাগাৰ ২১ খন, বিশেষ কাৰাগাৰ ১ খন, মুকলি কাৰাগাৰ ১ খন আৰু উপ-কাৰাগাৰ ১ খন আছে।

(গ) নহয়।

(ঘ) বর্তমানে, চিৰাং, বাক্সা আৰু কামৰূপ (গ্রাম্য) জিলাত কাৰাগাৰ নাই।

(ঙ) কাৰাগাৰ বিভাগৰ দীর্ঘম্যাদী পৰিকল্পনা মর্মে অসম চৰকাৰৰ ভৱিষ্যতে বঙাইগাঁও, উত্তৰ গুৱাহাটী, চিৰাং আৰু বাক্সা জিলাত নতুন কাৰাগাৰ নির্মাণ কৰাৰ পৰিকল্পনা আছে।

বিষয় ঃ আঁচনি আৰু আৱণ্টিত ধন।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

১২২। মাননীয় পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ পিছপৰা শ্ৰেণীসমূহৰ কল্যাণৰ বাবে কি কি উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে?

(খ) ইয়াৰ বাবে যোৱা বিত্তীয় বছৰত অসম চৰকাৰে কিমান টকা ধাৰ্য্য কৰিছিল? (জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব)

(গ) ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত কি কি আঁচনি লোৱা হৈছে আৰু কোন আঁচনি বিপৰীতে কিমান টকা ধাৰ্য্য কৰা হৈছে? (বিতং তথ্য দাখিল কৰিব)

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ পিছপৰা শ্ৰেণীৰ কল্যাণৰ বাবে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিসমূহৰ তালিকা অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure – XVI)

(খ) ইয়াৰ বাবে যোৱা বিত্তীয় বছৰত অসম চৰকাৰে মুঠ ১৯৫০.০০ লাখ টকা ধাৰ্য্য কৰিছিল। ইয়াৰ উপৰি নতুনকৈ গঠিত মৰাণ, মটক, মাইমল, মৰিয়া, গোৰ্খা, চুতীয়া, আদিবাসী, নাথ-যোগী, কোচ-ৰাজবংশী, বিষ্ণুপ্ৰিয়া মণিপুৰী আৰু টাই আহোম উন্নয়ন পৰিষদলৈ ১১.০০ কোটি টকা ধাৰ্য্য কৰিছিল। চৰকাৰে জিলা ভিত্তিত ধন আৱণ্টন নকৰে। তথাপি অসম ৰাজ্যিক অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন নিগমৰ পৰা পোৱা জিলা ভিত্তিত তথ্য অনুবদ্ধ 'খ'ত দিয়া হ'ল। (See Annexure – XVII)

(গ) ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত লোৱা আঁচনি আৰু আঁচনিৰ বিপৰীতে ধার্য্য কৰা টকাৰ পৰিমাণ আৰু হিতাধিকাৰীৰ সংখ্যা তলত দিয়া হ'ল।

আঁচনিৰ নাম	ধনৰ পৰিমাণ	হিতাধিকাৰীৰ সংখ্যা
১	২	৩
ক) প্রাক্-প্রৱেশিকা বৃত্তি	১,৮১,৬০০/-টকা	৪৯০ জন
খ) মুখ্যমন্ত্রীৰ নিয়োগ আঁচনিৰ অধীনত ৫০% ৰেহাই মূল্যত দুখীয়া অন্যান্য পিছপৰা শ্রেণী গোট সমূহলৈ উইঙ্গাৰ গাড়ী যোগান	৫,৮৫,০০০/-টকা	২ খন
গ) মুখ্যমন্ত্রীৰ নিয়োগ আঁচনিৰ অধীনত ৯০% ৰেহাই মূল্যত দুখীয়া অন্যান্য পিছপৰা শ্রেণীৰ কৃষক গোটলৈ পাৱাৰ টিলাৰ যোগান।	৬,৬১,৫০০/-টকা	৫ খন
ঘ) অন্যান্য পিছপৰা শ্রেণীৰ দুখীয়া লোক সকললৈ অন্যান্য পিছপৰা শ্রেণী নিগমৰ যোগেদি ৰাজ সাহায্যত ঋণ প্রদান।	৪৮,০০০/-টকা	৮ জন

বিষয় ঃ তামোল নাৰিকলৰ উৎপাদন বৃদ্ধি।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

১২৩। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এসময়ৰ কৃষি ক্ষেত্রত বিখ্যাত কমলপুৰ সমষ্টিৰ অন্তর্গত ঠাই সমূহত বর্তমান তামোল-পান আৰু নাৰিকলৰ উৎপাদন দিনক দিনে হ্রাস পাবলৈ ধৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেনেহ'লে ইয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

(গ) যদি লোৱা হোৱা নাই, তেনেহ'লে উৎপাদন বৃদ্ধিৰ কাৰণে এটি সুনিশ্চিত ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়াকৈ কৰিব?

(ঘ) অসমলৈ প্রতিদিনে কিমান মিঠা আৰু বাংলাপত্তি পান বাহিৰৰ ৰাজ্যৰ পৰা সৰবৰাহ কৰা হয় আৰু ইয়াৰ বাবদ অসমৰ পৰা বাহিৰৰ ৰাজ্যলৈ কিমান ধন ওলাই যায়? বেলেগে বেলেগ দুয়ো বিধৰ মূল্যৰ পৰিমাণ দেখুৱাব?

(ঙ) উক্ত পানৰ খেতি অসমত বৈজ্ঞানিক পদ্ধতিত কৰাৰ ব্যৱস্থা কৰিবনে?

(চ) যদি কৰে, কেতিয়াৰ পৰা কৰোৱা হ'ব?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। কমলপুৰ অঞ্চলত তামোল, নাৰিকলৰ উৎপাদন হ্রাস পোৱা সম্পর্কে চৰকাৰ জ্ঞাত।

(খ) হয়, লোৱা হৈছে। পুৰণি গছসমূহৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাসায়নিক সাৰ প্ৰয়োগ কৰিবলৈ কৃষকক দিহা-পৰামৰ্শ দি থকা হৈছে। তদুপৰি, নাৰিকল গছৰ শ্ৰীবৃদ্ধিৰ বাবে নাৰিকল উন্নয়ন বোৰ্ডৰ জৰিয়তে আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

(গ) প্ৰশ্নই নুঠে।

(ঘ) মিঠা আৰু বাংলা পত্তি লগ লগাই প্ৰতিদিনে মুঠ গড়ে ১১৬ খাচা পান বাহিৰৰ ৰাজ্যৰ পৰা অসমলৈ সৰবৰাহ কৰা হয়। আৰু ইয়াৰ বাবদ অসমৰ পৰা প্ৰতিদিনে ১,১১,১২৮.০০ (এক লক্ষ এঘাৰ হাজাৰ এশ আঠাইশ) টকা বাহিৰৰ ৰাজ্যলৈ ওলাই যায়।

মিঠা আৰু বাংলা পত্তি পানৰ হিচাপ বেলেগে বেলেগে ৰখা হোৱা নাই, সেয়েহে পান হিচাপে মূল্য দেখুওৱা হৈছে।

(ঙ) মিঠা আৰু বাংলা পত্তি পানৰ বৈজ্ঞানিক পদ্ধতিত খেতি কৰাৰ বাবে অসমৰ জলবায়ুৰ লগত খাপ খোৱা আৰু আৰ্থিকভাৱে ফলপ্ৰসূ প্ৰযুক্তিৰ সন্ধান কৰিবৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰা হৈছে।

(চ) প্ৰযুক্তিৰ সন্ধানত সফলতা লাভ কৰিলেই এই খেতিৰ বাবে আঁচনি গ্ৰহণ কৰা হ'ব।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্ৰীজাহান উদ্দিনে সুধিছে ঃ

১২৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী সমষ্টিত যোৱা ২ বছৰত কৃষি সম্প্রসাৰণ আৰু উন্নিতকৰণৰ বাবে কি কি আঁচনি হাতত লোৱা হৈছিল?
(আঁচনি সমূহৰ নামৰ তথ্য সদনত জনাব)

(খ) কৃষি বিভাগে আগন্তুক বিত্তীয় বর্ষৰ বাবে ধুবুৰী সমষ্টিত কি কি নতুন আঁচনি গ্রহণ কৰিছে? (উক্ত আঁচনিসমূহৰ নামৰ লগতে ধনৰ পৰিমাণৰ তথ্য দাখিল কৰিব)

(গ) যোৱা বিত্তীয় বর্ষত ধুবুৰী সমষ্টিত মুঠ কিমানখন আঁচনিৰ অন্তর্গত কি কি যাৱতীয় সা-সৱঞ্জাম হিতাধিকাৰী সকলৰ মাজত বিতৰণ কৰা হৈছিল? (যাৱতীয় সা-সৱঞ্জামৰ লগতে হিতাধিকাৰী সকলৰ নামৰ তালিকা দাখিল কৰিব)

(ঘ) ধুবুৰী সমষ্টিত উদ্যান শস্যৰ নামত মুঠ কিমান হেক্টৰ মাটিত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? উক্ত আঁচনিসমূহ ৰূপায়ণৰ নামত মুঠ কিমান টকা আৱণ্টন দিয়া হৈছে? (আঁচনি সমূহৰ নামৰ লগতে ব্যৱহাৰিক গোট আৰু উপভোক্তা গোটসমূহৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত তলত উল্লেখ কৰা আঁচনিসমূহ যোৱা দুটা বছৰত কৃষি ক্ষেত্রৰ উন্নয়নৰ বাবে গ্রহণ কৰা হৈছিল। উক্ত আঁচনিসমূহ ধুবুৰী বিধান সভা সমষ্টিকো সামৰি লোৱা হৈছিল। ধুবুৰী বিধান সভা সমষ্টক সামৰা আঁচনি সমূহৰ তথ্যসমূহ হ'ল—

১) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান (মাহজাতীয় শস্য) — ১০০ জন হিতাধিকাৰীৰ মাজত ৩০ কুইণ্টল মচুৰ মাহৰ বীজ বিতৰণ কৰা হৈছিল।

২) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা— ২৬০ জন হিতাধিকাৰৰ মাজত ২৬ কুইণ্টল ধানৰ বীজ বিতৰণ কৰা হৈছিল।

৩) বীজ গাঁও আঁচনি— ২০০৯-১০ চনত ৪০০ জন হিতাধিকাৰীৰ মাজত ৩২ কুইণ্টল ধানৰ বীজ বিতৰণ কৰা হৈছিল।

৪) কৃষি প্রযুক্তি ব্যৱস্থাপনা সংস্থা (আত্মা)— ৪৬টা প্রদর্শনীমূলক খেতি কৰা হৈছিল।

৫) মৰাপাট প্রযুক্তি অভিযান— পাতত স্প্রে কৰিবৰ বাবে ১২ কুইণ্টল ইউৰীয়া সাৰ বিতৰণ কৰা হৈছিল।

৬) কিষাণ ক্রেডিট কার্ড — ৪১০ জন হিতাধিকাৰীৰ বাবে ৭৭,৯০,০০০.০০ টকাৰ ঋণ আদায় দিয়া হৈছিল।

৭) উদ্যান শস্য প্রযুক্তি অভিযান।

৮) মুখ্য মন্ত্রীৰ বিশেষ আঁচনি — ২০ খন পাৰাৰটিলাৰ আৰু ৩০০০.০০ টকাকৈ ১৫০০ জন হিতাধিকাৰীক উপকৃত কৰা হৈছে।

(খ) চলিত বিধান সভাৰ অধিবেশনত উত্থাপিত ২০১১-১২ বর্ষৰ বাজেট অনুমোদন হোৱাৰ পিছতহে প্রকাশ কৰিব পৰা যাব।

(গ) যোৱা বিত্তীয় বর্ষত ধুবুৰী বিধান সভা সমষ্টিত বিতৰণ কৰা সা-সঁজুলি সমূহৰ সবিশেষ তলত উল্লেখ কৰা হ'ল ঃ—

১। সংহত কীট নিয়ন্ত্রণ আঁচনিৰ অন্তর্গত স্প্রেয়াৰ বিতৰণ কৰা হৈছে— ১৮ টা।

২। ষ্টেট প্লেনৰ অন্তর্গত স্প্রেয়াৰ বিতৰণ কৰা হৈছে— ১৪।

৩। ক্ষুদ্র কৃষি সা-সঁজুলি আঁচনি- এই আঁচনিত এজন হিতাধিকাৰীক এটাকৈ এম.বি.প্লাও, গার্ডেন ৰেক, প্রঃকালটিভেটৰ, পেডী উইভাৰ, ড্রাই লেণ্ড উইভাৰ দিয়া হৈছে। মুঠ হিতাধিকাৰীৰ সংখ্যা ১০ জন।

৪। ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান (মাহজাতীয় শস্য) আঁচনিৰ অন্তর্গত ১৬টা হস্তচালিত ঔষধ ছটিওৱা যন্ত্র আৰু ৮টা ইলেক্ট্রিকেল পাম্প বিতৰণ কৰা হয়। যাৱতীয় সা-সৰঞ্জামৰ বিতৰণৰ হিতাধিকাৰী সকলৰ তালিকা ১ আৰু ২ (Annexure-I & II)ত গাঠি দিয়া হ'ল। (See Annexure – XVIII)

(ঘ) ধুবুৰী বিধান সভা সমষ্টিত গ্রহণ কৰা উদ্যান শস্যৰ আঁচনিৰ জৰিয়তে বিভিন্ন উদ্যান শস্যৰ বাবে মুঠ ৩২ হেক্টৰ কৃষিভূমিত কল, আদা আৰু হালধিৰ খেতিৰ বাবে আঁচনি গ্রহণ কৰা হৈছে আৰু এই আঁচনিৰ কাৰণে মুঠ ৭.২২ লাখ টকাৰ আৱণ্টন দিয়া হৈছে। আঁচনিসমূহৰ নামৰ লগতে ব্যৱহাৰিক গোট আৰু উপভোক্তা গোটসমূহৰ নামৰ তালিকা নং-৩ গাঠি দিয়া হ'ল। (Annexure-III) (See Annexure – XIX)

বিষয় ঃ বিভাগৰ আঁচনি ৰূপায়ণ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১২৫। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা বিত্তীয় বর্ষত বৰপেটা জিলাৰ সমাজ কল্যাণ বিভাগৰ আঁচনি সমূহ ক্রমে স্বাস্থ্য যত্ন, বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন, জীৱন জ্যোতি আঁচনি, মৃতকৰ পৰিয়াললৈ আর্থিক সাহায্য, ন-বোৱাৰী আঁচনি, শাৰীৰিকভাৱে অক্ষম সকলৰ বৃত্তি আদি আঁচনি সমূহৰ আৱণ্টিত ধন আৰু হিতাধিকৰীৰ তালিকা পৃথকে পৃথকে সদনৰ মেজত দাখিল কৰিবনে?

(খ) জিলাখনত যোৱা বিত্তীয় বর্ষত সংহত শিশু উন্নয়ন প্রকল্পলৈ কোন কোন NGO বা ব্যক্তিক বস্তু, খাদ্য সামগ্রী আদি যোগানৰ দায়িত্ব নিবিদা দিয়া হৈছে? (পৃথকে পৃথকে প্রকল্পসমূহৰ বিতং তালিকা সদনত দাখিল কৰিব)

(গ) বৰপেটা জিলাত কিমানখন অঙ্গনবাদী কেন্দ্র আছে? প্রতি মাহত প্রত্যেক কেন্দ্রত কিমান টকাকৈ খাদ্য সামগ্রীৰ বাবদ যোগান ধৰা হৈছে? (বিতং তথ্য পৃথকে পৃথকে সদনৰ মেজত দাখিল কৰিব)

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বিত্তীয় বর্ষত (২০১০-১১) বৰপেটা জিলাত সমাজ কল্যাণ বিভাগৰ আঁচনি সমূহৰ আৱণ্টিত ধন তলত দিয়া ধৰণে দাখিল কৰা হ'ল ঃ-

১) আঁচনিৰ নাম ঃ স্বাস্থ্য যতন,
আৱণ্টিত ধনৰ পৰিমাণ— ২৫,২৭,০০০.০০ টকা
হিতাধিকাৰীৰ তালিকা - সংগ্রহ কৰি থকা হৈছে।

২) আঁচনিৰ নাম ঃ জীৱন জ্যোতি বীমা আঁচনি,
আৱণ্টিত ধনৰ পৰিমাণ— ৯১২,২৭,৪৫৬.০০ টকা
হিতাধিকাৰীৰ তালিকা - সদনৰ মেজত দাখিল কৰা হ'ল।
(নিচান 'ক'ত) (See Annexure – XX)

৩) আঁচনিৰ নাম ঃ ন-বোৱাৰী,
আৱণ্টিত ধনৰ পৰিমাণ— ৫৬,৫০,০০০.০০ টকা
হিতাধিকাৰীৰ তালিকা - সংগ্রহ কৰি থকা হৈছে।

৪) আঁচনিৰ নাম ঃ শাৰীৰিকভাৱে অক্ষম সকলৰ বৃত্তি,
আৱণ্টিত ধনৰ পৰিমাণ— ২০,৫০,০০০.০০ টকা
হিতাধিকাৰীৰ তালিকা - সংগ্রহ কৰি থকা হৈছে।

(খ) শিশু খাদ্য যোগান ঃ-

NGOৰ নাম	প্রকল্পৰ নাম
নৱ বিকাশ ফাউণ্ডেচন	বজালি, ববপেটা, ভৱানীপুৰ, চেঙা, গোৱৰধনা, মন্দিয়া, পকাবেতবাৰী, ৰূপসী, সৰুক্ষেত্রী, সক্সকা
প্রগ্রেসিভ ফাউণ্ডেচন	সৰুক্ষেত্রী
আকাশ গ্রামীণ সেৱা	বজালি, চেঙা, মন্দিয়া, ৰূপসী, ভৱানীপুৰ
নৱ লোক	সৰু ক্ষেত্রী

সংগ্রহ কৰি থকা হৈছে।

বৰপেটা জিলাত যোৱা বিত্তীয় বৰ্ষত অৰ্থাৎ ২০১০-১১ বৰ্ষত তলত দেখুৱা ধৰণে অঙ্গনবাদী কেন্দ্ৰ সমূহলৈ বস্তু যোগান ধৰাৰ দায়িত্ব দিয়া হৈছে—

১) অঙ্গনবাদী সামগ্ৰী-

ক) অসম চৰকাৰৰ বেচা-কিনা নিগম লিমিটেড, গুৱাহাটী-১

খ) অসম চৰকাৰৰ অনুমোদিত যোগানকাৰী

I) এচ বি এণ্টাৰপ্ৰাইজ, গুৱাহাটী

II) জিনিয়াচ পেপাৰ কনভাৰ্টৰ, গুৱাহাটী

III) এম্ এম্ এচোচিয়েটচ্, নলবাৰী

IV) শিৱ এণ্টাৰপ্ৰাইজ, গুৱাহাটী

V) কলিতা এণ্টাৰপ্ৰাইজ, গুৱাহাটী

VI) অমেৰেন্দ্ৰ নাথ শৰ্মা, গুৱাহাটী

VII) কুশান চৌধুৰী, গুৱাহাটী

২) ছপা সামগ্ৰী- হিন্দুস্থান অফ্ছেট (পি) লিমিটেড, গুৱাহাটী।

প্ৰকল্পসমূহৰ নাম ঃ- বজালি, বৰপেটা, ভৱানীপুৰ, চেঙা, মন্দিয়া, পকাবেতবাৰী, ৰূপসী, সৰুক্ষেত্ৰী, গোমাফুলবাৰী আৰু সক্সকা।

(গ) বৰপেটা জিলাত মুঠ ২৭৭৩টা অঙ্গনবাদী কেন্দ্ৰ আছে। হিতাধিকাৰীৰ সংখ্যা অনুযায়ী প্ৰতিদিনে প্ৰতিজন শিশুক ৪.০০ টকা, গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃক ৫.০০ টকা আৰু মাৰাত্মকভাৱে পুষ্টিহীনতাত ভোগা শিশুক ৬.০০ টকা হাৰত প্ৰত্যেক কেন্দ্ৰত মাহে যোগান ধৰা হয়।

বিষয় ঃ কৃষকৰ বাবে ঋণ।

শ্রীপল্লৱ লোচন দাসে সুধিছে ঃ

১২৬। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

বিহালী বিধান সভা সমষ্টিত ২০০১ চনৰ পৰা ২০১০ চনৰ ভিতৰত কিমান সংখ্যক কৃষকক কিমান পৰিমাণৰ ধন কৃষি ঋণ হিচাপে প্রদান কৰা হ'ল?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

বিহালী বিধান সভা সমষ্টিত ২০০১ চনৰ পৰা ২০১০ চনৰ ভিতৰত ২১৬৩ জন কৃষকক ৭৩৯.৯ লাখ টকা কৃষি ঋণ হিচাপে প্রদান কৰা হৈছে। এই ঋণ কিষাণ ক্রেডিট কার্ডৰ জৰিয়তে প্রদান কৰা হয়।

বিষয় ঃ অঙ্গনবাড়ী কেন্দ্রৰ বিৱৰণ।

শ্রীঅঞ্জন দত্তই সুধিছে ঃ

১২৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত ২০০১ৰ এপ্রিলৰ পৰা ২০১১ৰ মার্চলৈ কিমানটা অঙ্গনৱাড়ী কেন্দ্র নির্মাণ কৰা হ'ল আৰু কিমানটা অৰ্দ্ধনির্মিত হৈ আছে জনাবনে?

(খ) অঙ্গনৱাড়ী কেন্দ্র নির্মাণৰ নামত ২০০৯ৰ এপ্রিলৰ পৰা ২০১১ৰ মার্চলৈ কিমান পুঁজি ব্যয় কৰা হ'ল? প্রতিটো কেন্দ্র নির্মাণৰ নামত কিমান টকা আৱণ্টন দিয়া হয় জনাবনে?

(গ) ২০০১ৰ এপ্রিলৰ পৰা ২০১১ মার্চলৈকে অঙ্গনৱাড়ী কেন্দ্র নির্মাণৰ

দায়িত্ব কোন কোন বিভাগক অর্পণ কৰা হৈছিল? দায়িত্বপ্রাপ্ত কোন কোন বিভাগে কিমান টকা ব্যয় কৰিলে? সকলো নির্মাণ কার্য্য সম্পূর্ণ হ'লনে? যদি সম্পূর্ণ হোৱা নাই, কোন বিভাগে কোন বিধান সভা সমষ্টিৰ কোন কোন ঠাই অৰ্দ্ধনির্মিতকৈ এৰিলে? এই অৰ্দ্ধনির্মিত কেন্দ্ৰ সমূহৰ বিলসমূহ Payment কৰা হ'লনে?

(ঘ) শিশু খাদ্যৰ নামত ২০০১ এপ্রিলৰ পৰা ২০১১ মার্চলৈ বার্ষিক কিমান টকা ব্যয় কৰা হ'ল? শিশু খাদ্যৰ নামত প্ৰতিমাহে কিমান টকা ব্যয় হয়? অঙ্গনৱাড়ী কেন্দ্ৰ সমূহত শিশুখাদ্য সমূহ কি নীতিৰ আধাৰত বিতৰণ কৰা হয়? কি কি শিশু খাদ্য যোগান ধৰা হয়, খাদ্য সমূহৰ মূল্য সহ জনাবনে?

(ঙ) সমাজ কল্যাণ বিভাগৰ দ্বাৰা কি কি আচ-বাব বা সামগ্ৰী ক্ৰয় কৰা হৈছে আৰু সামগ্ৰী সমূহ কি দামত ক্ৰয় কৰা হৈছে? ২০০১ৰ এপ্রিলৰ পৰা ২০১১ৰ মার্চলৈ অঙ্গনৱাড়ী কেন্দ্ৰ সমূহৰ Furniture আৰু Stationery ক্ৰয় কৰাৰ নামত কিমান টকা ব্যয় কৰা হ'ল?

শ্ৰীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২০০১ৰ এপ্রিলৰ পৰা ২০১১ৰ মার্চলৈ ২৯,৭৪৮ টা অঙ্গনবাদী কেন্দ্ৰ নির্মাণ কৰা হৈছে। অৰ্ধনির্মিত ঘৰৰ সংখ্যা 'গ' প্ৰশ্নৰ উত্তৰত দিয়া হৈছে।

(খ) অঙ্গনবাদী কেন্দ্ৰ নির্মাণৰ বাবদ ২০০৯ৰ এপ্রিলৰ পৰা ২০১১ মার্চলৈ মুঠ ১৫৬৮৪.৬২ লাখ টকা খৰচ কৰা হয়। প্ৰতিটো কেন্দ্ৰ নির্মাণৰ বাবে ১,৭৫,০০০/- টকাকৈ আৱণ্টন দিয়া হয়।

(গ) ২০০১ৰ এপ্ৰিলৰ পৰা ২০১১ৰ মাৰ্চলৈকে অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণৰ দায়িত্ব হাউচফেড, গড়কাপ্তানি বিভাগ আৰু সমাজ কল্যাণ বিভাগে নিবিদাৰ জৰিয়তে ঠিকাদাৰ নিৰ্বাচিত কৰি কামৰ দায়িত্ব অৰ্পণ কৰা হয়। দায়িত্ব অৰ্পণ কৰা বিভাগ অনুযায়ী খৰচৰ পৰিমাণ এনে ধৰণৰ —

I) হাউচফেড — ৮৮৬২.৫০ লাখ

II) গড়কাপ্তানি বিভাগ — ৩৫৮০.০০ লাখ

III) বিভাগীয় ঠিকাদাৰ — ৩৯৬৫১.০০ লাখ

নিৰ্মাণ কাৰ্য্য প্ৰায় সম্পূৰ্ণ কৰা হৈছে। অৱশ্যে দুই-এঠাইত নিৰ্মাণৰ কাম বৰ্তমানে চলি আছে। অৰ্ধনিৰ্মিতকৈ কোনো কাম এৰি দিয়া হোৱা নাই। যিহেতুকে নিৰ্মাণৰ কাম বৰ্তমানো চলি আছে।

তলত উল্লেখ কৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিপৰীতে দেখুওৱা অঙ্গনবাদী কেন্দ্ৰৰ অৰ্ধনিৰ্মিত কাম বৰ্তমানে চলি আছে।

জলেশ্বৰ সংহত শিশু উন্নয়ন প্ৰকল্প - ৪ টা

লক্ষীপুৰ সংহত শিশু উন্নয়ন প্ৰকল্প - ২ টা

ছয়গাঁও সংহত শিশু উন্নয়ন প্ৰকল্প - ১ টা

গৰৈমাৰী সংহত শিশু উন্নয়ন প্ৰকল্প - ২ টা

দুধনৈ সংহত শিশু উন্নয়ন প্ৰকল্প - ৫ টা

ৰূপসী সংহত শিশু উন্নয়ন প্ৰকল্প -- ৫ টা

আমগুৰী সংহত শিশু উন্নয়ন প্ৰকল্প - ৩৫ টা

গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প - ২ টা

এই সমূহ অঙ্গনবাদী কেন্দ্ৰৰ বিপৰীতে বিল পৰিশোধ (Payment) কৰা হোৱা নাই।

(ঘ) ২০০১ৰ এপ্ৰিলৰ পৰা ২০১১ৰ মাৰ্চলৈ বাৰ্ষিক হিচাবত তলত দিয়া ধৰণে খৰচ কৰা হৈছে—

২০০১-০২	—	৩৬৪৬.০০ লাখ
২০০২-০৩	—	৪৪১০.০০ লাখ
২০০৩-০৪	—	৪৪১০.০০ লাখ
২০০৪-০৫	—	৪৭৬৫.০০ লাখ
২০০৫-০৬	—	৪৭৪৩.৩৩ লাখ
২০০৬-০৭	—	৪৮০০.০০ লাখ
২০০৭-০৮	—	৯০৯৮.৭১ লাখ
২০০৮-০৯	—	৯৫৩৯.৭৭ লাখ
২০০৯-১০	—	২৯৯২১.২৬ লাখ
২০১০-১১	—	১৯১৩৫.৩২ লাখ

২০১০-১১ বৰ্ষত শিশু খাদ্যৰ নামত অঙ্গনবাদী প্ৰতি কেন্দ্ৰত প্ৰতি মাহে গড়ে ১৮০৬০/- টকাকৈ খৰচ কৰা হয়। ভাৰত চৰকাৰে দিয়া নীতি নিৰ্দেশনা মৰ্মে শিশু খাদ্য বিতৰণ কৰা হয়।

চাউল, দালি, মটৰ, চুজি, পায়স আদি পুষ্টিকৰ খাদ্য যোগান ধৰা হয়। ৩ বছৰ পর্যন্ত প্রতি সাধাৰণ শিশুৰ বাবদ ৪.০০ টকা আৰু বেছি পুষ্টিহীনতাত ভোগা শিশুৰ বাবে ৬.০০ টকা Lactating আৰু Pregnant মাতৃসকলৰ বাবে ৫.০০ টকা হাৰত খাদ্য যোগান ধৰা হয়। খাদ্যৰ মূল্য বজাৰ সাপেক্ষে নির্দ্ধাৰণ হোৱা স্বত্বেও বর্তমানে উপৰোক্ত হিচাবত খাদ্য যোগান ধৰা হৈছে।

(ঙ) অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ আই.চি.ডি.এচ. আঁচনিৰ অঙ্গনবাদী কেন্দ্রসমূহত যোগান ধৰা আচবাবসমূহ এনে ধৰণৰ যেনে- প্রি স্কুল কিট্‌চ, মেডিচিন কিট্‌চ, টিচাৰ কিট্‌চ, খেল সামগ্রী, ৰন্ধন সামগ্রী, ওৰাটাৰ ফিল্টাৰ, ওৱেইং মেচিন, ফার্নিচাৰ ইত্যাদি।

সামগ্রীসমূহৰ নাম ঃ-

১) প্রি স্কুল কিট্‌চ - ১,০০০/- টকা প্রতি অঙ্গনবাদী কেন্দ্রলৈ

২) মেডিচিন কিট্‌চ - ৬০০/- টকা প্রতি অঙ্গনবাদী কেন্দ্রলৈ

৩) টিচাৰ কিট্‌চ - ১৮৫/- টকা প্রতি অঙ্গনবাদী কেন্দ্রলৈ

৪) খেল সামগ্রী -

ক) ফ্লাইং ডিস্ক - ৭৫/- টকা প্রতিখনত

খ) লুডু - ৪২/- টকা প্রতিখনত

গ) ফ্লিপিং ৰোপ - ৫৮/- টকা প্রতিডালত

৫) ৰন্ধন সামগ্রী -

ক) আইৰণ কেৰাহী - ১৯৯০/- টকা প্রতিটোত

খ) চচপেন (এলুমিনিয়াম) - ১৯৮০/- টকা প্রতিটোত

গ) জি আই বাকেট - ২৩৫/- টকা প্রতিটোত

ঘ) খন্তি - ১০৭/- টকা প্রতিটোত

গ) মাগ - ৭৭/- টকা প্রতিটোত

৬) ওৱাটাৰ ফিল্টাৰ - ৬৬৯/- টকা প্রতিটোত

৭) ফার্নিচাৰ -

ক) ষ্টীল টেবুল - ২৫২৬/- টকা প্রতিটোত

খ) ভিজিটৰচ্ চকী - ১৬০/- টকা প্রতিটোত

২০০১ৰ এপ্রিলৰ পৰা ২০১১ৰ মার্চলৈ অঙ্গনবাদী কেন্দ্রসমূহৰ বাবে আচবাব ক্রয় কৰা হয় -

Furniture	***Stationery***
২৫,১৪,২৪,৬১৮/-	২,৮১,৮৬,১০,২৯৬/-

বিষয় ঃ একোলেণ্ডত প্রৱেশ মূল্য।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

১২৮। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ একোলেণ্ড (Accoland Amusement Park)ৰ প্রৱেশ মূল্য (Entry Fees) নির্দ্ধাৰণৰ ক্ষেত্রত চৰকাৰৰ কিবা ভূমিকা আছে নেকি?

(খ) যদি নাই, এই অত্যাধিক প্রৱেশ মূল্য (Entry Fees) নিয়ন্ত্রণৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা হাতত ল'ব?

শ্রীচন্দন ব্রহ্ম (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যিহেতু গুৱাহাটীৰ একোলেণ্ড এক বেচৰকাৰী সংস্থাৰ অধীন, সেইবাবে তাৰ প্ৰৱেশ মূল্য নির্দ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকাৰ প্ৰশ্ন নুঠে।

(খ) প্ৰশ্ন নুঠে।

বিষয় ঃ I.C.D.S. আঁচনি।

শ্রীৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

১২৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছয়গাঁও বিধান সভা সমষ্টিৰ গৰৈমাৰী উন্নয়ন খণ্ডত কিমানটা I.C.D.S. আঁচনিৰ কেন্দ্র আছে? (প্রতিটো কেন্দ্রৰ বিপৰীতে থকা Worker আৰু Helper-ৰ বিতং তথ্য সদনত দাখিল কৰিব)

(খ) এইটো সত্য নে, গৰৈমাৰী I.C.D.S. আঁচনিৰ Worker পদসমূহ (প্রায় ৭৪টা পদ) আৰু Helper ৰ পদসমূহ মহামান্য ন্যায়ালয়ৰ নির্দেশৰ বাবে অদ্যপি বন্ধ হৈ আছে আৰু ইয়াৰ বাবে ৰাইজ প্রাপ্য সুবিধাৰ পৰা বঞ্চিত হৈ আছে?

(গ) যদি সত্য, তেন্তে এই ক্ষেত্রত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

(ঘ) যদি লোৱা নাই অতি শীঘ্রে ইয়াৰ সমাধানৰ ব্যৱস্থা কৰিবনে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ছয়গাঁও বিধান সভা সমষ্টিৰ গৰৈমাৰী শিশু উন্নয়ন প্রকল্পত বর্তমান

৩৮টা অঙ্গনবাদী কেন্দ্ৰ কাৰ্য্যকৰী হৈ আছে। উক্ত ৩৮টা অঙ্গনবাদী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাৰ তালিকা লগত দিয়া হ'ল। (তালিকা 'ক'ত সংল্গন কৰা হ'ল)। (See Annexure – XXI)

(খ) এইটো সত্য যে ৭৪টা অঙ্গনবাদী কৰ্মী আৰু ৭৪ গৰাকী সহায়িকাৰ পদ মহামান্য উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে বৰ্তমানলৈ নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ আছে।

(গ) এই সন্দৰ্ভত মহামান্য উচ্চ ন্যায়ালয়ৰ অধীনত থকা সমাজ কল্যাণ বিভাগৰ Standing Counsel-ৰ সৈতে যোগাযোগ কৰি থকা হৈছে।

(ঘ) মহামান্য উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ পোৱাৰ লগে লগে ইয়াৰ সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

বিষয় ঃ অনিয়মীয়া শিশু খাদ্য বিতৰণ আৰু গৃহ নিৰ্মাণত দুৰ্নীতি।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

১৩০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মন্দিয়া I.C.D.P.ৰ অন্তৰ্গত ধৰ্মপুৰ ভাতনাপাইতি গাঁও পঞ্চায়তৰ অধীনৰ ৭৬, ৭৭, ৮০, ৮২, ৮৩, ৮৬, ৮৭, ৮৮, ২৩১, ২৩২, ৩০৯, ৩১০, ৩১১, ৩৪৮, ৩৪৯, ৩৫০ নং অঙ্গনৱাড়ী কেন্দ্ৰ, মন্দিয়া গাঁও পঞ্চায়তৰ ১৪ নং অঙ্গনৱাড়ী কেন্দ্ৰআৰু মইনবৰী গাঁও পঞ্চায়তৰ ১২১ আৰু ২৬১ নং অঙ্গনৱাড়ী কেন্দ্ৰসমূহত চলি থকা

অনিয়মীয়া শিশু খাদ্য বিতৰণ আৰু পাঠদান সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) উক্ত অঙ্গনৱাড়ী কেন্দ্রসমূহত নিয়মীয়াকৈ শিশু খাদ্য বিতৰণ আৰু পাঠদান কার্য্য কেতিয়া আৰম্ভ কৰিব?

(গ) মন্দিয়া I.C.D.P.ৰ অন্তর্গত অঙ্গনৱাড়ী কেন্দ্রসমূহৰ গৃহ নির্মাণৰ ক্ষেত্রত সংঘটিত ব্যাপক দুর্নীতি তথা অনিয়ম সম্পৰ্কে চৰকাৰ অৱগতনে

(ঘ) এই সম্পৰ্কে তদন্তক্রমে দোষী বিষয়া / কর্মচাৰী সকলৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উক্ত কেন্দ্রসমূহত পাঠদান আৰু শিশু খাদ্য বিতৰণ নিয়মীয়াকৈ চলি আছে। কেৱল অঙ্গনৱাড়ী কেন্দ্র ৩৪৮, ৩৪৯, ৩৫০, ৮০, ৮৬ নং কেন্দ্রসমূহত ভাৰতীয় ষ্টেট বেংকৰ একাউণ্ট নোপোৱা হেতুকে খাদ্যৰ পুঁজি জমা নোহোৱাত উক্ত কেন্দ্রত খাদ্য বিতৰণ কৰিব পৰা নাই। কিন্তু NGO-ৰ দ্বাৰা দিয়া খাদ্য সামগ্রীসমূহ নিয়মিতভাৱে যোগান ধৰি থকা হৈছে আৰু নিয়মীয়া পাঠদান চলি আছে।

(খ) কার্য্যকৰী হোৱা অঙ্গনবাদী কেন্দ্রসমূহত নিয়মীয়াকৈ শিশু খাদ্য বিতৰণ আৰু পাঠদান কার্য্য চলি আছে।

(গ) এই সম্পৰ্কে চৰকাৰ অৱগত নহয়।

(ঘ) প্রশ্ন নুঠে।

Sub : Numbers of Employees.

Shri Sirajuddin Ajmal asked :

131. Will the Minister of Agriculture be pleased to state :

(a) How many numbers of employees are there is the Department of Agriculture as on today ? (Please furnish the list categorically)

(b) How many numbers of post are there lying vacant in the Department as on today ? (Please furnish the list categorically)

(c) Has the Government any master plan to achieve "Green Revolution" in the State in near future ?

(d) If so, how and if not, Why ?

Shri Nilamani Sen Deka (Minister, Agriculture) replied:

(a) Altogether 7072 employees are there in the Agriculture Department as stated below :

Sl. No.	Category/Class	Total strength	No. of employees as on today
1	Class-I	1021	726
2	Class-II	519	416

Sl. No.	Category/Class	Total strength	No. of employees as on today
3	Class-III	5396	4471
4	Class-IV	1508	1459
	Total	**8444**	**7072**

(b) 1372 numbers of post are lying vacant in the Agricultural Department as stated below :

Sl.No.	Category / Class	Vacancy Position
1	Class-I	295
2	Class-II	103
3	Class-III	925
4	Class-IV	49
	Total	**1372**

(c) Government have adopted a systematic approach to achieve Green Revolution.

(d) In order to achieve Green Revolution various schemes have been taken up by the State Government.

বিষয় ঃ বিধান আৱণ্টন আৰু বিতৰণ।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

১৩২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙ্গাইগাওঁ জিলাত ২০০৬ ইং চনৰ পৰা বৰ্ত্তমানলৈকে কৃষি বিভাগৰ জৰিয়তে কিমান ধানৰ বিধান, সৰিয়হ, মটৰ, গোম ইত্যাদি আৱণ্টন দিয়া হ'ল আৰু কিমানজন খেতিয়কৰ মাজত বিতৰণ কৰা হ'ল জনাবনে? (লগতে বিতৰণ কৰা খেতিয়কৰ তালিকা সদনত দাখিল (Block wise) কৰিব)

(খ) ২০০৬ ইং চনৰ পৰা বৰ্তমানলৈকে কিমানখন Power Tiller, Tractor, Shallow Tubewell, Spray Machine, Power Pump, G. I. Pipe আৰু অন্যান্য কি কি সামগ্ৰী খেতিয়কৰ মাজত বিতৰণ কৰা হ'ল তালিকা সহ সদনত দাখিল কৰিবনে?

(গ) জিলাখনত কোন কোন Block-ত কিমান Water Tank নিৰ্মাণ কৰা হ'ল আৰু তাৰবাবে কিমান টকা খৰচ হ'ল অনুগ্ৰহ কৰি জনাবনে? (তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বঙ্গাইগাওঁ জিলাত ২০০৬ ইং চনৰ পৰা বৰ্তমানলৈ কৃষি বিভাগৰ জৰিয়তে আৱণ্টন দিয়া ধানৰ বিধান, সৰিয়হ আদি বিভিন্ন বীজৰ পৰিমাণ আৰু উপকৃত খেতিয়কৰ সংখ্যা, বৰ্ষ আৰু আঁচনি অনুযায়ী সিপিঠিত উল্লেখ কৰা হ'ল।

বিতৰণ কৰা খেতিয়কৰ তালিকা সদনত দাখিল কৰা হ'ল।

বঙ্গাইগাওঁ জিলাত ৰূপায়িত কৰা আঁচনি সমূহ ঃ—

বছৰ	কৃষি আঁচনি	শস্য	আৱন্টিত বীজৰ পৰিমাণ (কুইন্টল)
২০০৬-০৭	১) দুর্যোগ ব্যৱস্থাপনা আঁচনি (চি.আৰ.এফ)	১। ধান (গ্রীষ্মকালীন)	১০০০.০০ কুঃ
		২। সৰিয়হ	৯৮.৬০ কুঃ
		৩। মটৰ মাহ	১৯৯.৯০ কুঃ
		৪। ঘেঁহু	৭০০.০০ কুঃ
		৫। মচুৰ	১১৯.৯৮ কুঃ
২০০৭-০৮	১) দুর্যোগ ব্যৱস্থাপনা আঁচনি (চি.আৰ.এফ)	১। ঘেঁহু	৩০৯৭.৩৬ কুঃ
		২। সৰিয়হ	২২৫.০০ কুঃ
		৩। মচুৰ	১৬৭.০০ কুঃ
		৪। মটৰ	২৫৫.৭০ কুঃ
		৫। মাকৈ	৮৪৪.০০ কুঃ
		৬। ধান	৭.৬০ কুঃ
		৭। পিয়াজ	২.০০ কুঃ
	২) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান আঁচনি	১। ধান	৫২৩.০০ কুঃ

বছৰ	কৃষি আঁচনি	শস্য	আৱণ্টিত বীজৰ পৰিমাণ (কুইণ্টল)
	৩) বীজ গাঁও আঁচনি	১। ধান	১৯২.০০ কুঃ
২০০৮-০৯	১) দুর্যোগ ব্যৱস্থাপনা আঁচনি চি, আৰ, এফ	১। ঘেঁহু	২২৯.০০ কুঃ
		২। সৰিয়হ	১০০.০০ কুঃ
		৩। মচুৰ	২৫.০০ কুঃ
		৪। মটৰ	১৩২.০০ কুঃ
		৫। মাকৈ	১২.০০ কুঃ
		৬। ধান	৩১০.০০ কুঃ
		৭। আলু	৯৮০.০০ কুঃ
	২) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আঁচনি	১। ধান	২১৩০.৮৪ কুঃ
২০০৯-১০	১। দুর্যোগ ব্যৱস্থাপনা আঁচনি (চি.আৰ.এফ.)	১। ঘেঁহু	৫৮৭৮.০০ কুঃ
		২। সৰিয়হ	৫১৩.০০ কুঃ
		৩। মচুৰ	৩০৯.৬০ কুঃ
		৪। মটৰ	৫১০.০০ কুঃ
		৫। আলু	৯০৪০.৫০ কুঃ
		৬। ধান	৯০০.০০ কুঃ

বছৰ	কৃষি আঁচনি	শস্য	আৱণ্টিত বীজৰ পৰিমাণ (কুইণ্টল)
	২) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান আঁচনি	১। ধান	৭২৭.০০ কুঃ
২০১০-১১	১) দুৰ্যোগ ব্যৱস্থাপনা আঁচনি (ডি.এম.)	১। মাটিমাহ	৫০.০০ কুঃ
		২। সৰিয়হ	১২৭.০০ কুঃ
		৩। মটৰ	৭০.০০ কুঃ
		৪। আলু	৩৭২.০০ কুঃ
		৫। ধান	৩৭২.০০ কুঃ
	২) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা	১। ধান	১৮৩.৬০ কুঃ
	৩) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান আঁচনি	১। ধান	১২০৬.৩৫ কুঃ
২০১১-১২	১) ৰাষ্ট্রীয় খাদ্য সুৰক্ষা অভিযান আঁচনি	১। ধান	৭৫৪.০২ কুঃ
	২) বীজ গাঁও আঁচনি	১। ধান	৮০.০০ কুঃ
	৩) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা	১। ধান	২০৬.৪০ কুঃ

বঙাইগাঁও জিলাৰ উন্নয়ন খণ্ড অনুসৰি ২০০৬ চনৰ পৰা ২০১১-১২ লৈ বীজ বিতৰণৰ খতিয়ান

বছৰ	কৃষি আঁচনি ও শস্যৰ নাম	উন্নয়ন খণ্ড			
		ডাংটল		মানিকপুৰ	
		বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
১	২	৩	৪	৫	৬
২০০৬-০৭	১। দুর্যোগ ব্যৱস্থাপনা আঁচনি				
	ক) ধান	২০০ কুঃ	১০০০ জন	২০০ কুঃ	১০০০ জন
	খ) সৰিয়হ	২০৯০ কুঃ	৪০০ জন	১৮.৬০ কুঃ	৩৭২ জন
	গ) মটৰ মাহ	৪০ কুঃ	৫০০ জন	৩৯.৯০ কুঃ	৪৯৮ জন
	ঘ) ঘেঁহু	১৪০ কুঃ	৮৭৫ জন	১৪০ কুঃ	৮৭৫ জন
	ঙ) মচুৰ	২৪ কুঃ	৩০০ জন	২৩.৯৮ কুঃ	৩০০ জন

বঙাইগাঁও জিলাৰ উন্নয়ন খণ্ড অনুসৰি ২০০৬ চনৰ পৰা ২-১১-১২ লৈ বীজ বিতৰণৰ খতিয়ান

উন্নয়ন খণ্ড						সর্বমুঠ	
বৈটামাৰী		টাপাটাৰী		সৃজনগ্রাম			
বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
৭	৮	৯	১০	১১	১২	১৩	১৪
২০০ কুঃ	১০০০ জন	২০০ কুঃ	১০০০ জন	২০০ কুঃ	১০০০ জন	১০০০ কুঃ	৫০০০ জন
২০ কুঃ	৪০০ জন	২০ কুঃ	৪০০ জন	২০ কুঃ	৪০০ জন	৯৮.৬০ কুঃ	১৯৭২ জন
৪০ জন	৫০০ জন	৪০ কুঃ	৫০০ জন	৪০ কুঃ	৫০০ জন	১৯৯.৯০ কুঃ	২৪৯৮ জন
১৪০ কুঃ	৮৭৫ জন	১৪০ কুঃ	৮৭৫ জন	১৪০ কুঃ	৮৭৫ জন	৭০০.০০ কুঃ	৪৩৭৫ জন
২৪ কুঃ	৩০০ জন	২৪ কুঃ	৩০০ জন	২৪ কুঃ	৩০০ জন	১১১৯.৯৮ কুঃ	১৫০০ জন

বছৰ	কৃষি আঁচনি ও শস্যৰ নাম	উন্নয়ন খণ্ড			
		ডাংটল		মানিকপুৰ	
		বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
১	২	৩	৪	৫	৬
২০০৭-০৮	১। দুর্যোগ ব্যৱস্থাপনা আঁচনি				
	ক) ঘেঁহু	৬২০ কুঃ	৭৭৫০ জন	৫১৭.৩৬ কুঃ	১৪৬৭ জন
	খ) সৰিয়হ	৪৫ কুঃ	৯০০ জন	৪৫ কুঃ	৯০০ জন
	গ) মচুৰ	৩৫ কুঃ	৮৭৫ জন	২৭ কুঃ	৬৮৫ জন
	ঘ) মটৰ মাহ	৫০ কুঃ	৬২৫ জন	৫৫.৭০ কুঃ	৭৯৭ জন
	ঙ) মাকৈ	১৭৫ কুঃ	১৪৫৮ জন	১৫৫ কুঃ	১২৯৩ জন
	চ) ধান	১৬০ কুঃ	৩২ জন	১.৫০ কুঃ	৩০ জন
	ছ) পিয়াজ	০.৪০ কুঃ	৪০ জন	০.৪০ কুঃ	৪০ জন

উন্নয়ন খণ্ড						সর্বমুঠ	
বৈটামাৰী		টাপাটাৰী		সৃজনগ্রাম			
বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
৭	৮	৯	১০	১১	১২	১৩	১৪
৬২০ কুঃ	৭৭৫০ জন	৬২০ কুঃ	৭৭৫০ জন	৬২০ কুঃ	৭৭৫০ জন	৩০৯৭.৩৮ কুঃ	৩৮৭১৭ জন
৪৫ কুঃ	৯০০ জন	৪৫ কুঃ	৯০০ জন	৪৫ কুঃ	৯০০ জন	২২৫ কুঃ	৪৫০০ জন
৩৫ জন	৮৭৫ জন	৩৫ জন	৮৭৫ জন	৩৫ জন	৮৭৫ জন	১৬৭ কুঃ	৪১৮৫ জন
৫০ কুঃ	৭১৪ জন	৫০ কুঃ	৭১৪ জন	৫০ কুঃ	৭১৪ জন	২৫৫.৭০ কুঃ	৩৬৫৩ জন
১৭৫ কুঃ	১৪৫৮ জন	১৭৫ কুঃ	১৪৫৮ জন	১৭৫ কুঃ	১৪৫৮ জন	৮৫৫ কুঃ	৭১২৫ জন
১.৫০ কুঃ	৩০ জন	১.৫০ কুঃ	৩০ জন	১.৫০ কুঃ	৩০ জন	৭.৬০ কুঃ	১৫২ জন
০.৪০ কুঃ	৪০ জন	০.৪০ কুঃ	৪০ জন	০.৪০ কুঃ	৪০ জন	২.০০ কুঃ	২০০ জন

বঙাইগাঁও জিলাৰ উন্নয়ন খণ্ড অনুসৰি ২০০৬-০৭ৰ পৰা ২০১১-১২ লৈ বীজ বিতৰণৰ খতিয়ান

বছৰ	কৃষি আঁচনি ও শস্যৰ নাম	উন্নয়ন খণ্ড			
		ডাংটল		মানিকপুৰ	
		বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
১	২	৩	৪	৫	৬
২০০৭-০৮	১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি				
	ক) ধান	৭৮.৪৫	৩১৪	৭৮.৪৫	৩১৪
	২। বীজ গাঁও আঁচনি				
	ক) ধান	৯৫	১০০০	১৫২	১৬০০
২০০৮-০৯	১। দুৰ্যোগ ব্যৱস্থাপনা আঁচনি				
	ক) ঘেঁহু	৪৯	৩৫১	৪৫	৩২১
	খ) সৰিয়হ	২০	৫০০	২০	৫০০
	গ) মচুৰ	৬	৭৫	৪	৫১
	ঘ) মটৰ মাহ	২৫	৩১৪	২৭	৩৩৭
	ঙ) মাকৈ	২	৫০	২	৫০
	চ) ধান	৬০	৩০০	৫৫	২৭৫
	ছ) আলু	১৯০	৭৬০	১৮০	১২০

বঙাইগাঁও জিলাৰ উন্নয়ন খণ্ড অনুসৰি ২০০৬-০৭ৰ পৰা ২০১১-১২ লৈ বীজ বিতৰণৰ খতিয়ান

উন্নয়ন খণ্ড							
বৈটামাৰী		টাপাটাৰী		সৃজনগ্ৰাম		সৰ্বমুঠ	
বীজৰ পৰিমাণ	হিতাধি-কাৰী	বীজৰ পৰিমাণ	হিতাধি-কাৰী	বীজৰ পৰিমাণ	হিতাধি-কাৰী	বীজৰ পৰিমাণ	হিতাধি-কাৰী
৭	৮	৯	১০	১১	১২	১৩	১৪
১৩০.৭৫	৫২৩	১০৪.৬	৪১৮	১৩০.৭৫	৫২৩	৫২৩.০০	২০৯২
৯০.২৫	৯৫০	২৩.৭৫	২৫০	১১৪.০০	১২০০	৪৭৫.০০	৫০০০
৪৫	৩২৫১	৪৫	৩২১	৪৫	৩২১	২২৯.০০	১৬৩৫
২০	৫০০	২০	৫০০	২০	৫০০	১০০.০০	২৫.০০
৫	৬২	৫	৬২	৫	৬২	২৫.০০	৩১২
২৬	৩২৫	২৭	৩৩৭	২৭	৩৩৭	১৩২.০০	১৬৫০
৩	৭৫	৩	৭৫	২	৫০	১২.০০	৩০০
৬৫	৩২৫	৬৫	৩২৫	৬৫	৩২৬	৩১০.০	১৫৫০
২০৫	৮২০	২০০	৮০০	২০৫	৮২০	৯৮০.০	৩৯২০

বছৰ	কৃষি আঁচনি ও শস্যৰ নাম	উন্নয়ন খণ্ড			
		ডাংটল		মানিকপুৰ	
		বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
১	২	৩	৪	৫	৬
২০০৮-০৯	১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান				
	ক) ধান	৩১৯.৬১	১২৭৮	৩১৯.৬৭	১২৭৯
২০০৯-১০	১। দুৰ্যোগ ব্যৱস্থাপনা আঁচনি (চি.আৰ.এফ.)				
	ক) ঘেঁহু	১১৭৫	৫৮৭৫	১২০০	৬০০০
	খ) সৰিয়হ	১০৫	১০৫০	১০০	১০০০
	গ) মচুৰ	৬০	১৫০০	৬৫	১৬২৫
	ঘ) মটৰ	১০০	৭৬৯	১১০	৮৪৬
	ঙ) আলু	১৮০০	৭২০০	১৮০০	৭২০০
	চ) ধান	১৮০	১৮০০	১৮০	১৮০০
	২। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান				
	ক) ধান	১০৯১৫	৪৫৬	১০৯.৯৫	৪৩৬
২০১০-১১	১। দুৰ্যোগ ব্যৱস্থাপনা আঁচনি (ডি.এম.)				
	ক) মাটিমাহ	১০	৩৩৩	১০	৩৩৩
	খ) সৰিয়হ	২৫	৩১৩	২৬	৩২৫

উন্নয়ন খণ্ড							
বৈটামাৰী		টাপাটাৰী		সৃজনগ্ৰাম		সৰ্বমুঠ	
বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
৭	৮	৯	১০	১১	১২	১৩	১৪
৫৩২.০০	২১৩১	৪২৬.১৬	১৭০৪	৫৩২.৭০	২১৩১	২১৩০.৮৪	
১১৭৫	৫৮৭৫	১১০০	৫৫০০	১২২৮	৬১৪০	৫৮৭৮	২৯৩৯০
১১০	১১০০	১০০	১০০০	৯৮	৯৮০	৫১৩	৫১৩০
৬২	১৫৫০	৬৫	১৬২৫	৫৭.৬০	১৪৪০	৩০৯.৬০	৭৭৪০
৯৫	৭০২	১০০	৭৬৯	১০৫	৮০৭	৫১০	৩৯২৩
১৭২০	৬৮৮০	২০০০	৮০০০	১৭২০.৫০	৬৮৮২	৯০৪০.৫০	৩৬১৬২
২০০	২০০০	১৭০	১৭০০	১৭০	১৭০০	৯০০.০০	৯০০০
১৮১.৯২	৭২৭	১৪৫.৫৪	৫৮২	১৮১.৯২	৭২৭	৯২৭.৬৮	২৯০৮
১০	৩৩৩	১০	৩৩৩	১০	৩৩৪	৫০	১৬৬৬
২৭	৩৩৭	২৮	৩৫০	২১	২৬৩	১২৭	১৫৮৭

বছৰ	কৃষি আঁচনি ও শস্যৰ নাম	উন্নয়ন খণ্ড			
		ডাংটল		মানিকপুৰ	
		বীজৰ পৰিমাণ	হিতাধিকাৰী	বীজৰ পৰিমাণ	হিতাধিকাৰী
১	২	৩	৪	৫	৬
২০১০-১১	গ) মটৰ	১২	৫০	১৩	৫৪
	ঘ) আলু	৭৫	২১	৭০	১৯
	ঙ) ধান	৭৫	৩৭৫	৭০	৩৫০
	২। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ক) ধান	৩৫	১৭৫	৪০	২০০
	৩। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা যোজনা ক) ধান	১১০.৯৫	৭২৪	১৮০.৯৫	৭২৪
২০১১-১২	১। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান ক) ধান	১৫০	১০০০	১৬০	১০৬৭
	২। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ক) ধান	৪০	২৬৭	৫০	৩৩৩
	২। বীজ গাঁও আঁচনি ক) ধান	১০	২৫০	২০	৫০০

উন্নয়ন খণ্ড							
বৈটামাবী		টাপাটাবী		সৃজনগ্রাম		সর্বমুঠ	
বীজব পবিমাণ	হিতাধি-কাবী	বীজব পবিমাণ	হিতাধি-কাবী	বীজব পবিমাণ	হিতাধি-কাবী	বীজব পবিমাণ	হিতাধি-কাবী
৭	৮	৯	১০	১১	১২	১৩	১৪
১৪	৫৮	১৬	৬৭	১৫	৬২	৭০	২৯০
৮০	২২	৭৫	২১	৭২	১৯	৩৭২	১০২
৮০	৪০০	৭৫	৩৭৫	৭২	৩৬০	৩৭২	১৮৬০
৩৬	১৮০	৩৪.৬০	১৭৩	৩৮	১৯০	১৮৩.৬০	৯১৮
৩০১.৫৮	১২০৬	২৪১.২৭	৯৬৫	৩০১.৫৮	১২০৬	১২০৬.৩৩	৪৮২৫
১৭০	১১৩৩	১৬৫	১১০০	১০৯.০২	৭২৭	৭৫৪.০২	৫০২৭
৪৫	৩০০	৪০	২৬৭	৩১.৪০	২০৯	২০৬.৪০	১৩৭৬
২০	৫০০	১০	২৫০	২০	৫০০	৮০.০০	২০০০

(খ) ২০০৬ চনৰ পৰা বৰ্তমানলৈ খেতিয়কৰ মাজত বিতৰণ কৰা বিভিন্ন কৃষি সামগ্ৰীৰ পৰিমাণ এনে ধৰণৰ ঃ-

১। পাৱাৰ টিলাৰ	—	৪০০ খন
২। ট্ৰেক্টৰ	—	১৭৯ খন
৩। অগভীৰ নলী-নাদ	—	৭৮০০ টা
৪। স্প্ৰে মেচিন	—	১৪১ টা
৫। পাৱাৰ পাম্প (পৃথককৈ)	—	নাই
৬। জি.আই.পাইপ	—	নাই

উপকৃত খেতিয়কৰ তালিকা সদনত দাখিল কৰা হ'ল।

(গ) কৃষি বিভাগৰ জৰিয়তে Water Tank-ৰ নিৰ্মাণ বঙ্গাইগাঁও জিলাত কৰা হোৱা নাই।

Sub : ICDS Office Building, Schemes for Widows and Unmarried Women.

Shri Abdul Muhib Mazumdar asked :

133. Will the Minister of Social Welfare be pleased to state :

(a) How many schemes have been taken up for poor unmarried women of certain age and poor widows in Hailakandi ?

(b) When the Bicycle will be provided to the Anganwadi Workers as announced by the Government ?

(c) Whether the Government is aware of the fact that all the ICDS (Integrated Child Development Services) Officers are located in rented houses?

(d) Will the Government take up plans to construct these offices ?

Shri Akon Bora (Minister, Social Welfare Department) replied :

(a) One scheme namely scheme for Welfare and Empowerment of Unmarried and Single Unemployed Women and Widows (BAIDOU & NABOU) has been implemented in Hailakandi District.

(b) 35252 Bicycles has already been provided to 35252 Anganwadi Workers. Another 12000 Bicyces to be provided to 12000 AWWs during 2011-12.

(c) Yes, the Govt. is aware of the fact that most of the ICDS offices are located in rented houses.

(d) At present there is no any plan to construct ICDS offices.

Sub : Autonomous Councils.

Shri Monowar Hussain asked :

134. Will the Minister of W.P.T. & B.C. (BTAD Area only) be pleased to state :

(a) Name the different Autonomous Council presently working in Assam ?

(b) Number of revenue villages included against each Autonomous Councils ?

(c) Number of population against each Autonomous Councils ?

(d) Amount of fund released against each Autonomous Council during the financial year 2008-2009, 2009-2010 and 2010-2011 ?

Shri Chandan Brahma (Minister, W.P.T. & B.C. (BTAD) Department) replied :

There is no Autonomous Council in BTAD area, however.

(a) At present there are 6 (six) nos. of Autonomous Councils presently working in Assam namely :

(i) Mising Autonomous Council

(ii) Thengal Kachari Autonomous Council

(iii) Sonowal Kachari Autonomous Council

(iv) Rabha Hasong Autonomous Council

(v) Deori Autonomous Council

(vi) Tiwa Autonomous Council.

(b) No. of revenue villages included in the 6 (six) Autonomous Councils are as follows :-

Sl. No.	Name of Autonomous Councils	No. of Revenue Villages
1	Mising Autonomous Council	1675 Nos.
2	Thengal Kachari Autonomous Council	152 Nos.
3	Sonowal Kachari Autonomous Council	451 Nos.
4	Rabha Hasong Autonomous Council	779 Nos.
5	Deori Autonomous Council	133 Nos.
6	Tiwa Autonomous Council.	437 Nos.(c)

(c) No. of population in each 6 (six) Autonomous Councils are as follows :-

Sl. No.	Name of Autonomous Councils	Total Population as per 2001 census
1	Mising Autonomous Council	8,72,982
2	Thengal Kachari Autonomous Council	2,50,000
3	Sonowal Kachari Autonomous Council	3,12,656
4	Rabha Hasong Autonomous Council	5,53,868
5	Deori Autonomous Council	96,850
6	Tiwa Autonomous Council.	3,49,477

(d) Total fund released to the 6 (Six) Autonomous Councils are:

(Rs. in Lakhs)

Sl. No.	Name of Autonomous Councils	2008-09	2009-10	2010-11
1	Mising Autonomous Council	Rs. 2500.00	Rs. 3176.00	Nil
2	Thengal Kachari Autonomous Council	Rs. 1075.00	Rs. 1420.00	Rs. 1504.00

Sl. No.	Name of Autonomous Councils	2008-09	2009-10	2010-11
3	Sonowal Kachari Autonomous Council	Rs. 1090.00	Rs.1403.00	Rs. 1506.00
4	Rabha Hasong Autonomous Councul	Rs. 1760.00	Normal - 1936.00 S.D.- 362.00	Nil
5	Deori Autonomous Council	Rs. 1170.00	Rs. 1482.00	Nil
6	Tiwa Autonomous Council	Rs. 1706.00	Rs. 227.00	Rs. 2391.00

বিষয় ঃ উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণৰ আঁচনি।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

১৩৫। মাননীয় উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ বিভাগে যোৱা বিত্তীয় বৰ্ষত কি কি আঁচনি ৰূপায়ণ কৰিছিল?

(খ) নগাঁও আৰু মৰিগাঁও জিলাত যোৱা বিত্তীয় বৰ্ষত উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ বিভাগলৈ কিমান টকা আৱণ্টন দিয়া হৈছিল

(গ) উক্ত টকা ক'ত ক'ত খৰচ কৰা হৈছিল?

শ্রীনীলমণি সেন ডেকা (উদ্যান বিদ্যা আৰু খাদ্য প্রস্তুতকৰণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱাটো বিত্তীয় বর্ষত অর্থাৎ ২০১০-১১ বর্ষত উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ে ৰূপায়ণ কৰা আঁচনিকেইখনৰ নাম তলত উল্লেখ কৰা হ'ল।

(১) উত্তৰ পূর্বাঞ্চল আৰু হিমালয়ান ৰাজ্যবোৰৰ বাবে উদ্যান শস্যৰ প্রযুক্তি অভিযান (Horticulture Mission for North East and Himalayan States) HMNEH.

(২) ঔষধি উদ্ভিদৰ বাবে ৰাষ্ট্রীয় অভিযান (National Mission for Medicinal plant)-NMMP.

(৩) ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikash Yojana)-NMMP.

(খ) যোৱাটো বিত্তীয় বর্ষত বিভিন্ন আঁচনিৰ অধীনত নগাঁও আৰু মৰিগাঁও জিলাত আৱণ্টন দিয়া ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

		নগাঁও	মৰিগাঁও
(১)	HMNEH —	১১৫.৬৮৫ লাখ	১৩৯.৯৬৬২৫ লাখ টকা
(২)	NMMP —	৮.৮৩১ লাখ টকা	—
(৩)	RKVY —	—	৫০ লাখ টকা

আৱণ্টন ২০০৮-০৯ আঁচনি সম্পূর্ণ ২০১০-১১

(গ) পৰিশিষ্ট 'A' আৰু 'B' আৰু 'C'ত সন্নিবিষ্ট কৰা হ'ল।

(See Annexure – XXII)

বিষয় ঃ সম্প্রসাৰিত সেউজ বিপ্লৱ আঁচনি।

শ্ৰীকমলসিং নাৰ্জাৰীয়ে সুধিছে ঃ

১৩৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সম্প্রসাৰিত সেউজ বিপ্লৱ আঁচনিৰ বাবে ২০১১ বৰ্ষত কিমান টকা ব্যয়ৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে?

(খ) উক্ত আঁচনিৰ অধীনত চলিত বিত্তীয় বৰ্ষত সমগ্ৰ অসমত কিমান হেজাৰ হেক্টৰ ভূমিত শালি খেতি কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে? (উত্তৰ বিস্তৃত তথ্য সহ দিব)

(গ) আঁচনিখন সফল কৰাৰ বাবে প্ৰতিজন কৃষকক কি কি ধৰণে সহায় কৰা হব?

(ঘ) চিৰাং জিলাত উক্ত আঁচনিখন সফল কৰাৰ বাবে কোন কোন অঞ্চলকেইটা বাছি উলিওৱা হৈছে। ইয়াৰ বাবে ধাৰ্য্যকৃত ধনৰ পৰিমাণ কিমান?

(ঙ) উক্ত আঁচনিৰ অধীনত চিৰাং জিলালৈ মোকলাই দিয়া ধনেৰে কি কি সামগ্ৰী যোগান ধৰা হৈছে?

(উত্তৰৰ সৈতে গাঁওভিত্তিত হিতাধিকাৰীৰ তালিকা আৰু প্ৰাপ্ত সামগ্ৰী/সাহায্যৰ বিস্তৃত বিৱৰণ দিব)

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সম্প্রসাৰিত সেউজ বিপ্লৱ আঁচনিৰ বাবে ২০১০-১১ বৰ্ষত ১৭.৫০

কৌটি টকা ব্যয়ৰ লক্ষ্য নির্দ্ধাৰণ কৰা হৈছিল আৰু ২০১১-১২ বৰ্ষৰ ব্যয়ৰ লক্ষ্য বাজেট অনুমোদনৰ পিছতহে চূড়ান্ত হ'ব।

(খ) ২০১০-১১ বৰ্ষৰ ধনেৰে চলিত বিত্তীয় বৰ্ষত সমগ্ৰ অসমত মুঠ ৯৪১০.৩ হেক্টৰ ভূমিত শালি খেতি কৰাৰ লক্ষ্য ৰাখি লোৱা হৈছে।

(গ) আঁচনিখন সফল কৰাৰ বাবে প্ৰতিজন কৃষকক ৩ বিঘাকৈ মাটিৰ বাবে শালি ধান, মাটি মাহ, মণ্ডমাহ আৰু মাকৈ খেতি কৰিবৰ বাবে বীজ, ৰাসায়নিক সাৰ, জীৱাণু সাৰ আৰু অনুসাৰ বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি মাটিৰ অম্লতা হ্ৰাস কৰি উৎপাদিকা শক্তি বৃদ্ধি কৰিবৰ বাবে প্ৰতিজন হিতাধিকাৰীক এক হেক্টৰ মাটিৰ বাবে ৰেহাই মূল্যত চূণ বিতৰণ কৰা হৈছে আৰু কীটনাশক ঔষধ প্ৰয়োগৰ বাবে প্ৰতিজন হিতাধিকাৰীক এটাকৈ স্প্ৰেয়াৰ মেচিন ৰেহাই মূল্যত যোগান ধৰা হৈছে।

(ঘ) ২০১০-১১ বৰ্ষত উক্ত আঁচনিখন সফল কৰাৰ বাবে চিৰাং জিলাত বাছি উলিওৱা অঞ্চলকেইটা হৈছে— চিউলি, বেংটল, বিজনী, বৰোবজাৰ, উলুবাৰি, মালিপাৰা আৰু আমগুৰি। ইয়াৰ বাবে ধাৰ্য্যকৃত ধনৰ পৰিমাণ ৪৪.৮৬০৩ লাখ টকা।

(ঙ) উক্ত আঁচনিৰ জৰিয়তে হিতাধিকাৰীৰ মাজত উন্নত মানৰ বীজ ৰাসায়নিক সাৰ, জীৱাণু সাৰ, অনুসাৰ, চূণ আৰু স্প্ৰেয়াৰ মেচিন যোগান ধৰা হৈছে। (হিতাধিকাৰীৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল।) (See Annexure – XXIII)

বিষয় ঃ ঘৰ ভাৰাৰ টকা।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

১৩৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাত থকা বিহদিয়া জাজিকোনা সংহত শিশু উন্নয়ন সেৱা প্রকল্প বিষয়াৰ কার্য্যালয়টো বর্তমান ভাৰা ঘৰত নে চৰকাৰী ঘৰত চলি আছে?

(খ) যদিহে ভাৰা ঘৰত চলি আছে তেনেহ'লে ঘৰ ভাৰাৰ বাবদ চৰকাৰৰ বছৰি কিমান টকা ব্যয় হয়?

(গ) চৰকাৰী গৃহ থকা স্বত্ত্বেও উক্ত কার্য্যালয়টো ভাৰা ঘৰত চলাই চৰকাৰী ধনৰ অপব্যৱহাৰ হোৱা নাইনে?

(ঘ) যদি ব্যৱস্থা হাতত লোৱা হৈছে, ইয়াক কেতিয়াকৈ কার্য্যকৰী কৰিব?

(ঙ) যদিহে কোনো ব্যৱস্থা হাতত লোৱা হোৱা নাই তেতিয়াহ'লে উক্ত কার্য্যালয়টো চৰকাৰী গৃহলৈ স্থানান্তৰ কৰি নিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীঅকন বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান ভাৰা ঘৰত চলি আছে।

(খ) ঘৰ ভাৰাৰ বাবদ চৰকাৰৰ বছৰি ৫৪৮৮৮/- টকা ব্যয় হয়।

(গ) সংশ্লিষ্ট বিষয়াই জনোৱা মতে তাত চৰকাৰী গৃহ নাই।

(ঘ) বর্তমান কোনো ব্যৱস্থা হাতত লোৱা নাই।

(ঙ) চৰকাৰী গৃহ খালী পোৱা গ'লে ব্যৱস্থা ল'ব পৰা হ'ব।

বিষয় ঃ অঙ্গনৱাড়ী কেন্দ্ৰৰ সংখ্যা।

শ্ৰীস্বপন কৰে সুধিছে ঃ

১৩৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লামডিং সমষ্টিৰ অন্তৰ্গত লামডিং সংহত শিশু উন্নয়ন প্ৰকল্প আৰু উদালী সংহত শিশু উন্নয়ন প্ৰকল্প দুয়োটাতে মুঠ কিমানটা অঙ্গনৱাড়ী কেন্দ্ৰ আছে আৰু ইয়াৰ গোটেইবোৰতে অঙ্গনৱাড়ী কর্মী আৰু সহায়িকা নিযুক্তি দিয়া হৈছেনে? যদি হোৱা নাই, কিমান বাকী আছে? বিস্তাৰিতভাৱে সদনত দাখিল কৰিবনে?

(খ) প্ৰতিটি কেন্দ্ৰলৈ গৃহ আৱণ্টন দিয়া হৈছেনে? আৱণ্টন দিবলৈ বাকী থকা ঘৰৰ সংখ্যা কিমান?

(গ) সমষ্টিটোত বিভাগীয় বিধি অনুযায়ী নতুনকৈ আৰু কিমানটা কেন্দ্ৰ অনুমোদনৰ প্ৰয়োজন আছে? যদি আছে, এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? (বিতং তথ্য সদনত জনাব)

শ্ৰীঅকন বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) লামডিং সমষ্টিৰ অন্তৰ্গত লামডিং সংহত শিশু উন্নয়ন প্ৰকল্পত মুঠ ৩১৫টা অঙ্গনবাদী কেন্দ্ৰ আৰু ১টা মিনি অঙ্গনবাদী কেন্দ্ৰ আৰু উদালী সংহত শিশু উন্নয়ন প্ৰকল্পত ১৩৭টা অঙ্গনবাদী কেন্দ্ৰ আৰু

৩টা মিনি অঙ্গনবাদী কেন্দ্র কার্য্যকৰী হৈ আছে। এই দুয়োটা প্ৰকল্পৰ সকলোবোৰ অঙ্গনবাদী কেন্দ্ৰত অঙ্গনবাদী কৰ্মী আৰু সহায়িকা নিযুক্তি দিয়া হৈছে।

(খ) প্ৰতিটো কেন্দ্ৰলৈ গৃহ নিৰ্মাণৰ আৱণ্টন দিয়া হোৱা নাই। লামডিং শিশু উন্নয়ন প্ৰকল্পত ২৮৮টা আৰু উদালী শিশু উন্নয়ন প্ৰকল্পত ১২৭টা অঙ্গনবাদী কেন্দ্ৰ নিৰ্মাণৰ আৱণ্টন দিবলৈ বাকী আছে।

(গ) নতুনকৈ অতিৰিক্তভাৱে অঙ্গনবাদী কেন্দ্ৰ অনুমোদনৰ ক্ষেত্ৰত বিভাগে পৰীক্ষা-নিৰীক্ষা কৰি আছে।

বিষয় ঃ হোটেলৰ প্ৰস্থানৰ সময়।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

১৩৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ হোটেল সমূহত আবাসীসকলৰ প্ৰস্থানৰ সময় (Checkout Time) দিনৰ ১২ বজাত হোৱাৰ পৰিপ্ৰেক্ষিতত আবাসীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰে আৰু প্ৰায়ে দুদিনৰ মাছুল ভৰিব লগাত পৰে, চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, হোটেল সমূহত আবাসীসকলৰ প্ৰস্থানৰ সময় (Checkout Time) দিনৰ ১২ বজাৰ পৰিৱৰ্তে ২৪ ঘণ্টা অথবা এক সুবিধাজনক সময় নিৰ্দ্ধাৰণ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচন্দন ব্ৰহ্ম (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত। যিহেতু হোটেলসমূহৰ প্ৰস্থানৰ সময় (Checkout

Time) সর্বভাৰতীয় পর্য্যায়ত নির্দ্ধাৰণ কৰা হৈছে, গতিকে সেই ক্ষেত্রত বেলেগে ব্যৱস্থা গ্রহণৰ কোনো প্রশ্ন নুঠে।

(গ) যিহেতু হোটেলসমূহ বেচৰকাৰীভাৱে পৰিচালিত আৰু এই ক্ষেত্রত এতিয়ালৈ কোনো চৰকাৰী নীতি নির্দ্ধাৰণ কৰা হোৱা নাই, গতিকে এই ক্ষেত্রত ব্যৱস্থা গ্রহণৰ কোনো প্রশ্ন নুঠে।

বিষয় ঃ ট্রেক্টৰ বিতৰণ।

শ্রীৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

১৪০। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা বিত্তীয় বর্ষৰ পৰা বর্তমানলৈ ছয়গাঁও সমষ্টিৰ অন্তর্গত ছয়গাওঁ, বনগাওঁ আৰু গৰৈমাৰী উন্নয়ন খণ্ডৰ অধীনত কিমানখন পাৱাৰ টিলাৰ, ট্রেক্টৰ বিতৰণ কৰা হ'ল আৰু কি যোগ্যতাৰ ভিত্তিত হিতাধিকাৰী বাছনি কৰা হৈছে আৰু Subsidy-ৰ পৰিমাণ কিমান?

শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২০১০-১১ বর্ষত ছয়গাঁও সমষ্টিৰ অন্তর্গত ছয়গাওঁ, বনগাওঁ, গৰৈমাৰী উন্নয়ন খণ্ডৰ অধীনত কৃষি বিভাগৰ দ্বাৰা বিভিন্ন আঁচনিত ৰেহাই মূল্যত আৱণ্টিত ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ তলত উল্লেখ কৰা হ'ল ঃ-

১। ছয়গাওঁ উন্নয়ন খণ্ড — ট্রেক্টৰ — ১ খন

পাৱাৰ টিলাৰ — ৬ খন

২। বনগাওঁ উন্নয়ন খণ্ড — ট্রেক্টৰ — ১ খন
পাৰাৰ টিলাৰ — ১১ খন

৩। গৰৈমাৰী উন্নয়ন খণ্ড— ট্রেক্টৰ — ৫ খন
পাৰাৰ টিলাৰ — ১১ খন

II. জিলাৰ উপায়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা বাছনি কমিটিৰ দ্বাৰা বিভাগীয় নিয়মাৱলী অনুসৰি হিতাধিকাৰী গোট বাছনি কৰা হয়। বিভাগীয় ভাৱে ট্রেক্টৰৰ ৰেহাই মূল্য ৫০% লৈকে আৰু পাৰাৰ টিলাৰৰ বাবে ৰেহাই মূল্য ৭৫% লৈকে নির্ধাৰিত কৰা হয়।

হিতাধিকাৰী গোটৰ নাম ইয়াৰ লগত সন্নিবিষ্ট কৰা হ'ল।

(See Annexure – XXIII)

বিষয় ঃ কৃষিজাত সামগ্ৰীৰ নূন্যতম বিক্ৰী মূল্য নির্দ্ধাৰণ তথা মার্কেটিঙৰ ব্যৱস্থা।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

১৪১। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাঘবৰ সমষ্টিৰ চৰাঞ্চলত প্রচুৰ পৰিমাণে উৎপাদিত কৃষিজাত সামগ্ৰীৰ যাতায়ত আৰু উপযুক্ত মার্কেটিঙৰ ব্যৱস্থা নথকা হেতুকে ন্যায্য মূল্যৰ পৰা কৃষকসকল বঞ্চিত হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) চৰকাৰে কৃষিজাত সামগ্ৰীৰ ন্যায্য মূল্য নির্দ্ধাৰণ আৰু মার্কেটিঙৰ যোগেদি কৃষক সকলক তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ উচিত মূল্য উপলব্ধ কৰাবনে?

(গ) এই সন্দর্ভত চৰকাৰৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনা যদি কিবা আছে সেই বিষয়ে অৱগত কৰিবনে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে কিছুসংখ্যক কৃষিজাত সামগ্ৰীৰ নূন্যতম মূল্য নিৰ্দ্ধাৰণ কৰে। শাক-পাচলি বজাৰলৈ বেচিবলৈ লৈ যোৱাৰ বাবদ কৃষকৰ একোটা গোটক যাতায়তী ৰেহাই দিয়াৰ ব্যৱস্থা বিভাগত আছে। কৃষিজাত সামগ্ৰী কঢ়িওৱাৰ বাবে চাৰিচকীয়া বাহন ৰেহাই মূল্যত কৃষক গোটক দি থকা হৈছে যাতে কৃষক সকলে কৃষিজাত সামগ্ৰী সমূহৰ উচিত মূল্য প্ৰাপ্তিৰ কাৰণে বজাৰলৈ কঢ়িয়াই লৈ যাব পাৰে।

(গ) আছে, হ্ৰস্বম্যাদী পৰিকল্পনাৰ ভিতৰত —

১) খ নং প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা ধৰণে শাক-পাচলিৰ ক্ষেত্ৰত যাতায়াতৰ বাবে ৰেহাই মূল্যৰ ব্যৱস্থা আছে।

২) ৰেহাই মূল্যত অটোভান বা চাৰিচকীয়া যান-বাহন কৃষক গোটৰ মাজত দিয়াৰ ব্যৱস্থা আছে।

৩) বড়োধানৰ বৰ্তমানৰ বজাৰ মূল্য হ্ৰাস পোৱাৰ বাবে, ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰি ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা (FCI) বড়োধান ক্ৰয় কৰাৰ ব্যৱস্থা কৰা হৈছে।

দীর্ঘম্যাদী পৰিকল্পনাৰ ভিতৰত ঃ-

১) মৰাপাট আৰু ধানৰ ক্ষেত্ৰত সমৰ্থিত নিম্নতম মূল্যত ক্ৰমে ভাৰতীয় মৰাপাট নিগম (JCI) আৰু ভাৰতীয় খাদ্য নিগমৰ (FCI) জৰিয়তে ক্ৰয় কৰাৰ ব্যৱস্থা আছে।

Sub : Running of GPSS by ad-hoc bodies.

Shri Sirajuddin Ajmal asked :

142. Will the Minister of Cooperation be pleased to state :

(a) How many numbers of GPSS and Whole Sale Cooperative Societies in Assam are running by either Ad-hoc Bodies or by Executive Officers as on today ?

(Please furnish the list of such GPSS/WSCS district-wise with time since when these are running as mentioned above)

(b) Whether the Government is considering to make the GPSS co-terminus with the present GP to make it more effective ?

Shri Siddeque Ahmed (Minister, Cooperation) replied:

(a) There are 59 Nos. of GPSS and Whole Sale

Cooperative Societies being run by Ad-hoc Committees or Departmental Officer as on 07-07-2011. Positions are as given below :-

1. i) In case of GPSS run by Ad hoc Committee = 1 No.
   ii) Run by Departmental Officers = 55 Nos.

   56 Nos.

2. In Case of Whole Sale Consumer Cooperative
   i) Run by Ad hoc Committee = 1 No.
   ii) Run by Executive Officer = 2 Nos.

   3 Nos.

Total = 59 Nos.

List of such GPSS/Whole Sale Consumers Cooperative (Annexure- I & II)
See Annexure – XXIV)

(b) Under Consideration.

Sub : Nos, of A.S.T.C. Buses.

Shri Abdul Muhib Mazumdar asked :

143. Will the Minister of Transport be pleased to state :

(a) Whether A.S.T.C. Buses are operating in Hailakandi and running from Hailakandi to other places ?

(b) Whether Government will make arrangement for both day and night services from Hailakandi to Guwahati and Guwahati to Hailakandi ?

Shri Chandan Brahma (Minister of Transport) replied :

(a) Yes.

(b) On availability of fund for purchase of new Buses, A.S.T.C. Buses will be provided on the said routes.

বিষয় ঃ কার্য্যালয়ত বিষয়া-কর্মচাৰীৰ উপস্থিতি।

শ্রীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

১৪৪। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তর্গত আলোপতি মাজৰচৰ কৃষি মহকুমাত কি কি পর্য্যায়ৰ বিষয়া-কর্মচাৰী আছে? তেওঁলোকৰ নাম কি কি? পদবীৰ বিপৰীতে সংশ্লিষ্ট বিষয়া-কর্মচাৰীৰ নাম উল্লেখ কৰিব?

(খ) মাজৰচৰ বজাৰত বিভাগীয় কার্য্যালয় আৰু আৱাস-গৃহ থকা স্বত্ত্বেও

উল্লেখিত কৃষি মহকুমাৰ বিষয়া-কর্মচাৰীসকলে বিগত ৫ বছৰৰো অধিক কাল জুৰি বৰপেটা জিলা সদৰত থাকি দৰমহা ভাত্তা আদি গ্ৰহণ কৰি থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) উক্ত বিষয়া-কর্মচাৰী সকলক আলোপতি মাজৰচৰ কৃষি মহকুমাত উপস্থিত থাকি কার্য্যনির্বাহ কৰাৰ বাবে ব্যৱস্থা কৰিবনে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তর্গত আলোপতি মাজৰচৰ কৃষি মহকুমাত ১ জন মহকুমা কৃষি বিষয়া, ২ জন কৃষি উন্নয়ন বিষয়া, ১ জন সহকাৰী কৃষি পৰিদর্শক, ১৩ জন গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, ২ জন কনিষ্ঠ সহায়ক আৰু ১ জন চতুর্থ শ্রেণীৰ কর্মচাৰী আছে।

বিষয়া, কর্মচাৰীৰ নাম আৰু পদবী তলত উল্লেখ কৰা হ'ল—

ক্ৰ.নং	পদবী	নাম
১।	মহকুমা কৃষি বিষয়া	শ্ৰীপ্রণৱ শইকীয়া
২।	কৃষি উন্নয়ন বিষয়া, বাঘবৰ	শ্ৰীধীৰেন্দ্র নাথ কার্জী
৩।	কৃষি উন্নয়ন বিষয়া, তাৰাবাৰী	শ্ৰীমৃণাল হালৈ
৪।	সহকাৰী কৃষি পৰিদর্শক	মঃ ফৰমুদ আলী
৫।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, বাঘবৰ।	শ্ৰীসর্বেশ্বৰ দাস
৬।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, আলোপতি চৰ	কাজী নজৰুল ইছলাম

ক্র.নং	পদবী	নাম
৭।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, ৰামাপাৰা চৰ	মস্তাজ আলী
৮।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, ৰাঘমাৰা চৰ	আবু বক্কৰ চিদ্দিক
৯।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, ছয়সীমানা	চুলেমান বিন ইছলাম
১০।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, উজীৰৰ চৰ	শ্রীভূপেন কুমাৰ দাস
১১।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, মৌখোৱাচৰ	শ্রীসঞ্জয় কুমাৰ বিশ্বাস
১২।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, আদৰিপাৰা চৰ	জেহিৰুল ইছলাম
১৩।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, দক্ষিণ গোধনী	ফেৰদুচ আলি
১৪।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, চেনিমাৰী চৰ	শ্রীঘনকান্ত তালুকদাৰ
১৫।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, লক্ষীপুৰ চৰ	আফতুৰ ৰহমান
১৬।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, হলংপাৰা চৰ	মাহমুদৰ ৰহমান
১৭।	গাঁও পর্যায়ৰ কৃষি সম্প্রসাৰণ কর্মী, গোমা	মঃ জেৰ ৰহমান
১৮।	কনিষ্ঠ সহায়ক	আতোৱাৰ ৰহমান
১৯।	কনিষ্ঠ সহায়ক	মাধৱ তালুকদাৰ
২০।	চতুর্থ শ্রেণীৰ কর্মচাৰী	চফিক উদ্দিন শ্বেখ

(খ) আলোপতি মাজৰচৰ মহকুমা কৃষি বিষয়াৰ কার্য্যালয় আৰু আৱাস গৃহসমূহ ধুমুহা বতাহত ক্ষতিগ্রস্ত হোৱা বাবে বিষয়া, কর্মচাৰীসকলে নিকটৱর্তী স্থানত থাকি পথাৰৰ (field) কাম-কাজ চলাই আছে।

(গ) ২০১১ৰ ভিতৰত কার্য্যালয় মেৰামতিৰ কাম সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

Sub : H. Y. V. of Rice.

Shri Sirajuddin Ajmal asked :

145. Will the Minister of Agriculture be pleased to state :

(a) Whether the Government is procuring seeds of H.Y.V. of rice to distribute amongst farmers in the State this year ?

(b) If so, what is the amount of budget in this case ?

(c) What is the estimated target to cover in this regard ? (Please give the break up both in cases of areas as well as farmers to be covered district-wise)

(d) What will be the rate of production of the introduced exotic variety ? Give the comparison to local HYV of rice in the state?

(e) What will be the rate of cost of production of the proposed variety? Give the comparison to local HYV of rice in the state ?

(f) Whether the Government will be pleased to furnish any scientific document on adaptability and side affects of the variety in Assam condition? If so, give in details ?

Shri Nilamani Sen Deka (Minister of Agriculture) replied :

(a) & (b) Procurement of HYV seeds of rice for distribution amongst the farmers in the State this year will be finalized after approval of Budget. However, HYV seeds have been procured with spill over fund of 2010-11.

(c) The estimated target will depend upon the budget yet to be finalized by Assam Legislative Assembly.

(d) The rate of production of Exotic Varieties of Rice usually varies from 4000kg to 5000kg per hectare. The rate of production of local HYV also usually varies from 4000 kg to 500kg per hectare. The productivity depends upon the agricultural practices used by the farmers. However in identical conditions, they behave similarly.

(e) The rate of cost of production of Exotic Varities and local HYV of Rice is estimated at Rs. 24,700.00 per hectare if good Agricultural Pracdtices are followed.

(f) The Exotic Variety of Rice has already been recommended in the package of practice. With 2 years of field experience, its adaptability has already been established with full satisfaction of farmers of the State. No side affect of the variety has been reported so far.



Rice *(Oryza sativa)*
Transplanted Normal *Ahu*

Varieties :

Varieties	* Agro-climatic Zone	Duration (days)	Av. Plant height (cm)
Semidwarf :			
Govind	N.C.B.H.	110-115	95
***IR-50**	N.U.C.B.H.	110-115	85
Rasi	U.C.I.B.H.	120-125	90
IR-36	N.U.L.B.H.	130-140	105
Lachit	U	125-130	95
Chilarai	U.B.	125-130	95
Sonamukhi	B	100-110	85
Luit	B	100-11-	-
Gopinath	U	**115-120**	-

* *Refer to page iii for full forms of the agro-climatic zones.*

** *Durations are based onl experiments conducted at Titabar.*

*** *Not recommended for blast endemic areas.*

Land Selection :

Areas with assured irrigation facilities only should be selected. Hearvy to medium textured soils are preffered.

Seed Selection :

Seeds are put in plain water, stirred well, the sunk seeds are selected and the floated ones are rejected.

Package of Practices for

RABI CROPS OF ASSAM

2009



Prepared Jointly by:

Assam Agricultural University &
Department of Agriculture, Assam

Rice *(Oryza sativa)*
Early *Ahu* (Direct Seeded)

Varieties :

Varieties	# Agroclimatic Zone	Duration (days)	# Reaction to blast
A Semi dwarf :			
IR 50*	U.C.	110-120	S
Bala	N	110-120	T
DR92 (Subhadra)	N	115-125	S
Pusa 2-21*	N.U.C.L.	120-125	S
Cauvery	L.	115-120	T
Rasi	N.U.L.	125-130	T
IR36	-	120-130	-
Culture 1 (Kalinga 3)	N.U.C.L.	90-100	T
Luit	N.U.C.L.	95-100	T
Kapilee	N.U.C.L.	95-100	T
B. Tall			
Ch63	N.C.	120-130	T

Rice *(Oryza sativa)*
Early *Ahu* (Direct Seeded)

Varieties	# Agroclimatic Zone	Duration (days)	# Reaction to blast
Banglami	N.L.	115-120	S
Rangadoria	N.U.	115-120	S
Dubaichenga	N.U.	115-120	S
Ahujaha	N	110-120	S
Dagaranga	N	85-95	S
Kalasopila	C	-	-
Ihajit	C	-	-
Panjasali	C.L.	110-115	S
Fapori Ahu	C	-	-
Koijapori	L	95-105	S
Hasakumra	L	80-85	-
Guni	L	80-85	S
Kolamanik	L	115-120	S
Koimurali	B	95-100	-
Nilajee	U.L.	-	S
Harin Kajali	L.	115-120	-

* Not recommended for blast endemic areas

Refer to page iii for full forms of the abbreviations

SHORT NOTICE
QUESTIONS AND ANSWERS

* **Mr. Speaker :** Now, Short Notice Question No. 1, Hon'ble Member, Shri Anjan Dutta.

বিষয় ঃ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ ছাত্র-ছাত্রীৰ শিক্ষানুষ্ঠানত নামভর্তিৰ সমস্যা।

শ্রীঅঞ্জন দত্তই সুধিছে ঃ

১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীর্ণৰ হাৰ বাঢ়ি অহাত বহু ছাত্র-ছাত্রীয়ে শিক্ষানুষ্ঠানৰ নামভর্তিৰ পৰা বঞ্চিত হৈছে। চৰকাৰে এই ছাত্র-ছাত্রীসকলক শিক্ষাগ্রহণ কৰিবলৈ সুবিধা কৰি দিয়াৰ চিন্তা কৰিছে নে? যদি কৰিছে তেন্তে কি ব্যৱস্থা কৰিছে সেই সম্পর্কত জনাবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ বছা বছা মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শাখাত নামভর্তিৰ বাবে 'কাট অফ' মার্ক অধিক হোৱা বাবে বহুত ইচ্ছুক ছাত্র-ছাত্রীয়ে তেনে মহাবিদ্যালয়ত নামভর্তিৰ সুযোগ নোপোৱাটো সত্য, কিন্তু নম্বৰ আৰু অর্হতা মতে নামভর্তিৰ পৰা বঞ্চিত হোৱা তথ্য চৰকাৰৰ অৱগত নহয়। এই সন্দর্ভত অনুসন্ধানত কৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত আসন বঢ়োৱাৰ কথা পৰীক্ষা কৰি চোৱা হ'ব।

উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীর্ণৰ হাৰ বাঢ়ি অহাৰ বিষয়ে তলত পৰিকল্পনাৰ কার্যক্রমত (Action Plan) দিয়া হ'ল ঃ-

উক্ত বিষয়টো বিশেষকৈ পর্যাপ্ত পৰিমাণৰ শ্রেণীকোঠাৰ অভাৱ আৰু মঞ্জুৰীকৃত পদৰ সংখ্যা বর্দ্ধিত ছাত্র-ছাত্রীৰ অনুপাতে নথকা হেতুকে অসুবিধা হোৱা বুলি ভবা হৈছে। এই সংক্রান্তত ইতিমধ্যে ৰাজ্য চৰকাৰে গ্রহণ কৰা ব্যৱস্থাসমূহ উল্লেখ কৰা হ'ল ঃ-

১) উক্ত আসোঁৱাহ সমূহ দূৰ কৰাৰ অর্থে মুখ্যমন্ত্রী মহোদয়ৰ বুনিয়াদ আঁচনিৰ জৰিয়তে ২০০৩-০৪ চনত ১০০ খন মহাবিদ্যালয়লৈ ১০ লাখ টকাকৈ, ২০০৪-০৫ চনত ৮৮ খন মহাবিদ্যালয়ক ১০ লাখ টকাকৈ আৰু ২০০৫-০৬ চনত ২ খন মহাবিদ্যালয়লৈ ১০ লাখকৈ টকা আন্তঃগাঠনি উন্নয়নৰ অর্থে অনুদান দিয়া হৈছে।

২) দ্বাদশ বিত্তীয় আঁচনিৰ মর্মে ১৯৬ খন মহাবিদ্যালয়ৰ পুথিভড়াল উন্নয়নৰ বাবে ৯৮০ লাখ টকা ২০০৭-০৮ চনত দিয়া হৈছে।

৩) ২০০৯-১০ বিত্তীয় বর্ষত অতিৰিক্ত কেন্দ্রীয় আঁচনিৰ আধাৰত ১০২ খন মহাবিদ্যালয়ক আন্তঃগাঠনি উন্নয়নৰ বাবে ৫ কোটি আৰু ২০১০-১১ বর্ষত ১০ কোটি টকা অনুদান দিয়া হৈছে।

ইয়াৰ বাহিৰেও ২০১১-১২ বিত্তীয় বর্ষত পৰিকল্পনাৰ শিতানত (ACA) ১৫ কোটি টকা উক্ত ১০২ খন মহাবিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়নৰ বাবে প্রস্তাৱ ৰখা হৈছে।

৪) বর্দ্ধিত ছাত্র-ছাত্রীৰ চাহিদা পূৰণৰ বাবে সংশ্লিষ্ট কর্ত্তৃপক্ষৰ পৰা প্রতিবেদন পোৱাৰ পিছত বিহিত ব্যৱস্থা লোৱা হ'ব।

* **Mr. Speaker :** Now, Short Notice Question No. 2, Hon'ble Member, Shri PrafullaË Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ২।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাত ৮৭ নং বঢ়মপুৰ বিধান সভা সমষ্টিত চৰকাৰৰ আঁচনিৰ অধীনত কিমানজন কৃষকক ট্ৰেক্টৰ/পাৱাৰ টিলাৰ/ৰেইন কোট দিয়া হ'ল? (২০০৬-০৭ৰ পৰা ২০১০-১১ বিত্তীয় বছৰ পৰ্য্যন্ত) তেওঁলোকৰ নাম, ঠিকনা, অনুদানৰ নাম উল্লেখ কৰিব।

(খ) উক্ত উপভোক্তা বা অনুদান পাব পৰা ব্যক্তিসকলৰ নিৰ্বাচনৰ প্ৰক্ৰিয়া কি আছিল? উক্ত প্ৰক্ৰিয়া অনুসৰণ কৰা হৈছিল নে?

(গ) এই ক্ষেত্ৰত মাননীয় বিধায়ক গৰাকীৰ দায়িত্ব আৰু কৰ্তব্য কি জনাবনে?

(ঘ) উক্ত ট্ৰেক্টৰ/পাৱাৰ টিলাৰ সমূহ যি সকল কৃষকক দিয়া হৈছিল তেওঁলোকৰ হাতত এতিয়াও আছেনে? যদি নাই, চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ বৰ্ষৰ পৰা ২০১০-১১ বিত্তীয় বৰ্ষলৈকে বঢ়মপুৰ সমষ্টিত নিম্নোক্ত আঁচনিসমূহৰ জৰিয়তে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু ৰেইন কোট দিয়া হৈছে।

১। ৰাজ্যিক অগ্ৰাধিকাৰ খণ্ড আঁচনি (State Priority Sector)ৰ জৰিয়তে ১ খন ট্ৰেক্টৰ আৰু ১২ খন পাৱাৰ টিলাৰ।

২। অসম বিকাশ যোজনাৰ জৰিয়তে ৫ খন ট্ৰেক্টৰ আৰু ২ খন পাৱাৰ টিলাৰ।

৩। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ জৰিয়তে ৬ খন পাৱাৰ টিলাৰ।

৪। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি (C.Ms. Special Programme)ৰ জৰিয়তে ২০ খন পাৱাৰ টিলাৰ।

৫। বাৰ্ষিক পৰিকল্পনা আঁচনিৰ অধীনত মুঠ ৪৯৮টা ৰেইন কোট বিতৰণ কৰা হৈছে।

ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু ৰেইন কোটৰ হিতাধিকাৰী সকলৰ নাম, ঠিকনাসহ তালিকা গাঁঠি দিয়া হ'ল।

(See Annexure – XXV)

(খ) অসম চৰকাৰৰ নিৰ্দেশনা অনুসাৰি সংশ্লিষ্ট জিলাৰ উপায়ুক্তৰ অধ্যক্ষতাত জিলা ভিত্তিত গঠন কৰা নিৰ্বাচন সমিতিসমূহৰ দ্বাৰা হিতাধিকাৰী-সকলক বাছনি কৰা হয়। উপভোক্তা বা অনুদান পাব পৰা ব্যক্তি অৰ্থাৎ হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত চৰকাৰী নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ প্ৰক্ৰিয়া অনুসৰণ কৰা হৈছিল।

(গ) অসম চৰকাৰৰ অধিসূচনা জিলাভিত্তিক হিতাধিকাৰী নিৰ্বাচন সমিতিত জিলাখনৰ প্ৰতিটো বিধান সভা সমষ্টিৰ মাননীয় বিধায়কসকল সদস্য হিচাপে থাকে আৰু হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত মাননীয় বিধায়কসকলে সদস্য হিচাপে সমিতিক পৰামৰ্শ আগবঢ়ায়।

(ঘ) উক্ত ট্ৰেক্টৰ, পাৱাৰ টিলাৰসমূহ হিতাধিকাৰীসকলৰ হাতত এতিয়াও আছে।

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কৰা মাননীয় সদস্যসকলৰ পৰা সৰ্বমুঠ ৭ খন শূন্যকালী জাননী প্ৰাপ্তি হৈছে।

১। শ্ৰী মজিবুৰ ৰহমান

২। শ্ৰী আব্দুৰ ৰহিম খান

৩। শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত

৪। শ্ৰী মনোৱৰ হুছেইন

৫। শ্ৰী বিনন্দ কুমাৰ শইকীয়া

৬। শ্ৰী মইন উদ্দিন আহমেদ

৭। শ্ৰী অঞ্জন দত্ত

উক্ত জাননীসমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শূন্যকালীন ঘণ্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলো।

এতিয়া মই মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমানক ইং ১০-০৭-২০১১ তাৰিখৰ "অসমীয়া খবৰ" কাকতত প্ৰকাশিত—

"অচিৰেই ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য হ'বগৈ ৮০০ টকা।"

শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

*** শ্ৰীমজিবুৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ জুলাই তাৰিখৰ 'অসমীয়া খবৰ' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ হৈছিল যে

---

* Speech not corrected

"অচিৰেই ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৮০০ টকা হ'বগৈ।" অধ্যক্ষ মহোদয়, যদি এইটো হয়, আমাৰ যিসকল মধ্যৱিত্ত শ্রেণী আৰু দৰিদ্র সীমাৰেখাৰ তলৰ মানুহ আছে, তেওঁলোকৰ কাৰণে অশনি সংকেত। গতিকে এই বিষয়টো মই এই পবিত্র সদনত উত্থাপন কৰিব খুজিছো। যদি এটা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৮০০ টকা হয়, তেনেহ'লে আমাৰ দুখীয়া শ্রেণীৰ লোকসকল চলাটো বৰ কঠিন হ'ব। অৱশ্যে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে যি বাজেট উত্থাপন কৰিছে, তাত চৰকাৰে ৰন্ধন গেছৰ মূল্য ১৪ টকা কমাইছে। তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো আৰু লগতে এই কথা ক'ব খুজিছো যে ৰন্ধন গেছৰ প্রতিটো চিলিণ্ডাৰত ৫০ টকা বৃদ্ধি কৰাৰ পিছত ১৪ টকা কমোৱা ভাল দেখা হোৱা নাই। অন্য কোনো কোনো ৰাজ্যত ১৬ টকা কমাইছে, অসমত ১৪ টকা কমাইছে, তাৰ কাৰণে ধন্যবাদ জনাইছো। এই যিটো বাতৰি ওলাইছে, সেইটো যদি হয়, তেন্তে অসমৰ যিসকল মধ্যবিত্ত পৰিয়াল আৰু দৰিদ্র সীমাৰেখাৰ তলৰ পৰিয়াল তেওঁলোকৰ বিপদ হ'ব, সেই কাৰণে বিষয়টো সদনৰ দৃষ্টিগোচৰ কৰি আলোচনা কৰিবৰ বাবে প্রস্তাৱ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*** ডঃ নজৰুল ইছলাম (মন্ত্রী, খাদ্য ও অসামৰিক যোগান বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ জুলাই তাৰিখৰ 'খবৰ' বাতৰি কাকতত প্রকাশিত 'অচিৰেই ৰন্ধন গেছৰ প্রতি চিলিণ্ডাৰত ৮০০ টকা হ'ব'

* Speech not corrected

শীর্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি এতিয়ালৈ কোনো নিৰ্দেশনা পোৱা নাই। বৰ্তমান প্ৰতিটো ৰন্ধন গেছৰ মূল্য হ'ল ৭২১.১৫ টকা প্ৰতি চিলিণ্ডাৰৰ প্ৰতি চৰকাৰৰ চাবচিডি ৩১৪.৬৫ টকা আৰু এতিয়া হোম ডেলিভাৰীৰ খৰচ দিয়াৰ পিছত প্ৰতিটো চিলিণ্ডাৰৰ মূল্য হ'ব ৪০৬.৫০ টকা। যিবোৰ কথা বাতৰি কাকতত ওলাইছে, সেইটো পেট্ৰোলিয়াম মন্ত্ৰালয়ত প্ৰাৰম্ভিকভাৱে প্ৰস্তাৱ চলিছে। পেট্ৰোলিয়াম মন্ত্ৰালয়ত প্ৰাৰম্ভিক বিবেচনা কৰাৰ পিছত বিষয়টো 'গ্ৰুপ অব মিনিষ্টাৰ্চৰ বিবেচনাৰ বাবে যাব আৰু গ্ৰুপ অব মিনিষ্টাৰছে চালি-জাৰি চোৱাৰ পিছত অনুমোদন দিলেহে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত ল'ব। সদ্যহতে আমি ৮০০ টকা কৰাৰ কোনো নিৰ্দেশনা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই। দুবছৰ মান আগতে কেৰাচিন তেলৰ ক্ষেত্ৰত এটা নিৰ্দেশনা আহিছিল যে কেৰাচিন তেল কেৰল বি.পি.এল. পৰিয়ালৰ বাবেহে দিয়া হ'ব আৰু এ.পি.এল. পৰিয়ালে মুকলি বজাৰৰ পৰা ল'ব। মুকলি বজাৰত প্ৰতি লিটাৰ কেৰাচিনৰ দাম ৪০ টকা আৰু ৪০ টকা দি কোনে মুকলি বজাৰৰ পৰা কেৰাচিন তেল কিনিব। এই বিষয়টো ৰাজ্য চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হ'ল যে, এ.পি.এল. পৰিয়ালকো পি.ডি.এচৰ পৰাই কেৰাচিন যোগান দিব লাগিব। তেতিয়া কেন্দ্ৰীয় চৰকাৰে আমাৰ দাবী মানি ল'লে। ইয়াত মই আৰু এটা কথা ক'ব খুজিছো যে, পেট্ৰোলিয়াম মন্ত্ৰালয়ে কেন্দ্ৰীয় চৰকাৰৰ গ্ৰুপ অব মিনিষ্টাৰচৰ অনুমোদনৰ বাবে এটা প্ৰস্তাৱ আগবঢ়াইছে যে যি

সকলে ইনকম টেক্স দিয়ে সেই সকলক বছৰি ৪-৬ টা চিলিণ্ডাৰত চাবচিডিৰ সুবিধা দিয়া হ'ব আৰু বাকী প্ৰয়োজনীয় চিলিণ্ডাৰ আন-চাৰচিডাইজ হ'ব। আমি মাননীয় সদস্যজনে যিটো প্ৰস্তাৰ আনিছে, সেই সন্দৰ্ভত পেট্ৰোলিয়াম মন্ত্ৰালয়ৰ পৰা কোনো নিৰ্দেশনা অসম চৰকাৰে পোৱা নাই। যদি কিবা নিৰ্দেশনা আহে, যথা সময়ত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হ'ব।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই, মাননীয় সদস্য শ্ৰীমনোৱাৰ হুছেইনক ইং ১১-০৭-২০১১ তাৰিখৰ "অসমীয়া খবৰ" বাতৰি কাকতত প্ৰকাশিত 'ডি' ভোটাৰ ঃ সীমান্ত আৰক্ষীক নিয়ন্ত্ৰণ কৰিব কোনে?" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীমনোৱাৰ হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ জুলাই তাৰিখৰ 'অসমীয়া খবৰ' বাতৰি কাকতত প্ৰকাশিত "ডি-ভোটাৰ ঃ সীমান্ত আৰক্ষীক নিয়ন্ত্ৰণ কৰিব কোনে?" শীৰ্ষক বাতৰিৰ প্ৰতি সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, অহিমুদ্দিন আৰু আব্দুল হুছেইন নামৰ দুজন ব্যক্তিক বিদেশী ন্যায়াধিকৰণে তেওঁলোকে জমা দিয়া সকলো নথি-পত্ৰ পৰীক্ষা কৰাৰ পিছত, সাক্ষী-বাদী গ্ৰহণ কৰি ভাৰতীয় নাগৰিক হিচাপে ঘোষণা কৰে। এই দুজন ব্যক্তিৰ বিৰুদ্ধে পুনৰ আৰক্ষীয়ে ডি ভোটাৰ হিচাপে গোচৰ ৰুজু কৰিছে। অধ্যক্ষ মহোদয়, এজন ব্যক্তিৰ বিৰুদ্ধে দুবাৰ বিচাৰ হ'ব নোৱাৰে। আৰক্ষীৰ এনে কাণ্ডত স্বাভাৱিকতেই দুয়োজন লোক ভাগি পৰিছে। আৰক্ষীয়ে বিশেষকৈ ভাষিক সংখ্যালঘু আৰু

ধর্মীয় সংখ্যালঘু লোকসকলক এনেদৰে হাৰাশাস্তি কৰি আছে। বিদেশী ন্যায়াধিকৰণে ভাৰতীয় নাগৰিক বুলি ঘোষণা কৰাৰ পিছত পুলিচে পুনৰ ডি-ভোটাৰ হিচাপে কেচ ৰুজু কৰিছে, ইয়াতকৈ আৰু দুখৰ কথা হ'ব নোৱাৰে। মোৰ ভতিজা ছোৱালী, যি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মাষ্টাৰ ডিগ্ৰী কৰিছে, তেওঁকো পুলিচে ডি-ভোটাৰ সজাইছে। যদি এইদৰে চলি থাকে, চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰে, তেনেহ'লে মই বিধায়কৰ পৰাই ৰিজাইন দিম। অৱশ্যে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে, নির্দেশ দিছে যাতে কোনো ভাৰতীয় নাগৰিকক অযথা হাৰাশাস্তি নকৰে। তাৰ বাবে মই মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো আৰু এই বিষয়টোৰ প্রতি সদনৰ দৃষ্টিগোচৰ কৰিলো।

আনকি চাৰ, মোৰ ভতিজা ছোৱালীজনীয়েও এই হাৰাশাস্তিৰ পৰা বাদ পৰা নাই। লাখ লাখ মানুহ আজি ডি-ভোটাৰ হৈছে। সেই কাৰণে মই গৃহমন্ত্রী মহোদয়ক অনুৰোধ জনাওঁ যাতে স্পেচিফিকেলি পুলিচক নির্দেশ দিব লাগে, যাতে জধে-মধে ডি-ভোটাৰৰ নামত ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা নহয়। আমি সকলোৱে বিচাৰো যে ভাৰতীয় নাগৰিকৰ বাহিৰে এজনো বিদেশী যাতে আমাৰ ৰাজ্যত থাকিব নোৱাৰে। আজি আমাৰ এই নদীভঙ্গ গৃহহীন মানুহবোৰে নিজৰ মূৰ গুজিবলৈ ঠাই নোপোৱা হৈছে। অথচ তেওঁলোকে হাৰাশাস্তি খাব লগা হৈছে। ১৯৭১ চনৰ পিছত অহা মানুহক আমি ভাৰতবর্ষত সোমাবলৈ নিদিওঁ। কিন্তু এতিয়া ডি-ভোটাৰক লৈ ৰাজ্যখনত

আননেচেচেৰী এটা ইছ্যু সৃষ্টি কৰি জ্বলন্ত অৱস্থাত পেলাই দিছে। ফলত পুলিচৰ হাৰাশাস্তিৰ পৰা বাচিবৰ কাৰণে বহু মানুহে জংগলত গৈ আশ্রয় লৈছে। মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এই ক্ষেত্রত চোৱা-চিতা কৰাৰ কাৰণে এখন স্কিনিং কমিটি গঠন কৰি দিয়ে। এই স্কিনিং কমিটিখন জিলা ভিত্তিত কৰক। স্কিনিং কমিটিত সর্বদলীয় সদস্য থাকক। মই ভাবো সদনৰ সকলো দলৰ সদস্যক লৈ এখন জিলা স্কিনিং কমিটি গঠন কৰি নতুবা থানাভিত্তিত বা ব্লক ভিত্তিত গঠন কৰি দ্বি-ভোটাৰৰ এই সমস্যাটো সমাধান কৰিব পৰা হ'ব বুলি বিশ্বাস কৰো। কিন্তু এই ধৰণে জধে-মধে য'তে-ত'তে দ্বি-ভোটাৰক লৈ খেলি-মেলিৰ সৃষ্টি কৰিলে সমস্যাটো কমি যোৱাৰ ঠাইত বাঢ়িহে যাব। মাননীয় মুখ্যমন্ত্রী মহোদয়ে কৈছে যে চৰকাৰৰ ফালৰ পৰা এই পদক্ষেপ লোৱা হৈছে। যি সকল পুলিচ বিষয়াই দ্বি-ভোটাৰৰ নামত হাৰাশাস্তি কৰে তেওঁলোকৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লোৱা হ'ব। কিন্তু বিদেশী বুলি প্রমাণিত হ'লে ন্যায়াধিকৰণলৈ পঠাব লাগে, আমি এজনো বিদেশী নাগৰিক থকাটো কামনা নকৰো। গতিকে অতি সোনকালে বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই মই সামৰণি মাৰিলো।

* **শ্রীৰকিবুল হুছেইন (বন মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া খবৰ ২০১১ ইং ১১ জুলাই তাৰিখৰ কাকতত প্রকাশিত 'ডি ভোটাৰ ঃ সীমান্ত আৰক্ষীক নিয়ন্ত্রণ কৰিব কোনে?' এই বিষয়টো উত্থাপন

* Speech not corrected

কৰি সদনত জনাব বিচাৰিছো। মাননীয় সদস্য, হুছেইন ডাঙৰীয়াই 'ডি' ভোটাৰক লৈ যিখিনি কথা উত্থাপন কৰিছে, সেই সম্পর্কত কওঁ যে 'ডি' ভোটাৰৰ কথা কওঁতে গোটেই আৰম্ভণিৰ পৰাই ক'ব লাগিব। এই 'ডি' ভোটাৰ কেতিয়া আৰম্ভ হৈছে। ভোটাৰ লিষ্টত 'ডি' লিখা হৈছিল। ভোটাৰ লিষ্টত 'ডি' থকাখিনিক সকলোখিনি সুবিধা দিয়া হ'ব। কিন্তু ভোটাধিকাৰ দিয়া নহ'ব। বিদেশী ট্রিবুনেলত মাত্র ৪০ জন মানুহৰ নাম আছিল। তাৰ পিছত লাহে লাহে বিভিন্ন প্রক্রিয়াৰ জৰিয়তে ২ লাখ ৩১ হাজাৰ ৬৫৭ জন 'ডি' ভোটাৰ হৈছিল। ২০১১ চনত ১ লাখ ৪৪ হাজাৰ ৯৭৮ জন, তাৰ কিছুদিন পিছত মাননীয় উচ্চ ন্যায়ালয়ৰ নির্দেশৰ যোগেদি ১২ হাজাৰ ৪শ ৮১ জনৰ নাম ইয়াত অন্তর্ভুক্ত হয়। গতিকে এতিয়া ১ লাখ ৫৭ হাজাৰ ৪৬৫ জন ডি-ভোটাৰ হৈছে। এই কথাখিনিৰ ওপৰত চৰকাৰে গুৰুত্ব প্রদান কৰি কোনো ভাৰতীয় নাগৰিকক যাতে হাৰাশাস্তি কৰা নহয় সেই বিষয়ে চিন্তা-চর্চা কৰিছে। আজি মাননীয় সদস্য, হুছেইন ডাঙৰীয়াই জিলা ভিত্তিত স্কিনিং কমিটি গঠন কৰাৰ কথা কৈছে। আমাৰ চৰকাৰৰ ফালৰ পৰা থানা ভিত্তিত ইতিমধ্যে এখন কমিটি গঠন হৈছে। আৰু এই কমিটিৰ চেয়াৰমেন চাৰকুল অফিচাৰ। ১৯৭১ চনৰ ২৫ মার্চলৈকে সীমা আছিল। এই সময়ছোৱাৰ ভিতৰত যি সকল অসমলৈ আহিছিল সেই সকল ভাৰতীয় নাগৰিক কিন্তু তাৰ পিছতো যিসকল মানুহ আহিছে সেই সকলকলৈ যিটো সমস্যা হৈছে সেইটো সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰা হৈছে। কিন্তু এই ক্ষেত্রত আমি যি ধৰণে সঁহাৰি পাব লাগিছিল সেই ধৰণে পোৱা

নাই। ইতিমধ্যে ডি-ভোটাৰৰ সকলো গোচৰ ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হৈছে। আৰু ন্যায়াধিকৰণত ৫৫৭৭ জন ডি' ভোটাৰ বিদেশী হিচাপে প্ৰমাণিত হৈছে। বিদেশী বুলি প্ৰমাণিত এনে সকলো ডি' ভোটাৰৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। মই মাননীয় সদস্যসকলক অনুৰোধ কৰিম থানা ভিত্তিত চাৰকুল অফিচাৰৰ সভাপতিত্বত যি স্ক্ৰিনিং কমিটি গঠন কৰা হৈছে সেই কমিটিৰ দ্বাৰা এই সমস্যাটো ভালেখিনি সমাধান কৰিব পৰা হ'ব। গতিকেই বিভিন্ন সংগঠন বা অন্যান্য ব্যক্তিসকলে এই ক্ষেত্ৰত সন্দেহ কৰিব নালাগে। আজি গুৱাহাটীৰ পৰা গৈ এজন মানুহে বা সংগঠনে নতুনকৈ কোন মানুহ আহিছে বা সোমাইছে সেইটো সহজে অনুমান কৰিব নোৱাৰে। কিন্তু থানা ভিত্তিত যেতিয়া কমিটি হ'ব তেতিয়া সেই থানাৰ অন্তৰ্গত স্থানীয় লোকে চিনাক্তকৰণ কৰাৰ ক্ষেত্ৰত যথেষ্টখিনি সুবিধা পাব। চিনাক্তকৰণ কৰিবলৈ বিশেষ অসুবিধা নহয়। আমি এই সমস্যাটো আন্তৰিকতাৰে সমাধান হোৱাটো বিচাৰো। ডি' ভোটাৰৰ কিছুসংখ্যক লোক ভাৰতীয় নাগৰিক বুলি প্ৰমাণিত হৈছে। চিনাক্তকৰণ কৰাৰ ক্ষেত্ৰত ডি' ভোটাৰক হাৰাশাস্তি কৰাৰ নামত কোনো ৰাজনৈতিক দলে যদি দেখুৱাই দিয়ে সেইবিলাকৰ ওপৰত ইনকুৱাৰি কৰা হ'ব। ২৫ মাৰ্চৰ (১৯৭১ চন) আগতে অহা সকলক ৰখাৰ ব্যৱস্থা কৰিছে। এন.আৰ.চি. আগতে নাছিল, সেইটো কেনেকৈ হ'বলৈ পালে? মাননীয় মুখ্যমন্ত্ৰীয়ে সকলো দল, সংগঠনক লৈ আলোচনা কৰাৰ পিছত এন.আৰ.চি. প্ৰস্তুত

কৰাৰ ক্ষেত্ৰত সকলো দল, সংগঠনে এই ক্ষেত্ৰত ঐক্যমত গ্ৰহণ কৰিলে। সেই মৰ্মে উত্তৰাধিকাৰী সূত্ৰে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে যি সকল লোক আহিছিল তেওঁলোকক এন.আৰ.চিত অন্তৰ্ভুক্ত কৰিব লাগে আৰু ২৫ মাৰ্চৰ পিছত অহা সকলক ইয়াৰ পৰা পঠাব লাগে। এই ক্ষেত্ৰত সকলো একমত হ'ল। ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে অহা যিসকল লোক আছিল, তেওঁলোকৰ সতি-সন্ততিসকল এন.আৰ.চি.ত অন্তৰ্ভুক্ত হ'ব লাগে। এই প্ৰক্ৰিয়াটো নিৰ্বাচনৰ আগলৈকে চলি আছিল। প্ৰকৃত ভাৰতীয় নাগৰিকক ডি' ভোটাৰৰ নামত যদি হাৰাশাস্তি কৰা হৈছে তেতিয়াহ'লে বিহিত ব্যৱস্থা লোৱা হ'ব। ডি' ভোটাৰৰ নামত বা ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা কথাবিলাকত এটা দোধোৰ-মোধোৰ অৱস্থা চলি আছে। ফলত যিখিনি দুখীয়া মানুহ সেইখিনি বিপদত পৰিছে। এই হাৰাশাস্তি যদি বন্ধ কৰিব পাৰি তেতিয়াহ'লে দুখীয়া মানুহখিনি উপকৃত হ'ব। পেটৰ তাগিদাত কিছুমান লোক অৰুণাচললৈ গৈছিল আমাৰ ৰাজ্যৰ পৰা। কিন্তু সেই মানুহখিনিক অৰুণাচলে বিদেশী নাগৰিক বুলি ঘূৰাই পঠালে। সেই মানুহখিনি আচলতে বিদেশী নাগৰিক নহয়। তেওঁলোকে পেটৰ তাগিদাতহে তাললৈ গৈছিল। গতিকে তেওঁলোকক অসমলৈ ঘূৰাই অনা হ'ল। আমি আচলতে এই বিদেশী নাগৰিকৰ সমস্যাটো আন্তৰিকতাৰে সমাধান কৰিব বিচাৰো। গতিকে ৰাজনৈতিক মতাদৰ্শক উৰ্দ্ধত ৰাখি সকলো দল, সংগঠন আৰু মাননীয় সদস্যসকলৰ সহায়-সহযোগ বিচাৰি এই সমস্যাটো সমাধান কৰিব পৰা হ'ব বুলি আশা ৰাখি সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই, মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্তক ইং ১২-৭-২০১১ তাৰিখৰ "অসমীয়া প্রতিদিন" বাতৰি কাকতত প্রকাশিত— "সোৱণশিৰি বান্ধ ৰাইজৰ বাবে জীৱন-মৰণ সমস্যা"। শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

*** শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১২ জুলাই তাৰিখে অসমীয়া প্রতিদিন কাকতত প্রকাশিত "সোৱণশিৰি বান্ধ ৰাইজৰ বাবে জীৱন-মৰণ সমস্যা" এই বাতৰিটোৰ প্রতি সদনৰ দৃষ্টি আকর্ষণ কৰি ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, স্বাধীনতাৰ পিছত প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱাতে বানপানী নিয়ন্ত্রণৰ নামত আৰু সর্বাঙ্গীন উন্নয়নৰ নামত নদী নিয়ন্ত্রণৰ প্রচেষ্টা আৰম্ভ হৈছিল। প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ অন্তর্গত ১৯৫১ চনত বৃহৎ বান্ধ নির্মাণৰ দ্বাৰা বানপানী নিয়ন্ত্রণৰ সমান্তৰালকৈ জলবিদ্যুত উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু ১৯৫৪ চনত অসমকে ধৰি উত্তৰ প্রদেশ আৰু আন আন ৰাজ্যত হোৱা প্রলয়ংকাৰী বানপানীৰ পৰৱর্তী কালছোৱাত বানপানী নিয়ন্ত্রণৰ বাবে মথাউৰি নির্মাণৰ নীতি গ্রহণ কৰা হয়। ইয়াৰ ফলস্বৰূপে স্বাধীনতাৰ পূর্বে অসমত থকা ২০০ কিলোমিটাৰ মথাউৰিৰ দৈর্ঘ্য বৃদ্ধি হৈ ৪৭৫০ কিলোমিটাৰ হয়গৈ। সেই মথাউৰি সুৰক্ষাত ব্যর্থ চৰকাৰে আজি বৃহৎ বান্ধ লবিৰ সৈতে সুৰ মিলোৱা সময়ত পাহৰি গৈছে যে — ২৫/৩০ বছৰ ধৰি যুগুতোৱা বানপানীৰ নিয়ন্ত্রণৰ পৰিকল্পনা ১৯৯৭ চনৰ পৰা সমালোচনাৰ সন্মুখীন হৈ আহিছে। নদীৰ স্বাভাৱিক

* Speech not corrected

প্ৰৱহনত বাধা প্ৰদান কৰি বানপানী নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা এনে প্ৰচেষ্টাৰ অসাৰতা বহুদিনৰ পৰাই প্ৰমাণিত হৈ আহিছিল যদিও ২০০৪ চনত সমগ্ৰ অসমত হোৱা বানপানীৰ পিছৰে পৰা এই প্ৰচেষ্টাৰ সাৰশূন্যতা অধিক ব্যাপক ৰূপত পৰিলক্ষিত হয়। মাননীয় অধ্যক্ষ মহোদয়, আজি বিভিন্ন বান্ধ বন্ধা হৈছে বিজুলী শক্তি উৎপাদন কৰাৰ কাৰণে। কিন্তু এই বান্ধবিলাকত জমা হোৱা পানী এৰি দিয়াত অইন ঠাইত নালাগে নগাঁওকে ধৰি বিভিন্ন অঞ্চলত বহু খেতিপথাৰ পানীৰ তলত জলমগ্ন হৈছে। যাৰ ঘৰত একালত ৪/৫টা ভড়াল আছিল এতিয়া সেই পৰিয়ালবোৰত ভড়াল নাইকিয়া হ'ল। ভূটানৰ কুৰিশ্বু হাইড্ৰ প্ৰজেক্টৰ পৰা এৰি দিয়া পানীৰ ফলত নামনি অসমত বিস্তৰ ক্ষতিসাধন হৈ আহিছে। ২০০৪ আৰু ২০০৭ বৰ্ষত ভূটানৰ কুৰিশ্বু নদীৰ বান্ধৰ পানীয়ে বৰপেটা আৰু বাক্সা জিলাৰ বিস্তীৰ্ণ এলেকা ৬ মাহ/৮ মাহ ধৰি প্লাৱিত কৰি ৰাখিছে। কুৰিশ্বু বান্ধৰ পানীৰ ফলত কৃষিভূমি ধ্বংস কৰাৰ উপৰিও বৰ্তমানেও প্ৰায় ৫০ হাজাৰ বিঘা ব্যৱহাৰৰ অনুপোযোগী কৰি তুলিছে। কুৰিশ্বু বান্ধৰ পানীৰ ফলত বহুতো কৃষিজীৱী লোকৰ কৃষিভূমি কৃষিৰ অনুপযোগী হোৱাৰ বাবে সেইবোৰ ঠাই এৰি আন ঠাইত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। তাৰোপৰি ওৱাংচু নৈত প্ৰায় ১০০ মিটাৰ উচ্চতাৰ বান্ধ দি ভাৰত চৰকাৰৰ ৪২১ কোটি সাহায্যত টালা হাইড্ৰ প্ৰজেক্ট স্থাপন কৰিছে। ভাৰত চৰকাৰৰ তিনি হাজাৰ পাঁচশ কোটি টকা সাহায্যত পুনাটিচাংকু নামৰ আন এটা প্ৰকল্প ১৪০ মিটাৰ উচ্চতাত বান্ধ দি স্থাপন কৰিছে। তাৰোপৰি ওৱাংচু এক্টৰ

নামত অষ্ট্রিয় চৰকাৰৰ নামত প্ৰকল্পৰ কাম হাতত লৈছে। ইয়াৰোপৰিও পুনটিচাংকু-২ আৰু মানাকুচী নামৰ দুটা মেগা হাইড্ৰ প্ৰজেক্ট প্ৰকল্পৰ উপৰিও আৰু চাৰিটা হাইড্ৰ প্ৰজেক্টৰ কাম হাতত লোৱাৰ সিদ্ধান্ত লোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ফৰেইন এফেয়াৰ্চৰ অনুমতি নোহোৱাকৈ পশ্চিমবংগই ল'ব পাৰে যদি আমাৰ অসমে কিয় ল'ব নোৱাৰে। যাৰ ফলত আমি ভালখিনি গ্ৰহণ কৰিব পৰা নাই বেয়াটোহে গ্ৰহণ কৰিব লগা হৈছো। কুৰিশ্বু বান্ধৰ ফলত হোৱা ক্ষয়-ক্ষতি হোৱাৰ ২০০৪-০৭ চনতে সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে কিন্তু আজিলৈকে সাহায্য পোৱা নাই। সোৱণশিৰি বান্ধটো নিৰ্মাণ কৰাৰ পিছত তিনিবাৰকৈ ভাঙিল। কিন্তু এন, এইচ, পি, চিৰ দৰে বান্ধ নিৰ্মাণত জড়িত সংস্থাসমূহ আস্থাত লোৱা দেখা গৈছে। বান্ধ নিৰ্মাণৰ লগত জড়িত এই সংস্থাটোৰ কাৰিকৰী দক্ষতা এই মাহৰ ৫ তাৰিখে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প ক'ফাৰ বান্ধটো ভাঙি যোৱাত ঘটনা স্পষ্ট ৰূপত প্ৰতিফলিত কৰিছে। আগৰকেইবাৰ অতিৰিক্ত পানীৰ হেঁচাত বাৰিষাৰ প্ৰাক্ক্ষণতে ক'ফাৰ বান্ধটো ভাঙি পৰোতে উত্থাপিত বিভিন্নজনৰ প্ৰশ্নত ই নিৰ্মাণ পৰিকল্পনাৰ অন্তৰ্গত বুলি দাম্ভিকতাৰে উত্তৰ দিছিল। এতিয়া আমাৰ প্ৰশ্ন হৈছে তিনিবাৰকৈ ভাঙি গ'ল কিয়, যাৰ ফলত সেই অঞ্চলৰ ৰাইজে জীয়াতু ভুগিব লগা হৈছে। এতিয়া অকল ক'ফাৰ বান্ধটোহে ভাঙিছে। অকল ক'ফাৰ বান্ধটো ভাঙোতে যোৱা দিনবোৰত কেতিয়াও ডুব নোযোৱা হাতীয়ে মৰা চাপৰিত ডুব যায়। নিৰ্মাণ

সম্পূর্ণ হোৱাৰ পিছত নামনিৰ অৱস্থা কি হ'ব? মূল বান্ধটোৰ পিছফালে ১১৬ মিটাৰ, ৭০ কিঃমিঃ দৈর্ঘ্যৰ জলাশয়ৰ ২.৫০ লাখ কিউবিক মিটাৰ পানীয়ে নামনিত কি অৱস্থা কৰিব সেয়া কর্মকর্তাসকলে এবাৰ ভাবি চাইছে নে? কিবা কাৰণত বান্ধটো ভাঙিলে মাত্র ৩৫ মিনিটত ৩৪ ফুট উচ্চতাৰে ৫৪ কিঃমিঃ পর্য্যন্ত পানী বিয়পি যোৱাৰ কথা উল্লেখ কৰিছে। অতি কৌশলেৰে এনে দুর্যোগৰ পৰা কোনো কাৰণতে কাকো বচাব পৰা নাযাব বুলি উল্লেখ কৰিছে। সেয়া কর্তৃপক্ষৰ মতে বান্ধ ভাঙিলে নামনিত সৃষ্টি হ'ব পৰা পৰিস্থিতিৰ প্রতিচ্ছবি। নির্মাণৰ পিছত বান্ধটো নাভাঙিলেও নামনি সোৱনশিৰি প্রকল্পৰ নামনিত থকা ৯৫৮ খন ৰাজহ গাঁৱৰ আর্থ-সামাজিক ক্ষেত্রত প্রত্যক্ষ বা পৰোক্ষভাৱে প্রভাৱ পৰাৰ কথা এই প্রকল্পৰ দ্বাৰা অধ্যয়ন কমিটিৰ বিশেষজ্ঞসকলে নিশ্চিত কৰিছে। বিশেষজ্ঞ কমিটিৰ প্রতিবেদনত আওকাণ আৰু ৯৫৮ খন গাঁৱৰ ভৱিষ্যত তমসাচ্ছন্ন কৰি বান্ধ সন্দর্ভত গঠন কৰা বহুদলীয় সদন সমিতিয়েও অনুমোদন জনোৱা অতি স্পর্শকাতৰ বিবেচিত বিষয়ত মাত্র এশ কোটি টকা মুকলি কৰি দিয়েই চৰকাৰে গা এৰা দিব খুজিছে। আনহাতে এন, এইচ, পি, চি কর্তৃপক্ষ সাম্ভাব্য অনুমোদিত ৰায়াৰলেচ, লাইফ জেকেটৰ নিবিদাৰ অংকত ব্যস্ত হৈ পৰিছে। অথচ এই প্রজেক্টটো অসম চৰকাৰে ২০০২ চনতে নো অব্জেকশ্যন চার্টিফিকেট দিছিল।

নামনি সোৱনশিৰি জলবিদ্যুৎ প্রকল্পৰ অনুমোদনৰ এনে বহু বিসঙ্গতি পৰিৱেশ সংক্রান্তীয় অধ্যয়নৰ জৰিয়তে লাভ কৰা গৈছে।

১৭৫০ মেগাৱাট ক্ষমতাৰ নামনি ডেমৰে প্ৰকল্পই যে নামনি অংশত প্ৰভাৱ পেলাব ই নিশ্চিত। যেনেকৈ পৰশুৰাম কুণ্ডৰ অস্তিত্ব সংকটাপূৰ্ণ কৰা আনফালে গঙ্গা নদীৰ ওপৰত নিৰ্মীয়মান ৩টা প্ৰকল্প বন্ধ কৰি ১৩৫ কিঃমিঃ অঞ্চল ৰক্ষণাবেক্ষণ দিয়াৰ কাৰ্য্যই কেন্দ্ৰীয় নেতৃত্বৰ বৈষম্যমূলক মনোভাৱৰ পৰিচয় বহন কৰে। সেই কাৰণে আমি দাবী কৰিছো যে এই বান্ধ নিৰ্মাণৰ ফলত অসমৰ ভৈয়াম অঞ্চলৰ জনসাধাৰণৰ বাবে যি দুৰ্য্যোগপূৰ্ণ অৱস্থাৰ সৃষ্টি হ'ব ইয়াৰ পৰা ৰক্ষা পাবৰ কাৰণে এই বান্ধৰ নিৰ্মাণ কাৰ্য্য বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰে শক্তিশালী সিদ্ধান্ত ল'ব লাগে।

ক্ৰমাগতভাৱে বৃহৎ বান্ধে অসমৰ ৰাইজক জোলোকা-জোলোকে পানী খুৱাই আহিছে। কিন্তু আজি পৰ্য্যন্ত কুৰিশ্বুৰ পৰা ৰঙা নদীলৈকে ক্ৰমাগতভাৱে ধ্বংস যজ্ঞই অসমবাসীৰ জীৱনধাৰাত পেলোৱা আৰ্থ-সামাজিক প্ৰভাৱৰ মূল্যাংকণ হোৱা নাই। অসম চৰকাৰ এই ক্ষেত্ৰত দায়বদ্ধ হ'ব লাগিছিল। কিন্তু কি কি কাৰণত এনেবোৰ ৰাজহুৱা স্বাৰ্থজড়িত কামত চৰকাৰ জড়িত হ'ব নোখোজে বুজি পোৱা নাযায়। ২০০৪ চনত অসমত ৩৫৪ ঠাইত মথাউৰি চিগিছিল। নগাঁৱত ১০৩ ঠাইত, মৰিগাঁৱত ৭৮ ঠাইত, হাইলাকাণ্ডিত ১১ ঠাইত, কৰিমগঞ্জত ১৯ ঠাইত, ধেমাজীত ৪ ঠাইত, লক্ষীমপুৰত ৩ ঠাইত, কামৰূপত ১৩ ঠাইত, কোকৰাঝাৰত ৫ ঠাইত, যোৰহাটত ৫ ঠাইত, শোণিতপুৰত ১২ ঠাইত আৰু ডিব্ৰুগড়ত ১ ঠাইত বান্ধ চিগিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ উদাসীনতা প্ৰদৰ্শন কৰাৰ পিছত গৃহহীন, ভূমিহীন আৰু অন্যান্য ধৰণেৰে ক্ষতিগ্ৰস্ত ৰাইজক

আজিলৈকে সাহায্য প্রদান নকৰি চৰকাৰী সাহায্য আৰু পুনসংস্থাপন বিভাগে ভেকো-ভাওনা নীতি প্রদর্শন কৰি আহিছে। সোৱনশিৰি বান্ধে লক্ষীমপুৰৰ বিভিন্ন অঞ্চল ক্ষতিগ্রস্ত কৰিছে। কপিলীয়ে তখন জিলাৰ মানুহৰ অৱস্থা নোহোৱা কৰিছে। অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমৰ ৮০ ভাগ মানুহে কৃষিৰ ওপৰত নির্ভৰ কৰে, গতিকে এই মানুহখিনিৰ স্বার্থ ৰক্ষাৰ কাৰণে এক গুৰুতৰ সিদ্ধান্ত ল'ব লাগে।

মাননীয় অধ্যক্ষ ঃ শ্রীনীলমণি সেন ডেকা, আপুনি কিবা ক'ব নেকি?

শ্রীনীলমণি সেন ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিবৃত্তি পিছত দিম।

*** শ্রীৰাজীৱ লোচন পেগু (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই সোৱনশিৰি বান্ধৰ বাবে ৰাইজ বিপদত পৰা কথাটোৰ প্রতি আমাৰ দৃষ্টি আকর্ষণ কৰিছে। অধ্যক্ষ ডাঙৰীয়া, এইটো কথা সঁচা যে যিদিনাখনৰ পৰা অসমত মথাউৰিৰ কাম আৰম্ভ হৈছিল সেই দিনাৰ পৰা আমি বিপদ মাতি অনাৰ নিচিনা কথা হৈছে। যদি মথাউৰিবিলাক নির্মাণ নকৰিলেহেঁতেন তেনেহ'লে অসমৰ বুকুৰেদি মুকলিকৈ বৈ যোৱা ব্রহ্মপুত্র, বৰাক আদি নদীসমূহ অনিয়ন্ত্রিত হ'লহেঁতেন। আৰু মথাউৰিসমূহ বনোৱাৰ পিছতো ঠায়ে ঠায়ে যেতিয়া ভাঙি যায় তেতিয়া বানপানী হৈ অসমৰ খেতিয়কক জুৰুলা কৰে। বাৰিষা ২/৩ মাহ বৰষুণ হোৱাৰ পিছত পানী আকৌ শুকাই যায়। খেতিয়ক ৰাইজৰ কিন্তু হাহাকাৰ

---

* Speech not corrected

নকমে কাৰণ ঠায়ে ঠায়ে তেতিয়া পুনৰ বিপদত পৰে। আমাৰ ওচৰৰ ৰাজ্যত অৰুণাচলৰ দৰে থকা পাহাৰবোৰৰ গছ-গছনিৰ গাঁঠনি এনেকুৱা। বালিঅহিয়া জংঘলৰ কুমলীয়া বাঁহেৰে মথাউৰিৰ বান্ধ দিলে বাৰিষা দিনত মথাউৰিবোৰ ঠায়ে ঠায়ে ভাঙি যায়। ফলত খহনীয়া হয়। এনেদৰে হোৱা খহনীয়াই ৰাইজলৈ বিপর্য্যয় আনে। ১৯৫৭ চনত মথাউৰি নির্মাণৰ কাম আৰম্ভ হৈছিল। বর্তমান এই মথাউৰিবোৰৰ বয়স ২৫ ৰ পৰা ৩০ বছৰ হৈছে। আনহাতে নদীৰ গভীৰতাও কমি আহিছে। ৰঙা নদীয়েই হওক, কপিলী হওক বা কুলসীয়েই হওক এই বান্ধবোৰৰ ফলত ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। কিছুমানে মাটি আৰু কিছুমানে ঘৰ-দুৱাৰ হেৰুৱাব লগা হয়, সেইটো সঁচা কথা। নদীৰ বান্ধ নির্মাণ কৰোতে ইয়াৰ ডাউন ষ্ট্রীমৰ কথাটো চিন্তা কৰা নহ'ল। ভূটানৰ কুৰিশ্বু বান্ধৰ ক্ষেত্রত ডাউন ষ্ট্রীমৰ কথা চিন্তা নকৰা কাৰণে জনসাধাৰণে অসুবিধা পাইছে। অধ্যক্ষ মহোদয়, আপোনাৰ নিশ্চয় মনত আছে যে এই সদনত কুৰিশ্বুৰ ডামটো লৈ যথেষ্ট আলোচনা হৈছিল। মই নিজেও ইয়াত অংশগ্রহণ কৰিছিলো। মাননীয় সদস্যসকলৰ বিপুল দাবীত হাউচ কমিটি গঠন কৰা হৈছিল। সেই কমিটিয়ে সোৱনশিৰিৰ নিপ্‌কো বান্ধৰ ক্ষেত্রত অধ্যয়ন কৰিছিল আৰু সেই মতে ৰিপোর্ট দিছিল। এই বিধানসভাত সোৱনশিৰি বান্ধৰ ক্ষেত্রত এটা বিশেষ কার্য্যসূচী লৈ আলোচনা কৰা হৈছিল। অধ্যক্ষ মহোদয়, মই এই কথাটো ইয়াতে এৰি অলপ পিছলৈ আহিছো। এতিয়া সোৱনশিৰিত যিটো বান্ধত পানী আছে

সেই পানী নদী পৃষ্ঠৰ ১ মিটাৰ ওপৰেদি গৈ আছে। এই বিষয়টো টেকনিচিয়ানৰ বিষয়। তেওঁলোকে নিশ্চয় পৰীক্ষা-নিৰীক্ষা কৰিছে। এই ডামটো নির্মাণ কৰিবৰ কাৰণে ব্রহ্মপুত্র বোর্ডে দাবী কৰিছে। ১৯৮৩ চনৰ পৰা ২০০০ চনত ইয়াৰ দায়িত্ব এন, এইচ, পি, চিক দিয়া হৈছিল। এতিয়া কথা হ'ল ১৯৮৩ চনৰ পৰা ২০০৯ চনলৈ সোৱণশিৰি দামটোৱে বিশেষ গুৰুত্ব পোৱা নাছিল। কিন্তু ২০০৯ চনৰ পৰা হঠাতে গুৰুত্ব পাবলৈ ধৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, এই গোটেইখিনি কথা চেণ্ট্রেল ওৱাটাৰ ৰিচার্চ কমিচন, জিঅ'লজিকেল চার্ভে অৱ ইণ্ডিয়া, চেণ্ট্রেল ইলেকট্রিকেল অথৰিটি, চিচমেটিক পাৰামিটাৰ এণ্ড ডিজাইন, আই. আই. টি-ৰুৰকী আদিয়ে অধ্যয়ন কৰাৰ পিছত আৰু অসম চৰকাৰৰ পৰামর্শ মতে আমাৰ মাননীয় প্রধানমন্ত্রী ডাঙৰীয়াই চি,বি, ভাট আৰু এম, কে, ৰেড্ডীক লৈ এখন টেকনিকেল এক্সপার্ট কমিটি গঠন কৰি দিয়ে যাতে তেওঁলোকে সকলোবোৰ দিশ সামৰি এটা ৰিপোর্ট দাখিল কৰে! তেওঁলোকে চিচমিক পাৰামিটাৰ অধ্যয়ন কৰি ডেমৰ ডিজাইন কেনে হ'ব লাগে, তাত পানী কিমান ৰাখিব পাৰিব সেইটো এক্সপার্ট কমিটিয়েহে চোৱা-চিতা কৰি পৰামর্শ দিব! গতিকে এই ক্ষেত্রত মই এতিয়া মাত নামাতো! কিন্তু ডাউনষ্ট্রীম ইমপেক্টৰ ক্ষেত্রত আমাৰ চৰকাৰে বা মাননীয় মুখ্যমন্ত্রী মহোদয়ে একো ভবা নাই বা কোনো ব্যৱস্থা লোৱা নাই সেইটো সত্য নহয়! ইয়াৰ কাৰণে ইতিমধ্যে এখন হাউচ কমিটি গঠন কৰা হৈছে আৰু এন, এইচ, পি, চিৰ লগতো আলোচনা কৰা হৈছে!

তেওঁলোকেও কিছুমান ব্যৱস্থা হাতত লোৱা বুলি কৈছে! ইয়াৰ পৰা ৩৭৫০০ কিউবিক মিটাৰ পানী একেলগে এৰি দিবলৈ হ'লে ডাউন ষ্ট্ৰীম ইমপেক্ট ভয়াবহ হ'ব। ১৯৫০ চনৰ ৰৱভূইকঁপৰ সময়ত এনেধৰণৰ ঘটনা হোৱা বুলি আমি জানিবলৈ পাইছিলো! আমাৰ পূৰ্বপুৰুষসকলে কোৱা শুনিছিলো সেইবাৰ ব্ৰহ্মপুত্ৰৰ বানে মাজুলীকো ওপঙাই পেলাইছিল আৰু বহুতো ঠাই খহনীয়াত পৰিছিল, বহুতো ঠাই শিল-বালিয়ে পুতি পেলাইছিল! গতিকে তেনে ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ কাৰণে আমাৰ চৰকাৰ সদায় সচেতন! এই ডেমবোৰৰ পৰা কি পৰিমাণে পানী ডিচার্চ কৰিব লাগিব সেই বিষয়েও আলোচনা কৰা হৈছে আৰু তাৰ বাবে তেওঁলোকে এটা চেনেলেৰে ৬ কিউবিক মিটাৰ পানী এৰি দিব পাৰিব বুলি পৰামৰ্শ দিয়া হৈছে! তেওঁলোকে কোনো কাৰণতে একে সময়তে অতিৰিক্ত পানী এৰি দিব নোৱাৰিব! তাত সকলো পানী আৱদ্ধ কৰি ৰাখি নামনি অঞ্চলত খৰাং অৱস্থাৰো সৃষ্টি কৰিব নোৱাৰিব! তেওঁলোকে হঠাতে সকলো পানী এৰি দিলে নামনি অঞ্চলসমূহ জলমগ্ন হৈ পৰিব আৰু অন্যান্য জীৱ-জন্তুসমূহৰ কাৰণেও বিভীষিকাৰ সৃষ্টি হ'ব, আকৌ সকলো পানী ধৰি ৰাখিলেও সেই অঞ্চলসমূহত বসবাস কৰি থকা লোকসকলৰ লগতে মাছ-পুঠিকে আদি কৰি অন্যান্য জীৱ-জন্তুসমূহৰো নানা ধৰণৰ অসুবিধা হ'ব। গতিকে এই আটাইবিলাক কথাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক ডেমবিলাক কৰিবলৈ পৰামৰ্শ দিয়া হৈছে!

অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও নামনি সোৱনশিৰি

জলবিদ্যুৎ প্রকল্পৰ দ্বাৰা যাতে নামনি অঞ্চলত বসবাস কৰা লোকসকলৰ যাতে কোনো ধৰণৰ বিপদ হ'ব নোৱাৰে তাৰ কাৰণে ১১০০ কোটি টকা খৰচ কৰি নামনি সোৱনশিৰি নদীৰ দুয়োপাৰে দুটা মথাউৰি বন্ধাৰ কাৰণে এটা ডাঙৰ প্রকল্প হাতত লোৱা হৈছে! এইটো কৰিলে তেওঁলোকে যি পৰিমাণে পানী এৰি দিব সেইটোৱে নামনি অঞ্চলত বানপানী কিম্বা খহনীয়া প্রতিৰোধ কৰাত সহায়ক হ'ব! এই আটাইবিলাক কথা এন, এইচ, পি, চিৰ লগত আলোচনা কৰা হৈছে আৰু এই ক্ষেত্রত এটা প্রাক্কলন প্রস্তুত কৰাৰ ব্যৱস্থা কৰা হৈছে। গতিকে মই ভাবো এই ব্যৱস্থাবিলাক হাতত ল'লে সকলোবিলাক অসুবিধা নাইকিয়া হ'ব!

অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্রী মহোদয় এই কথাবিলাকৰ ক্ষেত্রতো যথেষ্ট সচেতন আৰু এই বিষয়টো কেইবাবাৰো সদনত আলোচনা কৰা হৈছে! এই ক্ষেত্রত নর্থ ইষ্ট ওৱাটাৰ ৰিচার্চ অথৰিটি গঠন কৰাৰ কাৰণেও পৰামর্শ দিছে আৰু সেই ক্ষেত্রত মাননীয় প্রধানমন্ত্রী ডাঙৰীয়াইও আশ্বাস দিছে আৰু এই বিষয়ে অৰুণাচল প্রদেশ চৰকাৰৰ লগতো আলাপ-আলোচনা কৰি অৰুণাচলত স্থাপন কৰা জলবিদ্যুৎ প্রকল্প ভাঙি আহি সেই পানীয়ে যাতে আমাৰ ক্ষতি সাধন কৰিব নোৱাৰে সেইটো নিশ্চিত কৰিব পৰা যাব! এইখিনিতে মই আৰু এটা কথা ক'ব খুজিছো যে আমাৰ মুখ্যমন্ত্রী মহোদয়ে বহুমুখী প্রকল্পৰ কথাও উল্লেখ কৰিছে! আমাৰ প্রকল্পবোৰ একমুখী নহৈ বহুমুখী হ'ব লাগে বুলি কৈছে! ইয়াৰ পৰা জলসিঞ্চন, বান নিয়ন্ত্রণ আৰু বিদ্যুৎ উৎপাদন কৰাৰ ব্যৱস্থা কৰিব পাৰিলেহে আমি লাভবান হ'ব পাৰিম! আমাৰ পূর্ব-পুৰুষসকলে ৫০/৬০

বিঘা মাটিত খেতি কৰিছিল কিন্তু আজি আমি ৫/৬ বিঘা মাটিত খেতি কৰিব লগা হৈছে! ভৱিষ্যতে হয়তো আমাৰ বংশ-পৰিয়ালে ২/১ কঠা মাটিত খেতি কৰি জীৱন-নির্বাহ কৰিব লাগিব! কাৰণ, কৃষিভূমিৰ তুলনাত দিনক দিনে আমাৰ জনসংখ্যা বাঢ়ি আহিছে! গতিকে আমি বিদ্যুৎ শক্তি, জলসিঞ্চন আৰু আধুনিক পদ্ধতিৰে খেতি কৰিব পাৰিলেহে অনাগত দিনবোৰত আমাৰ জীৱিকা নির্বাহ সুচল হ'ব! তাৰ কাৰণে আমি এতিয়াৰ পৰাই সাৱধান হ'ব লাগিব।

অধ্যক্ষ মহোদয়, আমি মটৰ দুর্ঘটনাত মৃত্যুবৰণ কৰিম বুলি যোৰহাটৰ পৰা খোজকাঢ়ি গুৱাহাটীলৈ নাহো। গাড়ীতে আহিম। গতিকে ডেম ভাঙি মানুহ মৰিব বুলি আশা কৰিব নালাগে। তাক প্রতিৰোধ কৰা ব্যৱস্থা আগতে কৰিব লাগিব। মানৱ উন্নয়নৰ কাৰণে ডেম নির্মাণ কৰিবই লাগিব। আপোনালোকে লাইফ জেকেট অনাৰ কথা কৈছে। আমাৰ ইয়াত পৰিৱহন মন্ত্রী আছে। ব্রহ্মপুত্রত যিবিলাক পানী জাহাজ আছে সেই জাহাজ বিলাকত লাইফ জেকেট আছে। জাহাজ ডুবিলে মৰিব বুলি লাইফ জেকেটবিলাক দিয়া নাই, কিন্তু কেতিয়াবা কিবা দুর্ঘটনা হ'ব পাৰে বুলি ৰখা হৈছে। এন, এইচ, পি, চিও লাইফ জেকেট আনিছে ডেমবিলাক ভাঙিব বুলি নহয়, কেতিয়াবা কিবা কাৰণত লাগিব পাৰে বুলি। এতিয়া আমাৰ কপিলী, ৰঙা নদী, কুৰিশ্বু এই নদীবিলাকত যিমানবিলাক ডেম আছে তাৰ পৰা বানপানী হৈছে। তাৰ কাৰণ হৈছে গেট অপেন কৰোতে বতৰ বিজ্ঞানৰ ওপৰত

নির্ভৰ কৰা নাই। নিজাববীয়াকৈ গেট খুলিছে অর্থাৎ মিচমেনেজমেণ্ট হৈছে। এন, এইচ, পি, চিৰ লগত এই কথাবিলাক পতা হৈছে যাতে কিবা ভুলৰ কাৰণে হাজাৰ হাজাৰ লোক অসুবিধাত পৰিব নালাগে, কিবা অসুবিধা হ'ব বুলি আমি আগতে ভাবিব নালাগে। আমি পিছলৈ কিয় যাওঁ আগলৈহে যাব লাগে। আজিৰ যুগটো কম্পিউটাৰৰ যুগ, গ্লোবেলাইজেচনৰ যুগ। এই সকলোবিলাকৰ কাৰণে আমাক লাগিব শক্তি আৰু তাৰ কাৰণে আমি পর্য্যাপ্ত পৰিমাণৰ শক্তি তৈয়াৰ কৰিব লাগিব। বিপদৰ সকলো ভৱিষ্যত নস্যাত কৰি আমি ডেম নির্মাণ কৰিব লাগিব মানুহৰ সভ্যতাৰ কাৰণে অর্থাৎ আমি পাৱাৰ বঢ়াব লাগিব।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই তর্কৰ খাতিৰত তর্ক কৰিবলৈ নাযাওঁ। আমাৰ যোৱাবাৰ বিধানসভাৰ এক্সপার্ট কমিটিয়ে কিছুমান অনুমোদন দিছিল। এন, এইচ, পি, চিয়ে এই অনুমোদন বিলাক মানি চলিব নে নাই? গাড়ীখন ধুনীয়া হ'লে নহ'ব ৰাস্তাটো ঠিকে আছে নে নাই সেইটো চাব লাগিব। ৰাস্তা চাইহে গাড়ী চলাব লাগিব। কম্পিউটাৰ থাকিলে নহ'ব তাৰ ভাই�ৰাচ বন্ধ কৰিব লাগিব। কুৰিশ্বু নদীৰ পানীয়ে নামনি অসম ধ্বংস কৰিছে তাক আজিলৈ ৰোধ কৰিব পৰা নাই। ব্যৱস্থাসমূহ আগতে ল'লেহে তাক ৰোধ কৰিব পৰা যাব। এই ডেমৰ পৰা পাৱাৰ জেনেৰেচনৰ কাৰণে আমি পাইচা নাপাও। পাৱাৰ ফ্রী নাপাওঁ।

---

* Speech not corrected

CALL ATTENTION NOTICE

মাননীয় অধ্যক্ষ ঃ আমি আৰু বেছি বিতৰ্কত নাযাওঁ। এই বিষয়টো সমগ্ৰ ৰাইজৰ লগত সম্পৰ্ক আছে কাৰণে উত্থাপন কৰিবলৈ দিয়া হৈছে। যাতে চৰকাৰৰ ভাষ্য শুনাৰ পাছত মানুহৰ মনৰ ক্লেশ কিছু গুচিব পাৰে। এতিয়া মই পিছৰ কাৰ্য্যসূচীলৈ আহিছো— মই এতিয়া মাননীয় সদস্য শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াক অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩ নং নিয়মৰ অধীনত ২০১১ চনৰ ২ জুলাই তাৰিখৰ 'দি টেলিগ্ৰাফ' বাতৰি কাকত প্ৰকাশিত— "Controlled land-transfer, the Meghalaya way"। শীৰ্ষক বাতৰিটোৰ প্ৰতি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ অনুৰোধ কৰিলো।

*** শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীৰ এটা বিষয়ত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, Controlled land-Transfer the Meghalaya way" ১৮৮৬ আৰু ১৮৮৯ চনৰ এই দুখন আইন লেণ্ড পলিচি নিৰ্ধাৰণ কৰি আহিছে। কিন্তু এই আইনৰ কাৰ্য্যকাৰিতাত বহুত মানুহ সন্তুষ্ট হ'ব পৰা নাই। সেই কাৰণে ২২ জুলাইৰ নিচিনা ঘটনা ঘটিব লগা হৈছে —

---

* Speech not corrected

The June 22 clash between anti-eviction picketers and police in Dispur would not have happened at all had the Assam Government learnt from the traditional land tenure customs followed by its neighbour Meghalaya.

Assam, too had its share of nature's bounties in the from of dense forests, undulating hills and fertile river plains, abundant rainfall and on of the biggest river systems in the world, but sadly, the lack of knowledge foresight and to a certain extent, political will to preserve this richness had culminated in extremities like the Dispur incident.

Meghalaya controls its land usage and transfer processes through the Meghalaya Transfer of land (Regulation) Act, 1971, which regulates transfer of land from a tribal to a non-tribal. This act has been the sole armour of the indigenous people of the state against alienation of tribal land.

Land transfer within the Khasi community does not require any clearance from

the administration, but Government clearance is required for transfer of and from a Khasi to a non-Khasi (Recognosed Scheduled Tribes only).

Relevant village durbars have to approve the transfer and sale deeds stating the terms and conditions need to be signed.

According to the State of the Environment Report, the forest areas in Meghalaya has reduced from 69.06 percent to 63.06 percent over period of 15 years.

On the other hand, the 4 2009 Forest Survey of India of the Union Ministry of Environment and forests had declared that based on satellite data between October, 2006 and March, 2007, Meghalaya's forest cover was 17,321 square km or 77.23 percent of the State's geographical area.....

মাটিৰ কাৰণে খিলঞ্জীয়া লোকসকলে সুৰক্ষা নোপোৱাৰ কাৰণে ডিচপুৰৰ ৯টা দুৰ্ঘটনা।

Should not be transferred to non agricultural Purpose। সেই কাৰণে ইয়াত কৈছে মাটিৰ

সমস্যা মেঘালয়ত নাই। যোৱা কালি মাননীয় সদস্য, ফনিভূষণ চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজহ মন্ত্ৰীয়ে কৈছে যে ১৮ লাখ বিঘাৰো বেছি মাটি এতিয়াও বেদখল হৈ আছে। এই সংখ্যাত ফৰেষ্ট লেণ্ড অৰ্ন্তভুক্ত কৰা নাই। নাগালেণ্ড, মেঘালয়, অৰুণাচল সীমান্তত কিমান মাটি বেদখল হৈ আছে সেই হিচাব চৰকাৰৰ হাতত নাই। ননকেডেষ্ট্রেল এৰিয়াসমূহ এতিয়াও চৰকাৰে চাৰ্ভে কৰা নাই। যাৰ ফলত দাঁতিকাষৰীয়া ৰাজ্যসমূহে মাটি অধিগ্রহণ কৰি সুবিধা লাভ কৰি আছে। নাগালেণ্ডে অসমৰ মাটিত নানা অনুষ্ঠান-প্রতিষ্ঠান গঢ়িছে, আমি তাক বাধা দিব পৰা নাই। সেই কাৰণে আমি কৈছো বিভিন্ন পর্য্যায়ত আলোচনা-বিলোচনা কৰি হ'লেও অসমৰ এটা লেণ্ড পলিচি থাকিব লাগে। মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো তেখেতে এটা ইউনিফৰ্ম লেণ্ড পলিচি ঘোষণা কৰক যাতে প্রকৃত খেতিয়কো উপকৃত হ'ব পাৰে। আমাৰ চৰকাৰৰ দিনতে কৃষি ভূমি অন্য উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰে বুলি নিয়ম কৰা হৈছিল কিন্তু সেই নিয়ম ক'লৈ গ'ল নাজানো। এতিয়া আমি দেখিছো পাহাৰৰ মাটি উচ্ছেদ কৰি খিলঞ্জীয়াৰ সলনি ব্যৱসায় গোষ্ঠীক আৱণ্টন দিছে। সেই কাৰণে আমি কৈছো সকলো বৈষম্য নুই কৰিবৰ কাৰণে অসমৰ জনসাধাৰণ যাতে সকাহ পায় আৰু যাতে দিশপুৰত ঘটনা পুনৰ নঘটে তাৰ কাৰণে এটা নির্দিষ্ট ভূমি নীতি প্রৱর্তন কৰক।

শ্রীপৃথিৰী মাঝি (ৰাজহমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২ জুলাই, ২০১১ তাৰিখৰ The Telegraph কাকতত প্রকাশিত "Controlled Land - Transfer, the Meghalaya way" শিৰোনামাত প্রকাশিত বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। বাতৰিত প্রকাশ কৰা মতে Meghalaya Transfer of Land (Regulation) Act, 1971 আইনখনে জনজাতি লোকৰ পৰা অজনজাতি লোকলৈ ভূমি হস্তান্তৰ নিয়ন্ত্রণ কৰে। জনজাতি লোকৰ জমি সুৰক্ষাৰ ক্ষেত্রত এইখন আইনে বিশেষ সুৰক্ষা দি আহিছে। বাতৰিত প্রকাশ কৰা ধৰণে থলুৱা জনগোষ্ঠীৰ ৰীতি-নীতি আৰু প্রাকৃতিক পৰিৱেশ ৰক্ষা আদি কথাৰ ওপৰত লক্ষ্য ৰাখি জমি হস্তান্তৰ প্রক্রিয়াৰ আৰ্হি প্রস্তুত কৰা হৈছে। বাতৰিত উল্লেখ কৰা মতে খাচী লোকৰ পৰা অন্যান্য অনা-খাচী জনজাতি লোকলৈ ভূমি হস্তান্তৰৰ ক্ষেত্রত চৰকাৰৰ অনুমতিৰ প্রয়োজন। স্থানীয় গাঁওৰ 'দৰবাৰ' সমূহেও হস্তান্তৰৰ ক্ষেত্রত এক উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে। স্থানীয় ৰীতি-নীতি অনুসৰি কিছু বিশেষ ধৰণৰ জমি, বননি আদিৰ হস্তান্তৰ নিষিদ্ধ। কিছু বনাঞ্চল তেওঁলোকে পৱিত্র স্থান বুলি গণ্য কৰে আৰু সমূহীয়াভাৱে সেইবোৰ সংৰক্ষণৰ বাবে চেষ্টা কৰে। বাতৰিত উল্লেখ কৰা মতে ধর্মীয় ও সামাজিক ৰীতি-নীতি আৰু সামাজিক মূল্যবোধ তাত খুব দৃঢ়। সেয়েহে বনাঞ্চলসমূহ ধ্বংস কার্য্যত কোনেও অনায়াসে অৱতীর্ণ হ'ব নোৱাৰে।

প্রত্যেক প্রদেশত সেই ঠাইৰ ইতিহাস, ৰীতি-নীতি, লোকাচাৰ, জনবিশ্বাস, জনগাঁথনি, ভৌগলিক অৱস্থিতি, জনসংখ্যা, মাটিকালি আদিৰ ওপৰত ভূমি নীতি নির্ভৰ কৰে। সেয়েহে ভূমি নীতি প্রত্যেক প্রদেশত বেলেগ বেলেগ। শিলঙৰ পৰা ৰাজধানী উঠি অহাৰ পিছত গুৱাহাটীত বসবাসৰ প্রয়োজনীয়তা, শিক্ষা, স্বাস্থ্য, বাণিজ্য, যোগাযোগ আদিৰ দিশত সুচলতাৰ হেতু দেশৰ পূর্বাঞ্চলৰ বহুলোক আহি গুৱাহাটীত বসবাস কৰিছে। সেয়েহে ভূমিৰ ওপৰত যথেষ্ট হেঁচা পৰাটো স্বাভাৱিক।

ৰাজ্যত ভৱিষ্যতে কৰিবলগীয়া আন্তঃগাঁথনি উন্নয়নৰ দিশত বহু মাটিৰ প্রয়োজন হ'ব। তাৰোপৰি ব্রহ্মপুত্র আৰু ইয়াৰ উপনৈসমূহে বহু মাটি গ্রাস কৰি সমস্যাটো জটিল কৰিছে। চৰকাৰে উপযুক্ত ভূমিহীন লোকক সংস্থাপন দিয়াটো চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিছে।

অসমৰ ক্ষেত্রত ট্রাইবেল বেল্ট আৰু ব্লকৰ অন্তর্গত জনজাতিসকলৰ ভূমিৰ সংৰক্ষণ আৰু অধিকাৰ সাব্যস্ত কৰাৰ বাবে অসম ভূমি ও ৰাজহ অধিনিয়ম, ১৮৮৬ ৰ দশম আধ্যায়ত সাৱলীল ভাবে বর্ণনা কৰা আছে। সেই অঞ্চলৰ জনজাতিৰ ভূমি অন্য অসংৰক্ষিত বিবেচিত লোকলৈ হস্তান্তৰ নিষিদ্ধ।

ট্রাইবেল বেল্ট ও ব্লকৰ বাহিৰেও অন্যান্য ঠাইতো সম্প্রতি ভূমি হস্তান্তৰৰ ক্ষেত্রত উর্পায়ুক্তৰ আগতীয়া অনুমতিৰ প্রয়োজন। The Registration (Assam Amendment) Act, 2009

অনুসৰি এই দিহা কৰা হৈছে। সেয়েহে সকলো দিশ চালি-জাৰি চাই উপায়ুক্তই জমি হস্তান্তৰৰ অনুমতি দিব পাৰে। PGR, VGR আদি কিছু সমূহীয়া মাটিৰ বাহিৰে ভূমিৰ ওপৰত জনসাধাৰণৰ অধিকাৰ অসমৰ ক্ষেত্ৰত গাইগুটীয়া। পতিত জমিকে আদি কৰি বন্দবস্তীৰ বৰ্হিভূত মাটি চৰকাৰৰ নিয়ন্ত্ৰণাধীন। উল্লেখিত কিছু সীমিত জমিৰ বাহিৰে মেঘালয়ৰ কিছু ক্ষেত্ৰত থকাৰ দৰে মাটিৰ সমূহীয়া মালিকানাৰ ধাৰণা অসমত নাই। সেয়েহে জমি হস্তান্তৰৰ ক্ষেত্ৰত সামাজিক কোনো অনুষ্ঠানৰ অনুমোদনৰ প্ৰাসঙ্গিকতাৰ কথা আহি পৰা নাই। আনহাতে কৃষি ভূমি অনা কৃষি কামত ব্যৱহাৰৰ ক্ষেত্ৰত কিছু পূৰ্ব চৰ্ত আৰোপ কৰা আছে। ভূমিহীন লোকক পট্টন দিয়া জমি যাতে দহ বছৰলৈ হস্তান্তৰ কৰিব নোৱাৰে, তাৰ বাবেও চৰকাৰে নীতি নিৰ্দেশনা জাৰি কৰিছে।

প্ৰচলিত ভূমি নীতিত ভূমিহীন লোকৰ মাটি পট্টন/আৱণ্টন দিয়াৰ ব্যৱস্থা আছে আৰু এই ব্যৱস্থাৰে থলুৱা ভূমিহীন লোকক পট্টন/আৱণ্টন দি থকা হৈছে।

শেহতীয়াকৈ কামৰূপ মহানগৰ জিলাত বহুবছৰ বসবাস কৰা লোকৰ মাটি পট্টনৰ সমস্যা সন্দৰ্ভত প্ৰাক্তন ৰাজহ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ অধ্যক্ষতাত এটি কমিটিও গঠন কৰি দিয়া হৈছে আৰু এই কমিটিয়ে এই বিষয়ে কাৰ্য্য সম্পাদন কৰি আছে।

অধ্যক্ষ মহোদয়, মেঘালয়ৰ স্বকীয় আৰু বিশেষ ধৰণৰ সমাজ ব্যৱস্থা আছে। সেই ব্যৱস্থাৰ ওপৰত মেঘালয়ৰ ভূমিনীতি

নির্ভৰ কৰে। তাত থকা খাচী আদি জনগোষ্ঠীৰ নিজস্ব লোক-বিশ্বাস আৰু সমাজ ব্যৱস্থা আছে। তেওঁলোকৰ ধর্মানুষ্ঠান আৰু দৰবাৰ আছে। দৰবাৰত তেওঁলোকে আলোচনা কৰে আৰু সিদ্ধান্ত গ্রহণ কৰে। কিছুমান অঞ্চলত থকা হাবি-বননি তেওঁলোকে পৱিত্র বুলি গণ্য কৰে আৰু সমাজেই সেইবোৰৰ ৰক্ষণাবেক্ষণ কৰে। সেই বননিসমূহ ৰক্ষা কৰিবলৈ চৰকাৰৰ হস্তক্ষেপৰ প্রয়োজনেই নহয়। ঝাৰখণ্ড, বিহাৰ, পশ্চিম বংগ, উৰিষ্যা আদি ৰাজ্যত থকা জনজাতীয় লোক সকলৰ মাজত কিছুমান পৰম্পৰা আৰু ৰীতি-নীতি আছে। অৰণ্য অঞ্চলৰ সমাজত চেক্রেড গ্রভ (Sacred grove) বা জাহেৰ থান আছে। এই জাহেৰ থান গছ-গছনিৰে আবৰি থাকে আৰু এই বনানঞ্চলক জনসাধাৰণেই প্রটেকশ্যন দিয়ে। সেয়েহে এইবোৰ ৰাজ্যৰ ভূমি নীতিও এনে পৰম্পৰা, বিশ্বাস আদিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। অসমৰ ভূমি সমস্যা অলপ বেলেগ। অসমৰ ভূমিৰ ক্ষেত্রত আমি ইতিহাসলৈ ঘূৰি যাব লাগিব। অসমৰ ভূমি নীতি আৰম্ভ হৈছিল আহোম ৰাজত্ব কালত। আহোম ৰাজত্বকালত ৰজাই আছিল জমিৰ গৰাকী। ৰজাই মাটিৰ আৱণ্টন দিছিল। দেৱ-দেৱী, মঠ-মন্দিৰ, ধর্মীয় অনুষ্ঠান-প্রতিষ্ঠান, প্রশাসনীয় আৰু শিক্ষা জগতৰ লগত জড়িত বাচকবনীয়া লোকক খাজনা-মুক্ত মাটি দান কৰা হৈছিল। আহোমৰ দিনত পাইকানী চিষ্টেম আছিল। এশজনৰ পৰা পাঁচশজনৰ ভিতৰত একোটা 'খেল' আছিল আৰু তিনি-চাৰিজনক লৈ একোটা গোট থাকে। গোটৰ প্রতিজন পাইককে খেতি কৰিবলৈ ৮ (আঠ) বিঘাকৈ মাটি দিছিল। ফল-

মূল আদিৰ খেতি কৰিবলৈকো মাটি দিছিল। কিন্তু ১৮২৬ চনত যেতিয়া অসম বৃটিচৰ অধীনলৈ যায়, তেতিয়া অসমৰ আয়ুক্ত জেনেৰেল জেনকিন্সে আহোমৰ শাসন কালত প্ৰচলিত ভূমি ব্যৱস্থাৰ বিস্তাৰিত অনুসন্ধান কৰায় আৰু আহোম ৰাজত্বত প্ৰচলিত ভূমি নীতিকে সংশোধন কৰি ১৮৮৬ চনৰ ভূমি আইন প্ৰণয়ন কৰে। আৰু মাটিবিলাক তিনিভাগত বিভক্ত কৰে। দেবোত্তৰ, ধৰ্মোত্তৰ আৰু ব্ৰহ্মোত্তৰ। দেবোত্তৰ মাটিৰ ভিতৰত ভোগদানী আৰু পাইকানী মাটি অন্তৰ্ভুক্ত কৰি লাখেৰাজ ভূমি অৰ্থাৎ চিৰকালৰ বাবে খাজনা মুক্ত কৰে। সেই আইনেই আজিও প্ৰচলিত হৈ আছে। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছত এই আইনৰ লগত ১০ নং দফাটো সংযোজন কৰি সংশোধনী কৰা হয়। অসমৰ জনজাতি বসতি প্ৰধান অঞ্চলসমূহক লৈ জনজাতি বেল্টৰ সৃষ্টি কৰি সেইবোৰৰ সুৰক্ষিত কৰাৰ বাবে লোকপ্ৰিয় গোপীনাথ বৰদলৈ মুখ্য মন্ত্ৰিত্বৰ কালত এই ১০ নং দফাটো সংযোজন কৰা হৈছিল। ইয়াৰ দ্বাৰা জনজাতীয় লোকসকলক অজনজাতীয় লোকসকলে যাতে তেওঁলোকৰ আবেষ্টনীৰ পৰা উচ্ছেদ কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চুপ্ৰিম ক'ৰ্টৰ এটা ৰায় আছে। এনে ধৰণৰ বে-দখলৰ ক্ষেত্ৰত বেলেগ বেলেগ ৰাজ্যতো আইন আছে। কেৰেলাত আছে, তামিলনাড়ুত আছে। অসমতো আছে। হয়তো কিছুমান ৰাজ্যত নাই। কিন্তু এতিয়া অসমৰ ভূমি

নীতিত কিছুমান সংশোধন অনাৰ প্ৰয়োজন আহি পৰিছে। আমি ব্যৱস্থাটোৰ পৰিৱৰ্তন আনিব লাগিব। আজি সমস্যা এটা নহয়, সমস্যা অনেক। আমাৰ লেণ্ড পলিচি মতে ভূমিহীন মানুহক ১ কঠা ১০ লেচা মাটি দিব লাগে। কিন্তু আমি দেখিবলৈ পাইছো, আমাৰ মানুহে বিঘাৰ পিছত বিঘা মাটি দখল কৰি আছে। তেওঁলোকক উচ্ছেদ কৰাৰ প্ৰয়োজনীয়তা আছে। আমি তেওঁলোকক এক কঠা ১০ লেচা মাটিহে দিব লাগে। এনে ধৰণৰ সমস্যা বহুত আছে। আমাৰ মানুহৰ আৰু এটা প্ৰবৃতি আছে, য'তে মাটি দেখে, ততে বেদখল কৰে। তেওঁলোকৰ গাঁৱত বা আন ঠাইত মাটি থকা সত্বেও তেওঁলোকে মাটি দখল কৰে। ভূমিহীন মানুহৰ কাৰণে আইন এখন আছে। ইয়াৰ বাবে ২০০৯ চনত ভূমি আইনত ব্যৱস্থা কৰা হৈছে। আৰু অন্যান্য কেইবাখনো আইন আছে। সেইবোৰৰ সহায়ত আমাৰ লেণ্ড পলিচি মতে কাম কৰি যাব লাগিব। আৰু এটা বিষয় লক্ষ্য কৰিব লাগিব। সেইটো হৈছে — আমাৰ ভ্ৰাতৃত্ব বোধৰো যেন অভাৱ হৈছে। দুখীয়ালোকে আইনৰ কথা নাজানে। আমাক চাহবাগিচা আৰু প্ৰাক্তন চাহবাগিচাৰ মানুহখিনিৰ কথাকে কওঁ। তেওঁলোকৰ বহুতে চিলিং উদ্বৃত্ব মাটি দখল কৰি খেতি কৰি খাই আছে। কিন্তু ভ্ৰাতৃত্ব বোধৰ অভাৱ থকা কিছুমান লোকে সেই মাটিও কাঢ়ি লোৱাৰ উদাহৰণ আছে। বেলেগ বেলেগৰ মাটি বিক্ৰী কৰি দিয়াও দেখিবলৈ পোৱা যায়। এনেধৰণৰ সমস্যাবোৰ যাতে নঘটে, তাৰবাবে বৰ্তমান ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছো। আমি কম্পিউটাৰাইজেশ্যন কৰিবলৈ বিচাৰিছো। সেইটো

আৰম্ভও কৰা হৈছে। ৰেজিষ্ট্রেশ্যনৰ ক্ষেত্রত এই চিষ্টেম আৰম্ভ কৰিছো আৰু মেপৰ ক্ষেত্রতো ইতিমধ্যে এই ব্যৱস্থা গ্রহণ কৰা হৈছে। লেণ্ড পলিচিখনো সময়োপযোগী কৰি নতুনকৈ কৰিবলৈ লোৱা হৈছে। এই বিষয়ত যিসকল এক্সপার্ট আছে, তেওঁলোকৰ সহযোগত এটা স্পষ্ট ভূমিনীতি তৈয়াৰ কৰাৰ প্রচেষ্টা কৰা হৈছে। ইয়াত প্রাকৃতিক ভাৰসাম্য বা Ecological balanceঅৰ কথা থাকিব, যধে-মধে যাতে বেদখল হ'ব নোৱাৰে, তাৰো ব্যৱস্থা থাকিব। এইখিনিতে মই মাননীয় শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াক উক্ত বাতৰিটোৰ প্রতি মনোযোগ আকর্ষিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, মেঘালয়ৰ যিটো সামাজিক ব্যৱস্থা সেই ব্যৱস্থাৰ ওপৰত ভূমিনীতি নির্ভৰ কৰে। তাত থকা খাছি জনগোষ্ঠীৰ লোকৰ কিছুমান সামাজিক ব্যৱস্থা আছে তেওঁলোকৰ ধর্মীয় অনুষ্ঠান আছে দৰবাৰ আছে সেই বিলাকত চৰকাৰে হস্তক্ষেপ কৰিবলগীয়া নহয়। বিভিন্ন ৰাজ্যত কিছুমান পৰাম্পৰা আছে যেনে ঝাৰখান্দ, বিহাৰ, পশ্চিমবঙ্গত কিছুমান জনগোষ্ঠীয় লোক আছে তেওঁলোকৰ মাজতে কিছুমান প্রথা আছে তেওঁলোকে বনাঞ্চল আৱৰি থাকে আৰু জনসাধাৰণক তেওঁলোকে প্রটেকচন দিয়ে। অসমৰ ভূমি সমস্যা অলপ বেলেগে অসমৰ ক্ষেত্রত আমি ইতিহাসলৈ ঘূৰি যাব লাগিব। অসমত ভূমিনীতি আৰম্ভ হৈছিল আহোম ৰজাৰ দিনত। অসমত যিমানবিলাক মাটি আছিল সেইবিলাক আহোম ৰজাসকলৰ

দখলিকৃত। তেওঁলোকেহে মাটি ভাগ কৰি দিছিল। দেৱ-দেৱী, মঠ-মন্দিৰ, ধর্মীয় অনুষ্ঠান-প্রতিষ্ঠান প্রশাসনীয় আৰু শিক্ষা জগতত জৰিত বাচকবনীয়া লোকৰ খাজনা মুক্ত মাটি দান কৰিছিল। আহোমৰ দিনত পাইকানী চিচটেম আছিল। পাঁচৰ পৰা এশজনৰ ভিতৰত এটা খেল। আৰু তিনি, চাৰিজন লৈ এটা গোট। প্রতিজন পাইককে খেতি কৰিবলৈ ৮ বিঘাকৈ মাটি দিছিল। ফল-মূল কৰিবলৈ আৰু ঘৰ বান্ধিবলৈ বেলেগ মাটি দিছিল। কিন্তু ১৮২৬ চনত যেতিয়া বৃটিচৰ অধীনলৈ আহিলে তেতিয়া অসমৰ আয়ুক্ত জেনেৰেল জেনকিন্ৰ দ্বাৰা আহোমৰ শাসনকালত অসমৰ মাটি ব্যৱহাৰৰ বিস্তাৰিত অনুসন্ধান কৰায়। আৰু মাটিবিলাক তিনি ভাগত বিভক্ত কৰে। দেৱত্বৰ, ধর্মত্বৰ আৰু ব্রহ্মাত্বৰ। দেৱত্বৰ মাটিৰ ভিতৰত ভোগদানি আৰু পাইকাৰী মাটি অন্তৰভুক্ত কৰি লক্ষিৰাজ ভূমি অর্থাৎ চিৰদিনৰ কাৰণে খাজনা মুক্ত কৰে। সেই আইন আজিও প্রচলিত হৈ আছে। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পাছত এই আইনৰ লগত ১০ দফাটো সংযোগ কৰি সংশোধনী কৰা হয়। অসমৰ যিসকল জনজাতি লোক তেওঁলোকৰ যিবিলাক আৰেষ্টনি 'বেল্ট' তাৰ ৰক্ষাৰ কাৰণে লোকপ্রিয় গোপিনাথ বৰদলৈ মুখ্যমন্ত্রী হৈ থাকোতে ১০ দফাটো সংশোধন কৰা হৈছে। জনজাতীয় লোকসকল যাতে অজনজাতীয় লোকসকলে তেওঁলোকৰ আৰেষ্টনিৰ পৰা উচ্ছেদ কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিছে।

MATTER UNDER RULE 301

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৩। অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ৰাজ্যৰ প্ৰতি প্ৰান্তৰৰ বিদ্যালয়সমূহৰ ফুলকুমলীয়া শিশু-কিশোৰৰ বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰাৰ বাবে ৰূপায়িত মুখ্যমন্ত্রীৰ 'জলমনি' নামৰ অভিলাষী আঁচনিখন ৰূপায়ণৰ বিষয়ে শ্রীআব্দুল ৰহিম খানে সদনত আলোচনা কৰিবলৈ বিচাৰিছে।

শ্রীআব্দুৰ ৰহিম খান ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়মৰ অধীনত 'ৰাজ্যৰ প্ৰতি প্ৰান্তৰৰ বিদ্যালয়সমূহৰ ফুলকুমলীয়া শিশু-কিশোৰৰ বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰাৰ বাবে ৰূপায়িত 'জলমনি' নামৰ অভিলাষী আঁচনি ৰূপায়ণৰ কেলেংকাৰীৰ বিষয়ে আজিৰ সদনত আলোচনা কৰিবলৈ দিয়াৰ বাবে মাননীয় অধ্যক্ষক ধন্যবাদ জনাইছো। এই আঁচনি ৰূপায়ণৰ ক্ষেত্রত ৪৩০ কোটি টকাৰ কেলেংকাৰী হোৱাৰ অভিযোগ উত্থাপিত হৈছে। 'জলমনি' আঁচনিৰ কেলেংকাৰী সম্পৰ্কে মাননীয় মুখ্যমন্ত্রী অৱগত হয়নে নহয়? এই আঁচনি বিদ্যালয়ত সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে লোৱা হৈছে, তাত কেলেংকাৰী হোৱাটো চিন্তাৰ বিষয়। ইতিমধ্যে যিখিনি ধন আৱণ্টন দিয়া হৈছে আৰু ৬০% মোকলাই দিয়া হৈছে। সেইখিনিৰ কাম কৰিবলৈ ২২,৮০০/- টকাৰ ৬০%, ১৩,৫০০/- টকা ইতিমধ্যে ঠিকাদাৰসকলে লৈ মাত্র

৮০০/১০০০ টকাৰ দুই-তিনিটা ক্ৰংক্ৰিট ৰিং, বিদ্যালয়ৰ বাৰাণ্ডাই বাৰাণ্ডাই পেলাই থৈছে। এই ৬০% টকা মোকলাওঁতে বিভাগীয় মন্ত্রীৰ লগতে বিভাগটোক কমিশ্বন দিব লগা হোৱাত বাকী কাম কৰিবলৈ পৰৱৰ্তী ৪০% লৈ অপেক্ষা কৰি আছে। যাৰ ফলত মোকুলাই দিয়া ৬০% ধনৰ ৯০% আত্মসাৎ হোৱাত আঁচনি বন্ধ হ'বলগীয়া হৈছে। বিভাগীয় মন্ত্রীয়ে এই বিষয়ত যথাবিহীত ব্যৱস্থা লোৱাৰ বাবে কেলেংকাৰীৰ বিষয়টো CBIক তদন্ত কৰিবলৈ দিয়ক।

* **শ্রীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ এই 'জলমণি' আঁচনিখন ভাৰত চৰকাৰৰ খোৱাপানী আৰু অনাময় বিভাগে প্রস্তুত কৰি ৰাজ্য চৰকাৰৰ সহযোগত ৰূপায়ণৰ ব্যৱস্থা কৰে। এইখন আঁচনি মুখ্যমন্ত্রীৰ অভিলাষী আঁচনি নহয়। খোৱাপানীৰ গুণগত মানৰ সমস্যা থকা চৰকাৰী বিদ্যালয়সমূহৰ বাবে এই আঁচনিখন ২০০৮ চনৰ ১৪ নৱেম্বৰত, শিশু দিৱসৰ লগত ৰজিতা খুৱাই, ভাৰত চৰকাৰে উদ্বোধন কৰে।

এই আঁচনিখনৰ অধীনত পঢ়াশালিত থকা খোৱাপানীৰ উৎসৰ গুণগত মান উন্নত কৰিবলৈ ফিল্টাৰৰ (Stand Alone Water Purification System) ব্যৱস্থা ৰখা হৈছে। বিশেষকৈ খোৱাপানীত থাকিব পৰা লৌহ পদার্থ, বেক্টেৰীয়া নিষ্কাশন আৰু

* Speech not corrected

ঘোলা পানী উপৰোক্ত ফিল্টাৰৰ সহায়ত পৰিষ্কাৰ কৰিবলৈ ব্যৱস্থা লোৱা হয়। প্ৰতিখন বিদ্যালয়ৰ বাবে এই ফিল্টাৰসমূহৰ গড় সৰ্বোচ্চ মূল্য ২০,০০০/- টকাৰ ভিতৰত হ'ব লাগে। ফিল্টাৰসমূহ স্থাপন কৰাৰ পিছত ইয়াৰ পৰিচালনাৰ দায়িত্ব বিদ্যালয় পৰিচালনা সমিতিক দিয়া হয়। ভাৰত চৰকাৰে কিছুমান প্ৰযুক্তি কৌশলো নিৰ্দিষ্ট কৰি দিছে। এই ফিল্টাৰসমূহৰ ৫ বছৰলৈ চোৱা-চিতা আৰু নিৰীক্ষণৰ দায়িত্ব ফিল্টাৰসমূহ স্থাপন কৰা ঠিকাদাৰীক প্ৰতিষ্ঠানৰ ওপৰত ন্যস্ত কৰা হৈছে।

কেন্দ্ৰীয় চৰকাৰে ১৯ জানুৱাৰী ২০০৯ত ৭০৪.৮২ লাখ টকা প্ৰথম কিস্তি হিচাপে অসম চৰকাৰলৈ মুকলি কৰি দিয়ে আৰু ৩৫২৪ খন পঢ়াশালিত ফিল্টাৰ স্থাপন কৰিবলৈ অনুমোদন দিয়ে। জনস্বাস্থ্য কাৰিকৰী বিভাগে নিবিদা আহ্বান কৰে আৰু বিভিন্ন প্ৰযুক্তিৰ পৰীক্ষা কৰি ১০-২-২০১০ত চাৰিটা প্ৰতিষ্ঠানক ১৯ খন জিলাৰ মুঠ ৩৫২৪ খন বিদ্যালয়ত ফিল্টাৰ স্থাপনৰ দায়িত্ব দিয়ে। এই ফিল্টাৰসমূহ স্থাপনৰ কাম বিভিন্ন পৰ্য্যায়ত চলি আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে বৰ্তমানলৈকে ৩৬৬.৬৮ লাখ টকা সামগ্ৰী যোগানৰ বিপৰীতে ৪টা প্ৰতিষ্ঠানক আদায় দিছে। উক্ত চাৰিওটা প্ৰতিষ্ঠানক বাকী থকা কাম অতি সোনকালে শেষ কৰিবলৈ বিভাগীয়ভাৱে কঠোৰ নিৰ্দেশনা জাৰি কৰা হৈছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে দুখনমান স্থানীয় বাতৰিকাকতত জলমণি আঁচনিৰ সম্বন্ধে কিছু অতিৰঞ্জিত আৰু

ভুল তথ্য সন্নিবিষ্ট বাতৰি পৰিৱেশন কৰা হৈছিল আৰু বিভাগীয়ভাৱে তাৰ স্পষ্টীকৰণো প্ৰকাশৰ বাৰে দাঙি ধৰা হৈছিল।

কেন্দ্ৰীয় চৰকাৰে ৩০-৩-২০১০ ত দ্বিতীয় কিস্তি হিচাপে জলমণি আঁচনি ৰূপায়ণৰ বাবে পুনৰ ৭০৪.৮২ লাখ টকাৰ আৱণ্টন দিয়ে। জনস্বাস্থ্য কাৰিকৰী বিভাগে ২৮-১-২০১১ ত ৬টা প্ৰতিষ্ঠানক ভাৰত চৰকাৰৰ অনুমোদিত Terৰ Filter যোগানৰ বাবে আদেশ দিয়ে। কিন্তু উক্ত প্ৰতিষ্ঠানকেইটাই সময়মতে সামগ্ৰী যোগান ধৰিব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত নতুন নিবিদা আহ্বান কৰাৰ প্ৰয়োজন হৈ পৰে। নতুন নিবিদা আহ্বানৰ বাবে প্ৰয়োজনীয় অনুমতি চৰকাৰৰ পৰা পোৱা হৈছে আৰু নিবিদা আহ্বানৰ প্ৰক্ৰিয়া ইতিমধ্যে হাতত লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত প্ৰযুক্তি আৰু প্ৰতিষ্ঠানৰ পৰা জলমণি আঁচনিৰ ফিল্টাৰসমূহ আহৰণৰ ব্যৱস্থা এই পৰ্য্যায়ত লোৱা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ এবাৰ এই কাৰণে ধন্যবাদ জনাইছো চাৰিশ কোটিৰ পৰা তিনিশ কোটি হৈছে। কিমান ডিফাৰেঞ্চ হৈছে। এতিয়া মই দায়িত্ব লৈছো। গোটেই অসমতে পানীৰ নাটনি হৈছে। এই নাটনি দূৰ কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়টোত গুৰুত্ব দিছে। মাননীয় বিধায়কসকলৰ সমষ্টিত যাতে সকলোৱে পানী পায় তাৰে ব্যৱস্থা কৰা হ'ব। প্ৰত্যেক ঠাইলৈ ইঞ্জিনিয়াৰসকল যাব। তেখেতসকলৰ লগত আপোনালোকে

সহযোগ কৰিব। এইবাৰ আমি বহুত স্কীম লৈছো। মাননীয় মুখ্যমন্ত্রীৰ উদ্যোগত স্কীমবিলাক কার্য্যকৰী কৰিবলৈ চেষ্টা কৰা হ'ব। আপোনালোকে কৃষিবিভাগৰ লগত আলোচনা কৰিব। আমি যিমান পাৰো প্রত্যেক সমষ্টিত কাম কৰিবলৈ চেষ্টা কৰিম। ৰুল চাপলিমেণ্টৰি বাজেটত টকা পাছ হোৱাৰ পিছত আমি টকা দিম। আপোনালোকৰ সমষ্টিত ঠিকাদাৰ কোন কোন আছে আমাক জনাব। আপোনালোকৰ সমষ্টিত ৫০-৬০ জনকৈ কংগ্রেছৰ মানুহ আছে। প্রায় ৪০ হেজাৰ মানুহে ভোট দিছে। কিছুমান স্কুলত ইঞ্জিনিয়াৰে নিজে দিছে সেইবিলাক হেডমাষ্টাৰে ঘৰলৈ লৈ যায়।

* **শ্রীপদ্ম হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক আঁচনি সম্পূর্ণ হৈছে, কমিটি বনাই দিছে, আৰবানৰ কথা বেলেগ — ৰুৰেল এৰিয়াত যিবিলাক ঘৰ, পানী আদিৰ ব্যৱস্থা কৰি দিছে সেইবিলাক পৰিচালনা কৰিবৰ বাবে মানুহ নিয়োগ কৰিব লাগে। চৰকাৰৰ ফালৰ পৰা ৫০-৬০ টকা খৰচ কৰি কনষ্ট্রেকচুৱেল বেচিচত হ'লেও বিভাগৰ ফালৰ পৰা নিযুক্তি দিব পাৰি নেকি চাব লাগে।

* **শ্রীগৌতম ৰয় (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বস্তু আছে, মেচিন আছে। আমি মেচিন এদিন গৈ চালু কৰি দিম আৰু কমিটী এখন কৰি দিম। আপোনালোকে মেজৰ মেনটেনেন্চ কৰিব লাগিব। আপোনালোকে পানী পাব কিন্তু পানীৰ বাবদ পইচা দিব লাগিব। পইচা নিদিলে পানী নাপাব। ধন্যবাদ।

---

* Speech not corrected

ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ এটি ঘোষণা। বিধানসভাৰ আজিৰ অধিবেশনৰ কার্য্যসূচী অন্ত পৰাৰ পাছতে মাননীয় ৰাজহ আৰু শ্রম মন্ত্রী শ্রীপৃথিৱী মাঝি ডাঙৰীয়াই বিধানসভাৰ নতুন বিধায়ক আবাসৰ ভোজনালয়ত দুপৰীয়াৰ আহাৰৰ আয়োজন কৰিছে।

মই, মাননীয় ৰাজহ আৰু শ্রম মন্ত্রীৰ হৈ মাননীয় মুখ্যমন্ত্রী তথা সদনৰ নেতা শ্রীতৰুণ গগৈ ডাঙৰীয়া, মন্ত্রীসভাৰ মাননীয় মন্ত্রীসকল, বিধানসভাৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য-সদস্যাসকলক দুপৰীয়াৰ আহাৰ গ্রহণ কৰিবলৈ নিমন্ত্রণ জনালো।

সদনৰ বীথিকাত উপস্থিত থকা অসম চৰকাৰৰ মুখ্য সচিব প্রমুখ্যে, জ্যেষ্ঠ চৰকাৰী বিষয়াসকল, চৰকাৰী প্রতিবেদকসকল, সাংবাদিক বীথিকাত উপস্থিত থকা সাংবাদিক সকলকো বিধানসভাৰ সদস্যৰ নতুন আবাসৰ ভোজনালয়ত আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্রহণ কৰিবলৈ মই নিমন্ত্রণ জনালো।

GENERAL DISCUSSION ON THE BUDGET

মাননীয় অধ্যক্ষ ঃ এতিয়া বাজেটৰ ওপৰত আলোচনা। শ্রীবিনন্দ শইকীয়া।

* **শ্রীবিনন্দ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে যোৱা ১১ তাৰিখে সদনত যিখন বাজেট ২০১১-১২ বর্ষৰ কাৰণে দাখিল কৰিছে এই বাজেটৰ ওপৰত মই দুষাৰ ক'ব বিচাৰিছো। এই বাজেটখন এখন বিকাশমুখী আৰু দূৰদৃষ্টিসম্পন্ন বাজেট হিচাবে অভিহিত কৰিব পাৰি। এই বাজেটখন সকলো শ্রেণীৰ জনসাধাৰণৰ শিশু, বৃদ্ধ, মহিলা, কৃষক, শ্রমিক শাৰীৰিকভাৱে অক্ষম সকলো শ্রেণীৰ নাগৰিক কাৰণে আৰু সকলো শ্রেণীৰ নাগৰিকে সুৰক্ষা পাব পৰা বাজেট। তাৰ কাৰণে মই মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। বহুতে এই বাজেটখনক সমালোচনা কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটক মই প্রগতিশীল বাজেট বুলি কৈছো। অৱশ্যে বাজেটৰ ওপৰত সমালোচনা কৰাটো এটা পৰম্পৰা। এই বাজেটখনে আশাৰ বতৰা কঢ়িয়াই আনিছে। যোৱা ১০ বছৰে মুখ্যমন্ত্রী মহোদয়ৰ নেতৃত্বত বহু অগ্রগতি হৈছে। ২০০১ চনত যেতিয়া তেখেতসকল ক্ষমতালৈ আহিছিল সেই সময়ত চৰকাৰী কর্মচাৰীসকলৰ অৱস্থা কি আছিল কৃষক, বৃদ্ধ-বৃদ্ধা, মহিলা, শাৰীৰিকভাৱে অক্ষম সকলোৰে অৱস্থা

---

* Speech not corrected

আমি দেখিবলৈ পাইছিলো। ২০০১ চনত যেতিয়া তৰুণ গগৈ ডাঙৰীয়া শাসনলৈ আহিল তেতিয়া অসমত এটা সুস্থিৰ অৱস্থাই দেখা দিলে। আপোনালোকৰ সকলোৰে অৱগত যে এটা সময়ত এনেকুৱা এটা অৱস্থা আছিল মাহৰ দৰমহা দিব পৰা হোৱা নাছিল। এতিয়া দশম वित्तीय আয়োগৰ ভিত্তিত দৰমহা দিয়া হৈছে। মাহে মাহে দৰমহা দিয়া হৈছে। এটা সময়ত এনে এটা অৱস্থা হৈছিল মাহটোৰ প্ৰায় আটাইকেইটা দিন ট্ৰেজাৰী বন্ধ হৈ আছিল। ২০০১ৰ আগৰ সময়ছোৱাত যিটো আছিল তাৰ বিপৰীতে ২০১১ৰ বাজেটখন অতি ভাল বাজেট। এই এখন সুন্দৰ বাজেট সদনত উত্থাপন কৰিবলৈ সক্ষম হৈছে সেয়েহে এই বাজেটখন এখন বিকাশমুখী জনসাধাৰণক সকাহ দিব পৰা বাজেট। এনেকুৱা এখন বাজেট দেখি আমি সুখী হৈছো। তেখেতৰ সুদক্ষ পৰিচলনাৰ কাৰণে ত্ৰয়োদশ वित्तीय আয়োগে তিনিশ কোটি টকা স্পেচিয়েল পেকেজ পুৰস্কাৰ সূচক অনুদান দিছে। আজি वित्तीय শৃঙ্খলাৰ সামগ্ৰীকভাৱে যিটো উন্নতি হৈছে আৰু জনসাধাৰণ আস্থা হৈছে। আইন শৃঙ্খলাৰ উন্নতি হৈছে, এটা সুস্থিৰ বাতাবৰণৰ সৃষ্টি হৈছে। অর্থনৈতিক অৱস্থাৰ আমি বিকাশ উপলব্ধি কৰিছো।

(মাননীয় অধ্যক্ষ মহোদয়ে আসন এৰে

আৰু মাননীয় উপধ্যক্ষই আসন গ্ৰহন কৰে)

মাননীয় উপাধ্যক্ষ মহোদয়, কেতিয়াবা ঘাটি বাজেটো দিবলগীয়া হৈছে। কিন্তু ইয়াৰ অর্থ এইটো নহয় যে উন্নয়ন.

বাধাগ্রস্থ হ'ব বা আঁচনিবোৰ ৰূপায়ণ নহ'ব। কেতিয়াবা ঘাটি বাজেট দিবলগীয়া হ'লেও আজি উন্নতিৰ ক্ষেত্রত পূর্বৰ সকলো অভিলেখ ভংগ কৰিছে। আজি স্বাস্থ্য খণ্ডতেই হওক বা কৃষি খণ্ডতেই বা শিক্ষা খণ্ডতেই হওক আৰু অন্যান্য যিবিলাক ক্ষেত্র আছে আমাৰ আর্থিক দিশ ভালদৰে পৰিচালনাৰ কাৰণে এই সকলোবিলাক ক্ষেত্রতেই পূর্বৰ অভিলেখ ভংগ কৰিছে। আজি ইমান বছৰে একেলগে ইমানবোৰ আঁচনি ৰূপায়ণ হোৱাৰ নজিৰ নাই। ইয়াৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে সুপৰিকল্পিতভাৱে আর্থিক দিশটো চম্ভালি লৈছে। সেয়েহে আজি আমি সজোৰে দাবী উত্থাপন কৰিব খুজিছো যে মাননীয় মুখ্যমন্ত্রীয়ে আজি অতি দক্ষতাৰে কামবোৰ পৰিচালনা কৰাৰ কাৰণে আজি আমাৰ ৰাজ্যত বিত্তীয় শৃংখলতা আহিছে। আজি এই বাজেটখনক আমাৰ জ্যেষ্ঠ অর্থনীতিবিদেও কৈছে এইখন ভাল বাজেট হৈছে বুলি। গতিকে ঘাটি বাজেট দাখিল কৰিলেও ৰাজ্যখনৰ সামগ্রিক উন্নয়নৰ ধাৰা অব্যাহত থাকিব। উপাধ্যক্ষ মহোদয়, আমি ইয়াক আগতেও দেখিছো যে ২০০৯-১০ আৰু ২০১০-২০১১ বর্ষতো ঘাটি বাজেট দিয়া হৈছে। কিন্তু বিত্তীয় ঘাটি হৈছে কি কাৰণে? দৰমহা আয়োগৰ যি ৰিকোমেণ্ডেচন আছিল সেইবোৰ আমাৰ এই চৰকাৰে ফুলফিল কৰিছে। আমাৰ চৰকাৰে অকল আয়োগ গঠন কৰি দিয়াতে ক্ষান্ত থকা নাই। কর্মচাৰীসকলে যিবিলাক সমস্যাৰ কথা কৈছিল সেইবিলাক সমস্যা সমাধানৰ বাবে যি দৰমহা আয়োগ গঠন কৰি দিয়া হৈছিল আৰু দৰমহা আয়োগে যি ৰিকোমেণ্ডেচন

দিছিল সেইবোৰ আমাৰ চৰকাৰে আখৰে আখৰে পালন কৰিছে। আজি এই চৰকাৰে অভিলেখ সংখ্যক আঁচনি ৰূপায়ণ কৰিছে। আজি বিত্তীয় শৃংখলা যদি ভাল নহ'লহেঁতেন তেন্তে ইমানবোৰ আঁচনি ৰাজ্যত ৰূপায়ণ কৰা সম্ভৱ নহ'লহেঁতেন। আজি আমি দেখিছো যে ২০১১-২০১২ বৰ্ষৰ যি বাজেট দাখিল কৰা হৈছে ইয়াত ৰাজ্যিক ঘৰুৱা আয় বাঢ়ি গৈছে। এইটো এটা ভাল লক্ষণ। ত্রয়োদশ বিত্তীয় আয়োগৰ পৰামৰ্শাৱলী অনুসৰি বিত্তীয় ঘাটি জি এচ ডি পিৰ ৩ শতাংশৰ ভিতৰলৈ অনাটো প্রয়োজনীয়। আজি আমাৰ মুখ্যমন্ত্রী মহোদয়ে যি বাজেট দাখিল কৰিছে তাত দেখা গৈছে যে জি এচ ডি পিৰ ২.৯৫ শতাংশ হৈছে। গতিকে আমি দেখিছো যে ত্রয়োদশ বিত্তীয় আয়োগৰ যি পৰামৰ্শৱলী সেই পৰামৰ্শৱলী আমাৰ মুখ্যমন্ত্রী মহোদয়ে কৰি দেখুৱাইছে। এইটো সঁচাকৈয়ে আমাৰ অসমৰ ৰাইজৰ কাৰণে ভাল খবৰ।

উপাধ্যক্ষ মহোদয়, এতিয়া মই বিশেষ কেইটামান খণ্ডৰ কথা উল্লেখ কৰিব খুজিছো। এই খণ্ডসমূহত আমাৰ মুখ্যমন্ত্রী মহোদয়েও যথেষ্ট গুৰুত্ব দিছে। আমাৰ ৰাজ্যখনত ৭০ শতাংশ মানুহ কৃষি খণ্ডত নিয়োজিত হৈ আছে আৰু যি সকলে গাঁও অঞ্চলত বসবাস কৰি আছে। আমাৰ মাননীয় মুখ্যমন্ত্রীৰ প্রতিশ্রুতিয়েই হৈছে গাঁও অঞ্চলৰ বিকাশ। আমাৰ চৰকাৰৰ শ্লোগানেই হৈছে বিকাশ। অসমৰ সামগ্রিক উন্নতি কেতিয়া হ'ব যেতিয়া গাঁও অঞ্চলৰ বিকাশ হ'ব। আমি দেখিছো যে এই শ্লোগান অনুসৰি কৃষিখণ্ডত চৰকাৰে যথেষ্ট গুৰুত্ব দিছে। আজি গোটেই পৃথিৱীতে

খাদ্য শস্যৰ সংকট ঘনীভূত হৈছে। আজি আমাৰ কোনোবা মাননীয় সদস্যৰ প্ৰশ্নোত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ মাটিকালি বাঢ়ি যোৱা নাই, কমি গৈছে, জনসংখ্যা বাঢ়ি গৈছে। গতিকে সেই মাটিকালিত খাদ্য শস্য উৎপাদন কৰি আমাৰ এই বৰ্দ্ধিত জনসংখ্যাৰ বাবে কি ধৰণে মোকাবিলা কৰিব পৰা যায় সেয়া চিন্তা কৰিবলগীয়া বিষয়। সেয়েহে আজি আমাৰ চৰকাৰে কৃষি খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰিছে যাতে উৎপাদিত সামগ্ৰীৰ জৰিয়তে খাদ্য শস্যৰ জোৰা মাৰিব পাৰি। অৱশ্যে আমাৰ পিছুমান সমস্যা নথকাও নহয়। সেয়েহে মই বিভাগক পৰামৰ্শ আগবঢ়াব বিচাৰো যে বছৰত অন্তত দুটা খেতি কৰাৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এতিয়া মানুহে বছৰত দুটা খেতি কৰি উপকৃত হোৱা দেখা গৈছে। আগতে মাটি এনেয়ে চন পৰি আছিল। এতিয়া বিভাগে গুৰুত্ব দিয়াৰ বাবে বহুতে উপকৃত হৈছে। অৱশ্যে এই ক্ষেত্ৰত আমাৰ কিছুমান সীমাবদ্ধতা আছে। আমাৰ জলসিঞ্চনৰ অভাৱ আছে আৰু কেতিয়াবা বীজৰ কাৰণেও অসুবিধা হৈছে। বিভাগে এই কথাবিলাকত গুৰুত্ব দিয়া দৰকাৰ। আমাৰ কৃষি বিভাগত ২২ খন আঁচনি ক'ত আছে আমি নিজেই নাজানো।

অধ্যক্ষ মহোদয়, আমি কৃষি বিভাগৰ যি ২২ খন আঁচনিৰ লিষ্ট দেখিছো। এই আঁচনিসমূহ মই বিধায়ক হিচাপে ৰূপায়ণ হোৱা দেখা পোৱা নাই। (সময়ৰ সংকট) উপাধ্যক্ষ মহোদয়, মোৰ আৰু দুটামান কথা ক'বলগীয়া আছিলে। কৃষি বিভাগৰ যিখিনি কথা আলোচনা হৈছে, এই কথাবিলাক অলপ বিসংগতিপূৰ্ণ

যেন লাগিছে। মাজে মাজে এই আঁচনিবিলাক পর্য্যালোচনা আৰু মনিটৰিং হ'ব লাগিছিল। আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে কৃষিবিভাগত বিভিন্ন আঁচনি দিছে, আমি ভাল পাইছো। কিন্তু এই আঁচনিবিলাকৰ পর্য্যালোচনা আৰু মনিটৰিং নহ'লে আঁচনিসমূহৰ সুফল কৃষক ৰাইজে লাভ নকৰিব। এইবাৰ বাজেটত বহুত ভাল ভাল কথা কৈছে সেইসমূহৰ ভিতৰত এটা ভাল কথা হ'ল লক্ষীনাথ বেজবৰুৱাৰ নামত এটা মাচ্ কমিউনিকেশ্যন এণ্ড প্রিণ্টিং টেকন'লজীৰ প্রতিষ্ঠান স্থাপনৰ প্রস্তাৱ। কাৰণ লক্ষীনাথ বেজবৰুৱাই বাহী আৰু অৰুণোদয় যুগৰ পৰাই মাচ কমিউনিকেচনৰ আৰম্ভণি কৰিছিল। গতিকে তেখেতৰ নামত এনে এটা প্রতিষ্ঠান স্থাপনৰ প্রস্তাৱ লোৱাৰ বাবে ভাল পাইছো। মাননীয় মুখ্যমন্ত্রীয়ে যিখন বাজেট উত্থাপন কৰিছে, তাত নতুন নতুন আঁচনিৰে এখন বিকাশমুখী বাজেট হৈছে আৰু এই বাজেট অসমৰ উন্নতি তৰান্বিত কৰিব। এই আঁচনিসমূহৰ ৰূপায়ণত জনসাধাৰণৰ প্রতিনিধি হিচাপে বিধায়ক তথা জনসাধাৰণক জড়িত কৰিলে ভাল হ'ব। আৰু আমাৰ যিটো বিধায়কৰ উন্নয়ন পুঁজি আছে সেই পুঁজিৰে আমি বিভিন্ন আঁচনি ৰূপায়ণত সহযোগ কৰিম আৰু মই এই বিধায়ত উন্নয়ন পুঁজিটো ১ কোটি টকালৈ বৃদ্ধিৰ প্রস্তাৱ কৰিছো। আৰু আমাৰ বিধায়কসকলৰ ওচৰলৈ বহুত মানুহ আহে মেডিকেল চিকিৎসা আৰু অন্যান্য সাহায্য বিচাৰি, গতিকে বিধায়ক উন্নয়ন পুঁজিৰ উপৰিও অতিৰিক্তভাৱে আৰু ২০ লাখ টকা বিধায়কসকলক দিলে ভাল হয়। (এই বিষয়ত সকলো বিধায়কে টেবুলত চপৰিয়াই সমর্থন জনায়)। এই খিনিকেই কৈ মুখ্যমন্ত্রী মহোদয়ে যিখন বিকাশমুখী

বাজেট উত্থাপন কৰিছে তাৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয়া সদস্যা, ডঃ ৰুমী নাথ।

Dr. Rumi Nath : Mr. Deputy Speaker, Sir, I am very grateful to you for giving me the opportunity take part in the discussion budget for the year 2011-2012. Sir, budget is very important for a State. A budget highlights the different schemes and projects proposed to be taken by the Government for the development and progress of the people of the State. The budget proposal placed before this august House by the Hon'ble chief Minister aims at improving the condition of the poor people. The budget also aims at improving the condition of every people, every children and the down-trodden in our State. I supper the people-oriented budget placed by the Hon'ble chief Minister.

Sir, I would like to say a few words while taking part in the discussion on budget. Sir, during last few years the growth rate of the Gross Domestic product (GSDP) has shown a steady upward trend. The GSDP growth rate of the State in 2000-01 was only 2.53%, The GSDP growth rate is expected to be 12.70%

achieved during 2009-10. The per-capita GSDP at current prices of Assam in 2010-11 is Rs. 34267 as against Rs. 30786 in 2009-10. The per capita income of Assam on the basis of NSDP in 2010 is estimated to be Rs. 30413 as against Rs. 27197 in 2009-10. This shows that our Govt. has been able to achieve the target by dint of hard work and perception made by it.

Sir, the whole-sale price Index in Assam during 2010-11 was 272, registering an increase of 10% over 2009-10. The Whole-sale price indeed for India during the same period was 327. Showing an increase of 19% over the previous year. Similarly, the Consumer price Indeed for working class population in Assam was 164 during the year 2010-11 registering an increase of 10% over the previous year.

Sir, Hon'ble chief Minister has placed before the House a very progressive budget for the all-round development of the people of Assam. I favour this budget and place my appreciation to him for placing such a budget.

Mr. Deputy Speaker, Sir, there many important departments under which developmental schemes are implemented. One such department is the public works Department.

Development road network is most essential for socio-economic development of the state. Our Government has proposed and initiated a number of road development programmes. Sir, I would like to bring to the notice of this august House socio-economic development will not be complete unless and until communication to every villages is made. Our Government is committed to integrated development of highways and connection of missing links in the State. There are 2848 Kms of National Highways and 3134 Kms of State Highways in the State. I commend the steps taken by the Government in the communication sector unselfishly. But as I belong to very backward constituency, I would like to place before the House regarding the pitiable condition of roads in the Barak valley. The road communication to Barak Valley from the state capital is very deplorable. Under the PMGSY 10558 Kms of rural road has already been completed and 800 Kms of State Highways have been taken up for development under ASRP. The National Highway from the state capital connecting not

only Cachar, Karimganj, Haliakandi districts but also the States of Mizoram, Tripura and Manipur. The distance from Guwahati to Silchar is 345 Kms. When we travel from Silchar to Guwahati the road is found to be unsafe, uncomfortable and prone to cause hazards. As this road connects the entire Barak Valley and other States the road is very busy. A large number heavy transport carriages ply on this national highway. As a result of this road is badly damaged. The maintenance of the road is also very poor. In view of this, our Government is very keen to find out alternative route and has a proposal has afoot to connect Silchar via Jagiroad-Nagaon. This will reduce the length to 270 Kms, suffice is to say, that it will come under the East-West corridor, the ambitious programme of the Govt. of India. The state Govt. as well as the Central Govt. are committed to implement this project. Once it is completed. It will be a boon for the people of Barak Valley. We are looking forward with great anxiousness to see road is completed sooner the best. Sir, our Govt. has taken positive steps for development communication. An

alternative route from Silchar to Guwahati will also be developed.

Sir, I am very happy that our Govt. has taken other road projects also during the last year.

There should be proper monitoring and vigilance policy system regarding choosing of a road which is deteriorating day by day. I think it can be implemented practically.

Under FMGSY 10558 km of rural road have already been completed. One of important road is Silchar-Guwahari is very deplorable condition. A alternate proposal may perhaps be taken to connect Guwahati via Horangajaw and Jagiroad which is 270 Km. The construction of the road is started in 2006 and today is 2011 but still not completed. The contractors have been black-listed. I do not think more black-listed will do any good. Government should take immediate stops for complete improvement of the road. The people have lot of expectation from us. We are facing lot of criticism. The department should take all construction work

seriously. We all M.L.As. are ready to cooperate. We are already shortage of officers in Barak valley. During election process so many officers have been transferred and there are vacancies of SE.JE. I thank our Government that 10558 Km of rural road have been completed, About 214 Km of Silchar will be taken up for development under North Eastern States Road Improvement programme. But I would like to say that there is no maintenance of PMGSY in all over Assam. As for example in my area Hatichera-Madhurband, Chesri Gonigram Dloo Moinarbond bad shape. It needs immediate improvement. I am grateful to Hon'ble CM and Hon'ble Health Minister that three more medical colleges are coming up at Barpeta, Tezpur and another at Dhubri, Kokrajhar, Diphu and Lakhimpur are coming up. That Sir, we need a healthy policy for healthy people. I think our Government for providing 60 model hospital in Assam. We will get better treatment facilities like paediatric/surgery/obstretic along with scanning/ X-ray facilities. The MR and infantry mortality have decreased to a great extent. Today

around 8000 villages have been covered by 108 and 104 Services. I am happy that 2 B.Sc. Nursing Colleges - one at Dibrugarh and another at Silchar, I tank Hon'ble CM and Minister, Health for giving revolution to Health Department. We know about 87% population of total population stay in village and we have seen that our Hon'ble CM for taking various steps for upliftment of rural poor. Our Government has brought Panchayat Election. MGNREGA is a great revolution to State of Assam, We have seen 37, 84559 job card given in 2010-11 and 38, 18, 571 are expected during 2011-12 Social audit - 4479 - 2010-11 and in 2011-12-1116.

(Deputy Speaker in Chair)

I request the Hon'ble Speaker to give 10 minutes extra time to a lady Member. It is a good news that my Govt. and the Minister has set up 2 social Audits. I would like to request every MLAS to come and attend the Social Audits. One will be from 2nd October to 30 October and the other will be from 1st April to

30 April. Indira Awas Yojana is always controversial because the selection process is very Corrupted but our Govt. is taking action and is very committed to make things transparent. Hon'ble Minister Shri Rockybul Hussain has assured that he will immediately act on specific complaints and take action.

Our Govt. has started BPL survey. Regarding Education Swami Vivekananda said "Education is the manifestation of perfection". Our Govt. is taking all steps to streamline education system as a whole and also promised to take 40.000 Teachers. 21 new polytechnics will be introduced. However, since it is a very vast department, it has a lot of problems which are being solved very rapidly now.

In our border areas there is a lot of infiltration. I would therefore suggest there should be CCTV Camera at fencing level so that the movement can be monitored. Our Hon'ble Chief Minister has given a special thought for the women and children and a Woman Development Council and a child development

Council will be set up. There will be women Clubs in very Blocks. In the domestic sector a lot of thought has been given and Gas Cylinder has been made cheaper by Rs. 14/- by Hon'ble chief Minister. I agree with Hon'ble Member Shri Binanda Saikia that Rs. 40 Lakhs of MLA Fund is a very small amount considering the high prices of building materials like cement. rods etc. If we try to utilise suppose Rs. 1 lakh for a single to develop any community facility, it is very difficult to complete it because of shortage of fund. I believe that out Hon'ble Chief Minister will give a green signal for increasing this amount to Rs. 2 crore. Hon'ble Speaker Sir also will probably be delighted. On the whole I would like to term this Budget as very good and evergreen budget which will bring smile to the faces of people of Assam,

* **Shri Sirajuddin Ajmal :** Respected sir, I would have been very happy had all the 19 Ministers were present in the House instead of only 3 who are

* Speech not corrected

present here. However, I congratulate the Hon'ble Chief Minister for the Budget. It must have been prepared by highly specialised and qualified people. Never the less, there are glaring ommissions. Instead of 80 plus pages to highlight the achievement of the Government only 10 plus pages would have been sufficient. A toy in hand is better than 100 promised. The recent incidents of atrocities on innocent people in Dispur and Barpeta are very unfortunate and worrisome development. For a prosperous Assam a responsible opposition is required. But the honest intention of chief Minister should percolate down to his colleagues. 87% of population of Assam lives in rural areas and they will be adversely affected by this budget. Out of this 87%, 90% depends on agriculture for their livelihood. Here I would like to differ with chief Minister because production of summer rice and winter rice is falling. Out of a total 3896351 hactare of land under cultivation only a very minor percentage come under minor irrigation. Food grains are imported from Haryana, Punjab etc. which are unfit for human

consumption because Assam is thought as a dumping ground.

To feed our hungry millions we should enhance our food grains production. For this, the farmers have to be given loans and it should be sanctioned during harvesting seasons. Maximum farmers in Assam who grow foodgrains and vegetables, fish etc. belong to the minority communities and due unavaibility of land Patta, loans are denied to them and even under KCC, no help was received.

Agriculture : Agriculture is directly connected to allied departments like Veterinary, Irrigation, Animal Husbandry, soil conservation etc. As 90% of our poor farmers depend on cows to plough their land, total failure of such very important departments like Veterinary and soil Conservation had dealt disastrous blow to the growth of agriculture.

The Government takes hollow pride in vegetable production growth of 81% where and how Government is responsible for this growth?

Instead of blowing the trumpets. The

government should immediately take measures to correct all above pointed maladies affecting agriculture. How many veterinary and agricultural graduates have been appointed in the last 10 years of congress rule?

UNEMPLOYMENT : We appreciate the Hon'ble CM's concern towards the unemployment situation in the state. But regret to say there is no policy direction in the budget. More than 20 lacs youth are unemployed, majority being educated unemployed and among these majority live in villages. Pretty little is being done to set up industries in the state and those which are existing do not get government support. Sualkuchi, the Manchester of East is neglected. Similarly brass industry of Sarthebari and Hajo are facing the same fate.

Handloom, Power loom, horticulture, fishery, dairy farming etc. could have helped in addressing the unemployment problem but the government has failed miserably in exploring these and other such avenues.

How government treats handloom and power loom can be judged from the fact that

number of handloom training centres. Production centers and numbers trainees are same from 1993 to 2009 and production figures have drastically decreased by 75% pathetically deplorable. This is as per record of the Government.

It is nice to hear that skill development centres will be opened but if the boys and girls passing out of these (ITI)s do not get the short term loan due to absence of land patta as collateral, it does not achieve its desired goal.

Unemployment is the root cause of terrorism in the NE and especially in Assam. Only setting up of big industries by government of Assam and encouraging private sector industries, more jobs can be generated. Otherwise very soon we may face a social turmoil of nature which may go beyond the government control. Law and order situation has to improve to make environment conducive for industrialists all around India and the world to set up industries in Assam.

Corruption : The bogey of corruption will haunt one state for many years but this very important

subject has not been touched in the budget speech. Hon'ble CM had promised several measures to control the growth of this evil. Till concrete permanent measures to curve these menace is taken there will always be a one thousand crores scam in NC Hills and crores will be recovered from wall. Only punitive measures against the offenders and perpetrators and those giving shelters to such elements may act as deterrent to such repeated occurrences.

We welcome allocation of funds for development of SC/ST/OBC (300 crores), for BTC areas 298 crores, for Rabha Hasong 153 crores, for Missing, Deori, Tiwa etc. autonomous council 166 crores for SC Sub-plan and 63 crores for tribal sub-plan etc. allocation of Rs. 1004 crores to these socially backward groups of our society. But at the same time I am surprised to see that out Hon'ble CM while claiming that population of Assam is very diverse and many communities big and small live in our state allocated only Rs. 40 crores for the development of 31% of its state population.

As Muslims are really backward socially and economically and also in education, out of 95 lacs Muslims, 50 lacs live in char-chapories badly flood and erosion affected areas. If the CM is true to his commitment to our composite polity, he should at least allocate Rs. 500 crores for the development of these backward minority areas. Similarly little importance is attached to tea tribes. Only meager 21 crores has been provided. At least 100 crores should be allocated for the welfare of Tea Tribes.

EROSION & FLOOD CONTROL : Last year our Hon'ble CM admitted that erosion is more devastating than floods. The state takes one step forward towards progress and prosperity and floods and erosion push it 3 steps backwards. 4500 KMs of embankment in the state, most of which are in dilapidated state and only 53 crores are allocated for its maintenance. This is woefully little for such a colossal work. Erosion is not considered as national calamity under flood management policy of 1954. Therefore neither compensation is given nor any benefit under Calamity Relief Fund (CRF. Peoples' lives

are devastated and they become landless. This has given rise to the vexed problem of "D" voters. The government must address this highly destructive force of nature and frame a different policy on erosion and flood. Just like the railway budget at the centre. There should be a separate assessment and allocation of funds for flood and erosion. This exercise must be completed by Oct/Nov. All works must be completed before March/April prior to onset of monsoon.

Education : Education the most vital department is unfortunately most neglected and ill managed government department. Students never get their text books on time. Unless and until there is a clear cut road map for revival there is no hope of coming out of mess. There seems to be no justification for 12 new government colleges looking at past records. The government can take up 12 selected existing colleges and give those colleges all kind of infrastructural facilities. We need many new model schools for higher secondary education. That is the turning point of the student's life. Hundreds of colleges are kept at the venture stage for want of funds,

teachers are suffering. There can be better utilization of funds. Before taking all steps, the Government should constitute one high level education commission with renowned educationist and economists of the state and should proceed as per is recommendation after examining the viable factor for quality education, inspection system must be brought back. The government must see way the private schools (English or vernacular) are always achieving better results than the provincialized schools. Somebody must be made accountable. It is good to start more medical colleges but please assure that existing medical colleges remain free from de-recognition threat from MCI for want of teachers and infrastructural facilities. With a new dynamic Education Minister, We hope to see a new era in the education sector in Assam.

INFLATION AND PRICE RISE : The common people are more concerned as to what their next meal will be and at what cost. The Government has failed to control spiraling prices of food grains, fruits and vegetables etc. Till the government is able to control fuel and food prices it cannot satisfy its hungry millions.

General inflation at 8% and food inflation at 16% is definitely not acceptable. All these prices have shown great volatility 87% of our rural poor is hardest hit. Nutrition does not reach the poor and even the common mans' daal has gone beyond their reach. It may be added here that the policy of the government to announce before election so called CM's welfare schemes like 100 Rs. Blanket, cheap rice etc. was so popular that it got the government thumping majority but the flip side is that people are so poor that they cannot afford a blanket or rice. Of course these welfare schemes are conspicuously absent in this budget.

I will be first one to congratulate you if your budget brings such kind of all round growth that after 5 years people do not vote for a mere blanket, yarn or few Kgs of rice. The economy should be that strong.

Excise Collection : The government is proud of 35% increase in excise collection. Simultaneously very little fund is allocated for sports & youth welfare. We fear that whether our youths development will be totally ruined as

such increased collection of excise points towards growth of both liquor and tobacco industries. All the developing countries of the world invest heavily on sports and youth welfare but our government neglects this important aspects.

Power : It is evident the budget speech of the Hon'ble CM that by 2013 the state will be self sufficient in its power requirement after the completion and commission of various power projects than why the big Dam and the risk lives and properties of Assam. What could be the compulsion defies all logic? End should justify the means ALWAYS.

Assam is a disaster prone state where earthquake, flood, erosion, drought, epidemics etc. are possible anytime. One disaster could cripple a powerful country like Japan. No allocation for disaster management is evident. The Big Dam could be immediate cause of concern. Very happy to note the GDP growth in Assam. But compared to other NE states (not to be speak about the country) Assam lags far behind. Even the per capita income of most NE

states is higher than of Assam. But it is noteworthy that fiscal management and fiscal reforms are both integral component of good financial governance and you government has initiated it in 2010.

Before I conclude. I would like to invite attention of the Government towards global warming. We should seriously think about this important subject. Lastly your government embarked on improving our HDI (Human Development Index). Regret to say that this budget fails in its proposed goal as vital components of HDI i.e. wealth, health and knowledge will fall short of its target.

Thank you Sir.

* **শ্রীকেশৱ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ তাৰিখে অসমৰ মুখ্যমন্ত্রী তথা বিত্ত মন্ত্রীৰ দায়িত্বত থকা হিচাপে যিখন বাজেট দাঙি ধৰিলে সেই বাজেটখনৰ পাতনিতে মুখ্যমন্ত্রী মহোদয় কৈছে যে অসমৰ ৰাইজে যি ভাবে আমাক জিকাই আনিলে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেখেতে এই কথাও কৈছে যে মোৰ ফালৰ পৰা এখন শান্তিপূর্ণ আৰু সমৃদ্ধিশালী ৰাজ্য হিচাপে

* Speech not corrected

গঢ়ি তুলিবলৈ মই বিচাৰিছিলো আৰু ৰাইজৰ ৰায়ে তাৰে সুযোগ দিয়াত অসম বিধানসভাৰ সকলো সদস্যকে মোৰ অভিনন্দন জ্ঞাপন কৰিছো। তৃতীয়বাৰৰ বাবে ঐতিহাসিক জনাদেশ পাই এই বাজেটখন মই উত্থাপন কৰিলো। আমাৰো এই বাজেটখনৰ ওপৰত যথেষ্ট আশা আছিল সেয়ে অসমৰ ৰাইজৰ আশা-আকাংক্ষা নিশ্চয় পূৰণ কৰিব আৰু আমাৰ ৰাজ্যখন আগতকৈও বেছি প্ৰগতিশীল ৰাজ্য হিচাপে আগবাঢ়ি যাব পাৰিব। আৰু তেখেতেও অসমখনক এখন শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী অসম গঢ়াৰ কথা কৈছে। চৰকাৰ গঠন হোৱাৰ পিছত আমি যথেষ্টখিনি আশা কৰিছিলো এই চৰকাৰৰ পৰা আমি সম্পূৰ্ণ নিৰাপত্তা পাম। কিন্তু এতিয়া আমি দেখিছো যে যোৱা ২২ জুনৰ ঘটনাই প্ৰমাণ কৰিছে আমি আশা কৰা মতে আমাৰ নিৰাপত্তা ক'ত? সেই ঘটনাত ৩ জন নিৰিহ লোকৰ মৃত্যু হৈছিল, সেই দিনটো আছিল এটা গুৰুত্বপূৰ্ণ দিন যিটো দিনত এচিয়া-পেচিফিক সন্মিলন হৈছিল আৰু যিটো দিনত আৰবান অঞ্চলত বসবাস কৰা লোকসকলক কেনেকৈ শান্তিপূৰ্ণ সুৰক্ষা দিব পাৰি কাৰণ সেইসকল লোকে চহৰখনত কাম কৰে। তেনে এটা দিনতে জনসাধাৰণেও নিৰাপত্তা পোৱা নাছিল। মুখ্যমন্ত্ৰীয়ে ভবাৰ দৰে আমিও ভাবো আমাৰ ৰাজ্যখন শান্তিপূৰ্ণ হওক, আলোচনা-বিলোচনা হওক, অসমলৈ অচিৰে শান্তি ঘূৰি আহক। ২০২০ চনৰ বাবে নৰ্থ-ইষ্টৰ যিখন প্লেন হৈছিল সেই প্লেনখনত অসমেও সন্মতি জনাইছিল। আমিও আশা ৰাখিছো আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম। সেই লক্ষ্য আগত ৰাখিয়েই নবৌ, বাইদেউ

আদি কৰি যি ৮৫ খন আঁচনি উলিয়াইছে সেইমতে কাম কৰাৰ কথা আৰু তাৰ বাবে বাজেটত টকা ধৰা আমি দেখা নাই। এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

এতিয়া কথা হৈছে আমি কোন পথে গ'লে সুফল পাম! এইবাৰ হয়তো আপোনালোকে ক'ব যে এইখন বাজেটত সকলোবোৰ নাহিল, গতিকে আকৌ এবাৰ নিৰ্বাচন আহিলে সকলোবোৰ আহিব! তেতিয়া আমি আপোনালোকক সহায় কৰিম! আজি আপোনালোকে এটা কথাকে ক'ব পাৰে যে আমাৰ দিনত কৰ্মচাৰীয়ে দৰমহা পোৱা নাছিল! আজি ট্ৰেজেৰী বেঞ্চত বহি আপোনালোকে বহুতো কথাই ক'ব পাৰিব! কিন্তু আপোনালোকে কি প্ৰগতিশীল আৰু সমৃদ্ধিশালী অসম গঢ়াৰ কথা কৈছে সেই ক্ষেত্ৰত এটা কথা চাব লাগিব যে আমাৰ ৰাজ্যখনৰ শতকৰা ৭০/৮০ ভাগ মানুহেই কৃষিজীৱি! গতিকে ৰাজ্যখনৰ সৰহ সংখ্যক লোক যেতিয়া কৃষিৰ লগত জড়িত সেই সময়ত তেখেতসকলক কি ধৰণে সমৃদ্ধিশালী কৰিব আৰু সেই সমৃদ্ধিৰ কাৰণে কি ধৰণে বাজেট প্ৰস্তুত কৰিব লাগিব সেইটো আমি লক্ষ্য কৰিব লাগিব! আমাৰ ৰাজ্যখনক কৃষি ক্ষেত্ৰত অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিবলৈ মেকেনাইজ্ড্ কাল্টিভেচনৰ কথা কোৱা হৈছে! ক'ৰবাত ক'ৰবাত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদি দিয়া হৈছে! কিন্তু সেইবোৰ ক'ত দিছে বা তাৰ পৰা কিবা কামত আহিছে নে নাই সেইটো কোনোবাই চাইছে নে? আজি আপোনালোকে পাঞ্জাব, হাৰিয়ানা, তামিলনাড়ু আদি ৰাজ্যলৈ গৈ চাওক — তেওঁলোকে কৃষি উৎপাদন বৃদ্ধি কৰাৰ কাৰণে কৃষি উপযোগী ভূমিৰ ব্যৱস্থা আগতে কৰিছে! তাৰ

পিছতহে মাটিত খেতি কৰিছে — পানী যোগানৰ ব্যৱস্থা হাতত লৈছে! মাজে মাজে সৰু আৰু মজলীয়া জলসিঞ্চন আঁচনি হাতত লৈছে! খেতিয়কসকলক বিদ্যুৎ, ডিজেল আদিত চাবচিডি দিছে! এইবিলাক ব্যৱস্থা হাতত লোৱাৰ কাৰণে সেই ৰাজ্যবিলাকে কৃষি ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি যাব পাৰিছে!

(মাননীয় সদস্যগৰাকীয়ে ভাষণ দি থকা অৱস্থাত শাসক পক্ষৰ কেইবাজনো মাননীয় সদস্যই বহি বহি টিপ্পনি দি থকাত সদস্যগৰাকী নিজ আসনত বহে আৰু ভাষণৰ পৰা বিৰত থাকে)

মাননীয় অধ্যক্ষ ঃ মই আপোনালোকক অনুৰোধ কৰিছো যে এগৰাকী মাননীয় সদস্যই ভাষণ দি থকা অৱস্থাত পিছফালৰ পৰা টিপ্পনি দি থকা কথাটো উচিত নহয়! আপোনালোকে সেইটো নকৰিব! আমি সদনত কেনে আচৰণ কৰিব লাগে সেইটো ইয়াত দিয়া আছে! গতিকে মই অনুৰোধ কৰিছো আপোনালোকে সদনৰ মর্য্যদা ৰক্ষা কৰি চলিব! মাননীয় সদস্যগৰাকীক তেখেতৰ ভাষণ ৰাখিবলৈ মই অনুৰোধ কৰিলো!

*** শ্রীকেশৱ মহন্ত ঃ** অধ্যক্ষ মহোদয়, আজি আমি ৰাজ্যখনৰ কৃষি খণ্ডৰ কথা আলোচনা কৰোতে এটা কথা চাব লাগিব যে আমাৰ ৰাজ্যখনত প্ৰতি বছৰে বানপানী হয় আৰু তাৰ ফলত কৃষকৰ যথেষ্ট ক্ষতি হয়! বানপানী যোৱাৰ পিছত কিছুমান খেতি কৰিবলৈ সময়ো নাইকিয়া হয়! গতিকে কম সময়ৰ ভিতৰত খেতি কৰি তাৰ পৰা কৃষকক লাভবান কৰিবলৈ কিবা ব্যৱস্থা হাতত লৈছে নে? ইয়াৰ

* Speech not corrected

কাৰণে ১০০ দিন মানৰ ভিতৰত খেতি কৰি উলিয়াবলৈ, তাৰ বাবে বীজৰ ব্যৱস্থা উদ্ভাৱন কৰিবলৈ আমাৰ ৰিচার্চ চেণ্টাৰ বা ইউনিভাৰচিটিসমূহে কিবা ব্যৱস্থা হাতত লৈছে নে? খৰাং বতৰৰ পিছত পৰিত্রাণ পাবলৈ কি ব্যৱস্থা হাতত লৈছে সেইটো ইয়াত কোৱা হোৱা নাই! এই ক্ষেত্রত চীড চার্টিফাইড এজেন্সীৰ কথা কোৱা হৈছে! কোৱালিটি চীডৰ ক্ষেত্রত কি ব্যৱস্থা হাতত লৈছে? গতিকে ভাল কোৱালিটি আৰু সময়োপযোগী বীজৰ উৎপাদন আমাৰ ইয়াত কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু যদি ইয়াত উৎপাদন কৰিব নোৱাৰে তেনেহ'লে বাহিৰৰ পৰা আনি হ'লেও কৃষকক যোগান ধৰিব লাগে! এই ক্ষেত্রত যোৱা তিনি বছৰত কিমানজন চার্টিফাইড এজেণ্টক শস্যৰ বীজ যোগান দিয়া বা উৎপাদন কৰাত অন্তর্ভুক্ত কৰিছে সেইটো জনালে ভাল পাম আৰু এই ক্ষেত্রত আমি কিমানখিনি স্বাৱলম্বী হ'ব পাৰিছো সেইটোও জনাবলৈ অনুৰোধ কৰিলো!

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা উত্থাপন কৰিব খুজিছো যে আমাৰ কৃষকসকলৰ কৃষিৰ ওপৰত কোনো বীমা ব্যৱস্থা নাই আৰু সেই কাৰণে তেওঁলোকৰ কৃষিৰ ওপৰত কোনো সুৰক্ষা নাই! বহুতো সময়ত দেখা যায় যে বানপানীৰ বাহিৰেও বনৰীয়া হাতী, বান্দৰ, ধুমুহা আদিৰ লেখিয়া প্রাকৃতিক দুর্যোগে খেতি-বাতি নষ্ট কৰে। এনেবোৰ কাৰণত খেতিয়কে অশেষ কষ্ট কৰি, টকা-পইচা খৰচ কৰি খেতিৰ লোকচান হ'লে তেওঁলোকৰ অৱস্থা অতি শোচনীয় হৈ পৰে। গতিকে কৃষকসকলক কিযাণ

ক্রেডিট কার্ড দিয়াৰ লগতে অন্যান্য বীমা আঁচনিৰ জৰিয়তে সাহায্য দিব পৰা যায় নেকি তাৰ ব্যৱস্থা কৰিব লাগে! কিন্তু এই ক্ষেত্রত সুস্পষ্ট ব্যৱস্থা হাতত লোৱা আমি দেখিবলৈ পোৱা নাই! আজি আমাৰ মুখ্যমন্ত্রী গৰাকীয়ে কৃষি খণ্ডত সমৃদ্ধি দেখিছে! ঠিক তেনেকৈ উদ্যোগৰ ক্ষেত্রতো ৰাজ্যখনক উদ্যোগীকৰণ কৰাৰ কাৰণে বহুতো চেষ্টা চলোৱা বুলি কৈছে! তাৰ কাৰণে দেশৰ ভিতৰত বহুতৰ লগত কথা-বতৰা পতাৰ উপৰিও আমেৰিকালৈও গৈছে, বহুতৰ লগত যোগাযোগ কৰা বুলি কৈছে!

কৃষি আৰু উদ্যোগৰ ওপৰত জীয়াই থকা লোক হৈছে শতকৰা ৭০ ভাগ। ইয়াত জড়িত হৈ অধিকাংশ লোক উপকৃত হয়, দেশৰ সমবৃদ্ধিত আগভাগ ল'ব পাৰে কিন্তু মুখ্যমন্ত্রীৰ বাজেট বক্তৃতাত এই মানুহখিনিৰ কাৰণে সুনির্দিষ্ট কোনো নতুন আঁচনি নাই। ঠিকমতে কৰা হ'লে হয়তো কম নহ'লহেঁতেন, কম হৈছে মানে উন্নয়নত বাধা হৈছে। বাজেটত কিছুমান আঁচনি যদিও জনপ্রিয় হৈছে ইয়াৰ দ্বাৰা সামগ্রিকভাৱে ৰাইজ উপকৃত নহয়। এই দিশটো আমি লক্ষ্য কৰা উচিত। ঠিক তেনেধৰণে ৰেভিনিউ এক্সপেনডিচাৰতকৈ কেপিটেল এক্সপেনডিচাৰ বহুত কমি গৈছে। ২০০৮/২০০৯ ১১.২৭৬ আৰু ২০০৯/২০১০ ৪৯.০৭ আৰু ৰেভিনিউ ৰিচিপ্তটো তেনেকুৰা হৈছে। বাজেটত এই বিসংগতিটো ওলাই পৰিছে। বাজেটত ৰাইজক সকাহ দিয়া আঁচনি আছে যদিও এই বাজেটে ভৱিষ্যত নির্ধাৰণত আগবাঢ়িব পৰা নাই। তাৎক্ষণিক উপসম বাজেটত দেখা যায়। কাৰোবাক যদি সহায় কৰিব যাওঁ পাঁচ কেজি চাউল দিয়াতকৈ ১০ কেজি ধান দি খেতি কৰিব দিলে

বেছি ভাল হ'ব। পাঁচ কেজি চাউলত কেইসাজ খাব? কিন্তু একেলগে ৬ মাহৰ ভাত দিলে বেছি উপকৃত হ'ব। বাজেটৰ ওপৰত ভাষণ ৰাখি মাননীয় সদস্য বিনন্দ শইকীয়াই এজিপি শাসনকালৰ কথা টানি আনিছে। কিন্তু এতিয়া আগৰ কথা টানি অনাতকৈ তেওঁলোকে যি ১০ বছৰ শাসন কৰিলে সেই সময়খিনি ৰিজাই চালেই কথাখিনি গম পোৱা যাব। বাজেটত উৎপাদন আৰু নিয়োগ দুয়োটাই থাকিব লাগে। উৎপাদনৰ লগতে নিয়োগ পদ্ধতিৰ যিবিলাক আঁচনি সেই বিলাক পশুপালন, কৃষি, মীন বিভাগ, গ্ৰাম্য উন্নয়ন ইত্যাদি বিভাগবিলাকে ল'ব পাৰিব লাগিছিল। ইয়াত উৎপাদনো হ'ব আৰু নিয়োগো হ'ব। তেনেকৈহে স্বাৱলম্বী হ'ব। কিন্তু এনে ধৰণৰ কোনো আঁচনি বাজেটত প্ৰতিফলিত হোৱা নাই।

মাননীয় অধ্যক্ষ ঃ আপোনালোকৰ ৪০ মিনিট সময় পাৰ হৈ গ'ল।

*** শ্ৰীকেশৰ মহন্ত ঃ** অসমত বৰ্তমান নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে অসমত ২০ লাখ নিবনুৱা আছে। এই নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰী চাকৰি যে একমাত্ৰ উপায় তেনে নহয়। কিছুমান স্বনিয়োজন আঁচনিও আছে যাৰ দ্বাৰা সমস্যা সমাধান কৰিব পাৰি। কিন্তু তেনে আঁচনি আমাৰ চকুত ধৰা পৰা নাই। এনে কিছুমান স্বনিয়োজন আঁচনি মুখ্যমন্ত্ৰীয়ে লৈছে যি আঁচনিয়ে কিছুমান ছদ্মবেশী নিবনুৱাৰহে সৃষ্টি কৰিছে। কি ছদ্মবেশী নিবনুৱা সেইটো ব্যাখ্যা কৰিবলৈ নাযাওঁ। দেশখনত

---

* Speech not corrected

সমৃদ্ধিশালী কৰিবলৈ দেশৰ যিখিনি মৌলিক সমস্যা সেই মৌলিক সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত কোনো নির্দিষ্ট নীতি নির্ধাৰণ কৰা হোৱা নাই। বিশেষকৈ বানপানী আৰু গড়াখহনীয়া হৈছে আমাৰ দেশৰ ডাঙৰ সমস্যা। এই বিশেষ সমস্যাটোৰ কাৰণে বাজেটত বিশেষ এলোটমেণ্ট হ'ব লাগিছিল কিন্তু তাৰ কাৰণে বাজেটত বিশেষ আঁচনি প্ৰতিফলিত হোৱা নাই। যোৱা বিধানসভাতো বানপানীৰ বিষয়ে বিস্তৃত আলোচনা হৈছিল আনকি সৰ্বদলীয় প্ৰতিনিধিয়ে প্ৰধানমন্ত্ৰীকে আৰম্ভ কৰি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিসকলক লগ কৰিছিল। প্ৰধান মন্ত্ৰীয়ে অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যাৰূপে গণ্য কৰিবলৈ সিদ্ধান্ত লৈছিল।

আনকি অসমৰ জনসংযোগ বিভাগৰ দ্বাৰাও ঘোষণা কৰিছিল কিন্তু আজিলৈ বিশেষ একো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। ক'ৰবাত দুই-এটা আঁচনি আমাৰ চৰকাৰে পঠিয়ালে তাত টকা আৰণ্টন দিয়াটোকে ৰাষ্ট্ৰীয় সমস্যা ৰূপে গণ্য কৰা নুবুজায়। ১৯৫৪ চনতে বানপানীৰ কাৰণে যি ব্যৱস্থা কৰা হৈছিল আজিও সেই ব্যৱস্থাই চলি আছে। নিৰাপত্তাৰ ক্ষেত্ৰতো চৰকাৰে যথোচিং ব্যৱস্থা লোৱা দেখা নাযায়। এতিয়ালৈকে ১৯৩২ জন উগ্ৰপন্থী নিহত হৈছে, ২৯১ জন আৰক্ষী নিহত হৈছে। গতিকে দেখা যায় কাৰ নিৰাপত্তা আছে? মূল্য বৃদ্ধি অসমত এটা ডাঙৰ সমস্যা। অকল গেছ চিলিণ্ডাৰত ১৪ টকা দাম কমালেই মূল্য বৃদ্ধি বোধ কৰা নুবুজায়। চিলিণ্ডাৰৰ দাম আৰু বাঢ়িব যেতিয়া এই ১৪ টকাৰ মূল্য ক'ত থাকিব? অন্যান্য সামগ্ৰীৰ মূল্য বৃদ্ধি বোধ কৰিবলৈ কিবা ব্যৱস্থা লোৱা বাজেটত দেখা নাই।

দেশখন সমবৃদ্ধিশালী হ'বলৈ হ'লে আমাক লাগিব পাৰাৰ। আমাৰ শক্তি লাগে ১১০০ মেগাৰাট কিন্তু আমাৰ উৎপাদন হয় ৮০০ মেগাৰাট পাৰাৰ জেনেৰেচনৰ কাৰণে তেনে কোনো নির্দিষ্ট ব্যৱস্থা লোৱা আমি দেখা নাই। অকল কথা পতা, আলোচনা কৰাতে ব্যস্ত আছে অমুক প্রজেক্টটো আৰম্ভ হ'ব, কমিচন হ'ব ইত্যাদি বক্তৃতা দিয়ে আমাৰ পাৰাৰ জেনেৰেচনৰ কথাটো সামৰিব বিচাৰিছে। আমাৰ প্রায়বিলাক মানুহেই গ্রামোন্নয়নৰ লগত জড়িত। আমাৰ নতুন মন্ত্রীয়ে অলপ ইনিচিয়েটিভ লৈছে, আমি ভাল পাইছো। বিডিওসকল বা বিষয়াসকলক গাড়ী দিয়া হ'ব বা ঘৰ দিয়া হ'ব সেইবিলাক কথা কৈছে কিন্তু যি উপকৃত উপভোক্তা তেওঁলোকৰ কাৰণে কি কি সুবিধা দিয়া হৈছে সেইটো বাজেটত প্রতিফলিত হোৱা নাই। পৰিচালিত কৰা বিষয়াসকলৰ কাৰণে সুবিধা আগবঢ়োৱাৰ কথা চিন্তা কৰিছে, দুখীয়া লোকৰ কথা ভবা নাই। এনেৰেগাৰ জৰিয়তে ১০০ দিনৰ জব কার্ড দিয়াৰ কথা আছিল আৰু দিব নোৱাৰিলে পেনাল্টি ভৰিব লাগিব বুলিও আইনত আছে কিন্তু ১০০ দিনৰ কাম পাইছে নে নাই সেইটোকে নিশ্চিত কৰিব পৰা নাই। আজিও আইৰেৰ ঘৰবিলাক আধৰুৱা হৈয়ে আছে, আশাকৰো এই ক্ষেত্রত চৰকাৰে বিহীত ব্যৱস্থা গ্রহণ কৰিব।

শিক্ষাৰ ক্ষেত্রত বাজেটত কিছুমান কথা কৈছে — ভাৰতবর্ষৰ বিভিন্ন ৰাজ্যত এই আঁচনিখন প্রৱর্তন কৰা হৈছে সেই সময়তে আমাৰ ৰাজ্যতো প্রয়োগ কৰা হ'লে ২ বছৰৰ প্রশিক্ষণ

পাছ কৰি আজি আমাৰ ল'ৰা-ছোৱালীয়ে সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ যোগ্যতা অৰ্জন কৰিলেহেঁতেন। কিন্তু আমাৰ ৰাজ্যত সিদিনাহে মাত্ৰ কেবিনেট সিদ্ধান্ত লৈছে। সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব নোৱাৰা লোকৰ সংখ্যা বেছি। তেওঁলোকৰ যে আৰু কি অৱস্থা হ'ব নাজানো। এটা কথা আমি দেখিবলৈ পাইছো এই বাজেটত বৃত্তিমুখী শিক্ষাৰ কোনো ব্যৱস্থা নাই। আমাৰ দেশত গ্ৰাম্য অঞ্চলত নিবনুৱাৰ সংখ্যা বেছি। এই ভয়াবহ নিবনুৱা সমস্যা সাধানৰ ক্ষেত্ৰত কোনো পথ দেখা নাই। আজি ৰাজেটত দলঙৰ কথা কোৱা হৈছে দলংবিলাকৰ কাৰণে বহুত ঘটনা হৈছে। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিত হয়তো সমষ্টিয়ে সমষ্টিয়ে দুই-এখন দলং পকীকৰণ কৰা হ'ব কিন্তু এই কাঠৰ দলংসমূহ অতি সোনকালে পকীকৰণ কৰাৰ কোনো বাট বাজেটত লক্ষ্য কৰা নাই। আমাৰ অসমত খোৱাপানীৰ সমস্যাটো এতিয়াও ভয়াবহ। জনস্বাস্থ্য কাৰিকৰী বিভাগে সৰ্বসাধাৰণ ৰাইজক খোৱা পানী যোগান দিয়াৰ কোনো কাৰ্য্যব্যৱস্থা হাতত লোৱা নাই। মই এতিয়াও চৰকাৰক অনুৰোধ কৰিছো বিনামূল্যে দুখীয়া লোকক খোৱা পানী যোগান ধৰক।

যোৱা বিধানসভাতো আমি বিধায়ক পুঁজি বঢ়োৱাৰ কাৰণে অনুৰোধ কৰিছিলো, মাননীয় শাসক দলৰ সদস্যসকলেও প্ৰস্তাৱটোত সন্মতি দিছিল। আমি মুখ্যমন্ত্ৰীক লগ ধৰিও কৈছিলো। যোৱা পাঁচ বছৰত নহ'ল। এতিয়া যদি ২ কোটিও বঢ়ায় আপোনালোকৰ শাসক দলৰ সদস্য সংখ্যা বেছি, আপোনালোকেই বেছি উপকৃত

হ'ব। মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই বিধায়ক পুঁজিৰ পৰিমাণ বঢ়ালে আমি সুখী হ'ম। বাজেটখন যোৱা বছৰ যি আছিল এইবাৰো একে হৈছে। যোৱাবাৰৰ বাজেটৰ কাৰণে ৰাইজ উপকৃত হৈছিল সেই কাৰণে আপোনালোক বেছি জনপ্রিয় হৈছিল যাৰ কাৰণে আপোনালোক সংখ্যাত বেছি আহিছে। আমি আশা কৰিলো সেই জনপ্রিয়তালৈ চাই এইবাৰৰ বাজেটখন আৰু বেছি জনপ্রিয় হ'ব বুলি আশা কৰিছিলো কিন্তু জনপ্রিয়তাৰ সলনি অপ্রিয়হে হ'ল।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* **শ্রীমনেশ্বৰ ব্রহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ তাৰিখে আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াই ২০১১-১২ চনৰ যিখন বাজেট দাখিল কৰিছে এইখন অতি ভাল বাজেট হৈছে। এইখন সঁচাকৈ এখন ৰিয়েলিষ্টিক বাজেট হৈছে। এই বাজেটখন সকলোৰে গ্রহণযোগ্য বাজেট আৰু ইয়াৰ দ্বাৰা অসমৰ সকলো মানুহৰ আশা-আকাংক্ষা পূৰণ কৰিব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ বিত্তীয় অৱস্থা আমি সকলোৱে কম-বেছি পৰিমাণে জানো। মাননীয় শ্রীতৰুণ গগৈ ডাঙৰীয়াই এই বাজেটখন প্লেনিং কৰি বনাইছে। আমি দেখিবলৈ পাইছো এই প্লেনিঙৰ ভিতৰতে ৰাজ্যখনক সামৰি ল'ব পাৰিছে। যোৱা ২০০০/০১ চনৰ পৰা আহি আহি বর্তমান অৱস্থা পাইছে। আমি দেখিবলৈ পাইছো ৭০ শতাংশ আমাৰ উন্নয়নৰ কাম হৈছে,

* Speech not corrected

ফিচকেল ৰিফৰ্মৰ দ্বাৰা এনে অৱস্থা হৈছে। যোৱা দিনবিলাকতো দেখা গৈছে আমাৰ ৰাজ্যখনৰ বিত্তীয় অৱস্থা উন্নত হোৱাৰ কাৰণে সকলো ধৰণৰ কাম-কাজ ঠিক মতে কৰি যাব পাৰিছে। এই ক্ষেত্ৰত আমি চাকচেচ্‌ফুল হোৱা দেখিবলৈ পাইছো। ৰাস্তা-ঘাট, বাট-পথ নিৰ্মাণ কৰিছে, স্বাস্থ্যৰ ক্ষেত্ৰত উন্নতি হৈছে, জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলসিঞ্চন, শিক্ষা, গ্ৰাম্য উন্নতিকৰণ, কৃষি, সমাজ কল্যাণ আদি সকলো দিশতে ৰাজ্যখনে এক সফলভাৱে ৰূপায়ণ কৰি উন্নয়ন কৰিব পাৰিছে। আমি শক্তিৰ ক্ষেত্ৰতো দেখিবলৈ পাইছো কিছু চৰ্টফল থাকিলেও উন্নতি কৰিব পাৰিছে। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। কৃষিৰ ক্ষেত্ৰতো বহুত উন্নতি হৈছে। আমি দেখিবলৈ পাইছো এই ক্ষেত্ৰত এক্সটেণ্ডড প্ৰজেক্টবিলাক চাক্‌চেক হৈছে। কৃষিৰ ক্ষেত্ৰত বিস্তৰ উন্নতি হৈছে। ইতিমধ্যে আমি গৌৰৱ কৰিব পাৰো এচিয়ান ডেভেলপমেণ্টে বেংকৰ সহায়-সহযোগ পোৱা হৈছে। বৰ্তমান বাজেটখনে আমাক সকলো দিশতে প্ৰায়ৰিটি দিব পাৰিছে। আমাৰ যিবিলাক সমস্যা আছে ইতিমধ্যে সমাধান কৰাত অসুবিধা নহ'ব। এইখিনি কথা আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। আমাৰ জনগোষ্ঠীসকলৰ কাৰণেও এই বাজেটখন ভাল বাজেট হৈছে। কাউন্সিলবিলাকো বিশেষভাৱে লাভান্বিত হৈছে। আজি নতুন নতুন টেকনিকত বান নিয়ন্ত্ৰণ কৰিব পৰা হৈছে। বিভিন্ন ধৰণে নতুন টেকনিক ব্যৱহাৰ কৰিব পৰা হৈছে। যিবোৰৰ পৰা আমাৰ ৰাজ্যখন মেনেজমেণ্ট কৰি আগবাঢ়ি যাব পাৰিছে। ইয়াৰ বাহিৰেও আজি অসমত এক শান্তিৰ

বাতাবৰণ সৃষ্টি কৰাৰ কাৰণে আগবাঢ়ি যাব পাৰিছে। উগ্রপন্থী আছে, তেওঁলোকৰ লগত তেওঁলোকৰ সমস্যাবিলাকৰ কাৰণে চৰকাৰে আলোচনা-বিলোচনা কৰিবলৈ বিচাৰিছে। মই আশা কৰো উগ্রপন্থীৰ সমস্যাৰ ক্ষেত্রত এটা সমাধান পাব। এইটো এতিয়া প্রয়োজন হৈছে। ইতিমধ্যে বিটিচিৰ যিটো সমস্যা বিটিচি ৰিলেটেড ২০০৩ চনৰ চুক্তি ৰূপায়ণ হোৱাৰ ক্ষেত্রত মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াই ব্যৱস্থা গ্রহণ কৰিব।

মাননীয় অধ্যক্ষ ঃ "এতিয়া সদন আজি ১৩-৭-১১ তাৰিখে আবেলি ৩.৩০ বজালৈ স্থগিত ৰখা হ'ল।"

(দুপৰীয়া আহাৰ বিৰতিৰ পিছত আবেলি ৩-৩০ বজাত পুনৰ অসম বিধানসভাৰ কার্য চৰকাৰী কার্য্যসূচী মাননীয় অধ্যক্ষ শ্রীপ্রণৱ গগৈ দেৱৰ অধ্যক্ষতাত অনুষ্ঠিত হয়)

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, শ্রীমনেশ্বৰ ব্রহ্মই ক'বলৈ বাকী আছে কওক।

*** শ্রীমনেশ্বৰ ব্রহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ বাজেটত বিটিচি উন্নয়নৰ কাৰণে ২৯০.০৬ কোটি টকাৰ ফাণ্ড দিছে আৰু ১০ কোটি টকা নন-ফাণ্ড হিচাবে বিটিচিক দিয়াৰ কাৰণে সাজু হৈছে। এইটো আমাৰ কাৰণে আদৰণীয় হৈছে। ২০১১ চনৰ চেনচাচমতে মুঠ জনসংখ্যা ৩১,৫৫,৩৫৯ টাচ কৰিছে আৰু ৪ খন জিলা ইয়াত আছে। বিটিচি উন্নয়নৰ কাৰণে এইখিনি টকা যথেষ্ট নহয় আৰু

---

* Speech not corrected

৫০০ মান কোটি টকা বিটিচিক দিয়াৰ কাৰণে অনুৰোধ জনাইছো। বিটিচিত আমাৰ বহুতো আন্তৰাষ্ট্ৰীয় বাউণ্ডাৰী আছে। এই আন্তৰাষ্ট্ৰীয় বাউণ্ডাৰী ডেভলপ কৰা কাৰণে অসম চৰকাৰে ভাৰত চৰকাৰৰ পৰা অনুমতি লয় তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিটিচিৰ উত্তৰত থকা মানাহ ৰাষ্ট্ৰীয় উদ্যান, বিটিচিৰ সীমাত থকা ভূটান, ৰঙিয়া, দৰঙামেলা, ওডালগুৰি, বৰ্ডাৰ, ইনটাৰনেচনেল বাউণ্ডৰীত যিখিনি ট্ৰাইবেল অঞ্চল আছে সেইখিনিৰ উপৰিও ভূটান আন্তৰাষ্ট্ৰীয় সীমান্তত ডাঙৰ ডাঙৰ গেপ দেখিবলৈ পাওঁ। তেখেতসকলে ইণ্ডিয়া হৈ অন্য দেশলৈ যাতায়ত কৰে। ভূটানত সোমাওঁতে চিম্বল হিচাপে এখন ডাঙৰ গেট আছে ঠিক তেনেকৈ আমাৰ ইয়াতো অশোকস্তম্ভৰ পীলাৰ দিয়া আঁচনি লোৱা হয় তেতিয়া ভাগ এট্ৰেকচন হ'ব। অসমৰ গুৱাহাটীত যিটো আন্তৰাষ্ট্ৰীয় বিমান বন্দৰ আছে, ভূটানে সেই বিমান বন্দৰৰ মাধ্যমেদি অন্য ঠাইলৈ অহা-যোৱা কৰা চার্ভিচ দিছে। বাহিৰৰ পৰাও পর্য্যটকসকল এই বিমান বন্দৰেদি অহা-যোৱা কৰে সেই কাৰণে ৰাস্তাবিলাক উন্নত কৰাৰ প্ৰয়োজন আছে। বেংকক, চাউথ ইণ্ডিয়া আদিৰ পৰাও গুৱাহাটীত থকা আন্তৰাষ্ট্ৰীয় বিমান বন্দৰেদি বিভিন্ন কামৰ উপৰি টুৰিষ্টসকলে ব্যৱহাৰ কৰে। ইয়াৰোপৰি আন্তগাঁঠনি বজাৰসমূহ হেন্ডিকাফ বজাৰৰ কাৰণে আঁচনি লয় তাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো। বিটিচিত এতিয়া যিখিনি দফা ইমপ্লিমেণ্ট হ'ল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সদ ইচ্ছা থকা বাবে প্ৰকাশ

পাইছে। লগতে উন্নয়নৰ কাৰণে যিখিনি ব্যৱস্থা লৈছে তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, কার্বি-আংলং এচ,টি, ষ্টেট হিলচৰ দফাকেইটা এতিয়ালৈকে ৰূপায়ণ কৰা হোৱা নাই। তথাপিতো অসম চৰকাৰে কৰণীয়খিনি কৰি দিছে। জিলাত থকা পাব্লিক চেক্টৰৰ কামবিলাক চৰকাৰে কৰি দিয়ে তাৰ কাৰণে মই বিনম্ৰ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, বিটিচি সীমান্তত যিখিনি সংগঠন আছিল তেওঁলোকে মাটি বেদখল কৰিছে। তাৰ ভিতৰত ৫০ শতাংশ ৰিহাবিলিটিজ হৈছে বাকী যিখিনি ল'ৰা আছে স্পেচিয়েলি দৰকাৰ হ'লে কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰি বিহিত ব্যৱস্থা লোৱা হয় তাৰ কাৰণে মই অনুৰোধ জনাইছো। বড়োলেণ্ডৰ আন্দোলনত মৃত্যু হোৱা লোকৰ আত্মীয়ই চুক্তিমতে এন্সগ্রেচিয়া পায় তাৰ কাৰণে ব্যৱস্থা ল'ব লাগে। যিবিলাক কেচ উইদ্র হ'ব লাগিছিল তাৰ আধাভাগে হোৱা নাই। যিবোৰ কেচ আছে সম্পূর্ণভাৱে যাতে উইদ্র হয় তাৰ কাৰণে বিনম্ৰ অনুৰোধ জনাইছো। বিটিচি উন্নয়ন আৰু শান্তিৰ কাৰণে তেখেতসকলে যুদ্ধ বিৰতি ঘোষণা কৰিছে। বিপিএফ প্রধান হাগ্রামা মহিলাৰী ডাঙৰীয়াই বড়োলেণ্ডৰ প্রস্তাৱবোৰ আগুৱাই নিয়াৰ কাৰণে কাম কৰি আছে। বিদ্রোহী সংগঠনৰ গোটটোৱে ৬ মাহৰ কাৰণে যুদ্ধ বিৰতি ঘোষণা কৰিছে। তেওঁলোকৰ লগত আলোচনাত বহাৰ কাৰণে অসম চৰকাৰৰ মুখ্যমন্ত্রী মহোদয়ে ব্যৱস্থা লয় তাৰ কাৰণে মই বিনম্ৰ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয় আমাৰ ৰঞ্জন দৈমাৰী গোটটো আগবাঢ়ি আহিছে মই আমাৰ মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে এই সুযোগটো আমাৰ চৰকাৰে গ্রহণ কৰে। চুবুৰীয়া ৰাজ্য অৰুণাচলে সৰু সৰু ৰাজ্যৰ কাৰণে ডেৰ কোটি টকা ধৰিছে, আমাৰ চৰকাৰেও ২ কোটি টকা ধৰিব পাৰে। ভেঞ্চাৰ স্কুলসমূহৰ ক্ষেত্রতো চৰকাৰে পদক্ষেপ লৈছে। গতিকে সকলো দিশৰ পৰা এই বাজেটখন এখন সময় উপযোগী বাজেট হৈছে। আজি একতা আৰু শান্তিৰ বাতাবৰণ সৃষ্টি হৈছে। গতিকে এই বাজেটৰ ওপৰত ধন্যবাদসূচক প্রস্তাৱ আগবঢ়াই সকলোকে ধন্যবাদ দি সামৰণি মাৰিছো।

শ্রীপিয়ুষ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি মাননীয় মুখ্যমন্ত্রী মহোদয়ে, আঠ মাহৰ কাৰণে যি বাজেট সদনৰ মজিয়াত দাঙি ধৰিলে। এই বাজেটখন এখন ইতিবাচক বাজেট। ভাৰতবর্ষৰ এখন অঙ্গ ৰাজ্য অসম। অসমৰ অর্থনীতি কৃষিৰ ওপৰত নির্ভৰশীল। এই কৃষিৰ ওপৰত নির্ভৰশীল মানুহখিনি গাঁও অঞ্চলত বসবাস কৰে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্যৰ সমস্যা আছে, শিক্ষাৰ সমস্যা আছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে যি বাজেট উত্থাপন কৰিছে তাত গাঁৱৰ মানুহৰ উন্নয়নৰ কাৰণে পঞ্চায়তী ৰাজ সাহায্যৰ কাৰণে ৮৪৭.৫৬ কোটি টকা বাজেটত ধৰা হৈছে। কৃষি ক্ষেত্রত ৭৮৫.৬৭ কোটি টকা আৱণ্টন দিয়া হৈছে। স্বাস্থ্যৰ ক্ষেত্রত ৪.৬১৪৯ কোটি টকা শিক্ষাৰ ক্ষেত্রত ৫৮২.৯৩ কোটি

টকা ধৰা হৈছে। আজি মানুহে মূল্য বৃদ্ধিৰ কথা কৈছে। আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়া অসমৰ দুখীয়া ৰাইজৰ কাৰণে দায়বদ্ধ। সেয়ে তেখেতে গেছৰ দাম ১৪ টকা কমাই দিছে। আমাৰ তিনিখন বিশ্ববিদ্যালয়ৰ ঠাইত ১২ খন কৰাৰ যি সিদ্ধান্ত হৈছে ই এক বৈপ্লৱিক পৰিৱৰ্তন হৈছে, তাৰবাবে মই মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো অন্নপূর্ণা কার্ডসমূহ পূৰণা হৈ গৈছে। গতিকে এইসমূহ নতুন কৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে গাঁৱৰ দুখীয়া মানুহৰ সুবিধা হয়। বি, ডি, ও সকলক গাড়ী দিয়াৰ কথা কৈছে যাতে তেওঁলোকে ঘূৰিব পাৰে। ঘূৰিব নোৱাৰিলে কাম কৰিব নোৱাৰিব। তাৰ বাবে মই গ্রামোন্নয়ন মন্ত্রী মহোদয়ক ধন্যবাদ দিছো। লগতে মুখ্যমন্ত্রী মহোদয়কো ধন্যবাদ দিছো। অনুসূচীত জাতি প্রসংগত অৱহেলিত নিষ্পেষিত সকলৰ কাৰণেও এই বাজেটত স্থান পাইছে। আমাৰ মাননীয় বিধায়ক প্রফুল্ল কুমাৰ মনন্ত ডাঙৰীয়া দুবাৰকৈ মুখ্যমন্ত্রী হৈছিল ছয়বাৰ বিধায়ক হৈছে কিন্তু মই এটা কথা বুজি নাপালো যে তেখেতে...., মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি একপক্ষীয়ভাৱে সভা স্থগিত প্রস্তাৱ আনিলে। গুৱাহাটীত যোৱা ১২ জুলাই তাৰিখে অগ্নি সংযোগ কৰা হৈছিলে। তাত ৰাহুল আলি নামৰ ল'ৰা এজনৰ মৃত্যু হৈছিল। মৃত্যু কাৰো কাৰণে কাম্য নহয়। কাৰো মৃত্যু নহ'বলৈকে আমি ভগৱানৰ ওচৰত প্রার্থনা জনাওঁ। কিন্তু তেখেতে এই গুৰুত্বপূর্ণ কথাটো এৰাই বিপথে পৰিচালিত কৰি সভা স্থগিত প্রস্তাৱ আনিছে। আমি তেখেতৰ পৰা কি শিক্ষা ল'ম? পুলিচ

বিষয়াকো মাৰপিট কৰা হৈছিল, বহুকেইটা মেডিয়াৰ সাংবাদিক নিউজ লাইফ, ডিওৱাই ৩৬৫ আদিকে ধৰি কেইবাগৰাকী সাংবাদিক আহত হৈছে। তেওঁলোককো প্ৰতিবাদকাৰীসকলে মাৰিছিল। তেওঁলোক আমাৰ মানুহ নহয় নেকি? তেওঁলোকৰ কাৰণে যে সভা স্থগিত প্ৰস্তাৱ নানিলে, কিয়? সাংবাদিকসকল বা পুলিচ বিষয়াসকল আমাৰ পৰা বেলেগ নহয় আৰু তেওঁলোকে ৰাজনীতিও কৰা নাই।

অধ্যক্ষ মহোদয়, যোৱাকালি যি সভা স্থগিত প্ৰস্তাৱ অনা হৈছিল তাত চৰকাৰী পুলিচ বাহিনীৰ দ্বাৰা প্ৰতিবাদকাৰীসকলৰ হত্যা কৰা কথা কোৱা হৈছিল। পুলিচ বাহিনী নিশ্চয় আমাৰ পৰা বেলেগ হ'ব নোৱাৰে। তেওঁলোকে আমাক ৰক্ষণাবেক্ষণ দিয়ে, জনসাধাৰণক ৰক্ষণাবেক্ষণ দিয়ে। গতিকে আমি তেওঁলোকক সন্মান কৰিব লাগে। লগতে যিবিলাক সাংবাদিকে তালৈ গৈছিল তেওঁলোকেও কোনো ৰাজনীতি কৰিবলৈ যোৱা নাছিল। তেওঁলোককো মাৰপিট কৰা হ'ল। গণতন্ত্ৰত সমালোচনা, আত্ম-সমালোচনা থাকিবই। এইখিনিতে মই মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াক কেইটামান কথাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে এটা অতি গুৰুত্বপূৰ্ণ কথা কৈছিল। তেখেতে কৈছিল যে আমি যে নিৰ্বাচনত হাৰিলো এই কথাটো মই স্বীকাৰ কৰিছো। অসমৰ জনসাধাৰণে এই নিৰ্বাচনত আমাৰ দলক প্ৰত্যাখ্যান কৰিছে। কিন্তু পদ্ম হাজৰিকা ডাঙৰীয়াৰ বাহিৰে অগপ দলৰ কোনেও স্বীকাৰ কৰা নাই যে অসমৰ জনসাধাৰণে তেওঁলোকক প্ৰত্যাখ্যান

কৰাৰ বাবে এ জি পি দলটোৰ শোচনীয় পৰাজয় হৈছে। তেওঁলোকে পৰাজয়ৰ কাৰণ হিচাপে কয় যে ই ভি এম মেচিন। গতিকে এ জি পি দলৰ ৰাইজৰ প্ৰতি সন্মান আছে নে নাই সেইটো এটা গুৰুত্বপূৰ্ণ কথা। পদ্ম হাজৰিকা ডাঙৰীয়াই কৈছে- ই ভি এম মেচিনৰ কাৰণে দলে পৰাজয় বৰণ কৰা নাই বৰঞ্চ অসমৰ ৰাইজে তেওঁলোকৰ দলক প্ৰত্যাখ্যান কৰাৰ কাৰণেহে যে নিৰ্বাচনত পৰাজয় বৰণ কৰিছে, সেইটো স্বীকাৰ কৰি লোৱাৰ বাবে আজি আমাৰ যুৱ প্ৰজন্মৰ লোকসকলে তেখেতক সন্মান কৰিবলৈ আমাক বাধ্য কৰিছে। তেখেতক আমি নিশ্চয় সন্মান কৰিবই লাগিব। আজি অসমৰ আন এটা জ্বলন্ত সমস্যা হৈছে বৃহৎ নদী-বান্ধ প্ৰকল্প। আজি সকলোৱে কাৱেণ্ট যোৱাৰ লগে লগে চৰকাৰক গালি পাৱে। কিন্তু আমাৰ কাৱেণ্টৰ কাৰণে যে বৃহৎ নদী-বান্ধ লাগে এই কথা কোনেও নকয়। সেই কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাওঁ যে নামনি অঞ্চলত যাতে এই নদী বান্ধৰ ফলত কোনো ক্ষতি সাধন নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰি কাম আগবঢ়াই লৈ যাব লাগে। কাৰণ ধেমাজী বা লক্ষীমপুৰ আমাৰ পৰা দূৰত হ'ব নোৱাৰে। মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যোৱাকালি এটা কথা কৈছিল যে ধৰ্ণা বা প্ৰতিবাদী কাৰ্যসূচীত ক্ৰাউদ কণ্ট্ৰল কৰাৰ ক্ষেত্ৰত লেথাল ওৱেপন ব্যৱহাৰ কৰিব নালাগে বুলি ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ২০১০ চনত এটা নিৰ্দেশ জাৰি কৰিছিল বুলি কৈছিল। কিন্তু যেতিয়া অসমত গুপ্ত হত্যা সংঘটিত হৈছিল সেই সময়ত এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাহেঁতেন তেতিয়াহ'লে

সেইবোৰ নিশ্চয় ক'লা অধ্যায় নহ'লহেঁতেন। এই কথাবিলাক আমি নিশ্চয় চিন্তা কৰি চাব লাগিব। আজি আমাৰ মুখ্যমন্ত্রী মহোদয়ক আমি ধন্যবাদ জনাইছো তেখেতে মদৰ দাম বঢ়াই দিছে, গুটখাৰ দাম বঢ়াইছে। কিন্তু এইবিলাক কথা যদি আমি বিৰোধী পক্ষৰ পৰা শুনিলোহেঁতেন তেন্তে আমি নিশ্চয় তেওঁলোকক সন্মান কৰিলোহেঁতেন। আজি আমাৰ মুখ্যমন্ত্রী মহোদয়ে বে-চৰকাৰী স্কুলসমূহ চৰকাৰীকৰণ কৰাৰ কথা বাজেটত উল্লেখ কৰিছে। এই প্রাদেশীকৰণ আঁচনিৰ অধীনত অহা ৫ বছৰত প্রায় ৯৫ হাজাৰ গৰাকী শিক্ষক আৰু কর্মচাৰীক সামৰি লোৱাৰ সম্ভাৱনা আছে। আজি স্বাস্থ্য খণ্ডতো বৈপ্লৱিক পৰিৱর্তন হৈছে। আমি সকলোৱে দেখিছিলো যে আগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়খন কি অৱস্থাত আছিল, আৰু আজি কি হৈছে। এই কথাবোৰ আজি অসমৰ ৰাইজে নিজ চকুৰে দেখিছে। যোৱা ৫টা বছৰত ৬ খন চিকিৎসা মহাবিদ্যালয় হৈছে আজি আই এ ৰাইৰ ঘৰৰ কথা কোৱা হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্রী আৰু মাননীয় গ্রামোন্নয়ন মন্ত্রী ডাঙৰীয়াই কৈছে যে আই এ ৰাইৰ ঘৰৰ কাম যিবিলাক বন্ধ হৈ আছিল সেইবিলাক অতি সোনকালে সম্পূর্ণ কৰিব লাগিব। কাৰণ এইবিলাক গাঁৱৰ গৰীব জনসাধাৰণৰ বাবে কৰা হৈছে। ৰাইজে আমাক ভোট দি জিকাই পঠিয়াইছে। যদি আমি ৰাইজৰ কাৰণে মাত নামাতো ৰাইজে আমাক ভাল নাপাব। সেই কাৰণে আমি অসমৰ ৰাইজৰ ওচৰত দায়বদ্ধ। আজি আমাৰ যুৱচামে আমাৰ যুৱ বিধায়কসকলক কৈ আছে যে আপোনালোকে

আমাৰ কাৰণেও চিন্তা কৰিব। মুখ্যমন্ত্ৰী মহোদয়েও আমাৰ যুৱকসকলক আত্ম-সংস্থাপনৰ জৰিয়তে সংস্থাপন কৰাৰ কথা কৈছে। আজি চৰকাৰে সকলোকে চৰকাৰী চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। আজি আমি বহু খাদ্যবস্তু বাহিৰৰ পৰা আনিবলগীয়া হয়। ইয়াৰ বাবে যদি আমি আমাৰ ৰাজ্যত আত্মসহায়ক গোট স্থাপন কৰি সেইবোৰ বস্তু ইয়াতে উৎপাদিত কৰিব পাৰো তেতিয়াহ'লে আমাৰ বহু সমস্যা সমাধান হোৱাৰ লগতে নিবনুৱা সমস্যাও কিছু পৰিমাণে লাঘৱ হ'ব। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আমাক গাঁৱৰ ৰাইজৰ উপকাৰ হোৱাকৈ চিন্তা কৰি আঁচনি ল'বলৈ নির্দেশ দিছে। আজি এইবিলাক কথা যদি আগৰ চৰকাৰখনে চিন্তা কৰিলেহেঁতেন তেতিয়াহ'লে আজি অসমৰ ইমান সমস্যা নাথাকিলেহেঁতেন। আমি কোৱা নাই যে অসমৰ সমস্যা শেষ হৈছে। অসমৰ সমস্যা আছে। কিন্তু আগৰ চৰকাৰে এই সমস্যাবোৰৰ সমাধানৰ বাবে একো নকৰিলে। ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ এ জি পি দলে শাসন চলাইছিল। সেই সময়ত শিক্ষকসকলে দৰমহা নোপোৱাৰ বাবে আত্মহত্যা কৰিছিল। সেই সময়ত যদি চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিলেহেঁতেন তেন্তে বহু সমস্যা সমাধান কমি গ'লহেঁতেন। কিন্তু আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ভাল মন লৈ সকলোকে একেলগে লৈ সমস্যাবোৰ সমাধানৰ বাবে আগবাঢ়ি গৈছে। আজি আমাৰ অসমত 'ডি' ভোটাৰৰ সমস্যাটো এটা গুৰুত্বৰ সমস্যা। কিন্তু এই সমস্যাটো সমাধানৰ বাবে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে দৃঢ় পদক্ষেপ লৈছে।

অধ্যক্ষ মহোদয়, বৃহৎ নদী বান্ধৰ কথা কোৱা হৈছে। বৃহৎ নদী বান্ধে অসমত কোনো সমস্যা নকৰে বৰং বিদ্যুৎ উৎপাদন হ'ব। আমাৰ দুখীয়া কৃষকে নিজে বিদ্যুৎ উৎপাদন কৰি কৃষিকর্ম কৰিব নোৱাৰে, দুখীয়া কৃষকে জেনেৰেটৰ কিনি বিদ্যুৎ উৎপাদন কৰিব নোৱাৰে। আমাৰ দুখীয়া মানুহে কৃষকসকলে ইনভাৰটাৰ কিনিব নোৱাৰে। অসমৰ উন্নয়নৰ কাৰণে, কৃষকসকলৰ উন্নয়নৰ কাৰণে বিদ্যুৎ উৎপাদন কৰিবই লাগিব। ইয়াৰ বাবে নদী বান্ধৰ বিৰুদ্ধে আন্দোলন কৰিলে একো লাভ নহ'ব। আন্দোলনে সমস্যা সমাধান নকৰে। অসমৰ উন্নয়নৰ কাৰণে, অসমৰ দুখীয়া কৃষক ৰাইজৰ উন্নয়নৰ কাৰণে, আমি আপাৰ আসাম, ল'ৰাৰ আসাম, বৰাক ভেলী, হিন্দু, মুছলমান আদিৰ ৰাজনীতি কৰি অসমখন ভাগ ভাগ কৰিবলৈ নালাগে। আজি আমাৰ মাননীয় সদস্য শ্রীবিনন্দ শইকীয়াই আমাৰ বিধায়ক উন্নয়ন পুঁজিৰ বৃদ্ধিৰ বাবে এটা প্রস্তাৱ দিছে। এইটো মই সমর্থন জনাইছো। লোকসভাৰ সদস্যসকলৰ উন্নয়ন পুঁজি ২ কোটিৰ পৰা ৫ কোটিলৈ বৃদ্ধি কৰিছে। আমাৰো বিধায়কসকলৰ উন্নয়ন পুঁজি ৪০ লাখৰ পৰা এক কোটিলৈ বৃদ্ধি কৰিব লাগে। আৰু এটা কথা, আমাৰ বিধায়কসকলৰ ওচৰলৈ বহুত মানুহ, ৰোগী পইচা বিচাৰি আহে আৰু আমাৰ বিধায়কসকলে কিবা কৰি ২০০ টকা উলিয়াই দিয়ে। গতিকে ৰোগীসকলক সাহায্যৰ বাবে বিধায়কসকলক ৰোগী চিকিৎসা পুঁজি এটা দিব লাগে। আমাৰ মাননীয় সদস্য কেশৰ মহন্ত ডাঙৰীয়াই এটা কথা কৈছিলে যে কংগ্রেছৰ বিধায়কৰ সংখ্যা বেছি, আমি কিন্তু অকল

কংগ্রেছৰ কথা চিন্তা কৰা নাই, বিৰোধী বিধায়কসকলৰ কথাও চিন্তা কৰি এই কথা কোৱা হৈছে। আৰু এটা কথা, এতিয়া ডি ভোটাৰৰ নামত এটা ৰাজনৈতিক অচলাৱস্থা হৈছে, কোনে কি মনোভাৱেৰে এইবোৰ কৰি আছে নাজানো। মোৰ ৰহা সমষ্টিত কেইদিনমান আগতে এটা ঘটনা ঘটিছিল। এখন ঠাইলৈ পুলিচ যাওঁতে ডি-ভোটাৰ ধৰিবলৈ আহিছে বুলি পুলিচক মাৰ-পিট কৰি ঘূৰাই পঠালে। আমাৰ মুখ্যমন্ত্রী মহোদয়ে নির্দেশ দিছেই যাতে ডি-ভোটাৰৰ নামত কোনো ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰিব নোৱাৰে। মই মোৰ ৰহা সমষ্টিৰ মানুহকো হাৰাশাস্তি কৰিবলৈ দিব নোৱাৰো। মাননীয় মুখ্যমন্ত্রী মহোদয়ে গোটেই অসমৰ মানুহক চাব, মই মোৰ সমষ্টিক চাম, বাকী বিধায়কসকলে নিজৰ নিজৰ সমষ্টি চাব। ৰহাৰ ঘটনাটোৰ বিষয়ে মই সোধাত পুলিচে মোক ক'লে যে, তেওঁলোকে আসামী ধৰিবলৈহে গৈছিলে। ভুল বুজা-বুজি হৈ ৰাইজে পুলিচৰ গাড়ী ভাঙি দিলে আৰু আমাৰ জিলা-পৰিষদৰ সভাপতি এজনৰো গাড়ী ভাঙি দিয়া হ'ল। ৰাজনৈতিক মুনাফা লাভৰ বাবে এনে কিছুমান কাম কৰিব নালাগে। অসমৰ যিকোনো সমস্যাৰ ওপৰত আমাৰ পৱিত্র সদনে উচিত বিচাৰ কৰিব। গতিকে এই পৱিত্র সদনক কেতিয়াও বিপথে পৰিচালিত কৰিব নালাগে। 'বিগডাম বিৰুদ্ধে আন্দোলন, গুৱাহাটীত মাটিৰ পট্টনৰ বাবে আন্দোলন, আন্দোলনৰ কাৰণে আন্দোলন কৰিব নালাগে। আন্দোলনৰ নামত দিশপুৰ লাষ্ট গেটত তিনিখনকৈ এ, এচ, টি, চিৰ বাছ জ্বলাই দিয়া হ'ল, ইয়াৰ কাৰণে প্রায় তিনিকোটি

টকাৰ লোকচান হ'ল চৰকাৰৰ, এইটো মাননীয় মন্ত্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়াই ক'ব পাৰিব। ৰাজহ বিভাগৰ ক্ষেত্ৰত যিবিলাক কথা আলোচনা হৈছে, যি বিলাক সমস্যাৰ কথা উঠিছে, এইবিলাক ক্ষেত্ৰত আমাৰ জ্যেষ্ঠ মন্ত্ৰী মাননীয় মাঝি ডাঙৰীয়াই বিশেষ ব্যৱস্থা ল'ব যাতে সমস্যা সমাধানৰ কথাবিলাক তৰান্বিত হয়। কৃষি বিভাগৰ ক্ষেত্ৰত বিনন্দ শইকীয়া ডাঙৰীয়াই যি ২২ খন আঁচনিৰ কথা কৈছে, যে তেখেতে একো গম পোৱা নাই। তেখেত দ্বিতীয়বাৰৰ বাবে বিধায়ক হৈয়ো বুজিব পৰা নাই যেতিয়া, আমি নতুন বিধায়কসকলে কেনেকৈ বুজি পাম। এই কথাবিলাকত মাননীয় কৃষি মন্ত্ৰী নীলমণি সেন ডাঙৰীয়াই গুৰুত্ব আৰোপ কৰিব, যাতে অসমৰ উন্নয়ন হয়, অসমৰ কৃষকসকলৰ উন্নয়ন হয়। অসমৰ উন্নয়নৰ কাৰণে অসমৰ কৃষকসকলৰ, অসমৰ দুখীয়া জনসাধাৰণৰ উন্নয়ন হ'ব লাগিব। আগতে বিধায়কসকলৰ দৰমহা ৩০ হাজাৰ আছিল এতিয়া ৬৭ হাজাৰ কৰিছে। সেইদৰে আমি দুখীয়া মানুহখিনিৰ বাবেও চিন্তা কৰিব লাগিব। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ লোকসকলক সকাহ দিয়াৰ কাৰণে ৰন্ধন গেছৰ দাম কমাই দিছে। শেষত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন উন্নয়নমুখী বাজেট দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য, জয়ন্ত মল্ল বুজৰ বৰুৱাই তেখেতৰ বক্তব্য ৰাখিব।

*** শ্ৰীজয়ন্ত মল্ল বুজৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ জুলাই

---

* Speech not corrected

তাৰিখে আমাৰ মাননীয় বিত্ত বিভাগৰ মন্ত্রী তথা মুখ্যমন্ত্রী ডাঙৰীয়াই এই পৱিত্র সদনত যিখন বাজেট উত্থাপন কৰিছে, এই বাজেটখন সঁচাকৈয়ে এখন উন্নয়নমূলক আৰু জনকল্যাণকামী বাজেট। এই বাজেটখনে অসমৰ সকলো লোকৰ সকলো অঞ্চলৰ উন্নয়ন সাধন কৰিব। আমাৰ বিৰোধী পক্ষৰ বিধায়কসকলে বিভিন্ন কথা ক'ব পাৰে। কিন্তু মই এখন জনমুখী বাজেট কৰাৰ বাবে মুখ্যমন্ত্রী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, এই বাজেটত ৪র্থ বিত্তীয় আয়োগৰ পৰামর্শমতে বাজেটৰ ১৪ শতাংশ পুঁজি পঞ্চায়ত আৰু নগৰ পালিকাক দিয়াৰ কথা কোৱা হৈছে। ৬৪০.৮২ কোটি টকা নগৰ পালিকা আৰু গাঁও পঞ্চায়তসমূহলৈ যাব। এই ক্ষমতাৰ বিকেন্দ্রীকৰণৰ ফলত ক্ষুদ্র ক্ষুদ্র নগৰ পালিকাবিলাকে উন্নয়ন কৰিব পাৰিব সেইটো সকলোৱে উপলব্ধি কৰিব পাৰিব। অসমৰ জনসংখ্যাৰ ৯০ শতাংশ লোকেই কৃষক। এই কৃষকসকলক ১১.২০ কোটি কৃষি ৰূপ দিয়াৰ (কে, চি, চি) দিয়াৰ ব্যৱস্থা কৰা হৈছে। মই কৃষি মন্ত্রী মহোদয়ক এটা কথা অনুৰোধ কৰিব খুজিছো যে, কৃষকসকলক) (কে, চি, চি,) কৃষি ৰূপ দিওঁতে যাতে বেংক কর্ত্তৃপক্ষই অনাহক অসুবিধাৰ সৃষ্টি নকৰে তাৰ প্রতি লক্ষ্য ৰাখিব। এই বাজেটত মাননীয় মুখ্যমন্ত্রী মহোদয়ে নিবনুৱাসকলৰ কাৰণে বিশেষ চিন্তা কৰি খালী থকা আৰু নতুনকৈ সৃষ্টি কৰা ৮৮,২৯০ পদত নিযুক্তিৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে নিয়মীয়া ভিত্তিত আৰু ঠিকা ভিত্তিত প্রায় ৪০ হেজাৰ গৰাকী শিক্ষক

নিয়োগ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই তিনি লাখতকৈ অধিক কোটি টকাৰ ৮ মহীয়া বাজেটখনত ইমানখিনি সুবিধা প্ৰদান কৰাৰ পিছতো যদি বিৰোধী পক্ষৰ পৰা এই সাফল্যৰ বিৰোধিতা কৰে তেতিয়াহ'লে তাতকৈ হাস্যকৰ কথা একো হ'ব নোৱাৰে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যখনৰ সৰ্বদিশৰ উন্নতিকল্পে যি দৃঢ় পদক্ষেপ লৈছে তাত সকলোৱে শলাগিবলগীয়া। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অন্ন সুৰক্ষা যোজনাৰ অধিক পৰিশোধন আৰু উন্নতিকৰণেৰে ২০১১-১২ চনলৈ চলাই থকা হ'ব বুলি জনাইছে যাতে প্ৰকৃত হিতাধিকাৰীসকলে এই আঁচনিৰ পৰা বাদ পৰি নাযায়। এই আঁচনিৰ দ্বাৰা ২০ লাখ পৰিয়াল উপকৃত হ'ব। ২০ লাখ পৰিয়াল উপকৃত হ'ব, এইটো এটা কম ডাঙৰ কথানে? এইবিলাক কথা আমি ভাবিব লাগে। কেবাগৰাকী সদস্যই আভ্যন্তৰীণ নিৰাপত্তাৰ ক্ষেত্ৰত সমালোচনা কৰিছে। কিন্তু আমাৰ চৰকাৰে ১৯১ খন আৰক্ষী থানা, ৯৯ টা আৰক্ষী চকী, ১১৪৭টা কোৱার্টৰ আৰু ৭০৩টা ..... ওৱেষ্ট কোৱার্টাৰ নিৰ্মাণৰ ব্যৱস্থা হাতত লৈছে। ইয়াৰোপৰি ২০১১-১২ চনতৰ সময়ছোৱাত ১২ খন আৰক্ষী থানা আৰু ১০টা আৰক্ষী চকী স্থাপনৰ প্ৰস্তাৱ লৈছে। তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীক মই অনুৰোধ জনাব বিচাৰিছো— নলবাৰী জিলাখন একালত উগ্ৰপন্থী অধ্যুষিত অঞ্চল আছিল। উগ্ৰপন্থীৰ দখলত আছিল। এতিয়া কিন্তু সেইটো উপশম হৈছে। আলফাৰ উপাধ্যক্ষৰ ঘৰো এই জিলাতে আছিল। নলবাৰী জিলাৰ বিশেষকৈ বাহজানী অঞ্চলত উগ্ৰপন্থীৰ প্ৰভাৱ

বেছি আছিল। মই এই সুযোগতে মাননীয় মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনাওঁ যাতে বাহজনী অঞ্চলত এখন থানা নহ'লেও এটা আৰক্ষী চকী আইন-শৃংখলা ৰক্ষা কৰাৰ কাৰণে দিয়াৰ ব্যৱস্থা লয়। কিয়নো এই অঞ্চলতে একালত এজন মন্ত্রীক হত্যা কৰা হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰে ১৮ খন উন্নয়ন পৰিষদৰ কাৰণে প্রায় ২৪ কোটি টকা আৱণ্টন দিছে। দেখা যায় কেতিয়াবা কেতিয়াবা উন্নয়ন পৰিষদ গঠন কৰা হয়, কিন্তু পুঁজি আৱণ্টন দিয়া নহয়। মুখ্যমন্ত্রী মহোদয়ে উন্নয়ন পৰিষদ গঠন কৰাৰ লগে লগে ২৪ কোটি টকা আৱণ্টন দিলে। সেইদৰে চৰ অঞ্চলৰ উন্নয়নৰ কাৰণে ৪০ কোটি টকা আৰু চাহ জনজাতিৰ কাৰণে ২১ কোটি টকা দিছে। মুঠতে চৰকাৰে সকলো অঞ্চলতে বিশেষকৈ পিছপৰা অঞ্চলো যাতে সমানে আগবাঢ়ি যাব পাৰে তাৰ কাৰণে গোটেই ৰাজ্যখনৰ চুকে-কোণে সাঙুৰি লৈছে। সেইদৰে শিক্ষাৰ ক্ষেত্রত চৰকাৰে এটা নৱজাগৰণ আনিবলৈ প্রযত্ন কৰিছে। প্রতিটো বসতি স্থানত ১ কিলোমিটাৰ খোজ কঢ়া দূৰত্বৰ ভিতৰত এখন নিম্ন প্রাথমিক বিদ্যালয়, তিনি কিলোমিটাৰ দূৰত্বত এখন উচ্চ প্রাথমিক বিদ্যালয় আৰু প্রতি ৫ কিলোমিটাৰ দূৰত্বত এখন হাইস্কুল স্থাপন কৰাৰ ব্যৱস্থা হাতত লৈছে। ২০০৬ চনৰ আগতে স্থাপিত আৰু প্রয়োজনীয় আনুষ্ঠানিকতা সম্পূর্ণ কৰা শৈক্ষিক প্রতিষ্ঠানসমূহক পর্য্যায়ক্রমে প্রাদেশিকৰণৰ বাবে এখন নতুন বিধেয়ক অনাৰ যো-জা কৰিছে। ইয়াৰ দ্বাৰা অহা ৫ বছৰত প্রায় ৯৫ হাজাৰ শিক্ষক আৰু কর্মচাৰীক সামৰি লোৱাৰ সম্ভাৱনা আছে। এনেদৰে চৰকাৰে

শিক্ষাৰ ক্ষেত্ৰত এক নৱ জাগৰণ আৰু এক বিপ্লৱ অনাৰ সূচনা কৰিছে। বিৰোধী পক্ষত থাকিলেও আচলতে এনেবোৰ ভাল কামৰ ক্ষেত্ৰত বিৰোধিতা কৰিব নাপায়। ইয়াৰোপৰিও সাহিত্যিক, সাংস্কৃতিক, শিল্পী আৰু ক্ৰীড়া পেঞ্চনৰ পৰিমাণ মাহিলী ২০০০ৰ পৰা ৪০০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লৈছে। এই ক্ষেত্ৰত মই এজন ভুক্তভোগী, মোৰ দেউতা এজন সাহিত্যিক, ২০০০ টকা আচলতে কিতাপ-পত্ৰ বা কাগজ-পত্ৰ কিনি সাহিত্যৰ কাম কৰা অসুবিধা হয়। গতিকে চৰকাৰে যেতিয়া ৪০০০ টকাকৈ বৃদ্ধি কৰিছে তাত আমি সুখী হৈছো। তাৰ পিছত আশাকৰ্মীসকললৈ মোবাইল ফোন দিয়াৰ কাৰণে গ্ৰাম্যাঞ্চলৰ লোকসকল বহুখিনি উপকৃত হ'ব। এই ক্ষেত্ৰত আচলতে আপত্তি কৰিবলগীয়া একো নাই। বিৰোধী পক্ষৰ নেতাসকলে গ্ৰামাঞ্চলত নাযায়। গতিকে তেওঁলোকে গ্ৰাম্যাঞ্চলৰ মানুহৰ অসুবিধাখিনি কেনেকৈ বুজিব? কিন্তু আমি গাঁও অঞ্চলত ঘূৰি ফুৰো কাৰণে গ্ৰাম্যাঞ্চলত মোবাইল ফোনৰ প্ৰয়োজনীয়তা কিমান বুজি পাওঁ। মোবাইল ফোনে এই ক্ষেত্ৰত কেনে ধৰণৰ সহায় আগবঢ়াব সেইটো আমি বুজিব পাৰো। ই এক যুগান্তকাৰী পদক্ষেপ বুলি ক'ব পাৰি। শিশু, মহিলা, অক্ষম লোক আৰু সমাজৰ বৃদ্ধ তথা অলৰ-অচৰ লোকসকলৰ কল্যাণৰ অৰ্থে কেবাখনো আঁচনি হাতত লৈছে আৰু মহিলা উন্নয়ন কৰ্ত্তৃপক্ষ স্থাপনৰ প্ৰস্তাৱ আছে। অঙ্গনবাদী কৰ্মী আৰু সহায়িকাৰ মাহেকীয়া মাননী বৃদ্ধি কৰাৰ লগতে তেওঁলোকক বিনামূলীয়া ছাতি যোগান ধৰাৰ বাবে দুই কোটি টকা ৰাখিছে। ইয়াৰ দ্বাৰা তেওঁলোকৰ কৰ্মদক্ষতা বাঢ়িব।

মাননীয় অধ্যক্ষ মহোদয়, সেইদৰে ২০১১-১২ বিত্তীয় বর্ষত ৮০ খন পশু চিকিৎসালয় আৰু উপকেন্দ্ৰ স্থাপনৰ বাবে প্ৰস্তাৱ লৈছে। আৰু এখন পশু চিকিৎসা বিশ্ববিদ্যালয় নতুনকৈ স্থাপন কৰাৰ প্ৰস্তাৱ লৈছে। ইয়াৰ দ্বাৰা পশুচিকিৎসক সকলে পশুপালক সকলৰ নিচেই ওচৰ চাপিব পাৰিব। তাৰোপৰি প্ৰতিখন জিলাতে একোখন ভ্ৰাম্যমান পশু চিকিৎসালয় অন্তৰ্ভুক্তিৰে পশুপালকসকলৰ ঘৰে ঘৰে পশুচিকিৎসা সেৱা আগবঢ়োৱাৰ ব্যৱস্থা হাতত লৈছে। চহৰত থকা পশুচিকিৎসালয়সমূহ চহৰৰ একেবাৰে আওহতীয়া অঞ্চলত স্থাপন কৰা কাৰণে পশুপালকসকল তালৈ গৈ চিকিৎসা সেৱা লোৱাত বহু সময়ত অসুবিধা হয়। কিন্তু এই ভ্ৰাম্যমান চিকিৎসালয়বিলাক লোৱাৰ কাৰণে পশুপালকৰ সুবিধা হ'ব। সেইদৰে গড়কাপ্তানি বিভাগৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ, বিশ্ববেংক, নাবার্ড উত্তৰ-পূৰ্ব পৰিষদ ৰাজ্যৰ নিজা বিত্তীয় উৎসৰ সাহায্যত বহুসংখ্যক উন্নয়ন আঁচনিৰ কাম চলি আছে। ৰাজ্যখনত ২-৮, ৪-৮ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৩-১, ৩-৪ কিলোমিটাৰ ৰাজ্যিক ঘাই পথ আছে। ৰাজ্যিক ঘাইপথৰ ৮০০ কিলোমিটাৰ পথৰ কাম আৰম্ভ কৰা হৈ আছে। ৰাজ্যখনৰ ২০০১ চনত থকা ৫০০০ কাঠৰ দলঙৰ প্ৰায় ১৭৩৪ খন কাঠৰ দলং ইতিমধ্যে পকী কৰা হৈছে। বাকী ১৩৭৫ খন পুনৰ নিৰ্মাণৰ কাম চলি আছে। তাৰোপৰি দুই হাজাৰ তিনিশ ৪১ খন কাঠৰ দলং পকীকৰণ কৰা হ'ব। এই গোটেইখিনি কাম হৈ গ'লে ৰাজ্যখনৰ উন্নয়নৰ ক্ষীপ্ৰতাৰ গতি আমি উপলব্ধি কৰিব পৰা হ'ব। প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনাৰ অধীনত ১০৫৫৮ কিলোমিটাৰ গ্ৰাম্যপথ

ইতিমধ্যে সম্পূর্ণ কৰা হৈছে। আনহাতে বাকী থকা ৫৩৫০ কিঃমিঃ পথৰ কাম ২০১৩ চনৰ ভিতৰত সম্পূর্ণ হ'ব বুলি ভবা হৈছে। অৱশ্যে কিছুমান ঠাইৰ আঁচনিৰ কাম আধৰুৱা হৈ আছে। ঠিকাদাৰসকলক ওপৰা-ওপৰিকৈ কাম দিয়াৰ কাৰণে তেওঁলোকে কামসমূহ সম্পূর্ণ কৰি তুলিব পৰা নাই। বহু ঠাইত অসম্পূর্ণ হৈ আছে। এই বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো। আমাৰ নলবাৰীত কুমাৰ ভাস্কৰবার্মা সংস্কৃত বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্রত যি দঢ় পদক্ষেপ লৈছে তাৰ বাবে আমি সুখী হৈছো। আনহাতে তাৰ কাৰণে মাটিও আৱণ্টন দিয়া হৈছে। ইয়াৰ দ্বাৰা শিক্ষাৰ ক্ষেত্রত আমি আগবাঢ়িব পাৰিম। মই আন এটা বিষয় আগবঢ়াব বিচাৰিছো যে আমাৰ বিধায়কসকলৰ পুঁজিৰ ধনৰ পৰিমাণটো বৃদ্ধি কৰিব লাগে। এই বিধায়ক পুঁজিটো ৫ কোটিলৈ দিলেও কোনেও আপত্তি নকৰিব। যিমানে পুঁজি বাচিব আমি সিমানে কাম কৰিব পাৰিম। তাৰোপৰি চিকিৎসা আৰু শিক্ষাৰ ক্ষেত্রত বহু সময়ত আমাৰ পুঁজিৰ আৱশ্যক হয়। প্রতিজন বিধায়কে অনুভৱ কৰিছে। যেতিয়া আমাৰ ওচৰলৈ ৰাইজে বিভিন্ন সময়ত কাগজ-পত্র, দর্খাস্ত লৈ আহে তেতিয়া আমি মন কৰো তেওঁলোকৰ বহুসময়ত চিকিৎসাৰ কাৰণে, দৰৱ-পাতিৰ কাৰণে, পইচা নথকাত আমি দিবলগীয়া হওঁ। যেতিয়া এজন ৰিক্সাচালকে তেওঁৰ ল'ৰাটোৰ কাৰণে কাষ চাপি আহে আমি দেখা পাওঁ সেই ল'ৰা-ছোৱালীবিলাক অতি দুখীয়া অথচ অতি মেধাৱী। তিনি-চাৰিটাত লেটাৰ লৈ পৰীক্ষাত পাচ কৰিছে। কিন্তু তেওঁলোকৰ আর্থিক অৱস্থা দেখি দুখ লাগে। মন হয় যেন নিজৰ মাটি বিক্রী কৰি

হ'লেও তেওঁলোকৰ শিক্ষা আৰু চিকিৎসাৰ কাৰণে টকা-পইচা দিম। তাৰ পিছত মাননীয় সদস্য কেশৰ মহন্ত ডাঙৰীয়াই বি, ডি, ও সকলক গাড়ী আৱণ্টন দিয়াৰ ক্ষেত্ৰত প্ৰশ্ন কৰিছে। আচলতে বি, ডি, ও সকলকে নহয় সকলো অফিচাৰকে চৰকাৰী কামৰ কাৰণে গাড়ী দিলে বেনিফিট হ'ব, কিয়নো গাড়ী থাকিলেহে তেওঁলোকে ক্ষিপ্ৰতাৰে কামত আগবাঢ়িব পাৰিব। আনহাতে কামৰ দক্ষতা বাঢ়িব। আপোনালোকে নিজে দেখিছে আগতে বিধায়কসকলৰ গাড়ী নথকাৰ কাৰণে তেওঁলোকে সমষ্টি বা চৰকাৰী কামত আত্মনিয়োগ কৰোতে বহু ধৰণৰ অসুবিধা ভোগ কৰি আহিছিল। কিন্তু এতিয়া আমাৰ বিধায়কসকলে গাড়ীৰ সুবিধা থকাৰ কাৰণে ক্ষীপ্ৰতাৰে কামত আগবাঢ়িব পাৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নলবাৰী জিলাখনত কোনো প্ৰাকৃতিক সম্পদ নাই আৰু অন্যান্য ডাঙৰ উদ্যোগো নাই। গতিকে এনে এখন পিছপৰা জিলাৰ মই এজন বিধায়ক হৈ আপোনালোকক অনুৰোধ জনাইছো আমাৰ প্ৰতি আপোনালোক অলপ বেছি সদয় হওক। আমাৰ সম্পদ নাই যদিও আমি মানৱ সম্পদৰ ওপৰতে নিৰ্ভৰ কৰো। আপোনালোকে চাওক আজি নলবাৰী জিলাৰ পৰাই পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন সেৱাত বিদ্যমান লোক নিয়োজিত হৈ আছে। গতিকে মাননীয় মন্ত্ৰীসকলক আৰু বিধায়কসকলক অনুৰোধ জনাইছো আপোনালোকে যেন আমালৈ বিশেষ মৰম আৰু সহযোগিতা আগবঢ়ায়। সদৌ শেষত এনে এখন জনকল্যাণ উন্নয়নমুখী বাজেট দাখিল কৰা কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীদেৱব্রত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১১ জুলাইত মাননীয় মুখ্যমন্ত্রী তথা বিত্তমন্ত্রী তৰুণ গগৈদেৱে ২০১১-১২ বর্ষৰ বাবে দাখিল কৰা বাজেটখনৰ সমর্থন কৰিব বিচাৰিছো— যিহেতু এই বাজেটে আমাৰ ৰাজ্যৰ সকলো অঞ্চলৰ সকলো স্তৰৰ সকলো শ্রেণীৰ যুৱক, মহিলা, বিধৱা, বৃদ্ধ, বিশেষভাৱে সক্ষমসকলৰ বাবে বিভিন্ন আঁচনি গ্রহণ কৰি পুঁজি বিভিন্ন বিভাগলৈ আৱণ্টন দিয়া হৈছে। মই এই বাজেটৰ কেইটামান বিভাগৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো।

১. এই বাজেটৰ কেইটামান উল্লেখযোগ্য দিশৰ ভিতৰত সীমান্ত উন্নয়ন আমাৰ ৰাজ্যৰ চুবুৰীয়া ৰাজ্যসমূহে আমাৰ সীমাত আগ্রাসন আৰু তেওঁলোকৰ বিভিন্ন বিভাগৰ কার্য্যলয় আদি স্থাপনৰ দ্বাৰা সীমা অতিক্রমণৰ প্রচেষ্টা হাতত লৈ আছে। এই বাজেটত সীমান্ত উন্নয়নৰ বাবে ৰাস্তা বিজুলী, পানী, স্কুলঘৰ, বজাৰঘৰ আদি নির্মাণৰ বাবে আঁচনি লোৱা হৈছে। যিটো এটা অতি ধনাত্মক দিশ, ইয়াৰ দ্বাৰা আমাৰ সীমান্তবাসী ৰাইজ উপকৃত হ'ব।

২. শিক্ষাৰ অধিকাৰ আইনকে আদি কৰি প্রাথমিকৰ পৰা উচ্চ শিক্ষালৈকে বহুখিনি সংস্কাৰমূলক কার্য্যসূচী গ্রহণ কৰি পুঁজিৰ ব্যৱস্থা কৰা হৈছে। ১২ খন চৰকাৰী মহাবিদ্যালয়, ২১খন POLYTECNIC আৰু নতুন বিশ্ববিদ্যালয়ৰ স্থাপনে শিক্ষাৰ প্রসাৰ, গুণগত মান উন্নয়ন আৰু নিবনুৱা সমস্যা দূৰীকৰণত সহায়ক হ'ব। এই প্রসংগত মই মাননীয় মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে অসমৰ বহু সমষ্টিত ১৯৯০ৰ দশকতে কেতবাৰ শিক্ষানুষ্ঠান অতি ভিতৰুৱা,

জনজাতি চাহজনজাতি অঞ্চলৰ ৰাইজে স্থাপন কৰিছে কিন্তু চৰকাৰী স্বীকৃতিৰ বাবে বিভিন্ন চর্ত পূৰণ কৰাত সময় লগাৰ বাবে তেনে অনুষ্ঠানৰ ক্ষেত্রত ২০০৬ চনৰ স্বীকৃতিৰ সময়সীমা কিছু শিথিল কৰি দিবলৈ অনুৰোধ জনালো।

৩. বিগত সময়ছোৱাত আমি কৃষিক্ষেত্রত যথেষ্ট সাফল্য দেখিছো, কৃষক পৰিষদ, কৃষি আয়োগ আদি গঠন যুগান্তকাৰী পদক্ষেপ, কিন্তু পদোন্নতি, খালী পদ পূৰণ, সময়মতে কৃষিবীজ আদিৰ যোগানৰ দৰে পদক্ষেপ গ্রহণ কৰি আৰু কেন্দ্র চৰকাৰৰ ঘোষিত প্রতি জিলাত স্থাপন হ'ব লগা KVK সমূহ কার্যক্ষমৰ ব্যৱস্থা কৰি কৃষি উন্নয়ন তীব্র কৰিব লাগে। এই ক্ষেত্রত ২০০৩ চনতে আধাৰশিলা স্থাপন কৰা শিৱসাগৰ জিলাৰ ৰহদৈ পুখুৰীত হ'ব লগা KVK-টো পূর্ণাংগ কৰাৰ ব্যৱস্থা হাতত ল'ব লাগে। এই সমূহ কার্য্যক্ষম কৰাৰ ব্যৱস্থা কৰি কৃষিৰ উন্নয়ন তীব্র কৰিব লাগে যাতে খাদ্যদ্রব্য আমদানিৰ বাবে ব্যৱহাৰ হোৱা DIESEL ব্যয় ৰোধ কৰিব পাৰি।

৪. এই বাজেটত সকলো শ্রেণী, বিশেষকৈ অনুসূচিত জাতি-জনজাতি চাহবাগান, চৰ অঞ্চলত অনাময় আৰু পানী যোগান তীব্র কৰাৰ পদক্ষেপ লোৱাৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্রত গাঁও পঞ্চায়ত এলেকাত BPL LIST ত নাম থকাৰ বাবে দুখীয়া লোক অনাময় আঁচনিৰ পৰা বঞ্চিত হৈছে। গতিকে BPL LIST ত নাম নথকা প্রকৃত দুখীয়া লোকসকল যাতে বঞ্চিত নহয় তাৰ বাবে ব্যৱস্থা ল'ব লাগে।

৫. যিহেতু আমাৰ ২২০২ তকৈ অধিক GP আছে য'ত প্ৰায় 40% ৰাইজে বসবাস কৰে। Rural Devt. বিভাগে Panchayat Act, 1994 সংশোধন, সেৱা বিধি প্ৰৱৰ্তন, SMART CARS প্ৰৱৰ্তন, বাসগৃহ নিৰ্মাণ, নিয়মভিত্তিক পৰ্য্যালোচনা আদি ব্যৱস্থাৰ গ্ৰহণৰ দ্বাৰা উন্নয়ন তৰান্বিত কৰিব।

পঞ্চায়নসমূহত থাকিবলগীয়া ৩য়/৪র্থ শ্ৰেণীৰ পদসমূহ পূৰণ কৰি আৰু পঞ্চায়ত সদস্যসকলৰ মাননীৰ ব্যৱস্থা কৰি পঞ্চায়তসমূহ আৰু কৰ্মোদ্যম বৃদ্ধি পোৱাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। বহু পঞ্চায়তত ২০-২৫ বছৰ ন্যূনতম ২০০-৩০০ মাননী ভিত্তিক কেতবোৰ কৰ্মচাৰী কৰ্তব্যৰত। তেনে কৰ্মচাৰীসকলক স্থায়ী নিযুক্তি দিবৰ কাৰণে অনুৰোধ জনালো।

MNREGA Job Card ৰ অধীনত আৰু অধিক FAMILY INCLUDE কৰিবলৈ অনুৰোধ জনালো।

৬. 60% Labour 40% Material RATIO ৰ কাৰণে বহু কাম কৰিব নোৱাৰি, সেয়ে Scheme ৰ পৰিৱৰ্তে প্ৰতি জিলাৰ সকলো আঁচনিৰ মুঠ AGGREGATE 60% 40% MAINTAIN কৰিবলৈ অনুৰোধ জনালো। এনে কৰিলে গাঁও অঞ্চলত দলং আদি নিৰ্মাণ কৰিব পৰা হ'ব যিহেতু অন্য পুঁজি নথকাৰ বাবে গাঁৱলীয়া গড়কাপ্তানি বিভাগৰ বাহিৰা পথৰ দলং নিৰ্মাণ কৰিব নোৱাৰাৰ বাবে বহু গাঁও অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, শ্ৰমিক কৃষকে দূৰণিবটীয়া বাটেৰে দৈনন্দিন জীৱন অহা-যোৱা কৰে। মুখ্যমন্ত্ৰী মহোদয়ে

SKILL DEVT. Commission আৰু বিভিন্ন অঞ্চলত Skill Development Center স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। ই নিবনুৱা সমস্যা সমাধানত সহায় কৰিব। অসমত নিয়োগৰ সুবিধা কম হেতু বহু লোক ৰাজ্যৰ বাহিৰত চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত নিয়োজিত হৈছে। বহু সময়ত কেতবোৰ প্ৰৱঞ্চকে অসমৰ যুৱক, বিশেষকৈ যুৱতীসকলক প্ৰৱঞ্চনা কৰাৰ কথা বাতৰি কাকতে প্ৰকাশ কৰি আহিছে। সেয়ে অসমৰ SKILLED আৰু SEMI SKILLED যুৱক-যুৱতীক PLACEMENT ত সহায়ৰ বাবে Human Resource Export Promotion CORPN গঠন কৰাৰ বাবে অনুৰোধ জনালো।

৭. নতুন আৰু গ্ৰাম্য বাছ সেৱা প্ৰৱৰ্তনে ASTCক পুনৰ প্ৰাণৱন্ত কৰিছে। গুৱাহাটীবাসীৰ বাবে Rapid Transit Scheme ঘোষণা কৰাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। থলপথৰ সমান্তৰালভাৱে ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহক যাতায়তৰ ALTERNETIVE MODE of Transport ৰূপে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

৮. বিদ্যুৎ সংস্কাৰৰ কথা কোৱা হৈছে, ২০১২ চনৰ ভিতৰত ৰাজীৱগান্ধী বৈদ্যুতিক আঁচনি সম্পূৰ্ণ কৰাৰ কথা কোৱা হৈছে। কিন্তু কথা হৈছে আমাৰ ইয়াত বৈদ্যুতিকৰণত কৰোতে বাহিৰৰ ৰাজ্যত থকাৰ নিচিনাকৈ এটা চুবুৰীতে এখন গাঁও বুলি ধৰি লোৱা হয়। অসমত কিন্তু কেইবাটাও চুবুৰী মিলি এখন গাঁও হয়। ফলত ভালেমান

গাঁওৰ বহু চুবুৰী বাদ পৰি গৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক ৰাজীৱ গান্ধী বৈদ্যুতিক আঁচনি বাদ পৰি যোৱা সমূহ গাঁওক খৰতকীয়াভাৱে এই আঁচনিৰ আওতালে আনিবলৈ অনুৰোধ জনালো।

অসমত আমি সকলোৱে জানো যে অসমত বৃহৎ উদ্যোগ স্থাপন হোৱাৰ সমভাৱনা অতি কম। আৰু আমি সকলোৱে কৃষিক অধিক গুৰুত্ব দিব লাগিব কিন্তু অসমত ইতিমধ্যে, বৃহত উদ্যোগ স্থাপিত হৈছে যি সমূহত বহু থলুৱা লোকে কাম কৰি আছে। সেয়ে এই উদ্যোগসমূহৰ উৎপাদিত সামগ্ৰীসমূহ কেন্দ্ৰ চৰকাৰে DGSD, Price Preference দিয়াৰ নিচিনাকৈ State Govt. Purchase preference দিবলৈ অনুৰোধ জনালো।

সদৌ শেষত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই বাজেটখনক কামধেনু গাই অথবা কল্পতৰু বৃক্ষৰ লগত তুলনা কৰি মোক দু-ষাৰ ক'বলৈ সুয়োগ দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই সামৰিছো।

শ্ৰীৰণজিৎ কুমাৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পোন-প্ৰথমবাৰৰ কাৰণে এই সদনলৈ নিৰ্বাচিত হৈ আহিছো। মই সকলোবিলাক কথা বুজি পোৱা নাই। তথাপিও মাননীয় সদস্যসকলৰ পৰা বহুত কথা জানিব পাৰিছো। মই সকলোকে ধন্যবাদ জনাইছো। বাজেটখন দেখিলে এনেকুৱা লাগে এইখন যেন এখন সৰ্বসাধাৰণ পৰিয়ালৰহে বাজেট। মই বাজেটখনৰ সমালোচনা কৰিব খোজা নাই। আজি দুদিন ধৰি মন্ত্ৰী মহোদয়ৰ পৰা আৰম্ভ কৰি সকলো সদস্যই বিদ্যুতৰ নাটনি

সম্পর্কে আলোচনা কৰিছে। বিদ্যুতৰ নাটনি দিছপুৰত হোৱা নাই কিন্তু দিছপুৰক বাদ দি সমগ্ৰ অসমতে বিদ্যুতৰ নাটনি হৈছে। গ্ৰাম্যাঞ্চলৰ ল'ৰা-ছোৱালীয়ে বিদ্যুতৰ নাটনিৰ বাবে পঢ়া-শুনা কৰিব পৰা নাই। যিসকলে কেৰাচিনৰ সুবিধা লাভ কৰে তেওঁলোকেও সময়মতে কেৰাচিন নোপোৱাৰ কাৰণে অতিৰিক্ত দাম দি কিনিব লগা হৈছে। বিদ্যুতৰ অভাৱত উদ্যোগ স্থাপন কৰিব পৰা নাই যাৰ ফলত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ আছে। মই ৰাজনীতি বিশেষ বুজি নাপাওঁ কিন্তু মই এটা কথাই বুজি পাওঁ যে অসমখনৰ উন্নতি কৰিব লাগিলে কৃষি আৰু কৃষকৰ উন্নতি সাধন কৰিব লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে শিক্ষাৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰিম বুলি কৈছে। এই কথাত আমি আদৰণি জনাইছো। বাজেটত টোটেল এলোটমেণ্ট হৈছে প্ৰায় ১ লাখ ৩২ হাজাৰ কোটি টকা। কিন্তু শিক্ষাৰ ক্ষেত্ৰত বাজেটত আৱণ্টন দিছে ৬০১ কোটি টকা। আৰু শতকৰা হিচাপ কৰিলে দেখা পোৱা যায় যে ৪৮% মূল বাজেটৰ পৰা শিক্ষাৰ নামত আৱণ্টন দিয়া হৈছে। এইখিনি টকাৰে শিক্ষামন্ত্ৰীয়ে শিক্ষাৰ ক্ষেত্ৰত আমুল পৰিৱৰ্তন আনিব নোৱাৰিব।

Smti. Sushmita Dev : Hon'ble Speaker Sir, my speech will not consume much time as I have little to add to the Budget as presented by the Hon'ble Chief Minister. The Budget is progressive and realistic. It is commendable that the fiscal health of the State has improved. It is commendable that

Govt. has been rewarded by the Thirteenth Finance Commission. It is realistic as the Hon'ble chief Minister acknowledges that during 2009-10 and 2010-11 the revenue and fiscal surpluses turned into deficits but I believe that this was for very good reasons which were to implement the recommendations of the pay commission and increased development expenditure. I am elated to see that the Annual Plan 2011-12 focuses on infrastructure as a priority. Recently we have seen that the chief Minister, to further augment, funding for development of infrastructure demanded increased funding for NEC in the 60th meeting. Although the 11th plan in the first 4 years has granted only 2548.50 crores to NEC but the approved outlay was Rs. 7394 crores. Therefore, the chief Minister has a vision for development of the state. We are also privileged that the prime Minister of India belongs to our State and the North Eastern Region vision 2020 as envisaged by him is a very ambitious document. Development of any region depends on its resources and industry. Infrastructure is an

important aspect for economic growth and NEC and DONER also plays an important role it is.

Infrastructure includes good connectivity of a region. Our economy is primarily agricultural and therefore it becomes even more crucial that connectivity allows the perishable goods to reach markets on a timely basis. The Budget also assures the completion of the East West corridor which will help the economy of every region. I cannot resist mentioning that at times was see that government funding is sufficient but due to departmental bottle necks projects are delayed. In Barak valley BRTF is struggling with the Silchar-Badarpur NH 53 Road where compensation has been paid to ASEB twice for removal of electrical poles but till today it has failed to remove the poles. BRTF first paid about 95 lacs as compensation to ASEB to remove the poles few years back and then ASEB again sent a new estimate of about 8 crores which was also paid by BRTF but till today ASEB has not removed the poles. Similarly the conversion of meter gauge to broad gauge declared a National

project in 2006 by government of India but till today the project to delayed due to environmental issues. Sustainable development is important and North Eastern States have a unique ecological character. And we must be able to protect the environment and wildlife but development is equally important. The Hon'ble Forest Minster is aware of the problem. Similarly package 14 of the East West corridor is delayed due to environmental issues and I hope these will be resolved Fast. As my learned colleague Dr. Rumi Nath has already mentioned in her speech NH 44, NH 54 and NH 53 are ail in deplorable condition. There is no lack of funding and the vision of the Hon'ble chief Minister is to improve connectivity so I urge the various departments to improve upon the execution.

The Hon'ble Chief Minister is committed to the development of Barak valley and he has said in his speech that there are special problems in the three districts of Barak valley. I am grateful that he has committed to facts on skill

development and employment generation in the valley. I am forced to point out that Hindustan paper corporation, a govt. of India undertaking, in the valley is suffering due of lack of supply of Bamboo from Mizoram, so many employees will lose their source of income if the HPC closes. I urge the chief Minister to look into the matter.

The Hon'ble chief Minister is committed to bring the special financial package for Barak Valley and I hope that he will set up a special committee of experts and Ministers of various departments to identify the areas that need funding on a priority basis so that any funding can be utilized in a planned manner. I am elated to see in the budget speech that the Hon'ble chief Minister has got an additional 18% funding in this annul plan as compared to the last annual plan.

I will also impress upon the Hon'ble Minister for PND that projects from Barak valley require huge funding and are likely to be

burden on the state budget and therefore priority must be given to infrastructural projects that are sent from Barak valley like the reconstruction of the Barak Bridge, the construction of the proposed Badri Bridge and the bridge at Annapurna ghat. With the vision as projected by the government for development I ansure these projects will be taken up.

This budget is clearly looking to add not just quantitative value to development but also qualitative development. One such instance would be the Education sector. The Hon'ble Education Minister has for example called 150 head masters of various schools who did not perform in the 2011 HSLC exams. He has assured an increase in the number of school Inspectors, although the SI's seem to be defunct in their functioning, at least in my constituency. But the reform in the Educations sector is bound to change all that.

The Urban Development sector promise

new markets, parking's and better waste management. As I already mentioned in my speech in the last session, the land policy has to be looked into because without land these markets etc. cannot be made urban areas. Our govt. is going to start the system of Land Bank which is a good step.

I believe that the budget of our government is progressive. I believe that the budget is balanced and it focuses on over all development. I thank the Government for the budget and the Hon'ble Speaker.

* **শ্রীএতোৰা মুণ্ডা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া বিশেষ একো নাই তথাপি দুটামান কথা ক'ব বিচাৰিছো। মাননীয় মুখ্যমন্ত্রী মহোদয়ে যিখন বাজেট দাখিল কৰিছে এই বাজেটখনৰ ওপৰত ইতিমধ্যে আমাৰ দলৰ মাননীয় সদস্যসকলে সমর্থন কৰি বক্তৃতা ৰাখিছে, বিৰোধী পক্ষৰফালৰ পৰাও কোনেও বাজেটখনৰ বিৰোধিতা কৰা নাই। প্রকৃতপক্ষে এই বাজেটখন এখন জনমুখী বাজেট হৈছে। অসমৰ সকলো শ্রেণীৰ লোকৰ উন্নয়ন সাধন কৰিব পৰা এখন সুন্দৰ বাজেট হৈছে। সেই ফালৰ পৰা ক'বলগীয়া নায়েই।

---

* Speech not corrected

তথাপিও কেইটামান কথা নক'লে থাকি যায় সেই কাৰণেহে উঠিছো। ১৯৯৩ চনৰ পৰা বিধানসভা দেখিছো। বিধায়কসকলে কথা ক'বলৈ উঠিলে নাৰাজ হৈ যায়। (চায়েৰী) আনকি বিধায়েকক দাংকোলাকৈ দাঙি নিব লগা হয়। মাইক, টেবুল ঢকিয়াই ঢকিয়াই ভাঙি দিয়ে। আমি তেতিয়া নতুন বিধায়ক। কথাবিলাক উল্টাফালে লৈ গ'লে গলত হ'বই। স্বাস্থ্য বিভাগত আমি দেখিছো, বাগিছাবিলাকত আগতে মেনেজমেণ্টে অলপ অলপ ফাণ্ড দিছিল, তাৰে চলিছিল। এতিয়া স্বাস্থ্য বিভাগে পর্য্যাপ্ত পৰিমাণে বাগিছা বিলাকত ফাণ্ড দিছে। কিন্তু দিলে কি হ'ব তাতো গলত কাম চলে। মোৰ সমষ্টিতে এখন বাগিছাত এজন মানুহ মৰিল। হয়তো দৰব খোৱাৰ খেলি-মেলিৰ কাৰণে মৰিল। আমাৰ মানুহবিলাকে মদ খাই থাকেতো, তাৰ কাৰণে হস্পিতালখন ভাঙি-ছিঙি দিলে। য'ত কাৰো দুখ নাছিল। এই কথাবিলাক অলপ সূক্ষ্মভাৱে চাব লাগে। গতিকে বাগিছাসমূহত যাতে হস্পিতালসমূহ ভালকৈ ফাংচন কৰে ভালদৰে চাব লাগে। শিক্ষা বিভাগে এখন আইন পাচ কৰিলে, পাচ কৰাত বোলে দেৰি হ'ল সেইটোও চৰকাৰৰ দোষ নেকি? অসমৰ উঠি অহা প্রজন্মক সহায় কৰিবলৈ যাওঁতে কিবা হীন-দেঢ়ি থাকিব পাৰে সেইটো ধৰিব লগা কথা নহয়। অসমৰ বাগিছাবিলাকত যিবিলাক হস্পিতাল আছে সেই হস্পিতালবিলাকত যথেষ্ট পৰিমাণে টকা দিয়ে সেইবিলাক ঠিকমতে খৰচ হৈছে নে নাই লক্ষ্য ৰাখিব লাগে। বাগিছাবিলাকত যিবিলাক স্কুল, আছে তাত যিবিলাক শিক্ষক আছে তেওঁলোকে খোৱা-বোৱাৰো ব্যৱস্থা

কৰিব লাগে। মেনেজাৰৰে কাম কৰিব লাগে, বৰবাবুৰো কাম কৰিব লাগে আৰু পঢ়াবও লাগে। এখন স্কুলত ১০০/১৬০ ছাত্ৰ-ছাত্ৰী আছে কিন্তু বাগিছাৰ স্কুলবিলাক তদাৰক কৰাৰ কোনো ব্যৱস্থা নাই। এই স্কুলসমূহে কোনো আইন-কানুন নামানে। মই এই কথাটো ডিব্ৰুগড়ৰ সৰ্বশিক্ষা মিচনৰ সভাত উত্থাপন কৰিছিলো কিন্তু সৰ্বশিক্ষাই হেনো চাহবাগিছাৰ স্কুলসমূহ সামৰি নলয়। শ্ৰম বিভাগৰ আইনতো এই কথাটো ক্লেয়াৰ নহয়। বাগিছাসমূহৰ মানুহৰ আকালও নাই, ভঁৰালো নাই। দিন-ভৰ কাম কৰো, গধূলি হ'লে ফূৰ্তি কৰো। এই ধৰণে চলি আছে তেওঁলোক কিন্তু চবৰে এই বিষয়টো চিন্তা কৰা সময় হৈছে। কিবা কাৰণে যদি কোনোবা এখন বাগিছা বন্ধ হৈ যায় তেতিয়া হ'লে বনুৱাসকলৰ অৱস্থা কি হ'ব? চৰকাৰে এই কথাটোত গুৰুত্ব দিয়া সময় হৈছে। এতিয়াও বাগিছাবিলাকত বৃটিছৰ দিনৰে আইন-কানুন চলি আছে। আজি আমাৰ মুখ্যমন্ত্ৰীয়ে যি ধৰণে কাম কৰিব বিচাৰিছে তাত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে। মুখ্যমন্ত্ৰী মহোদয়ে নোৱাৰৰ সপক্ষে কাম কৰিবলৈ মেনেজমেণ্টক বাধ্য কৰাব লাগে। ভাল ছাত্ৰ-ছাত্ৰীক যেনেকৈ শিক্ষকে প্ৰথম বেঞ্চলৈ মাতি থাকে আৰু কামবিলাক কৰায় আমাৰ মুখ্যমন্ত্ৰীও ভাল কাম কৰি আছে।

আমাৰ মুখ্যমন্ত্ৰীও ভাল কাম কৰি আছে আৰু সেই কাৰণে তেখেতৰ ফালে মানুহ আহি আছে। ক'ৰবাত কিবা অলপ কামবিলাকত হীন-দেঢ়ি হ'ব পাৰে সেইটো একো ধৰিব লগা কথা নহয়। আজিকালি সকলো ক্ষেত্ৰতে আইডি কার্ড লাগে। আইডি

কার্ড নোহোৱা মানুহক চৰকাৰৰ কোনো আঁচনিয়ে কভাৰ নকৰে। কিন্তু কোনো বাগিছা লোকেৰে আইডি কার্ড নাই। সেই কাৰণে নামভর্তিৰ পৰা আৰম্ভ কৰি সকলো সা-সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। তেওঁলোকক সহায় কৰিব লাগিলে আইন কিছু শিথিল কৰিব লাগিব। আমাৰ নতুন মন্ত্রীসভাৰ সদস্যসকলে কর্মক্ষেত্রত কিছু তৎপৰতা দেখুৱাই অসমখনক কিছু আগবঢ়াই নিব বিচাৰিছে। তাৰ কাৰণে আকৌ বহুতে বেলেগ ধৰণে কৈছে। ভালটোকে আৰু বেয়া বুলি কৈছে। অসমত কি হোৱা নাই? গুৱাহাটীৰ পৰা ডিব্রুগড়লৈ গ'লে ৰাস্তাত যি দেখি যাব তাতকৈ আৰু কিবা প্রমাণ লাগে নেকি? ১০৮ ফোন কৰিলে মুহূর্ততে এম্বুলেন্স আহি যায়। ইয়াতকৈ আৰু আমি কি বিচাৰিব লাগে। ভাল কাম কৰিলেতো সময় লাগেই, সেইখিনি সময় আমি দিব লাগিব। সেই কাৰণে মই বাজেটখনক জনহিতকৰ, জনমুখী আখ্যা দিছো। (ছায়েৰী) মই ভায়া শব্দটো কৈছো বেয়া নাপাব কাৰণ আমাৰ বাগানত ভায়া শব্দটো বেছিকৈ চলে। আমাৰ মুখ্যমন্ত্রী মহোদয় আগৰ জামানাৰ মানুহ বিভিন্ন সময়ত শিলৰ থেকা পানীৰ থেকা, ক'বলৈ গ'লে শিলৰ থেকা খাই খাই হীৰাৰ নিচিনা হৈছে। এইখিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Maulana Ataur Rahaman Mazarbhuiyan : মাননীয় অধ্যক্ষ মহোদয়, বাজেট বিতর্কের আলোচনায় অংশগ্রহণ করার সুযোগ দেওয়ার জন্য প্রথমেই আপোনাকে জানাই আমার আন্তরিক ধন্যবাদ। কিন্তু মহোদয়, কোথায় আলোচনা করব? কে শুনবে বাজেটের

উপর এই গুরুত্বপূর্ণ আলোচনা? সামনে রয়েছে সুন্দর, চকচকে উনিশটি চেয়ার। মন্ত্রীসভার সদস্যদের জন্য। কিন্তু এই চেয়ারে বসে আছেন মাত্র ৫ জন মন্ত্রী। আর Officers' Gallery র ৭৫% ভাগ চেয়ার-ই রয়েছে খালি। এই দৃশ্য দেখে মনে পড়লো একটা গল্প। একজন বক্তা হাজার জন লোকের সামনে শীতের রাতে বক্তৃতা দিচ্ছিলেন। তারপর একে একে ৫ জন ১০ জন করে শ্রোতা চলে যেতে লাগলো, শেষমেষ যখন ২০/৩০ জন লোক রয়েছে, তখন একজন এসে কানে কানে বললো-আপনি বক্তৃতা শেষ করুন, সবাই চলে যাচ্ছে। বক্তা বললেন, 'আমি চোখ বন্ধ করে বক্তৃতা চালিয়ে যাবো, মনে মনে কল্পনা করব, আমার সামনে এক হাজার লোক বসে আছে আর এক হাজার দাঁড়িয়ে। 'বক্তৃতা শেষে চোখ খুলে দেখলেন, কেউ নেই, কেবল মাইকের লোকটাই বসে আছে, আর কেউ নেই। আমাদেরও আজ একই অবস্থা। এই অবস্থায় বাজেটের উপর আলোচনার গুরুত্ত কতটুকু থাকবে।

মহোদয়, আজ, এই বাজেট-আলোচনায়, আমাদের, অর্থাৎ বিরোধীদের আলোচনার তেমন কোন প্রয়োজনীয়তা আছে বলে আমি মনে করিনা। মাননীয় মুখ্যমন্ত্রী মহোদয়ের পেশ করা এই বাজেট মোটেও জনমুখী নয়। একেবারে গতানুগতিক বাজেট। এর মধ্যে নতুনত্ব কিছুই নাই। এই বাজেট প্রকৃতপক্ষে একটা 'চালী' ঘরের মতো। মালিকের টাকা-পইসার জোর নাই, অথচ একটা সুন্দর ঘর দেখানোর শখ আছে। তাই একটা ভাল মিস্ত্রী

এনে কেবল সামনের দিকে রড সিমেন্ট দিয়ে দালানের মতো তুলে, সুন্দর রঙ, টাইলস্ দিয়ে একটা দেখতে রাজপ্রাসাদের মতো বানিয়ে দিল। পিছনে কিন্তু রয়েই গেল সেই C. I. Sheet এর চালা-ঘর। এই বাজেটও ঠিক এই রকম। সুন্দর, ভাষা, সুন্দর কথা কিন্তু একেবারে অন্তঃসার-শূণ্য। প্রকৃত কাজের জন্য আমরা আগেও মুখ্যমন্ত্রীকে প্রশংসা করেছি। বিরোধীতার জন্য আমরা নিশ্চয়ই বিরোধীতা করিনা। কিন্তু এই বাজেটটা কেবল চাকচিক্য দিয়ে সাজানো। এর একশ ভাগের মধ্যে দশ ভাগও জনমুখী নয়। আমাদের Treasury Bench এর পাঁচজন কিন্তু এরই মধ্যে কৌশলে তাঁরা যা সমালোচনা করেছেন, মনে হয় আমাদের আর বিশেষ বলার দরকার নেই। তাঁরা প্রকৃতপক্ষে, প্রত্যেকে বাজেটের সমালোচনাই করেছেন। তবে শাসকদলের সমালোচনাতো সমালোচনা নয়, আলোচনা, পরামর্শ। মহোদয়, আমাদের তরুণ প্রজন্মের শাসক দলের সদস্যরা অতি সাহস নিয়ে এবং সুন্দরভাবে বাজেটের যথেষ্ট সমালোচনা করেছেন, গঠনমূলক আলোচনা-পরামর্শের মাধ্যমে। এরজন্য তাঁদেরে আমার আন্তরিক ধন্যবাদ। এর থেকেই প্রমাণিত হয় যে বাজেটে যথেষ্ট থামতি রয়েছে। আমি এই তরুণ-প্রজন্মের সদস্যদের সমালোচনা করছিনা, বরং ধন্যবাদ দিচ্ছি ও উৎসাহিত করছি। এরা যদি এভাবে আরও এগিয়ে আসেন তাহলে সামনের দুটো থেকে বেঞ্চে শাসক দলের যেসব প্রবীণ সদস্যরা রয়েছেন, তাদের জন্য সরকারের একটা 'আঁচনি' প্রস্তুত করার প্রয়োজন রয়েছে

বলে আমি মনে করি। মহোদয়, এখন আমি এই বাজেটের বাহ্যিক ২/১টা বিষয়ের উপর আলোচনা করবো।

মহোদয়, Public Works Department এর জন্য যথেষ্ট Financial Assistance আসছে Govt. of India, World Bank, NABARD, NEC এবং State Govt. এর own Resource থেকে। অথচ, এই বিভাগের কাজের ব্যাপারে সদনে যথেষ্ট সমালোচনা হয়েছে, সুন্দর আলোচনাও হয়েছে। আলোচনার কোনও থামতি নাই। কিন্তু, মহোদয়, আমরা জানি যে হাতীর দুরকমের দাঁত আছে। বাহ্যিক দুটো লোক দেখানোর জন্য, আর ভিতরে রয়েছে অন্য, খাবার জন্য। হাজার হাজার কিলোমিটার রাস্তা পাকা করা হবে, দেখানো হয়েছে বাজেটে। খুব সুন্দর কথা। অসম সরকারের সঙ্গে ভারত সরকারকেও জানাই ধন্যবাদ। কিন্তু, মহোদয়, তিন তিনবার ধরে গগৈ মহাশয় মুখ্যমন্ত্রী রয়েছেন অসমে, অনেক টাকাও দিয়েছেন এইসব কাজের জন্য। কিন্তু ঐ টাকাতো সব ইঁদুরের গর্তে চলে যায়। এই গর্ত বন্ধ না করতে পারলে তো কিছুই হবেনা। মহোদয়, মুখ্যমন্ত্রী কেবল শাসক দলের নয়, আমাদেরও মুখ্যমন্ত্রী। সাংবাদিকরা তো ছাড়বেনা। এদেরতো আবার চোখ ছয়টা। দুটো সামনে, দুটো ডাইনে আর দুটো বায়ে। তারা যখন তাঁর সমালোচনা করে, তখন আমাদেরও ভাল লাগেনা। তিনিটো টাকা কম দিচ্ছেনা!

(Voice- সাংবাদিকক সমালোচনা কৰিব নালাগে।

এইটো Expunge কৰিব লাগে।)

না না। সমালোচনা নয়। সাংবাদিকদের দূরদর্শিতার কথা বলছি। তাদের কাছ থেকে কিছুই গোপন করা যায়না। আর অযথা প্রশংসা করে তাদের লেখনি বন্ধ করা যায়না, তোষামোদেও এদেরে ভুলানো যাবেনা।

মহোদয়, বরাকের এক জনপ্রতিনিধি আমাকে বললেন যে বরাকের একটা ইঁদুরের গর্ত নাকি এখন বন্ধ হয়ে গেছে। আরেকটা বাকী। মুখ্যমন্ত্রীরতো অনেক Source আছে, আরেকটা নিশ্চয় অচিরে বন্ধ হবে।

মহোদয়, একবার এক লোহার ব্যবসায়ী তীর্থ করতে যাবার সময় তার বন্ধুকে বলল যে তার একশ কুইণ্টল লোহা বিক্রি হয়নি। এগুলো যেন আপাততঃ তার কাছে রাখে, ফিরে এসে পরে নিয়ে যাবে। ফিরে যখন আসলো এবং লোহাগুলো ফেরত চাইল, আসবে জেনে গতকাল দরজা খুলে দেখি এক টুকরোও লোহা নেই। তবে, ঘরে কেবল কয়েকটা ইঁদুরের গর্ত রয়েছে। এসব ঐ ইঁদুরের কারবার। বুদ্ধিমান ব্যবসায়ী সবই বুঝতে পারলো আর বলল যে হ্যা, লোহাতো ইঁদুরের খুবই প্রিয় খাদ্য, কি আর করা যাবে। কদিন পর এই দুষ্ট বন্ধুটির ছেলে Kidnap হয়ে যায়, সে অসহায় হয়ে আগের বন্ধুটিকে খবর দিলে সে বলল যে যেদেশে ইঁদুরের এত ক্ষমতা যে 100 Quintle লোহার রড খেয়ে ফেলে, সেদেশের চিল যে কতো

ক্ষমতাশালী। আমি একটা চিলকে তোমার ছেলেকে তুলে নিয়ে যেতে দেখেছি। বন্ধু সবই বুঝতে পারলো আর তার লোহা নিয়ে ছেলেকে ফিরিয়ে দিতে মিনতি করলো। তাই বলি যে এই কোটি কোটি টাকা যে কোন ইঁদুরের পেটে যায় তা ধরতে না পারলে কিছুই হবেনা। এই টাকাগুলি যদি মুখ্যমন্ত্রী উদ্ধার করতে পারে জনসাধারণের টাকা জনসাধারণকে ফিরিয়ে দিতে পারেন, তাহলে আমরা ঝুড়ি উজার করে ধন্যবাদ দেবে। মহোদয়, এক সময় ভারতের প্রধান মন্ত্রী রাজীব গান্ধী আক্ষেপ করে বলেছিলেন যে কেন্দ্রের টাকার ১০% ভাগও গ্রামে পৌছায়না। তরুণ প্রজন্মের বিধায়করা হয়ত ভবিষ্যতে শুবেন রাহুল গান্ধীজি বলছেন যে দিল্লীর টাকার ১% ভাগও পল্লিতে পৌছায়না। দুই তরুণ প্রজন্মের সদস্যা শ্রীমতি রুমি নাথ ও শ্রীমতি সুস্মিতা দেব বাজেট বক্তৃতায় সরকারকে ধন্যবাদ দিয়েও অতি কৌশলে সমালোচনা করে PWD National Highway No.44,53,54 এগুলির দুর্নীতির কথা বলেছেন।

মাননীয় অধ্যক্ষ ঃ আপনি শেষ করুন।

Maulana Ataur Rahaman Mazarbhuiyan : মহোদয়, আপনার নির্দ্দেশের প্রতি সন্মান জানিয়ে আমি আমার অর্ধসমাপ্ত ভাষণটি আবার বলার আশা রেখে এখানেই শেষ করলাম।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ ১৩ মিনিট শেষ হৈছে। এতিয়া মাননীয় সদস্য, শ্রীৰাণা গোস্বামী।

* **শ্রীৰাণা গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াই যোৱা ১১ তাৰিখে সদনত যিখন বাজেট দাখিল কৰিলে সেই বাজেটৰ ওপৰত ইতিমধ্যে পুৰাৰ পৰা যথেষ্ট আলোচনা-বিলোচনা হৈ গ'ল আৰু লগতে পৰামর্শ আদিও দিয়া হ'ল। আজি এই বাজেট বক্তৃতাত আমাৰ বিশেষকৈ নতুন প্রজন্মৰ কেইবাজনো সদস্যই বিভিন্ন ধৰণৰ পৰামর্শ আগবঢ়াইছে বাজেটখন জনমুখী বাজেট বুলি অভিহিত কৰিছে। আমাৰ মাননীয় মুখ্য মন্ত্রীয়ে বিত্ত মন্ত্রীৰ দায়িত্বত থাকি যি বাজেট উত্থাপন কৰিছে ময়ো এইখনক জনমুখী বাজেট বুলি অভিহিত কৰিলো। অসমৰ জনসাধাৰণে এনে এখন বাজেট আশা কৰিছে।

মাননীয় অধ্যক্ষ ঃ এতিয়া ৫.৩০ বাজিল, মাননীয় সদস্যই অহা কালিলৈ বাকীখিনি ক'ব।

আজি সদন অহা কালিলৈ ১৪/৭/২০১১ পুৰা ৯.০০ বজালৈ স্থগিত ৰখা হ'ল।

---

